● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩



# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

### দিগ্‌দৰ্শন

যদি আপোনাক সকলোৱে ভাল পায়, তেন্তে নিশ্চয় কিবা গণ্ডগোল আছে। আপোনাক সজাগ ৰাখিবলৈ অন্ততঃ এজন শত্ৰু বিচাৰি উলিৱাওক।

পাওল' কোৱেলহ'
*ব্ৰাজিলৰ সাহিত্যিক*




www.dainikagradoot.in



৭ অমৰিন্দৰ-বিজেপিয়ে সলনি কৰিব নিৰ্বাচনী দৃশ্যপট
১৫ টি-২০ত ৩-০ৰে শৃংখলা দখল ভাৰতৰ
৪ এক ঐতিহাসিক গণ-আন্দোলন



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৪৬তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৫ আঘোণ ১৪২৮ ভাস্কৰাব্দ ২২ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 22 November 2021 মূল্য ঃ ৯.০০ টকা


## কৃষি আইন বাতিল ঃ কাৰ জয়, কাৰ পৰাজয় ?

■ প্ৰাঞ্জলসেন ডেকা

**এখন** চৰকাৰে পৰিস্থিতি আৰু প্ৰয়োজন সাপেক্ষে কোনো আইন প্ৰণয়ন, সংশোধন অথবা প্ৰত্যাহাৰ কৰাটো গণতান্ত্ৰিক শাসন পদ্ধতিত কোনো অস্বাভাৱিক ঘটনা নহয়। ইয়াত কাৰোবাৰ জয়-পৰাজয়ৰ প্ৰশ্নও অবান্তৰ; কিন্তু যোৱা শুকুৰবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বহু বিতৰ্কিত তিনিখন কৃষি আইন বাতিলৰ সিদ্ধান্ত ঘোষণা কৰাৰ লগে লগে ইয়াকে লৈ যথেষ্ট হুলস্থূলৰ সৃষ্টি হৈছে। ইয়াৰ লগে লগে এই আইন বাতিলৰ সিদ্ধান্তত *১০ পৃষ্ঠাত চাওক*

■ ‘দৈনিক অগ্ৰদূত’ৰ বাতৰিৰ পাছতে বেলতলা বজাৰত অভিযান ■ ৰঙা পিঁয়াজৰ সৰ্বোচ্চ খুচুৰা মূল্য ৪২ টকা নিৰ্ধাৰণ কৰি ৪৫ টকাত বিক্ৰীৰ অনুমতি ■ সকাহ পাবনে খুচুৰা ব্যৱসায়ীয়ে ?

# আৰক্ষী-প্ৰশাসনৰ সন্মুখতে গুণ্ডাকৰ



*তেজপুৰৰ মাজগাঁৱত ৰাস মহোৎসৱৰ এটি মুহূৰ্ত, শনিবাৰে নিশা।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ নৱেম্বৰ ঃ** বিগত কে'বামাহ ধৰি মহানগৰীকে ধৰি ৰাজ্যৰ পাচলি বজাৰত আকাশলংঘী মূল্যবৃদ্ধি তথা মূল্যৰ ব্যাপক তাৰতম্যৰ পাছতো শুই থকা আৰক্ষী প্ৰশাসনে অৱশেষত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিৰ হেঁচাত সাৰ পাবলৈ বাধ্য হ'ল। আৰক্ষী-প্ৰশাসনৰ একাংশ বিষয়া-কৰ্মচাৰীৰে গোপন বুজাবুজিৰ বলতে একোজন পাচলি ব্যৱসায়ীৰ পৰা পাঁচশ টকা পৰ্যন্ত গুণ্ডাকৰ সংগ্ৰহৰ গুৰুতৰ অভিযোগ উত্থাপন হৈ আহিছে। ফলত দিকবিদিক হেৰুওৱা পাচলি ব্যৱসায়ীয়ে মূৰে-কপালে হাত দিবলগীয়া অৱস্থাৰ সৃষ্টি হয়। পাইকাৰী আৰু খুচুৰা মূল্যৰ মাজত বৃহৎ তাৰতম্যৰ প্ৰধান কাৰক খুচুৰা ব্যৱসায়ীৰ পৰা দাদাগিৰিৰে আদায় কৰা গুণ্ডাকৰ আৰু এই গুণ্ডাকৰৰ বাবেই যে খুচুৰা ব্যৱসায়ীয়ে অত্যাধিক মূল্যত সামগ্ৰী বিক্ৰী কৰি অতিৰিক্ত ব্যয় গ্ৰাহকৰ পৰা সংগ্ৰহ কৰিবলগীয়া হয় সেয়া ‘দৈনিক অগ্ৰদূত’-ত প্ৰকাশ পোৱাৰ পাছতে আজি মহানগৰীৰ বেলতলা *১০ পৃষ্ঠাত চাওক*



■ বৈঠকত অসম-নগালেণ্ডৰ মুখ্যমন্ত্ৰী ■ পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়ত আলোচনা হ'লেও সদৰী নকৰিলে বিষয়বস্তু ■ মেঘালয়ৰে সীমা সমস্যাৰ সন্দৰ্ভত শীঘ্ৰে সমাধান ওলাব ঃ ড° শৰ্মা

## সীমা সমস্যাবোৰ আৰু সহজ হৈ থকা নাই

■ আগন্তুক বৰ্ষৰ পৰা অভিযান্ত্ৰিক মহাবিদ্যালয়-কাৰিকৰী প্ৰতিষ্ঠানসমূহৰ খালী পদসমূহ পূৰণ কৰা হ'ব ■ জেইচিৰ নৱনিৰ্মিত প্ৰেক্ষাগৃহ মুকলি, আউনীআটী বিশ্ববিদ্যালয়ৰ আধাৰশিলা ■ লাচিতৰ মৈদাম সংৰক্ষণ-উন্নয়নৰ বাবে এক কোটিৰ অনুদান

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**যোৰহাট/জাঁজী/টীয়ক/কাকজান, ২১ নৱেম্বৰ ঃ** ‘৭৫ বছৰৰ সমস্যা একেদিনাই সমাধান নহয়। সময় লাগিব। সমস্যাবোৰ সহজ হৈ থকা নাই। প্ৰতিটো সমস্যাই জটিল। প্ৰতিখন ৰাজ্যৰে একো একোটা ‘ষ্টেণ্ড পইণ্ট’ আছে। টেবুলত বহিলে সমাধান সূত্ৰ ওলাব।’ এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি যোৰহাট জিলা ভ্ৰমণৰ সময়তে নগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিউৰ স'তে এক বৈঠকত মিলিত হোৱাৰ পাছতে ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত এইদৰে কয়। উত্তৰ-পূবৰ আন ৰাজ্যসমূহৰ স'তে সীমা সমস্যা সন্দৰ্ভত সাংবাদিকৰ এক প্ৰশ্নৰ *১০ পৃষ্ঠাত চাওক*



■ ২৯ নৱেম্বৰত সংসদলৈ যাত্ৰা-২৪ নৱেম্বৰত দিল্লী সীমান্তলৈ যাত্ৰা
■ গৌৰৱ অথবা অহমিকা নহয়, অৱহেলিত ভাৰতীয়ৰ জীৱিকাৰ প্ৰশ্ন

## কেন্দ্ৰই শিৰনত কৰাৰ পাছত কৃষকৰ ‘সংসদ চলো’ কাৰ্যসূচী ঘোষণা

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ নৱেম্বৰ ঃ** এবছৰৰো অধিক সময় ৰাজপথত আন্দোলন অব্যাহত ৰখাৰ পাছত প্ৰতিবাদী কৃষকৰ ওচৰত কেন্দ্ৰীয় চৰকাৰে শিৰনত কৰিলে যদিও সম্পূৰ্ণৰূপে এতিয়াও পতিয়ন যোৱা নাই কৃষকসকল। ইতিমধ্যে দেশজোৰা আন্দোলনৰ নেতৃত্ববাহী ভাৰতীয় কিষাণ ইউনিয়ন (বিকেইউ)ৰ নেতা ৰাকেশ টিকাইটকে ধৰি আন্দোলনৰ অগ্ৰণী নেতাসকলে স্পষ্ট কৰি দিছে যে আগন্তুক সংসদৰ শীতকালীন অধিবেশনত তিনিখন বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰ নোহোৱা পৰ্যন্ত এই আন্দোলন অব্যাহত থাকিব। শুকুৰবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ দেশবাসীকে হতচকিত কৰি বিতৰ্কিত আইন প্ৰত্যাহাৰৰ ঘোষণাৰ লগতে কৃষকসকলক আন্দোলনস্থলী ত্যাগ কৰি ঘৰলৈ উভতি যাবলৈ অনুৰোধ জনাইছিল।

আজি প্ৰতিবাদী কৃষকৰ যুটীয়া সংগঠন সংযুক্ত কিষাণ মৰ্চা (এছকেএম)ৰ প্ৰতিবাদী কৃষকসকল দিল্লীৰ সিংঘু সীমান্তত বৈঠকত মিলিত হয় *১০ পৃষ্ঠাত চাওক*

## আইআইটিত নেন' প্ৰযুক্তিৰ কেন্দ্ৰ উদ্বোধন মন্ত্ৰী প্ৰধানৰ

উত্তৰ-পূবক সেউজ শক্তি বিকাশৰ কেন্দ্ৰৰূপে গঢ়ি তুলিবলৈ আহ্বান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ নৱেম্বৰ ঃ** কেন্দ্ৰীয় শিক্ষা, দক্ষতা বিকাশ আৰু উদ্যোগশীলতা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি আইআইটি, গুৱাহাটী ভ্ৰমণ কৰে আৰু অত্যাধুনিক নেন' প্ৰযুক্তি কেন্দ্ৰ আৰু ভাৰতীয় জ্ঞান প্ৰণালী কেন্দ্ৰৰ লগতে শিক্ষানুষ্ঠানখনিত দুটাকৈ হোষ্টেল *দুই পৃষ্ঠাত চাওক*



■ তিনিদিনৰ ভিতৰতে আনুষ্ঠানিক প্ৰক্ৰিয়া আৰম্ভ কৰিব চৰকাৰে

## তিনি কৃষি আইন বাতিলৰ মোদীৰ আকস্মিক ঘোষণাত হতভম্ব বিজেপি

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ নৱেম্বৰ ঃ** অহা তিনিদিনৰ ভিতৰতে কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীসভাই বিতৰ্কিত কৃষি আইন তিনিখন প্ৰত্যাহাৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ সম্ভাৱনা প্ৰকট হৈছে। চৰকাৰী সূত্ৰত প্ৰকাশ যে অহা ২৪ নৱেম্বৰত কেবিনেট বৈঠকত ইয়াকে লৈ আলোচনাৰ সম্ভাৱনা আছে। এই বৈঠকত সেউজ সংকেতৰ পাছতে কৃষি আইন প্ৰত্যাহাৰৰ বাবে সংসদৰ শীতকালীন অধিবেশনত বিধেয়ক উত্থাপন কৰা হ'ব। উল্লেখ্য যে ২০২০ৰ ছেপ্টেম্বৰৰ সংসদত কৃষি আইন গৃহীত কৰাৰ পাছৰে পৰা দেশজুৰি আৰম্ভ হোৱা কৃষক আন্দোলন বৰ্তমান পৰ্যন্ত চলি থকাত পট পৰিৱৰ্তন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আইন প্ৰত্যাহাৰৰ সিদ্ধান্ত ঘোষণা কৰে। অৱশ্যে মোদীৰ এই আকস্মিক ঘোষণাত বিভ্ৰান্ত হৈছে বিজেপি। বিজেপি কৰ্মীক মোদীৰ নেতৃত্বত দলৰ সকলো *১০ পৃষ্ঠাত চাওক*



## মুখ্যমন্ত্ৰীৰ ক'ভিড সাহায্য আঁচনিৰ এপ'ত বিসংগতি

বহিঃৰাজ্যৰ পঞ্জীয়নভুক্ত বাহন নকৰে গ্ৰহণ ঃ পোৱা নাই সুফল

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ নৱেম্বৰ ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ ফলত দীৰ্ঘসময় আন্তঃজিলা যাতায়াত বন্ধ হৈ পৰাৰ ফলত ক্ষতিগ্ৰস্ত যাত্ৰীবাহী বাছৰ চালক-পৰিচালক-হেণ্ডিমেনসকলক ১০ হেজাৰ টকাকৈ সাহায্য দিয়াৰ উদ্দেশ্যে যোৱা ২৭ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই *দুই পৃষ্ঠাত চাওক*

■ আচৰিত হ'ল চিকিৎসক ঃ সংকটমুক্ত ঘোষণা কৰি যাবলৈ দিলে

## সাত ঘণ্টা মৰ্গৰ ফ্ৰীজাৰত থকাৰ পাছতো জী উঠিল মৃত লাইনমেন

■ **নিউজ ব্যুৰ'**
**লক্ষ্ণৌ, ২১ নৱেম্বৰ ঃ** চিকিৎসকে পৰীক্ষা কৰি মৃত ঘোষণা কৰাৰ পাছত মৃতদেহ সাত ঘণ্টা সময় আছিল হাস্পতালৰ মৰ্গৰ ফ্ৰীজাৰত। তেনে অৱস্থাৰ পৰাও এজন লোক জীৱন্ত হৈ উঠা এক ঘটনাই সম্প্ৰতি উত্তৰপ্ৰদেশৰ এখন হাস্পতালৰ চিকিৎসকসকলৰো চকু কপালত তুলিছে। অতি আশ্চৰ্যজনকভাৱে লোকজনৰ প্ৰাণৰক্ষা পৰাৰ পাছত সম্প্ৰতি তেওঁ সংকটমুক্ত বুলি হাস্পতাল কৰ্তৃপক্ষই সদৰী কৰিছে। এই অবিশ্বাস্য ঘটনা সংঘটিত হৈছে উত্তৰপ্ৰদেশৰ মোৰাদাবাদত।

প্ৰকাশিত তথ্য অনুসৰি, যোৱা বৃহস্পতিবাৰে সুৰেশ কুমাৰ নামৰ এজন লাইনমেন মটৰ চাইকেল দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয়। আৰক্ষীয়ে আহত লোকজনক মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰি মোৰাদাবাদৰ অসামৰিক চিকিৎসালয়লৈ নিয়ে। কৰ্তব্যৰত চিকিৎসকে পৰীক্ষা কৰি লোকজনৰ ইতিমধ্যে মৃত্যু হোৱা বুলি ঘোষণা কৰে। ইয়াৰ *১০ পৃষ্ঠাত চাওক*

## তিনিচুকীয়াত পথ দুৰ্ঘটনাত মৃত্যু মোমায়েক ভাগিনীয়েকৰ

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২১ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ থাৰ্মেলত আজি সংঘটিত এক পথ দুৰ্ঘটনাত যুৱতীসহ দুজনৰ মৃত্যু হয়। মৃত্যু হোৱা মটৰ চাইকেল আৰোহীদ্বয় মোমায়েক আৰু ভাগিনীয়েক বুলি চিনাক্ত কৰা হৈছে। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ *দুই পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ১৯° |
| ডিব্ৰুগড় | ২৪° | ১৯° |
| দিল্লী | ২৪° | ১৫° |
| কলকাতা | ২৯° | ২৩° |
| মুম্বাই | ৩১° | ২৭° |
| চেন্নাই | ২৮° | ২৬° |
| বাংগালুৰু | ২৫° | ২০° |
| শ্বিলং | ১৯° | ১১° |

২১ নৱেম্বৰ, ২০২১

পঞ্জীয়নৰ ব্যৱস্থা নাই, মাহে ২৫-৩০ লাখ ৰাজহ হেৰুৱায় নিগমে

নিয়মীয়াকৈ অংশ লাভ কৰে প্ৰশাসনৰ বিষয়াই ঃ পদপথতো গুণ্ডাগিৰি

## ছয়মাইলৰ বজাৰত তিনি লাখকৈ গুণ্ডাকৰ আদায় কৰিছে আনোৱাৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ নৱেম্বৰ ঃ** গুৱাহাটী পৌৰ নিগমৰ অধীনস্থ ছয়মাইল উৰণীয়া সেতুৰ তলৰ বজাৰৰ মৎস্য ব্যৱসায়ীৰ পৰা মাহিলি তিনি লাখ টকা গুণ্ডাকৰ সংগ্ৰহ কৰি আহিছে স্থানীয় গুণ্ডা আনোৱাৰে। ব্যৱসায়ীসকলক হত্যাৰ ভাবুকি পৰ্যন্ত দি দৈনিক পুৱা সাত-আঠ বজাত দুশ টকাকৈ আৰু সন্ধিয়া এশ টকাকৈ আনোৱাৰে সংগ্ৰহ কৰি অহা এই ক'লাধনৰ ভাগ পৌৰ নিগমৰ একাংশ বিষয়াৰ জেপলৈও যোৱাৰ অভিযোগ উঠিছে। পৌৰ নিগমে মৎস্য ব্যৱসায়ীসকলৰ পৰা দৈনিক কৰ সংগ্ৰহ কৰি আহিছে যদিও দীৰ্ঘদিনৰ পৰা বজাৰখনত সন্ত্ৰাস সৃষ্টি কৰি অহা ছয়মাইলৰ উৰণীয়া সেতুৰ গাতে লাগি থকা দ্বাৰান্ধাৰ নিবাসী আনোৱাৰৰ *১০ পৃষ্ঠাত চাওক*

## বিশ্ব ইতিহাসত খোদিত হোৱা বিদেশী আন্দোলনৰ নেতৃত্ব লৈছিল ছাত্ৰ সমাজে

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২১ নৱেম্বৰ ঃ** ৰাজ্যত বিদেশী বহিষ্কৰণৰ বাবে হোৱা গণ আন্দোলনৰ নেতৃত্ব লৈছিল অসমৰ ছাত্ৰ সমাজে। বিশ্বৰ ইতিহাসত এই আন্দোলন খোদিত হৈ ৰ'ল। আজি তিনিচুকীয়াৰ বৰগুৰিত অসম ছাত্ৰ পৰিষদৰ তৃতীয় *দুই পৃষ্ঠাত চাওক*

■ পৰ্যটকৰ বাবে মুকলি হ'ল পানপুৰ বনাঞ্চল

১৭টাকৈ বাঘৰ উপস্থিতি ধৰা পৰিছে বনাঞ্চলত

## শীঘ্ৰে মকুৱাচাপৰিৰ ১২শ সন্দেহজনক পৰিয়ালক উচ্ছেদৰ বাবে অভিযান

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২১ নৱেম্বৰ ঃ** ‘পানপুৰ বনাঞ্চলৰ কাষতে মুকৰাচাপৰিক সংলগ্ন কৰি কাজিৰঙা নৱম সংযোজন ইতিমধ্যে গঠন কৰা হৈছে। সেই মকুৱাচাপৰিত প্ৰায় ১২শ পৰিয়ালে ভূমি বেদখল কৰি আছে। ইতিমধ্যে এইসকলক চিনাক্ত কৰা হৈছে আৰু অতি শীঘ্ৰে এইসকলক উচ্ছেদ কৰাৰো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে।’ এই মন্তব্য চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ। আজি জামুগুৰিহাটৰ পানপুৰ বনাঞ্চল পৰ্যটকৰ বাবে মুকলি অনুষ্ঠানত বিধায়কজনে এই মন্তব্য কৰে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ তথা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ অন্তৰ্গত পানপুৰ বনাঞ্চল বিধায়ক হাজৰিকাই ফিটা কাটি উন্মোচন কৰে। বন বিভাগৰ বহু উচ্চপদস্থ বিষয়াৰ উপস্থিতিত পানপুৰঘাটত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানত *১০ পৃষ্ঠাত চাওক*

মৰিয়নিৰ নাগিনীজান চাহ বাগিচাত অঘটন

## ঘৰতে উদ্ধাৰ তিনিবছৰীয়া শিশুসহ মহিলাৰ ওলমি থকা মৃতদেহ

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২১ নৱেম্বৰ ঃ** এক চাঞ্চল্যকৰ ঘটনাই যোৱা নিশা জোকাৰি যায় মৰিয়নিৰ নাগিনীজান চাহ বাগিচাক। মৰিয়নিৰ দেবেৰাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত নাগিনীজান চাহ বাগিচাৰ এটা বন্ধ ঘৰৰ ভিতৰত এটি কণমানি শিশুসহ এগৰাকী মহিলাৰ *১০ পৃষ্ঠাত চাওক*

### চেঙা তেল




*ভয় খাবলগীয়া একো নাই, এয়া আমাৰ ছিনিয়ৰ আৰু জুনিয়ৰৰ মাজত কিক্-বক্সিং চলি আছে!*

## ১০ সহস্ৰাধিকৰ উপস্থিতিত লাইখুঁটা স্থাপন



নাহৰকটীয়া নীলমণি ফুকন সমন্বয় ক্ষেত্ৰত শংকৰদেৱ সংঘৰ অধিবেশনৰ প্ৰস্তুতি আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**নাহৰকটীয়া, ২১ নৱেম্বৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১ সংখ্যক বাৰ্ষিক অধিবেশন এইবাৰ ডিব্ৰুগড় জিলা শাখাৰ আমন্ত্ৰণক্ৰমে নাহৰকটীয়াস্থিত কলিয়াপানী, ৰাঙলী পথাৰ ‘বাগ্মীবৰ ককা নীলমণি ফুকন সমন্বয় ক্ষেত্ৰ’ত ২০২২ৰ চাৰি ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। এই উপলক্ষে আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈয়ে কৃষিমন্ত্ৰী অতুল বৰা, নাহৰকটীয়াৰ বিধায়ক তথা আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি তৰংগ গগৈ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাকে প্ৰমুখ্য কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ১০ সহস্ৰাধিক বিভিন্ন জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ভকত বৈষ্ণৱৰ *১০ পৃষ্ঠাত চাওক*




## কৃষ্ণাইৰ ভেলাখামাৰত বিশ্ব মৎস্য দিৱস পালন

**কৃষ্ণাই, ২১ নৱেম্বৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ ভেলাখামাৰত আজি বিশ্ব মৎস্য দিৱস পালন কৰা হয়। গোৱালপাৰা জিলা মীন উন্নয়ন বিভাগৰ উদ্যোগত তথা আলংকাৰিক মৎস্য গাঁও ভেলাখামাৰত অনুষ্ঠিত আজিৰ মৎস্য দিৱসৰ লগত সংগতি ৰাখি এখন সভাৰো আয়োজন কৰা হয়। স্থানীয় সমাজসেৱক কেশৱ শৰ্মাৰ সভাপতিত্বত আয়োজিত সভাখনত জিলা মীন বিভাগৰ বিষয়াসকলৰ লগতে প্ৰায় অৰ্ধ শতাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে।

**পদ খালী**

**Direct Posting** গুৱাহাটীৰ কোম্পানীত মেনেজাৰ, ছুপাৰভাইজাৰ আৰু পেকেজিং কাম কৰাৰ বাবে বহুত যুৱকৰ প্ৰয়োজন। থকা-খোৱা **Free**। দৰমহা ৩০,০০০/- টকালৈকে।

**Perfect Jobsite**
**Dispur**
**98640 20419, 8011007148**

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

## অসম গৰিয়া জাতীয় পৰিষদৰ নগাঁও জিলা সমিতি গঠন

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ নৱেম্বৰ ঃ** সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ নগাঁও জিলা সমিতিখন আজি গঠন হয়। নগাঁও চহৰৰ পৰ্যটন বিভাগৰ প্ৰশান্তি লজত অনুষ্ঠিত এখন সভাত সমিতিখন গঠন হয়। সভাত ফজলুৰ হকক সভাপতি আৰু বদৰুল ইছলাম হাজৰিকাক সাধাৰণ সম্পাদক হিচাপে লৈ ২১ জনীয়া সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ নগাঁও জিলা সমিতিখন গঠন হয়। উল্লেখ্য যে নগাঁও জিলা সমিতি গঠনৰ আজিৰ সভাখনত সভাপতিত্ব কৰে কামপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মুহিউদ্দিন আহমেদে। সভাত সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ ৰাজ্যিক সমিতিৰ সভাপতি মইনুল ইছলাম, কাৰ্যকৰী সভাপতি ইমতিয়াজ আহমেদ, সাধাৰণ সম্পাদক মীৰ আৰিফ ইকবাল হুছেইন উপস্থিত থাকি সংগঠনৰ লক্ষ্য, উদ্দেশ্য আৰু গৰিয়াসকলৰ গৌৰৱ উজ্জ্বল ইতিহাস দাঙি ধৰে। তেওঁলোকে গৰিয়া সকলক একত্ৰিত হ'বলৈও আহ্বান জনায়। সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি মইনুল ইছলামে সাংবাদিকক কয় যে নগাঁও জিলাকে ধৰি বৰ্তমান ১৮খন জিলা সমিতি গঠন কৰা হৈছে। পৰৱৰ্তী সময়ত আমি গৰিয়া অধ্যুষিত জিলাসমূহত সমিতি গঠন কৰাৰ উপৰি আঞ্চলিক সমিতিসমূহো গঠন কৰা হ'ব।

## নগৰবেৰাৰ বিক্ৰম ছাৰাভাই ছায়েন্স একাডেমীৰ নৱাগত আদৰণি সভা সম্পন্ন

**আলোপতি, ২১ নৱেম্বৰ ঃ** 'এটা সপোনৰ পিছে দৌৰিবলৈ মানুহৰ বেলেগ একো নালাগে। কেৱল ইচ্ছাশক্তি আৰু আত্মবিশ্বাসৰ প্ৰয়োজন। কালি কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাৰ এখন ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান বিক্ৰম ছাৰাভাই ছায়েন্স একাডেমীৰ নৱাগত আদৰণি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক উদ্দেশি ভাষণত এইদৰে কয় জ্যেষ্ঠ সাংবাদিক নিতুমণি শইকীয়াই। বিদ্যালয়খনৰ অধ্যক্ষ নিৰ্মল কলিতাৰ সভাপতিত্বত আৰু বিদ্যালয়খনৰ পৰিচালন সঞ্চালক আব্দুল জলিলে উদ্বোধন কৰা সভাত শইকীয়াই কয় যে নিজৰ প্ৰবল ইচ্ছাশক্তিক আত্মবিশ্বাসেৰে আগুৱাই নিব পাৰিলে সফলতা লাভ হ'বই। বিভিন্ন ঘাত-প্ৰতিঘাত আহিলেও সেয়া হেলাৰঙে অতিক্ৰম কৰিব পৰাকৈ মনোবল আৰু আত্মবিশ্বাস থাকিব লাগিব। সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক হজৰত আলী আহমেদ, দুধনৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ছফিকুল ইছলাম, নগৰবেৰা আঞ্চলিক মৌজা কমিটীৰ সভাপতি উদয় শংকৰ মেধি, সম্পাদক ভৱেশ তালুকদাৰ, নগৰবেৰা জিলা পৰিষদৰ সদস্যা হিমাদ্ৰী পাঠক, ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° মনোৱাৰ হুছেইন, অধ্যাপক ড° আনোৱাৰ হুছেইন, শিক্ষক আলাউদ্দিন আল আমিন আদিয়ে উপস্থিত থাকে। সভাত সৰ্বভাৰতীয় যোগ্যতা নিৰূপণ বাছনি পৰীক্ষা (নীট)ত ২০১৯-২০ত উত্তীৰ্ণ বিক্ৰম ছাৰাভাই ছায়েন্স একাডেমীৰ প্ৰাক্তন ছাত্ৰ হিতুল ৰয় আৰু জয়দেৱ পালকৰ বিশেষ সম্বৰ্ধনা জনোৱা হয়। সভাৰ অন্তত আমন্ত্ৰিত কণ্ঠশিল্পীৰ সংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

## বিশ্ব ইতিহাসত খোদিত

*এক পৃষ্ঠাৰ পৰা* সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ সভাত অংশ লৈ এইদৰে কয় মন্ত্ৰী অতুল বৰাই। অগপ সভাপতি বৰাই কয় যে আন্দোলনৰ পটভূমিতে গঠন হৈছিল অসম গণ পৰিষদ। পৰৱৰ্তী সময়ত এই দলৰ পৰাই জন্ম লয় আন এক ভ্ৰাতৃ সংগঠন অসম ছাত্ৰ পৰিষদ। বৰাই আনহাতে কয় যে আজিৰ সভাত সংগঠনৰ নেতা-কৰ্মীসকলৰ আনন্দ-উদ্দীপনা দেখি তেওঁ আনন্দিত হৈছে।

## শিৱসাগৰৰ বয়োজ্যেষ্ঠা মহিলা সন্ধানহীন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ নৱেম্বৰ ঃ** শিৱসাগৰ নগৰৰ বাবুপট্টি অঞ্চলৰ পৰা কালি এগৰাকী প্ৰায় ৬৫ বছৰীয়া বয়োজ্যেষ্ঠ মহিলা সন্ধানহীন হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত বাতৰিমতে, কালি সন্ধিয়া বাবুপট্টিৰ বৰা ৰোডৰ চাৰি নম্বৰ ৱাৰ্ডৰ এটি ভাৰাঘৰত বাস কৰি থকা নেমচান্দ তচনীয়ালৰ পৰিবাৰ বিমলা দেৱী তচনীয়ালে কোনো নথকাত বাহিৰলৈ ওলাই গৈ উভতি নহাত পৰিয়ালৰ লগতে ওচৰ-চুবুৰিয়াই বিচাৰ-খোচাৰ কৰি একো সন্ধান নোপোৱাত সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। বাতৰি লিখা পৰ্যন্ত মহিলাগৰাকীৰ কোনো সম্ভেদ পোৱা হোৱা নাই। বগা বৰণৰ চাপৰ আকৃতিৰ মহিলাগৰাকীৰ কোনোবাই সম্ভেদ পালে ৭০০২০-২২৫৪০ নম্বৰত পৰিয়ালৰ লোকে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## ঘগ্ৰাপাৰত আশাকৰ্মী-আশা ছুপাৰভাইজৰ-স্বাস্থ্য স্বয়ংসেৱকৰ সভা

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২১ নৱেম্বৰ ঃ** ক'ভিড-১৯ৰ বিৰুদ্ধে চলি থকা যুদ্ধত এশ শতাংশ জয় নিশ্চিত কৰাৰ বাবে নলবাৰী সমষ্টিৰ অন্তৰ্গত প্ৰতিজন নাগৰিককেই এশ শতাংশ টিকাকৰণ নিশ্চিতকৰণৰ উদ্দেশ্যে নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাৰ উদ্যোগত নলবাৰী স্বাস্থ্য বিভাগৰ সহযোগত নলবাৰী সমষ্টিৰ আশাকৰ্মী, আশা ছুপাৰভাইজৰ আৰু বিজেপিৰ স্বাস্থ্য স্বয়ংসেৱকসকলৰ কালি ঘগ্ৰাপাৰ হৰিমন্দিৰত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক মৃগেন শৰ্মাই আঁথ ধৰা অনুষ্ঠানত নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই প্ৰতিজন স্বাস্থ্যকৰ্মী তথা আশাকৰ্মীসকলক বিজেপিৰ স্বাস্থ্য স্বয়ংসেৱকসকলৰ সহযোগত এশ শতাংশ টিকাকৰণৰ বাবে নিষ্ঠা সহকাৰে কাম কৰি উক্ত যুদ্ধত জয় নিশ্চিত কৰাৰ বাবে আহ্বান জনায়। সভাত 'বড়িগোগ বনভাগ মণ্ডল সমিতি'ৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, সম্পাদক শ্যামন্ত শৰ্মা, নলবাৰী যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ উমেশ ফাংচু, ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য বিষয়া ডাঃ এম বিনয় শৰ্মা, মহকুমা স্বাস্থ্য বিষয়া ডাঃ দিলীপ কলিতাকে ধৰি বড়িগোগ বনভাগ স্বাস্থ্য স্বয়ংসেৱকৰ আহ্বায়ক বিশ্বজ্যোতি কলিতা, ধৰিত্ৰী ডেকা, সবিতা বৈশ্য, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তথা স্বাস্থ্যকৰ্মী জোন বৰ্মনৰ উপৰি বড়িগোগ মণ্ডল সমিতিৰ বিষয়ববীয়াসকল আৰু আশাকৰ্মী-আশা ছুপাৰভাইজৰসকল উপস্থিত থাকে।

## তিনিচুকীয়াত পথ দুৰ্ঘটনাত মৃত্যু

*এক পৃষ্ঠাৰ পৰা* থাৰ্মেলত মটৰ চাইকেলত এখন ট্ৰাকে খুন্দা মৰাৰ ফলতে তেওঁলোকৰ মৃত্যু হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, বিমান চক্ৰৱৰ্তী নামৰ যুৱকজনে নিজৰ এ এছ-২৩ কিউ-৪১৫১ নম্বৰৰ গ্লেমাৰ মটৰ চাইকেলত ভাগিনীয়েক তথা হোজাই জিলাৰ লংকাৰ নিবাসী মানমণি চৌধুৰী (২৬)ক লৈ মাকুমৰ পৰা তিনিচুকীয়া চহৰৰ দিশে গৈছিল। থাৰ্মেলত একে দিশৰ পৰা তীব্ৰ গতিত যোৱা এ এছ-২১-৯৪৪৬ নম্বৰৰ ট্ৰাকখনে পাছফালৰ পৰা মটৰ চাইকেলত খুন্দা মাৰে। ফলত যুৱতীগৰাকী থিতাতে নিহত হোৱাৰ উপৰি মোমায়েক চক্ৰৱৰ্তী গুৰুতৰভাৱে আহত হয়। তিনিচুকীয়া আৰক্ষীয়ে আহত যুৱকজনক ততাতৈয়াকৈ তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা যুৱতীগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখন জব্দ কৰিছে।

## মুখ্যমন্ত্ৰীৰ ক'ভিড সাহায্য আঁচনিৰ

*এক পৃষ্ঠাৰ পৰা* মুকলি কৰা এপৰ কিছু বিসংগতিৰ বাবে অধিকাংশ নৈশ বাছৰ চালক-হেণ্ডিমেনে এই আঁচনিৰ পৰা বঞ্চিত হৈ অহাৰ অভিযোগ উঠিছে। মুখ্যমন্ত্ৰীজনে এই এপ মুকলি কৰি অহা ৩১ ডিচেম্বৰৰ ভিতৰত আবেদনকাৰী চালক-পৰিচালক-হেণ্ডিমেন সকলে এই সাহায্য লাভ কৰিব বুলি সদৰী কৰিছিল যদিও পৰিবহণ বিভাগে মুকলি কৰা এপত বহিঃৰাজ্যৰ পঞ্জীয়নভুক্ত বাহন গ্ৰহণ নকৰাৰ ফলত ক্ষতিগ্ৰস্ত অধিকাংশই এই আঁচনিৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম ঘটিছে। সংশ্লিষ্ট কৰ্তৃপক্ষই এই সন্দৰ্ভত অভিযোগ দাখিল কৰিছে যদিও বৰ্তমানলৈ এই সংক্ৰান্তত বিভাগে কোনোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই বুলি সদৰী কৰিছে সদৌ অসম বেচৰকাৰী দিবা-নৈশ বাছ চালক সন্থাৰ সাধাৰণ সম্পাদক সীমান্ত দত্ত ওৰফে ৰূপম দত্তই। দত্তই কয়, 'মুখ্যমন্ত্ৰীৰ ক'ভিড সাহায্য আঁচনিৰ জৰিয়তে আন্তঃজিলা যাত্ৰীবাহী বাছৰ চালক-পৰিচালক আৰু হেণ্ডিমেনসকলক যি সাহায্য দিয়াৰ কথা কৈছিল, ইয়াৰ আবেদনৰ কাৰণে বিভাগে যিটো এপ মুকলি কৰিছিল, তাত থকা কিছু বিসংগতিৰ বাবে বিশেষকৈ বহু নৈশ বাছ চালক-পৰিচালক-হেণ্ডিমেনে আবেদন কৰিব পৰা নাই। বিশেষকৈ এপটোত বহিঃৰাজ্যৰ পঞ্জীয়নভুক্ত বাহন গ্ৰহণ নকৰে; কিন্তু অসমত অধিকাংশ নৈশ বাছ বহিঃৰাজ্যত পঞ্জীয়নভুক্ত। বিশেষকৈ এতিয়া যিসমূহ নৈশ বাছ আছে অধিকাংশই শ্লিপাৰ আৰু শ্লিপাৰ বাছ অসমত পঞ্জীয়ন নহয়। ফলত এই বাছসমূহৰ কৰ্মচাৰীসকল বঞ্চিত হ'বলগীয়াত পৰিছে।' উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ ক'ভিড সাহায্য আঁচনিৰ এপত বৰ্তমানলৈ ১,৬৪০খন বাছে আবেদন কৰিছে য'ত ১,৬২৭জন চালক, ১,৪৩৫জন পৰিচালক আৰু ১,৩৩৬জন হেণ্ডিমেন আছে।

## আইআইটিত নেন' প্ৰযুক্তিৰ কেন্দ্ৰ

***এক পৃষ্ঠাৰ পৰা*** উদ্বোধন কৰে। তেওঁ তদুপৰি শিক্ষানুষ্ঠানখনিত এনইপি, ২০২০ৰ ৰূপায়ণ সন্দৰ্ভত এখনি পুথি উন্মোচন কৰে। ইয়াত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু সাংসদ কুইন ওজাও উপস্থিত আছিল। এই কাৰ্যসূচীত ভাষণ প্ৰদান কৰি প্ৰধানে ভিন্ন আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় ৰেংকিং প্ৰণালীত উৎকৃষ্ট স্থান অৰ্জনৰ বাবে আইআইটি, গুৱাহাটীক অভিনন্দন জনায় আৰু গৱেষণা আৰু শিক্ষাৰ বাবে এক বাতাবৰণ গঢ়ি তোলাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক উন্নয়নত গুৰুত্ব আৰোপৰ অৰ্থে আইআইটি, গুৱাহাটীৰ প্ৰচেষ্টাৰাজিক প্ৰশংসা কৰে। তেওঁ লগতে কয় যে দুৰ্যোগ ব্যৱস্থাপনা, জৈৱ বৈচিত্ৰ্য-আধাৰিত গৱেষণা, সেউজ শক্তি বিকাশ, জ্ঞান-আধাৰিত অৰ্থনীতি সুদৃঢ়কৰণ আৰু শিক্ষাৰ্থীসকলৰ মাজত উদ্যোগশীলতাৰ উদ্দীপনা জগাই তোলাৰ দৰে ক্ষেত্ৰসমূহত আইআইটি, গুৱাহাটীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। তেওঁ লগতে শিক্ষানুষ্ঠানখনিৰ স'তে জড়িত শিক্ষাৰ্থী আৰু শিক্ষকসকলক সমাধান-কেন্দ্ৰিক উদ্ভাৱনৰ এক প্ৰাণোচ্ছল বাতাবৰণ গঢ়ি তুলিবলৈ প্ৰযুক্তি আৰু জ্ঞানৰ সমন্বয় সাধন কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে এই আন্তঃসংযুক্ত বিশ্বৰ যুগত আইআইটি, গুৱাহাটীৰ নেন'প্ৰযুক্তি কেন্দ্ৰই স্বাস্থ্যসেৱা, নেন'-জৈৱ-সামগ্ৰী, মাইক্ৰ'/নেন' ইলেকট্ৰনিক্স আৰু শক্তিৰ ক্ষেত্ৰত বহুমুখী গৱেষণা আৰু শিক্ষাৰ অগ্ৰগতিৰ বাবে কেইবাটাও শ্ৰেষ্ঠত্ব কেন্দ্ৰ, ইনকিউবেটৰ আৰু অত্যাধুনিক গৱেষণা পৰীক্ষাগাৰক পৃষ্ঠপোষকতা কৰিব। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২০ত তেওঁৰ সমাৱৰ্তন ভাষণত আইআইটি, গুৱাহাটীক ভাৰতীয় জ্ঞান প্ৰণালীৰ অৰ্থে এটি কেন্দ্ৰ স্থাপনৰ পৰামৰ্শ আগবঢ়াইছিল। পুৰাতন আৰু পৰম্পৰাগত ভাৰতীয় জ্ঞানৰ সংৰক্ষণ, নথিভুক্তকৰণ আৰু আদান-প্ৰদানৰ ক্ষেত্ৰত ক্ষিপ্ৰতাৰে এই কেন্দ্ৰটো প্ৰতিষ্ঠা হোৱাৰ বাবে তেওঁ সন্তোষ প্ৰকাশ কৰে। প্ৰধানে কয় যে শ্ৰীমন্ত শংকৰদেৱ এগৰাকী মহান পণ্ডিত আছিল, যিয়ে সভ্যতা আৰু মানৱতাক নতুন ভাৱনাৰে সংপৃক্ত আৰু ৰূপ প্ৰদান কৰিছিল। গৌৰৱময় আহোম সংস্কৃতি, মোহনীয়া ব্ৰহ্মপুত্ৰ, মা কামাখ্যাৰ আশীৰ্বাদ পুষ্ট পৱিত্ৰ ভূমি আৰু লাচিত বৰফুকনৰ দৰে মহান বীৰ আইআইটি, গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীসকলৰ অনুপ্ৰেৰণাৰ উৎস হোৱা উচিত বুলি তেওঁ লগতে কয়। মন্ত্ৰীজনে উল্লেখ কৰে যে ক'ভিড-১৯ৰ সময়ছোৱাত উদ্ভাৱন আৰু প্ৰযুক্তিয়ে আমাক পিপিই কিটৰে সাহায্য আগবঢ়াইছিল, ভেকচিনৰ বিকাশ সাধন আৰু উৎপাদনত আমাক সহায় কৰিছিল আৰু এই দেশৰ প্ৰাণোচ্ছলতাক সূচাইছিল। আইআইটি, গুৱাহাটীৰ দৰে শিক্ষানুষ্ঠানসমূহে সামাজিক কল্যাণৰ বাবে উদ্ভাৱনৰ আশ্ৰয় গ্ৰহণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব বুলি তেওঁ লগতে কয়। তেওঁ কয় যে চিঅ'পি ২৬ত প্ৰধানমন্ত্ৰী মোদীয়ে জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজিবলৈ পঞ্চমৃত দৃষ্টিৰ কথা উল্লেখ কৰিছিল। আমাৰ পূৰ্বোত্তৰৰ ৰাজ্যসমূহ সেউজ শক্তি বিকাশৰ কেন্দ্ৰ হ'ব পাৰে য'ত আইআইটি, গুৱাহাটীৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি তেওঁ লগতে কয়। অসমৰ শিক্ষামন্ত্ৰী ডাঃ পেগুৱে আইআইটি, গুৱাহাটীক অভিনন্দন জনায় আৰু কয় যে শিক্ষানুষ্ঠানখনিয়ে কেৱল চাকৰি প্ৰত্যাশীকেই নহয়, উদ্যোগশীলতাৰ ওপৰত গুৰুত্ব আৰোপ আৰু নিয়োগ সৃষ্টিকৰ্তা গঢ়ি তুলিব লাগে। উত্তৰ-পূবত এনে ধৰণৰ উন্নত গৱেষণাৰ সুবিধা লাভত সাংসদ ওজাই সন্তোষ ব্যক্ত কৰে আৰু উত্তৰ-পূবৰ সামগ্ৰিক বিকাশত আইআইটি, গুৱাহাটীয়ে বৰঙণি আগবঢ়াই যোৱাৰ আশা ব্যক্ত কৰে। আৰম্ভণিতে অতিথিসকলক আদৰণি জনাই আইআইটি, গুৱাহাটীৰ সঞ্চালকে কয় যে এই আৰু একে ধৰণৰ অন্যান্য পদক্ষেপৰাজিৰ জৰিয়তে শিক্ষানুষ্ঠানখনিয়ে অতিশয় সক্ৰিয়তাৰে উচ্চস্তৰীয় গৱেষণা অব্যাহত ৰাখিছে আৰু 'আত্মনিৰ্ভৰ ভাৰত'ৰ সৃষ্টিৰ অৰ্থে কাম কৰি আহিছে, ইয়াৰ সমান্তৰালকৈ এনইপি, ২০২০ৰ ৰূপায়ণকে প্ৰমুখ্য কৰি ৰাষ্ট্ৰীয় নীতিৰাজিৰে সংগতি ৰাখি অঞ্চলটোৰ আশা-আকাংক্ষা পৰিপূৰণ আৰু গৱেষণা আৰু প্ৰযুক্তিৰ বিকাশত বিশ্ব পৰ্যায়ত প্ৰতিযোগিতা কৰি আহিছেবুলিও তেওঁ কয়।

ভাৰতীয় ৰিজাৰ্ভ বেংক
RESERVE BANK OF INDIA
www.rbi.org.in
Azadi Ka Amrit Mahotsav

**অসম চৰকাৰৰ 10 বছৰীয়া প্ৰতিভূতি জমা (Security) ৰ নিলাম**

অসম চৰকাৰে মুঠ প্ৰায় **₹600.00 কোটি টকাৰ** (প্ৰত্যক্ষ মূল্য)ৰ প্ৰতিভূতি জমা বিক্ৰীৰ বাবে আগবঢ়াইছে।

অহা **23 নৱেম্বৰ, 2021 তাৰিখ (মঙ্গলবাৰ)** বহু তৰপীয়া মূল্যৰ প্ৰ-পত্ৰৰ অধীনত এই মূল্য উদ্ধৃত নিলাম ভাৰতীয় ৰিজাৰ্ভ বেংকৰ 'ক'ৰ বেংকিং চলিওশ্বন' (E-Kuber) ত অনুষ্ঠিত হ'ব।

অধিক তথ্যৰ বাবে ৰিজাৰ্ভ বেংকৰ ৱেবচাইট **(www.rbi.org.in)** ত **18 নৱেম্বৰ, 2021 তাৰিখ (বৃহস্পতিবাৰ)** প্ৰকাশিত প্ৰেছ বিজ্ঞাপ্তি চাব পাৰে।

''ধনৰ প্ৰতিশ্ৰুতি দি আপোনালৈ অহা ই-মেইল/এছএমএছ/ফোন কল আদিৰ দ্বাৰা ঠগ নেখাব।''

## শিৱসাগৰত মেছ-কছাৰী যুৱ পৰিষদৰ সভা সম্পন্ন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ নৱেম্বৰ ঃ** শিৱসাগৰ নগৰৰ জনজাতি জিৰণি চ'ৰাত আজি মেছ-কছাৰী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। যুৱ পৰিষদৰ সভাপতি জনাৰ্দন মেছৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত আগন্তুক মেছ কছাৰী যুৱ পৰিষদ, জাতীয় পৰিষদ আৰু মহিলা পৰিষদৰ প্ৰতিষ্ঠা দিৱস উমৈহতীয়াভাৱে উদ্‌যাপনৰ সন্দৰ্ভত আলোচনা কৰা হয়। ইফালে, মেছ-কছাৰীসকলৰ দীৰ্ঘদিনীয়া দাবী মেছ-কছাৰী স্বায়ত্ত-শাসন সন্দৰ্ভত সংগঠনটোৰ যুৱ পৰিষদৰ এটি সজাঁতী দলে ৰাজ্যৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

### আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

**৫ আঘোন সোমবাৰ ২২ নৱেম্বৰ**

**সূৰ্যোদয় ঃ** ঘঃ ৫।৫১।৭, **সূৰ্যাস্ত ঃ** ঘঃ ৪।২৮।৩৬। **তিথি ঃ** কৃষ্ণ তৃতীয়া, দং ৩৪।৪।২৪ ৰাঘঃ ৭।২৮।৫৩। **নক্ষত্ৰ ঃ** মৃগশিৰা, দং ৮।২১।৪৩ ঘঃ ৯।১১।৪৮। **যোগ ঃ** সাধ্য, দং ৫৯।৪১।৫৪ শেষ ৰাঘঃ ৫।৪৩।৫৩। **কৰণ ঃ** বনিজ। **জন্মত ঃ** মিথুনৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ, দেৱগণ, কুকুৰৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী ৰবি বিংশোত্তৰী মঙ্গলৰ দশা, ঘঃ ৯।১১।৪৮ যোৱাত মনুষ্যগণ, সাপৰ অস্থি, অষ্টোত্তৰী চন্দ্ৰ, বিংশোত্তৰী ৰাহুৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া পতিহিতা যোগ, ঘঃ ৯।১১। ৪৮ যোৱাত সাতদিনীয়া কান্ত যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনীঃ** অগ্নিকোনত, ৰাঘঃ ৭।২৮।৫৪ যোৱাত নৈঋতকোনত। **যাত্ৰা ঃ** নাই, বিষ্টিভদ্ৰা দোষ, ৰাঘঃ ৭।২৮।৫৩ যোৱাত ৰিক্তাদি দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** পটল, ৰাঘঃ ৭।২৮।৫৩ যোৱাত মূল খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** কৰ্মতৎপৰতা থাকিব। কিন্তু শৰীৰ ভালে নাযাব পাৰে। ব্যৱসায়ী সকল কোনো সম্ভাব্য যোগাযোগৰ বাবে চেষ্টা কৰি চাব পাৰে। প্ৰেমত মতবিৰোধ। বিদ্যাত উৎসাহ। শুভ ৰং ৰঙা।

**বৃষ ঃ** উদ্বেগৰ মাজেৰে আপুনি কৰ্ম আৰু যোগাযোগ ৰক্ষা কৰিব পাৰিব। বিদ্যাৰ্থীৰ বাবে শুভাশুভ। কৰ্মসমন্ধীয় কামত কষ্টেৰে প্ৰগতি কৰিব। শুভ ৰং বগা।

**মিথুন ঃ** কোনো কাৰণত বুদ্ধিদীপ্ত চুক্তি সম্পাদন কৰি উপকৃত হ'ব। বিদ্যাতো বেয়া নহ'ব। ব্যৱসায়-বাণিজ্যত আয় বৃদ্ধিৰ কাৰকতা। শৰীৰ বিশেষ ভাল বুলি ক'ব নোৱাৰি। শুভ ৰং নীলা।

**কৰ্কট ঃ** আৰ্থিকত বাধা কম পাব। কিন্তু কোনোৰে কৰ্মস্থানত কেইটিমান দিশত চিন্তিত হ'ব পাৰে। বিদ্যাত শুভাশুভ ফল পাব। শৰীৰো মধ্যম। পাৰিবাৰিক শুভ। শুভ ৰং সেউজীয়া।

**সিংহ ঃ** মাজে মাজে গভীৰ চিন্তাই জুমুৰি দি ধৰিব। কৰ্মস্থানত সচ্ছলতা নাথাকিব। শৰীৰ মধ্যম। দাম্পত্যত মজলীয়া প্ৰভাৱ পৰিব। কাকো কক্ষ ব্যৱহাৰ নকৰিব। শুভ ৰং নীলা।

**কন্যা ঃ** আৰ্থিক দিশত ধনাত্মক হ'ব পাৰে। কৰ্মক্ষেত্ৰত দক্ষতা বৃদ্ধি পাব। ব্যৱসায়ত শুভ ফল পাব। বিদ্যাৰ্থীৰ কিছু বেমাজালি আহিব পাৰে। প্ৰেমত শুভ। দাম্পত্যত সাধাৰণ মতান্তৰ। শুভ ৰং নীলা।

**তুলা ঃ** আৰ্থিকত দিশত প্ৰয়োজনীয় সম্পদাদিব বাবে খৰচৰ বাট ওলাব। ব্যৱসায়ীসকলৰ বাবে দিনটো বিশেষ শুভ নহ'ব। শত্ৰুৰ পৰা মিত্ৰ যোগৰ আশা। বিয়া-বাৰুৰ সংযোগ। শুভ ৰং বগা।

**বৃশ্চিক ঃ** নিৰাশ কৰ্ম চিন্তা, ভ্ৰমণাদিৰ যোগ থাকিব। কোনো অপৰাধীৰ কথাত মত অস্থিৰতা থাকিব। ব্যৱসায়ত প্ৰাপ্য ধন আদায়ৰ সুযোগ পাব। পাৰিবাৰিক শুভ। শুভ ৰং সোণালী।


**ধনু ঃ** কেতু, মংগল, শুক্ৰ, ৰবি যাৰ জীৱনত শুভ তেওঁৰ দিনটোত বেছি আহুকাল নাই। শৰীৰ মধ্যম। বিদ্যাত মধ্যম। শুভ ৰং নীলা।

**মকৰ ঃ** মধ্যম হ'লেও সাৱধানেৰে দিনটো পাৰ কৰক। খৰচ পাতিৰ লগত কোনোৰ বাবে মনত দুখ বা অযথা কৰ্মত সময় অপব্যয় হ'ব। বিদ্যাত জটিলতা নাপায়। কৰ্মাদিও অযথা মন্থৰতা। শুভ ৰং ৰঙা।

**কুম্ভ ঃ** ইচ্ছাকৃত কথাত কিবা বাধা পাব শৰীৰৰ অথন্তৰো দেখা যায়। ব্যৱসায় বাণিজ্যত বেয়া দেখা নাযায়। শুভ ৰং সেউজীয়া।

**মীন ঃ** হাতত লোৱা কাৰ্যসূচিৰ সুস্থ সমাধান পাব। সুচিন্তা আৰু আপোনাৰ ভদ্ৰতাৰ বাবে অনুকূলতাৰ প্ৰভাৱ পেলাব। নতুন কোনো আশা পূৰণ হ'ব। শুভ ৰং গুলপীয়া।

### শব্দ-বেহু ঃ ২২নবেম্বৰ ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**

১। নিজা, নিজৰ সম্পত্তি বা ধন-বস্তু (৩)
৩। গাৰ পৰা বীজলুৱা পদাৰ্থ ওলাই থকা আৰু ধীৰ গতিৰে বগাই যোৱা এবিধ দীঘলীয়া আকৃতিৰ পোক (৬)
৫। ভীতি প্ৰদৰ্শন, কৰিবলৈ কোৱাটো নকৰিলে অহিত কৰিম বুলি ভয় দেখুওৱা কাৰ্য্য (৩)
৬। অসুৰ, নিষ্ঠুৰ (৩)
৮। ওলায়েই মাৰ যোৱা পোহৰ, কম টোপনিৰ জাল (৪)
১২। কৃষ্ণৰ লীলা বৰ্ণাই শংকৰদেৱে লিখা এখন পুথি (৪)
১৪। সৰু ল'ৰা-ছোৱালীয়ে খেলা লুকা-ভাকু খেল (২-২)
১৬। কথাৰ ওলোটা পাক, বিপৰীত পাক (৪)
১৮। খ্ৰীষ্টান ধৰ্মযাজক, খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰক (৩)
২০। ইচলাম ধৰ্ম প্ৰচাৰকৰ কবৰস্থান,পীৰ আদিৰ সমাধিস্থল (৩)
২১। সাপৰ বিষ গুচাব পাৰে বুলি জনবিশ্বাস কৰা এবিধ শিল (৬)
২২। সেতু, নৈ, বিল আদি পাৰ হবলৈ সজা যতন (৩)

**থিয়কৈ ঃ**

১। ঠিকা কামৰ বাবে ইচ্ছুক লোকৰ পৰা আহ্বান কৰা মূল্যজ্ঞাপক পত্ৰ (৩)
২। চৰিত্ৰ, ব্যক্তিৰ নিজস্ব চিন্তা-কৰ্ম-আচৰণ আদি (৩)
৩। এবিধ শুকান আৰু মিঠা বিস্কুট (৩)
৪। লেতুসেতু, সহজে ভিৰাব পৰা গুণৰ (৩)
৭। জনবিশ্বাস অনুসৰি মৃত্যুৰ পাছত পাপীক শাস্তি দিয়া বিষ্ঠা-মূত্ৰৰে ভৰা গাঁত (৫)
৯। পীৰৰ দৰগাহ, মচজিদ আদিত প্ৰচলিত ইচলাম ধৰ্মীয় সংগীত বিশেষ (৩)
১০। কোনো বিষয়ত থকা অসাধাৰণ দক্ষতা, উচ্চ বুদ্ধিমত্তা (৩)
১১। অকামিলা, কামৰ অযোগ্য (৫)
১৩। নেজ লাগি থকা অৱস্থাৰ বেং পোৱালি (৩)
১৫। চামনি বন্ধা গাৰ মলি (৩)
১৬।বৰ বুঢ়া, বৃদ্ধত্বৰ বাবে বৰকৈ লৰি-চৰি ফুৰিব নোৱাৰা (৩)
১৭। লোহাৰ, লোৰে সঁজুলি গঢ়া লোক (৩)
১৮। এবিধ স্বচ্ছ জুলীয়া ধাতু, পাৰা (৩)
১৯। জয় লাভৰ বাবে ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাত জালিয়তিৰ আশ্ৰয় লোৱা কাৰ্য্য (৩)

**উত্তৰ অহা সংখ্যাত**

**২১ নবেম্বৰ ২০২১ সংখ্যাৰ উত্তৰ ঃ**

**পথালিয়ে ঃ** ১। হাফিজ ৩। ফিতৰা ৫। মালা ৭। হদিচ ৮। লাহ ১০। জন্নত ১১। জলা ১২। জহা ১৪। ৰাণা ১৫। ফই ১৬। জাম ১৭। ভুজ ১৯। ৰফা ২১। খজা ২২। কবুল ২৪। কুজা ২৬। ৰিলিফ ২৭। তালি ২৯। ফাতিহা ৩০। চুন্নত

**থিয়কৈ ঃ** ১ । হালালা ২। জমা ৩। ফিচ ৪। ৰাইলা ৬। লাজ ৭। হতশ্ৰী ৯। হজ ১১। জবই ১৩। হাৰাম ১৫। ফজৰ ১৬। জানাজা ১৮। ৱাকফ ২০। ফাকু ২১। খলিফা ২৩। লতা ২৫। জাকাত ২৬। ৰিহা ২৮। লিচু

SAMAGRA SHIKSHA, ASSAM

**NOTICE**

**FOR IMPLEMENTATION OF TRANSFER & POSTING OF TEACHERS**

No. SS/HRMIS/1383/2020/7635 Date : 20.11.2021

With a view to improve the quality of Education and to maintain better Pupil Teacher Ratio (PTR) in the schools, Education Department, Government of Assam has started the process of Teacher transfer as per **'The Assam Elementary and Secondary School Teachers' (Regulation of Posting and Transfer) Act, 2020'. As a part of this process, all category of Teachers of Govt./Provincialized Schools from Lower Primary to Senior Secondary Schools are requested to register and submit the service profile details from 22.11.2021 to 10.12.2021 in the web portal** https://hrmsassam.in **for smooth implementation of transfer and other services.**

**Steps for Registration:**

1. Create Login by providing Name, Email ID, Date Of Birth, Mobile Number, Gender, Password
2. Login- Mobile Number as UserID and Password provided during login creation
3. Create profile INCLUDES 11 sections - School details (Elementary/ Secondary), Personal Details, Academic Qualification, Professional & Other Qualification, Service Details, Salary Accounts & Other Official Account Details, Service Records, Award Received, Promotion Details, Other Details, Supporting Documents to upload
4. Submit the filled-up form

**Important Points**:

1. Teachers have to mandatorily upload copy of the following documents- TET Marksheet cum Certificate, D. El Ed. or B. Ed Mark sheet, HSSLC Mark sheet , Graduation Mark sheet, proof of Date of Birth, Appointment Letter
2. For those teachers who had joined before 3rd September, 2001, uploading of TET Mark sheet cum Certificate and D. El. Ed. or B. Ed Mark sheet is not mandatory.
3. The maximum size of each of the supporting documents should not exceed 300KB.
4. Teachers have to upload one clear passport size photograph and copy of scanned signature. Maximum size of each should not exceed 50 KB.

**All teachers are requested to submit the service profile and to upload the details as mentioned above within the given period for smooth implementation of transfer & posting as per the Act.**

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৰে পঢ়া সকলোৰে আগবঢ়া

Janasanyog/DF/1635/21

Sd/-Executive Director
Samagra Shiksha, Assam
Kahilipara, Guwahati-19

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২২ নৱেম্বৰ, ২০২১ সোমবাৰ পৃষ্ঠা তিনি

## কৃষক আইন বাতিল ঃ নগাঁৱত কংগ্ৰেছৰ বিজয় উৎসৱ

**বিশেষ সংবাদদাতা**

**নগাওঁ, ২১ নৱেম্বৰ ঃ** বিতৰ্কিত তিনিখন কৃষি আইন বাতিলৰ বাবে প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰাত নগাঁও জিলা কংগ্ৰেছে ইয়াক গণতন্ত্ৰৰ জয় বুলি মন্তব্য কৰাৰ লগতে এয়া কৃষকৰ বৃহৎ জয় বুলি অভিহিত কৰে। সেয়ে আজি নগাঁও জিলা কংগ্ৰেছে এই উপলক্ষে জিলা কংগ্ৰেছ কাৰ্যালয়ত বিজয় উল্লাস পালন কৰাৰ লগতে কৃষক আন্দোলনত প্ৰাণ আহুতি দিয়া ছহিদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰাক্তন মন্ত্ৰী ছয় পৃষ্ঠাত চাওক

## পশ্চিম নলবাৰীৰ চামতাৰ ৰূপীয়াবাথানৰ কৃষিভূমিত অগ্নিকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**চামতা, ২১ নৱেম্বৰ ঃ** সম্প্ৰতি আঘোণৰ পথাৰ পকা ধানেৰে পথাৰ উপচি পৰিছে। অশেষ কষ্টেৰে বাৰিষা কৃষকে বোকাত ৰোৱা পথাৰ আজি পকা ধানৰ সুবাসত আমোলমোল। কৃষকৰ এই সপোনৰ পথাৰ আজি যেন ছাৰখাৰ হ'ল পশ্চিম নলবাৰীৰ ৰূপীয়াবাথানত। দাও দাওকৈ জ্বলি শেষ হ'ল কে'বা বিঘ ধাননি। উল্লেখ্য যে পশ্চিম নলবাৰীৰ ছয় পৃষ্ঠাত চাওক



## লখিমপুৰৰ প্ৰাক্তন শিক্ষক-সাহিত্যিক ফণীধৰ শইকীয়াৰ বিয়োগ



**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ২১ নৱেম্বৰ ঃ** নামনি লখিমপুৰ জিলাৰ যমুনাখাত নিবাসী প্ৰাক্তন প্ৰধান শিক্ষক, সাহিত্যিক তথা সমাজকৰ্মী ফণীধৰ শইকীয়া (৭০)ৰ কালি সন্ধিয়া মৃত্যু হয়। তেওঁ হঠাৎ সন্ধিয়া পৰত অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ বিহপুৰীয়াৰ চিকিৎসালয়লৈ নি ভৰ্তি কৰে। পাছত চিকিৎসকে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে যদিও সামান্য দূৰ অহাৰ পাছতে তেওঁৰ মৃত্যু হয়। তেওঁৰ বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। শিক্ষকৰূপে তেওঁ শিক্ষা জগতলৈ নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ উপৰি সাহিত্য সাধনাতো তেওঁ ব্ৰতী আছিল। বিভিন্ন কাকত-আলোচনীত তেওঁৰ গল্প, কবিতা, প্ৰবন্ধ প্ৰকাশ পাইছে। ভোগপুৰৰ শংকৰদেৱ এম ভি স্কুলৰ পৰা প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰা শইকীয়া শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক আছিল। বিভিন্ন অনুষ্ঠানৰ আলোচনীৰ সম্পাদনা কৰি তেওঁ দক্ষতা প্ৰকাশ পাইছে। তেওঁ এজন সুবক্তাও আছিল। ধৰ্মীয়, সামাজিক অনুষ্ঠানত তেওঁৰ বক্তৃতাই জ্ঞান গভীৰতা প্ৰকাশ কৰিছিল। সদাহাস্যমুখী, সৰবৰহী, সাহিত্যসেৱী তথা শৈক্ষিক ক্ষেত্ৰৰ একনিষ্ঠ সাধকৰূপে পৰিচিত শইকীয়াই অৱসৰৰ পাছত একাধিক গ্ৰন্থ প্ৰকাশৰ লক্ষ্য লৈছিল। ইতিমধ্যে একাধিক গ্ৰন্থ তেওঁ লেখি উলিয়াইছিল যদিও ছপা ছয় পৃষ্ঠাত চাওক

## হাজোত চুলি নকটাক লৈ ছাত্ৰক প্ৰহাৰ শিক্ষকৰ ঃ গোচৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২১ নৱেম্বৰ ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত দিহিনাৰ এজন ছাত্ৰক চুলি কটাক লৈ এজন শিক্ষকে গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বড়িগোগ হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ অবিনাশ দাসক কালি বিদ্যালয়ত উক্ত বিদ্যালয়খনৰ জনৈক ভট্ট নামৰ শিক্ষকজনে চুলিৰ কাটক লৈ গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰে। শিক্ষকজনে চুলিৰ 'এইবোৰ কি কাট দিছা' বুলি কৈ অবিনাশক সহপাঠী ছাত্ৰ-ছাত্ৰীৰ সন্মুখতে প্ৰহাৰ কৰাই নহয় প্ৰস্ৰাৱগাৰতো প্ৰহাৰ কৰে বুলি অভিযোগ উঠিছে। ইফালে, চিকিৎসাৰ বাবে ছাত্ৰজনে কালি বিয়লি ককাকৰ স'তে হাজো এফ আৰ ইউত উপস্থিত হয়। সেই সময়ত চিকিৎসালয়ৰ কৰ্মৰত এজন চিকিৎসক জনৈক ডাঃ দাসে কি কাৰণত শিক্ষকজনে প্ৰহাৰ কৰিছে বুলি ছাত্ৰগৰাকীৰ মুখৰ পৰা জানিব বিচাৰে। ঘটনা সন্দৰ্ভত ছাত্ৰজনে বিৰৰি কোৱাত চিকিৎসক জনৈক ছয় পৃষ্ঠাত চাওক

## দেওমৰনৈৰ বৰেৰীত ৰামৰ বিগ্ৰহ মুকলি

**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ২১ নৱেম্বৰ ঃ** দেওমৰনৈৰ নিকটৱৰ্তী বৰেৰীৰ পালাভিঠা সত্ৰত আজি ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে শ্ৰীৰামৰ নৱনিৰ্মিত বিগ্ৰহ উন্মোচন কৰে বৈষ্ণৱ পণ্ডিত হেম ভায়ে। ব্যৱসায়ী অচ্যুত চন্দ্ৰ নাথৰ ব্যক্তিগত প্ৰচেষ্টাত নিৰ্মাণ কৰা বৃহৎ আকৃতিৰ শ্ৰীৰামৰ এই বিগ্ৰহটো উন্মোচন কৰিবলৈ পাই নিজকে ধন্য ছয় পৃষ্ঠাত চাওক

## লক্ষীপুৰত যুৱকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**লক্ষীপুৰ, ২১ নৱেম্বৰ ঃ** গোৱালপাৰাৰ লক্ষীপুৰত আজি পৰিত্যক্ত অৱস্থাত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। পাছত মৃতদেহটো লক্ষীপুৰৰ মিলন নগৰৰে বাসিন্দা কেফাত আলীৰ পুত্ৰ মনিজুল হক (২২) বুলি আৰক্ষীয়ে চিনাক্ত কৰে। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, পুৱা পথচাৰীয়ে লক্ষীপুৰ মহাবিদ্যালয়ৰ পানী যোগান আঁচনি কাৰ্যালয়ৰ চৌহদত এটি মৃতদেহ পৰি থকা প্ৰত্যক্ষ কৰে। পাছত লক্ষীপুৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মুখমণ্ডলকে ধৰি বিভিন্ন অংশত আঘাতৰ চিহ্ন থকা মৃতদেহটো উদ্ধাৰ কৰি দুষ্কৃতিকাৰীয়ে হত্যা কৰা বুলি নিশ্চিত হয়।

## দ্বাদশ ডিব্ৰুগড় গ্ৰন্থমেলাৰ আয়োজন

■ ডঃ নগেন শইকীয়ালৈ সাহিত্য শিৰোমণি বঁটা

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২১ নৱেম্বৰ ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অধ্যাপক ডঃ নগেন শইকীয়ালৈ 'সাহিত্য শিৰোমণি বঁটা' আগবঢ়োৱা হৈছে। সাহিত্য-সংস্কৃতি আৰু ক্ৰীড়া অনুষ্ঠান ডিব্ৰুগড়ৰ মিলনজ্যোতি সংঘৰ উদ্যোগত সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত অনুষ্ঠিত দ্বাদশ ডিব্ৰুগড় গ্ৰন্থমেলাত তেওঁক এই সন্মানিত কৰা হ'ব। সুদীৰ্ঘ ২৫ বৰ্ষত ভৰি দিয়া মিলনজ্যোতি সাহিত্য চৰ্চাৰ এই আকৰ্ষণীয় অনুষ্ঠানৰ এইবাৰৰ গ্ৰন্থমেলাৰ কাৰ্যসূচীৰ বিষয়ে অৱগত কৰি আয়োজিত ছয় পৃষ্ঠাত চাওক

■ বিভাগীয় কৰ্তৃপক্ষ সম্পূৰ্ণৰূপে অৱগত ঃ ৰাইজৰ ক্ষোভ ■ তদন্তৰ দাবী উত্থাপন

# ধনলাভৰ পাছতো অধিগৃহীত ভূমিত গৃহ নিৰ্মাণ



অসম ছাত্ৰ পৰিষদৰ তৃতীয় প্ৰতিষ্ঠা দিৱসত অগপৰ সভাপতি অতুল বৰা, দেওবাৰে।

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২১ নৱেম্বৰ ঃ** তেজপুৰত চাৰিশাৰীযুক্ত পথ নিৰ্মাণ আৰু ইয়াৰ গাইড বান্ধৰ বাবে অধিগৃহীত ভূমিত গৃহ নিৰ্মাণৰ নামত সংঘটিত কোটি কোটি টকাৰ কেলেংকাৰিৰ বিৰুদ্ধে সংশ্লিষ্ট কৰ্তৃপক্ষই ৰহস্যজনকভাৱে নীৰৱতা অৱলম্বন কৰিছে। কৰ্তৃপক্ষই এই বৃহৎ দুৰ্নীতিৰ ক্ষেত্ৰত সাৰপানী যোগোৱাৰ সময়ত এইবাৰ তেজপুৰৰ একাংশ লোকে এই সন্দৰ্ভত শোণিতপুৰৰ উপায়ুক্তক স্পষ্ট অভিযোগ দাখিল কৰিছে। স্থানীয় একাংশ লোকে উপায়ুক্তক দাখিল কৰা অভিযোগ মতে, উৰিয়ামগুৰিৰ প্ৰয়াত ইনতাজ আলীৰ পুত্ৰ ইদ্ৰিছ আলী আৰু প্ৰয়াত সন্তোষ ঘোষৰ পুত্ৰ চন্দন ঘোষৰ আলিশিঙা উৰিয়ামগুৰিৰ ১০৬ নম্বৰ পট্টাৰ ১৮৮ দাগৰ আৰু উৰিয়ামগুৰিৰ ১৪১ নম্বৰ পট্টাৰ তথা ১২৪ নম্বৰ দাগৰ মাটি চাৰিশৰীয়া পথ নিৰ্মাণৰ বাবে অধিগৃহীত হয়। মহাভৈৰৱ মৌজাৰ এই ভূমিৰ বিপৰীতে তেওঁলোকে ইতিমধ্যে ক্ষতিপূৰণো লাভ কৰে। কিন্তু এই সকলো হৈ যোৱাৰ পাছত এই ভূমিত পুনৰ এই দুজন লোকে পকী ঘৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা বুলি ৰাইজে অভিযোগ কৰি পুনৰ কয় যে এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষ সম্পূৰ্ণৰূপে অৱগত। আনকি যোৱা ১২ নৱেম্বৰত এই ভূমি ৰহস্যজনকভাৱে মণ্ডলে জোখ-মাপ কৰিছে। উল্লেখ্য যে জীয়াভৰলী পাৰৰ ভূমি চাৰিশৰীয়া পথৰ বাবে অধিগ্ৰহণ কৰাৰ পাছত বহুসংখ্যক লোকে গৃহ নিৰ্মাণ কৰি এনে গৃহৰ বিপৰীতে অবৈধভাৱে কোটি কোটি টকা মোকলাই নিয়ে। আনকি আনৰ মাটিত নিম্নমানৰ গৃহ নিৰ্মাণ কৰি স্থানীয় দালালৰ সহযোগত একোজনে কোটি টকাৰ অধিক লাভ কৰে। এই অবৈধ কাৰ্যৰে আনকি ভূমি অধিগ্ৰহণ কৰা চৰকাৰী বিভাগৰ একাংশ বিষয়া-অভিযন্তা আৰু মণ্ডল তথা বিষয়াসহ বহু লোক জড়িত থকাৰো অভিযোগ উঠি আহিছে। উল্লেখ্য যে এই বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ বিষয়ে প্ৰথম অৱস্থাতে সংবাদ মাধ্যমত প্ৰকাশ পোৱা সত্ত্বেও আশ্চৰ্যকৰভাৱে প্ৰশাসন তথা সংশ্লিষ্ট কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। পৰৱৰ্তী সময়ত পথ নিৰ্মাণৰ ক্ষিপ্ৰতাৰে আগবঢ়োৱাৰ অজুহাতত এনে কেলেংকাৰি সত্ত্বেও সেইসকলক ধন মোকলাই দিয়াতহে তৎপৰ হৈ উঠে চৰকাৰী বিভাগ। বিহিয়াগাঁৱৰ এক দালালে এই সকলো ক্ষেত্ৰতে মুখ্য ভূমিকা পালন কৰাৰ বিষয়ে ৰাইজৰ মুখে মুখে যদিও কোটিৰ অধিক ছয় পৃষ্ঠাত চাওক

■ মৰিগাঁও জিলা মহিলা ব্ৰাহ্মণ সমাজৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

## আজিৰ সন্তানেই ভৱিষ্যতে এখন সমাজ সুন্দৰভাৱে পৰিচালনা কৰিব



**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২১ নৱেম্বৰ ঃ** 'আজিৰ সমাজখন সু-শৃংখলভাৱে চলিবলৈ মহিলাসকলৰ যথেষ্ট দায়িত্ব আছে। নিজৰ সন্তানক উচ্চ শিক্ষাৰে শিক্ষিত কৰাৰ লগতে সামাজিক, ৰাজনৈতিক, সাংস্কৃতিকভাৱে গঢ়ি তুলিব লাগিব।' আজি মৰিগাঁৱত এইদৰে মন্তব্য আগবঢ়ায় অসম ব্ৰাহ্মণ সমাজৰ সম্পাদকপ্ৰধান গণেশ শৰ্মাই। মৰিগাঁও জিলা মহিলা ব্ৰাহ্মণ সমাজৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশনখন চহৰখনৰ মাজমজিয়াস্থিত সেৱাশ্ৰম প্ৰাংগণত অনুষ্ঠিত হোৱা অধিৱেশনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সম্পাদক প্ৰধানজনে কয়, 'বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ লগে লগে নিজৰ সন্তানক মটৰচাইকেল, ম'বাইল দিব লাগিব যদিও সন্তানে সেইবোৰ কেনেদৰে ব্যৱহাৰ কৰিছে, সেয়া গুৰুত্ব দিব লাগিব। আপোনাৰ সন্তানটো আপোনাৰ প্ৰতিবিম্ব। আজিৰ সন্তানেই ভৱিষ্যতে এখন সমাজ ছয় পৃষ্ঠাত চাওক

## যুৱ নেতা ইন্দ্ৰনীল বড়াৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২১ নৱেম্বৰ ঃ** মঙলদৈ চহৰৰ শলালপাৰা নিবাসী প্ৰয়াত উমেশ বড়া আৰু ধীৰা বৰাৰ পুত্ৰ, সৰবৰহী যুৱক ইন্দ্ৰনীল বড়া ওৰফে জোন (৪২)ৰ আজি মৃত্যু হয়। কালি সন্ধিয়া আমিন গাঁৱৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা ইন্দ্ৰনীলে তেজ-বমি কৰিছিল। আজি চিকিৎসাধীন অৱস্থাত দিনৰ ২-৩০ বজাত মৃত্যু হয়। চিকিৎসকে উল্লেখ কৰা মতে তেওঁ যকৃত ৰোগত আক্ৰান্ত হৈছিল। মঙলদৈ ক্ৰীড়া সন্থাৰ হৈ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত কে'বাবাৰো ভাগ লোৱা ইন্দ্ৰনীল ছয় পৃষ্ঠাত চাওক

মহুৰাপথাৰত আদৰ্শ কৃষকক সম্বৰ্ধনা

## সিঁচা পদ্ধতিৰে থলুৱা জাতৰ ধান খেতি কৰি দৃষ্টি আকৰ্ষণ



**খুমটাই, ২১ নৱেম্বৰ ঃ** যি সময়ত ৰাজ্যৰ কৃষি বিভাগে অসমৰ ভিন্ন জৈৱ-বৈচিত্ৰ্য, লগতে বিভিন্ন পৰিৱেশ-পৰিস্থিতিত বিভিন্ন ধানৰ জাতৰ খেতি কৰি অহাৰ বাবে বিভিন্ন নতুন নতুন জাতৰ উদ্ভৱ কৰিছে তেনে সময়তে কমাৰগাঁৱৰ পানীদিহিঙীয়া গাঁৱৰ নিবাসী তথা আদৰ্শ কৃষক চন্দ্ৰ ফুকন (৭) নামৰ চহা কৃষকজনে পুৰণি ধানৰ থলুৱা জাত বৰ, বকুল বৰা, চকুৱা আদিৰ ধান ৫০ বিঘা মাটিত সিঁচা পদ্ধতিয়ে সকলোকে দৃষ্টি আকৰ্ষণ কৰিছে। আজি আদৰ্শ কৃষকজনৰ স'তে মহুৰা পথাৰৰ ছয় পৃষ্ঠাত চাওক

## কলিয়াবৰত পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে ছাত্ৰনেতাই



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২১ নৱেম্বৰ ঃ** কলিয়াবৰৰ নলতলিত যোৱা নিশা সংঘটিত এটি ভয়ংকৰ পথ দুৰ্ঘটনাত অকালতে প্ৰাণ হেৰুৱাই কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ সদস্য তথা প্ৰাক্তন ছাত্ৰ নেতা মৃগাংক বৰদলৈ নামৰ যুৱকগৰাকীয়ে । কলিয়াবৰ তিনিআলি নিবাসী মৃগাংকই নিশা ঢেকিয়াজুলিৰ পৰা মটৰ চাইকেৰে গৃহমুখী হোৱাৰ পথত নলতলিত নৱনিৰ্মিত পথৰ ডিভাইডাৰ আৰু দলঙত খুন্দা মৰাৰ ফলতেই শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। কৰ্মসূত্ৰে ঢেকিয়াজুলিৰ বন্ধন বেংকত চাকৰি কৰিছিল মৃগাংকই । কৰ্মস্থলীৰ পৰা কলিয়াবৰৰ ঘৰলৈ উভতি অহাৰ পথতেই নলতলিত মটৰ চাইকেল দুৰ্ঘটনাত পতিত হৈ কৰুণ মৃত্যুক আঁকোৱালি লয় প্ৰাক্তন আছু নেতা তথা অমায়িক যুৱক মৃগাংকবৰদলৈয়ে। কলিয়াবৰ মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল এইগৰাকী ছাত্ৰনেতাই। মৃত্যুৰ সময়ত যুৱকজনৰ বয়স আছিল ৩৩ বছৰ। দুৰ্ঘটনা সংঘটিত মটৰ চাইকেলৰ ছয় পৃষ্ঠাত চাওক

## নৱম শ্ৰেণীৰ ছাত্ৰৰ সলিল সমাধি

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২১ নৱেম্বৰ ঃ** মঙলদৈ আৰক্ষী থানাৰ অন্তৰ্গত জলজলীৰ কামেইপাৰা গাঁৱত যোৱা ১৮ অক্টোবৰত বিশেষভাৱে সক্ষম যুৱক এজনৰ সলিল সমাধি ঘটাৰ শোক লাঘৱ নৌহওঁতেই আজি পুনৰ একেখন গাঁৱত নৱম শ্ৰেণীৰ ছাত্ৰ এজনৰ সলিল সমাধি ঘটে। কামেইপাৰাৰ ৰাতুল ডেকাৰ জ্যেষ্ঠ পুত্ৰ ৰক্তিম (১৫)ক পুৱা পৰিয়ালৰ লোকে ঘৰত নেদেখি সন্ধান চলায়। তেতিয়া ঘৰৰ কাষৰে সৰু পুখুৰী এটাৰ পাৰত ছেণ্ডেলযোৰ দেখি পুখুৰীটোত সন্ধান চলোৱাত ৰক্তিমৰ নিথৰ দেহটি উদ্ধাৰ কৰে।



গুৱাহাটী আৰ্টিষ্টছ গীল্ডৰ শিক্ষাৰ্থীৰ চিত্ৰ প্ৰদৰ্শনী মুকলি কৰিছে 'দৈনিক অগ্ৰদূত'ৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই, দেওবাৰে।

## কঠিয়াতলিত বিষ্ণু-জ্যোতি-ভূপেন হাজৰিকা উদ্যানত প্ৰতিমূৰ্তি স্থাপন



**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২১ নৱেম্বৰ ঃ** বহু প্ৰতীক্ষাৰ অন্তত কঠিয়াতলি জোঙাল বলহু ক্ষেত্ৰত নিৰ্মাণ হৈ থকা বিষ্ণু, জ্যোতি আৰু ভূপেন হাজৰিকা উদ্যানত আজি কঠিয়াতলি শাখা সাহিত্য সভা আৰু উদ্যান নিৰ্মাণ কমিটীৰ ব্যৱস্থাপনাত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্তি স্থাপন কৰা হয়। পুৱা শিল্পী দুগৰাকীৰ প্ৰতিমূৰ্তি আড়ম্বৰপূৰ্ণভাৱে কঠিয়াতলিৰ সংস্কৃতিপ্ৰেমী আৰু সাহিত্য প্ৰেমী শতাধিক পুৰুষ-মহিলাই ধৰ্মীয় ৰীতি-নীতি অনুযায়ী স্থাপন কৰে। এই অনুষ্ঠানটোৰ আঁত ধৰি উদ্যান নিৰ্মাণ কমিটীৰ ছয় পৃষ্ঠাত চাওক

## বাগ্সাৰ শালবাৰীৰ সাউদৰভিঠাত দুৰ্ঘটনাত আহত ন



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২১ নৱেম্বৰ ঃ** বাগ্সাৰ শালবাৰীৰ সাউদৰভিঠাত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত এখন এল্টো বাহন ক্ষতিগ্ৰস্ত হোৱাৰ লগতে বাহনখনত থকা চালকসহ নজনাকৈ যুৱক আহত হয়। নিশাই শালবাৰী মহকুমা আৰক্ষী আৰু আনন্দ বজাৰ আৰক্ষীয়ে ৰাইজৰ সহযোগত আহত যুৱকসকলক উদ্ধাৰ কৰি চিকিৎসাৰ বাবে বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে কালি সন্ধিয়া শালবাৰীৰ সমীপৰ হলংবাৰী গাঁৱৰ পৰা নজন যুৱকে ৰাস চাবলৈ বুলি এখন এল্টো বাহন ভাড়া কৰি সৰ্থেবাৰীৰ পৰা বামুন্দিলৈ গৈছিল। বামুন্দিৰ পৰা নিশা ৰাস চাই উভতি অহাৰ সময়ত শালবাৰীৰ আনন্দ বজাৰ আৰক্ষী চকীৰ অন্তৰ্গত সাউদৰভিঠাৰ সমীপৰ পকী দলঙৰ ওচৰত সাউদৰভিঠা-শালবাৰী সংযোগী পথৰ কাষত থকা এডাল প্ৰকাণ্ড গছত বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই খুন্দিওৱাত এ এছ ১৫ এছ ৭৮৮৯ নম্বৰৰ বাহনখনত থকা চালকসহ নজনকৈ যুৱ আহত হয়। ইপিনে, বাহনখনৰ চালক মকবুল হুছেইনৰ আৰু যুৱক বিকাশ মণ্ডলৰ বাহিৰে আনি আহতসকলক বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ পৰা আজি আবেলি ঘৰলৈ যাব দিয়া হয়।

## গায়ন-বায়নৰ ধ্বনিৰে তেজপুৰৰ দুশ বছৰীয়া মাজগাঁও বৰনামঘৰৰ মহাৰাসৰ সমাপ্তি



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২১ নৱেম্বৰ ঃ** তেজপুৰৰ মাজগাঁওস্থিত দুশবছৰীয়া বৰনামঘৰ চৌহদত প্ৰদৰ্শিত মহাৰাসৰ যোৱানিশা সমাপ্তি হয়। মাহজোৰা প্ৰচেষ্টা আৰু ৰাজ্য চৰকাৰে বলৱৎ কৰা ক'ভিড বিধিৰ মাজেৰে এই ৰাস মহোৎসৱ উদযাপন কৰা হয় ১৯ আৰু ২০ নৱেম্বৰত। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি কেলি গোপাল নাট শংকৰী কলা কৃষ্টিৰ সাধক তথা বায়ন-গায়ন দিলীপ বৰাৰ পৰিচালনাত প্ৰদৰ্শিত হয়। ১৮ নৱেম্বৰত গন্ধৰ্ব অনুষ্ঠানৰে আৰম্ভ কৰাৰ পাছত দ্বিতীয় দিনা প্ৰাতঃপ্ৰসংগ, দুপৰীয়া নাম-প্ৰসংগ কৰাৰ লগতে বিয়লি গায়ন-বায়নৰ জোৰাৰে নাটখনক আগবঢ়াই অনা হয়। প্ৰথম নিশাৰ মহাৰাসৰ সন্ধিয়া ৬.৩০ বজাত শোণিতপুৰৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে সেৱালৈ ৰাসৰ উদ্বোধন কৰি ভাষণত তেওঁ বৰনামঘৰৰ আধ্যাত্মিক পৰিৱেশত আপ্লুত হৈ পৰা বুলি কয়। গুৰুজনাৰ সৃষ্টি এই নামঘৰ সমূহলৈ ৰাজ্য চৰকাৰে আগবঢ়োৱা অসম দৰ্শন আঁচনিৰ আঢ়ৈ লাখ টকাৰে নামঘৰটো সুন্দৰকৈ সজাই পৰাই তোলাত সন্তুষ্টি প্ৰকাশ কৰি তেওঁ নামঘৰৰ অন্যান্য সমস্যাসমূহ সমাধানৰ বাবে দৃষ্টি ৰাখিব বুলিও কয়। ইয়াৰ পাছতে ৰাসৰ প্ৰথম নিশা শ্ৰীকৃষ্ণৰ ভাৱত ধৃতিৰাজ কোঁৱৰ আৰু উদিপ্ত বৰাই আৰু ৰাধাৰ ভাওত তৃপ্তিটিনা তামুলী, বৃষ্টি হাজৰিকাই অভিনয় কৰাৰ লগতে মৃণাল দাস আৰু মাধুৰ্য কলিতাই শংখচূড়ৰ অভিনয় কৰে। এই ৰাসত মুনমী কলিতা প্ৰথম গোপীৰ ভাৱত অৱতীৰ্ণ হয়। দ্বিতীয় নিশা পদুম ফুলৰ মাজত ৰাধাকৃষ্ণ উপৱিষ্ট হৈ থকা অৱস্থাত শংখ ধ্বনি আৰু আৰতিৰে মুখৰিত হয় নামঘৰ প্ৰাংগণ। যোৱা নিশাও শতাধিক গোপীৰ নৃত্যৰে ছয় পৃষ্ঠাত চাওক

লোক নিৰ্মাণ বিভাগক উপযুক্ত আৰ্হি প্ৰস্তুতৰ নিৰ্দেশ

## মনোমতী উপন্যাসৰ ৰচনাস্থলী সংৰক্ষণৰ বাবে বৰপেটা জিলা প্ৰশাসনৰ তৎপৰতা

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ২১ নৱেম্বৰ ঃ** উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে ১৮৯৭ৰ পূৰ্বে হাউলীৰ হালাপাকুৰী গাঁৱত এটা ডাক বঙলাত ঐতিহাসিক মনোমতী উপন্যাসখন ৰচনা কৰিছিল। এই ডাক বঙলাৰ ভূমি আৰু ইয়াৰ আশে-পাশে হৈ থকা বেদখল মুক্ত কৰাৰ বাবে বৰপেটা জিলা প্ৰশাসনে ব্যাপক তৎপৰতা গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে বৰপেটা জিলা উপায়ুক্ত তেজপ্ৰসাদ ভূষালৰ নিৰ্দেশ মৰ্মে আজি অতিৰিক্ত উপায়ুক্ত নৱজিৎ পাঠক আৰু বৰনগৰ ৰাজহ চক্ৰ বিষয়া পাৰ্থ প্ৰতীম খনিকৰে লোক নিৰ্মাণ বিভাগৰ উচ্চপদস্থ বিষয়াসকলক লগত লৈ ডাক বঙলাটো অৱস্থিত ঠাইখিনি পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত অতিৰিক্ত উপায়ুক্ত পাঠকে লোক নিৰ্মাণ বিভাগক তৎকালীনভাৱে সীমাৰ চাৰিওফালে পকী বেৰ দিয়াৰ বাবে এক প্ৰাককলন প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে ঐতিহাসিক স্মৃতিচিহ্ন বুৰঞ্জীৰ পাতৰ পৰা বিলুপ্তিৰ বাবে একাংশ লোকে অহৰহভাৱে চেষ্টা চলাই থকাৰ মাজতে স্মৃতিচিহ্ন সংৰক্ষণ আৰু সংবৰ্ধন কৰাৰ বাবে হাউলী অঞ্চলৰ সচেতন লোক আগবাঢ়ি আহিছে। এই উদ্দেশ্যেৰে গঠিত মনোমতী উপন্যাস ৰচনাস্থলী স্মৃতি ৰক্ষা সমিতিৰ অহৰহ প্ৰচেষ্টাত বৰপেটা জিলা প্ৰশাসনে লোৱা ব্যৱস্থাৱলীক সচেতন হাউলীৰ ৰাইজৰ লগতে স্মৃতি ৰক্ষা সংৰক্ষণ সমিতিৰ সম্পাদক যুগান্ত বায়নে আদৰণি ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, সোমবাৰ ৫ আঘোণ ১৪২৮ ভাস্কৰাব্দ ২২ নৱেম্বৰ ২০২১

# আদালতেই শেষ ভৰসা

**সম্প্ৰতি** উচ্চতম ন্যায়ালয়ে সামাজিক অধিকাৰ কৰ্মী, সাংবাদিক, শিক্ষাবিদ, বুদ্ধিজীৱী তথা ৰাজনৈতিক প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে অবৈধ কাৰ্যকলাপ (প্ৰতিৰোধ) আইন, ৰাষ্ট্ৰীয় নিৰাপত্তা আইন আদি নানা কঠোৰ আইন প্ৰয়োগ কৰি ব্যৱস্থা গ্ৰহণৰ বিৰুদ্ধে সৰৱ হোৱা দেখা গৈছে। সম্প্ৰতি ত্ৰিপুৰাৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ ওপৰত প্ৰতিবেদন যুগুতাবলৈ যোৱা দুগৰাকী মহিলা সাংবাদিকক অসমৰ বৰাক উপত্যকাত ত্ৰিপুৰা আৰক্ষীৰ তৎপৰতাত গ্ৰেপ্তাৰ কৰা ঘটনাৰ পৰিপ্ৰেক্ষিততো দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে একে ধৰণৰ বক্তব্য প্ৰকাশ কৰিছে।

একেধৰণৰ উদ্বেগ প্ৰকাশ কৰিছে ভাৰতৰ মুখ্য ন্যায়াধীশ এন ভি ৰামান্নাই। অলপতে সাংবিধানিক আদালতসমূহৰ ন্যায়াধীশসকলৰ সভাত তেওঁ এনে মন্তব্য প্ৰকাশ কৰাটো গুৰুত্বপূৰ্ণ। ভাৰতৰ আৰ্থ-সামাজিক জীৱনত এক কল্যাণকামী গণতন্ত্ৰৰ পৰিসৰৰ ভিতৰতো কেনেদৰে অসমতা তথা বৈষম্যৰ ব্যৱধান বাঢ়িবলৈ ধৰিছে তাক ব্যক্ত কৰিছে ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশগৰাকীয়ে। চৰকাৰে হাতত লোৱা তথাকথিত কল্যাণমূলক আঁচনিবোৰ কেনেদৰে সমাজৰ অৰ্থনৈতিক নিম্নস্তৰলৈ যোৱাত ব্যৰ্থ হৈছে তাৰ বিষয়েও মুখ্য ন্যায়াধীশগৰাকীয়ে উদ্বেগেৰে কোৱাটো লক্ষ্যণীয় হৈ পৰিছে। এই অসমতা আৰু বৈষম্য দূৰীকৰণৰ ক্ষেত্ৰত বৰ্তমান ন্যায়ালয় তথা আদালতৰ মজিয়া মানুহৰ শেষ উপায়ত পৰিণত হৈছে। প্ৰশাসনৰ আন আন স্তৰসমূহে যেতিয়া সমাজত দেখা দিয়া অসমতা আৰু বৈষম্য দূৰীকৰণত ব্যৰ্থ হৈছে তেতিয়া আদালতে মানুহৰ শেষ ভৰসাত পৰিণত হৈছে। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিততেই ন্যায় ব্যৱস্থাৰ ভিতৰত সংহতি আৰু স্বাধীনতা বজাই ৰখা তথা তাক ৰক্ষণা-বেক্ষণ দিয়াটো বৰ্তমান অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। এই ক্ষেত্ৰত যদিহে ন্যায়ালয় বাধাৰ সন্মুখীন হয়, তেনেহ'লে তেনে বাধা প্ৰতিহত কৰাৰ বাবে ন্যায় ব্যৱস্থাই সাহসেৰে আগবাঢ়িব লাগিব বুলি মুখ্য ন্যায়াধীশ ৰামান্নাই কোৱা কথাই দেশৰ ন্যায়পালিকাৰ এক ঐতিহাসিক পৰিৱৰ্তনৰ আগজাননী দিয়া বুলি ক'ব লাগিব।

এইখিনিতেই বহুতেই ক'ব খোজে যে ন্যায়াধীশ ৰামান্নাই কোৱা কথাখিনি যদিহে দেশৰ সংবাদ মাধ্যমসমূহে ফঁহিয়াই চাই তাক অনুসৰণ কৰে তথা গণতান্ত্ৰিক মূল্যবোধ আৰু নাগৰিকৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত তথা দেশৰ সংবিধানক সুৰক্ষা দিয়াৰ বাবে চৰকাৰে আগবাঢ়ি আহে তেনেহ'লে গণতন্ত্ৰই নতুন প্ৰাণ পাই উঠিব। পিছে হতাশ হ'বলগীয়া বিষয় এইটোৱেই যে দেশৰ সংবাদ মাধ্যমসমূহৰ বহুতেই এতিয়া প্ৰশাসনিক তথা চৰকাৰী হেঁচাৰ ওচৰত শিৰনত কৰিছে। বিশেষকৈ একাংশ বৃহৎ কৰ্প'ৰেট নিয়ন্ত্ৰিত অথবা ৰাজনৈতিক নেতাৰ মালিকানাধীন সংবাদ মাধ্যম।

অতীতত আদালতে দিয়া কেতবোৰ ৰায় যিবোৰ ৰায়ত জনসাধাৰণৰ অধিকাংশ অসন্তুষ্ট হৈছিল সেইবোৰ ৰায় পুনৰ পৰীক্ষণ বা পৰ্যালোচনা কৰাৰ বাবে উচ্চতম ন্যায়ালয়ে লোৱা পদক্ষেপে দেশৰ ন্যায় ব্যৱস্থাত এক নতুন সংস্কাৰৰ সৃষ্টি কৰিব। এইখিনিতেই উল্লেখ কৰিব পাৰি যে উচ্চতম ন্যায়ালয়ে গোধ্ৰাৰ ঘটনাৰ পাছত সংঘটিত সংঘাতৰ বিশেষ তদন্তকাৰী সংস্থাই দাখিল কৰা প্ৰতিবেদন আহমদাবাদৰ মেট্ৰ'পলিটান দণ্ডাধীশৰ আদালতে বন্ধ কৰি দিয়া প্ৰতিবেদনখন নতুনকৈ চাবলৈ বিচাৰিছে। উল্লেখ কৰিব পাৰি যে গুজৰাট উচ্চ ন্যায়ালয়ে মেট্ৰ'পলিটান দণ্ডাধীশৰ প্ৰতিবেদন বন্ধ কৰা কাৰ্যক গ্ৰহণ কৰিছিল। কংগ্ৰেছৰ গুজৰাট সংঘৰ্ষত নিহত সাংসদ এহচান জাফৰিৰ পত্নীয়ে এই ৰায়ক আদালতত প্ৰত্যাহ্বান জনাইছিল। এইবোৰ ৰায় যদিহে উচ্চতম ন্যায়ালয়ে পুনৰ পৰ্যালোচনা কৰে, তেনেহ'লে ন্যায় ব্যৱস্থাত থকা বহুতো কেৰোণ ওলাই পৰিব বুলি ভাবিব পাৰি।

## খোলা মঞ্চ

# অসমীয়া বৰ্ণাঢ্য সাজ-পাৰ হেৰাই যাব নেকি?



**অসমীয়া** বৰ্ণাঢ্য সাজপাৰ হেৰাই যাব বুলি আমি নাভাবো। কাৰণ একো একোটা জাতিৰ মান-সন্মান, আবেগ-অনুভূতি, গৌৰৱ তথা পৰিচয় নিহিত হৈ থাকে নিজস্ব সাজপাৰত। ভাৰত ৰাষ্ট্ৰৰ একেবাৰে পূৱ প্ৰান্তত নানান জাতি-উপজাতি তথা বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধ অসম ৰাজ্য। নিজৰ স্বকীয় মহিমাৰে মহিমামণ্ডিত এই ৰাজ্যৰ প্ৰতিটো জাতি-উপজাতি তথা সম্প্ৰদায়ৰ আছে বৰ্ণাঢ্য সাজপাৰ। আচলতে এটা জাতিৰ কলা-কৃষ্টি-সংস্কৃতিৰ লগতে বৰ্ণাঢ্য সাজপাৰে সেই জাতিৰ প্ৰকৃত পৰিচয় দাঙি ধৰে। গতিকে তেনে ক্ষেত্ৰত এক কথাত ক'বলৈ হ'লে বৰ্ণাঢ্য অসমীয়া সাজপাৰ হেৰাই যোৱাৰ প্ৰশ্ন (অবান্তৰ) নুঠে। নিজৰ কলা- সাহিত্য-সংস্কৃতি পৰিহাৰ কৰি কোনো এটা জাতিয়ে নিজৰ সুকীয়া পৰিচয় দাঙি ধৰিব নোৱাৰে। সাজপাৰে নিশ্চিতভাৱে এটা জাতিৰ স্বকীয়তা প্ৰকাশ কৰে। অসমীয়া জাতিৰ বৰ্ণাঢ্য সাজপাৰ বুলিলে প্ৰথমতে আমাৰ মনলৈ আহে তাহানি দিনৰে পৰা অসমীয়া নাৰীয়ে পৰিধান কৰা অতি সুন্দৰ ৰংচঙীয়া এৰি-মুগাৰ মেখেলা চাদৰ, ৰিহা আদি। অসমীয়া জাতিৰ স্বাভিমান বঢ়াই অহা অসমীয়া সাজ-পোছাক বিশ্বৰ দৰবাৰতো এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু অতি চিন্তাৰ বিষয় এই যে অসমীয়াসকলে লোকৰটো ভাল বুলি আঁকোৱালি লৈ নিজৰটো ভাল নহয় বুলি বৰ্জন কৰাৰ এটা বদ স্বভাৱ আছে বাবেই সম্প্ৰতি আধুনিকতাৰ ধামখুমীয়াত তথা পৰিৱৰ্তনৰ কোবাল সোঁতত অসমীয়া বৰ্ণাঢ্য সাজপাৰ হেৰাই যোৱাৰ উপক্ৰম হৈছে যেন অনুভৱ (অনুমান) হয়। সঁচাকৈ ই এটা অতি চিন্তাৰ বিষয়। যুগৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ স্বাভাৱিক জীৱন ধাৰণৰ প্ৰণালীৰো তাৰতম্য ঘটাতো একো অস্বাভাৱিক কথা নহয়। যদিও আমি আমাৰ জাতীয় চেতনা তথা সংস্কৃতিৰ পৰম্পৰাৰ মূল কাঠামোটো কোনো কাৰণতে সলনি হ'ব দিব নালাগে। জাতীয় মান-সন্মান তথা সংস্কৃতিত আঘাত কৰিব পৰা কোনো কামেই কৰা উচিত নহয়। এতিয়া সময় সলনি হৈছে, ৰূপান্তৰ ঘটিছে আৰু ইয়াৰ লগে লগে মানুহৰ মানসিকতাৰো পৰিৱৰ্তন ঘটিছে। সকলো স্তৰতে পশ্চিমীয়া সংস্কৃতিয়ে প্ৰভাৱ বিস্তাৰ কৰিছে আৰু ইয়াৰ প্ৰভাৱ সাজ-পোছাকতো পৰিল। আধুনিকতাৰ পৰশ লাগি মানুহৰ অন্যান্য সাজ-পোছাকৰ প্ৰতি বাঢ়ি অহা দুৰ্বলতা তথা আকৰ্ষণৰ বাবে জাতীয় সাজ-পোছাকৰ প্ৰতি অসমীয়া পুৰুষ-মহিলাসকলে একপ্ৰকাৰ উদাসীন হৈ পৰিল আৰু এয়া জাতিটোৰ বাবে ভাবুকিস্বৰূপ হৈ পৰাৰ আশংকা (বিদ্যমান) নুই কৰিব নোৱাৰি। অসমীয়া জাতিৰ ভাষা, কলা-কৃষ্টি-সংস্কৃতি অতি পৌৰাণিক। কৰ্ম ব্যস্ততাৰ তাগিদাত সুবিধাৰ বাবে বাহিৰা সাজ-পোছাক পৰিধান কৰিবলগীয়া হ'লেও আমি আমাৰ স্বকীয় ঐতিহ্য সন্মান সহকাৰে বৰ্তাই (বজাই) ৰাখিব পাৰিব লাগিব। আধুনিকতাৰ নামত আৰু তাৰ সমান্তৰালকৈ পশ্চিমীয়া অপ-সংস্কৃতিত মোহাচ্ছন্ন হৈ আমি ইতিমধ্যে বহুত হেৰুৱালো। তথাপি যেন আমাৰ চেতনা নাই। পশ্চিমীয়া অপ-সংস্কৃতিয়ে অসমৰ লোক-সংস্কৃতিক বাৰুকৈয়ে গ্ৰাস কৰিলে। সেয়ে যদি আমি জাতীয় সাজ-পোছাকৰ ক্ষেত্ৰত সজাগ আৰু সতৰ্ক নহওঁ তেতিয়াহ'লে আমি আমাৰ পৰিচয় হেৰুৱাম। এই ক্ষেত্ৰত আমাৰ পিতৃ-মাতৃসকলে তথা অভিভাৱকসকলে নিজৰ সন্তানক জাতীয় সাজ-পোছাকৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব আৰু তেতিয়াহে নৱ প্ৰজন্মই আমাৰ অসমীয়া বৰ্ণাঢ্য সাজ-পোছাকৰ প্ৰতি আকৰ্ষিত হ'ব। অসমৰ জাতীয় সাজ-পোছাক পৰিধানৰ ক্ষেত্ৰত পুৰুষ-মহিলা, যুৱক-যুৱতী সমন্বিতে সকলোৱে সমভাৱে অগ্ৰসৰ হ'লে অসমীয়া বৰ্ণাঢ্য সাজপাৰ হেৰাই যাব বুলি আমাৰ মনে নকয়।

**কুলেন বৰ্মন,** *লেখক*

*ফোন ঃ ৯৪৩৫৩৩৮৪১৯*

ফচলৰ উচিত মূল্য নাপায় দেশৰ লাখ লাখ কৃষকে ঋণ ঘূৰাই দিব পৰা নাই

# এক ঐতিহাসিক গণ-আন্দোলন

**প্ৰবল** কৃষক আন্দোলনৰ হেঁচাত শিৰণত কৰিবলৈ বাধ্য হ'ল মোদী চৰকাৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৯ নৱেম্বৰৰ দিনা ঘোষণা কৰিবলৈ বাধ্য হ'ল তিনিখন কৃষক স্বাৰ্থ বিৰোধী কৃষি আইন প্ৰত্যাহাৰ কৰিব বুলি। ৰাজধানী দিল্লীৰ সীমান্তত আৰু উত্তৰ ভাৰতৰ বহু কেইটা ৰাষ্ট্ৰীয় পথত এক বছৰ ধৰি বহি আছে সংগ্ৰামী কৃষকসকল। মাজে মাজে তুমুল বিক্ষোভ সংগঠিত কৰিছিল আৰু চৰকাৰৰ পুলিচে কৃষকৰ ওপৰত অনেকবাৰ লাঠি চলাইছিল-কন্দুৱা গেছ ব্যৱহাৰ কৰি অত্যাচাৰ কৰিছিল। কেতিয়াবা আকৌ লখিমপুৰ খেৰিৰ নিচিনাকৈ গাড়ীৰে চেপি মাৰিছিল আন্দোলনকাৰী কৃষকসকলক। হাৰিয়ানাত পুলিচৰ লাঠিৰ কোবত প্ৰাণ হেৰুৱাইছে আন্দোলনকাৰী কৃষকে, সৰ্বভাৰতীয় ধৰ্মঘট সংঘটিত হৈছিল প্ৰতিবাদী কৃষকসকলৰ আন্দোলন আৰু দাবীৰ সমৰ্থনত। এই আন্দোলনত অংশগ্ৰহণ কৰি ৬৭৫ জন কৃষক ছহিদ হৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ কৃষকসকল ৰাস্তাত নামি পৰিছে। বিশাল বিশাল সমাবেশত অংশগ্ৰহণ কৰিছে। আঁকোৰগোঁজ হৈ চৰকাৰ স্থিতি লৈ আছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এবাৰৰ বাবেও কৃষকসকলৰ লগত কথা পতা নাছিল। কৃষি আইন তিনিখন বাস্তৱায়িত কৰাৰ দ্বাৰা কৰ্প'ৰেট গোষ্ঠীৰ স্বাৰ্থ ৰক্ষাৰ বাবে প্ৰধানমন্ত্ৰী মোদী দৃঢ়প্ৰতিজ্ঞ হৈ আছিল। এতিয়া সেই প্ৰধানমন্ত্ৰী গুৰু নানকৰ জন্মদিন উপলক্ষে প্ৰচাৰিত টেলিভিছন ভাষণত ঘোষণা কৰিছিল চৰকাৰে কৃষি আইন প্ৰত্যাহাৰ কৰিব। আগন্তুক লোকসভা অধিবেশনত এই আইন প্ৰত্যাহাৰ কৰিব বুলি প্ৰতিশ্ৰুতি দিছে। সংসদত যদি চৰকাৰে আইন তিনিখন প্ৰত্যাহাৰ কৰিব খোজে তেতিয়াহ'লে ইয়াৰ কাৰণে নতুন বিধেয়ক উত্থাপন কৰিব লাগিব।

কৃষক আন্দোলনৰ মুখ্য নেতৃত্ব সংযুক্ত কৃষক মৰ্চাই প্ৰধানমন্ত্ৰীৰ এই ঘোষণাক স্বাগত জনাইছে, কিন্তু প্ৰধানমন্ত্ৰীৰ আশ্বাসক সম্পূৰ্ণ বিশ্বাসত ল'ব পৰা নাই। ঘোষণা কৰিছে সংসদত আইন প্ৰত্যাহাৰ পৰ্যন্ত অৱস্থান ধৰ্মঘট চলাই নিব। ২৬ নৱেম্বৰত এই অৱস্থান ধৰ্মঘটৰ এক বছৰ পূৰ্ণ হ'ব। যি তিনি আইনৰ প্ৰত্যাহাৰৰ দাবীত আন্দোলন



চলিছিল সেইকেইটা হ'ল ঃ কৃষকৰ ফচল বাণিজ্য (উন্নতকৰণ আৰু সহায়ক) আইন, মূল্য প্ৰতিশ্ৰুতিত কৃষক (ক্ষমতায়ন আৰু সুৰক্ষা) আৰু কৃষি পৰিসেৱা আইন, অত্যাৱশ্যকীয় সামগ্ৰী সংশোধন আইন। আইন কেইখনৰ নাম কেইটা অতি সুন্দৰ হ'লেও এই তিনিখন 'আইনে কৃষকৰ, জমিৰ আৰু ফচলৰ ওপৰত অধিকাৰেই বিপন্ন হৈ পৰিছিল। কৃষকৰ ফচল কৰ্প'ৰেটৰ নিয়ন্ত্ৰণত গুচি গ'লহেঁতেন। কৃষকৰ বাবে বৰ্তমান থকা চৰকাৰী বজাৰৰ বিলুপ্তি ঘটিলেহেঁতেন। চৰকাৰ কৃষি পণ্যৰ বজাৰ বা মন্দি উঠাই দিয়াৰ ব্যৱস্থা ৰাখিছিল। অত্যাৱশ্যকীয় পণ্য আইনত থকা মজুতৰ সীমা উঠাই দিয়া হৈছিল। ইতিমধ্যেই এইবোৰ ব্যৱস্থাৰ প্ৰভাৱ খাদ্য সামগ্ৰীৰ দাম বৃদ্ধিৰ দ্বাৰা প্ৰকাশ পাইছিল।

প্ৰধানমন্ত্ৰীয়ে সেইদিনাৰ ভাষণত দেশবাসীৰ ওচৰত দুখ প্ৰকাশ কৰিছে কিন্তু কৃষকসকলৰ ওচৰত নহয়, কি কাৰণে এই দুখ প্ৰকাশ স্পষ্ট নহয়। কিন্তু আইন তিনিখনৰ প্ৰশংসাও কৰিছে ভাষণত। দেশৰ কৃষকৰ স্বাৰ্থতে এই আইন তিনিখন অনা হৈছিল। বিশেষকৈ ক্ষুদ্ৰ খেতিয়কৰ স্বাৰ্থত হেনো। তেওঁৰ স্বচ্ছ বিবেকৰ দ্বাৰা আইন তিনিখন প্ৰণয়ন কৰিছিল বুলি কৈছে। অনেক কৃষক সংগঠন, কৃষি বিশেষজ্ঞ আৰু বিজ্ঞানীসকলে সমৰ্থন কৰিছিল হেনো। চৰকাৰে দুবছৰৰ বাবে আইন তিনিখন স্থগিত ৰাখিবলৈ খুজিছিল বুলি প্ৰধানমন্ত্ৰীয়ে ভাষণত ক'লে। আন্দোলনকাৰী কৃষকসকলক হেনো বুজাব নোৱাৰিলে। সেইবাবেই এই তিনিখন আইন উঠাই ল'লে বুলি ক'লে প্ৰধানমন্ত্ৰীয়ে।

প্ৰধানমন্ত্ৰীয়ে অকল আন্দোলনকাৰী কৃষকসকলকে বুজাব নোৱাৰিলে বুলি ক'লেও অকল আন্দোলনকাৰী কৃষকেই নহয় দেশৰ সমস্ত কৃষক সমাজ যে আন্দোলনৰ লগত জড়িত আছে সেইটো উপলব্ধি কৰিব পাৰিছে বিশেষকৈ নেতাসকলে। সন্মুখত উত্তৰপ্ৰদেশ আৰু পঞ্জাৱৰ ভোট। এই দুই ৰাজ্যই উত্তৰ ভাৰতত গাঁৱে গাঁৱে কৃষক বিক্ষোভে চূড়ান্ত ৰূপ লৈছিল। অনেক অঞ্চলত বিজেপি নেতা মন্ত্ৰীসকল প্ৰৱেশ কৰিবই পৰা নাছিল। সেই বিক্ষোভে যে বিজেপিক বিপদত পেলাব পাৰে সেইটোৰ আন্দাজ কৰিব পাৰিয়েই প্ৰধানমন্ত্ৰীয়ে



**দৃষ্টিপাত**
**অনন্ত কলিতা**

পিছুৱাই যোৱাৰ ৰণকৌশল লৈছে। উল্লেখ্য যে যোৱা সাত বছৰত মোদী চৰকাৰৰ ৰাজত্বকালত গণবিক্ষোভৰ মুখত এইধৰণে কেতিয়াও মোদীক পিছুৱাই যাবলৈ বাধ্য কৰিব পৰা নাই। ইয়াৰ আগতে ভূমি আইন পৰিৱৰ্তন কৰি অধ্যাদেশ জাৰি কৰিছিল আৰু কৃষকসকলে সৰ্বাত্মক আন্দোলন কৰিছিল সেই অধ্যাদেশৰ বিৰুদ্ধে। ফলত অধ্যাদেশ স্থগিত ৰাখিবলৈ বাধ্য হৈছিল। যোৱা ছেপ্টেম্বৰৰ পৰা সংগঠিত হৈ উঠা কৃষক আন্দোলনৰ ব্যাপ্তি আৰু তীব্ৰতা অনেক বেছি আছিল। এই আন্দোলনৰ ফলত পশ্চাদহৰণতাই প্ৰধানমন্ত্ৰী মোদীক ভালভাৱে এক ঢকা দিছে। ৰাজনৈতিক মহলৰ ধাৰণা যে এই পশ্চাদহৰণতাই ৰাজনীতিত গভীৰ প্ৰভাৱ পেলাব। কৃষক নেতৃত্ব প্ৰধানমন্ত্ৰীৰ ভাষণক স্বাগত জনাই কৈছে— কৃষকসকলৰ আন এটা দাবীও আছিল। ন্যূনতম সহায়ক মূল্যৰ নিশ্চয়তাৰ বাবে আইনৰ দাবী। এই দাবীত কৃষকসকলে আন্দোলন চলাই যাব। এই আন্দোলন কেনেধৰণে কৰিব সেইটো পাছত আলোচনা কৰিব। প্ৰধানমন্ত্ৰীৰ ভাষণত এখন কমিটী গঠনৰ কথা কৈছে। তাত ন্যূনতম সহায়ক মূল্যক কাৰ্যকৰী কৰা আৰু স্বচ্ছ কৰি দিয়াৰ বিষয়ত আলোচনা হ'ব বুলি কৈছে। ইয়াৰ উপৰি ফচলৰ ধৰণ পৰিৱৰ্তন কৰা আৰু শূন্যবাজেট কৃষি অৰ্থাৎ জৈৱ-উৎপাদন ভিত্তিক কৃষিৰ বিষয়ে আলোচনা কৰিব।

মোদী চৰকাৰ অজেয় নহয়। কৃষকসকলৰ দৃঢ় মনোভাৱৰ আন্দোলনৰ সন্মুখত অৱশেষত মোদী চৰকাৰ হাৰ মানিবলৈ বাধ্য হ'ল। কৃষকসকলে লোকসভাত আইন তিনিখন উঠাই লোৱাৰ আইন পাছ নোহোৱালৈকে আন্দোলন উঠাই নোলোৱাৰ সিদ্ধান্তটোও সঠিকেই হৈছে। কাৰণ ভূমি আধ্যাদেশ কৃষকৰ আন্দোলনৰ হেঁচাত মোদী চৰকাৰে ঘোষণা কৰিছিল এই অধ্যাদেশখন উঠাই ল'ব কিন্তু আজি সাতবছৰ হ'ল এই অধ্যাদেশখন প্ৰত্যাহাৰ কৰা নাই। এই কৃষক বিৰোধী কৰ্প'ৰেটৰ স্বাৰ্থবাহী আইন তিনিখন বাতিল নহ'লে দেশৰ কৃষি আৰু কৃষকৰ ভৱিষ্যত সৰ্বনাশ হ'লহেঁতেন। কৃষকসকলে তেওঁলোকৰ সঁহাৰি হেৰুওৱাহেঁতেন, ফচলৰ মূল্য নাপালেহেঁতেন, ফচলৰ অধিকাৰ হেৰালেহেঁতেন, কৃষি গুচি গ'লহেঁতেন কৰ্প'ৰেটৰ হাতত। মোদী চৰকাৰে এইদৰে আচ্ছেদিন আনিলেহেঁতেন

**এই আন্দোলনৰ পৰা আন আন গণতান্ত্ৰিক আন্দোলনে শিক্ষা ল'ব লাগিব। বৰ্তমান অনেক শ্ৰমিক বিৰোধী আইন বলৱৎ কৰিছে দেশৰ শ্ৰমিক শ্ৰেণীৰ আন্দোলনেই এই আন্দোলনৰ পৰা উৎসাহিত হ'ব আৰু এখন স্বৈৰাচাৰী চৰকাৰক নত কৰিবলৈ সমৰ্থ হ'ব।**

দেশৰ জনসাধাৰণৰ। ইতিমধ্যেই ফচলৰ উচিত মূল্য নাপায় পাঁচ লাখ কৃষকে আত্মহত্যা কৰিছে। ফচল উচিত মূল্য নাপায় দেশৰ লাখ লাখ কৃষকে ফচলৰ ঋণ ঘূৰাই দিব পৰা নাই। বৰ্তমান প্ৰতিদিনে ৫২ জন কৃষকে আত্মহত্যা কৰে।

এই বছৰজোৰা কৃষক আন্দোলনৰ বিজয়ে দেশৰ গণতান্ত্ৰিক আন্দোলনত বিৰাট প্ৰভাৱ পেলাব। দেশৰ অন্নদাতা কৃষকসকলে স্বেচ্ছাচাৰী, জনবিৰোধী বিভেদকামী চৰকাৰখনৰ সকলো আন্দোলন চলাই বিজয়ী হোৱা ঘটনাটো ভাৰতৰ গণতান্ত্ৰিক আন্দোলনৰ ঐতিহাসিক ঘটনা। বিজেপি চৰকাৰখনৰ নেতা মন্ত্ৰী আৰু দলৰ বিভিন্ন কৰ্মীয়ে আন্দোলনকাৰী কৃষকসকলক দেশদ্ৰোহী বুলি ক'বলৈও দ্বিধা কৰা নাছিল। চৰকাৰে এতিয়া আইন তিনিখন বাতিলৰ আশ্বাস দিছে, কিন্তু এই মোদী চৰকাৰেই কৃষকসকলক যোৱা এবছৰ ধৰি পুলিচ লগাই অত্যাচাৰ কৰিছিল, অপমানিত, লাঞ্ছিত কৰিছিল। কৃষকসকলক শত্ৰুপক্ষ হিচাপে চিহ্নিত কৰি প্ৰতি পদক্ষেপত হেজাৰটা বিধি নিয়মেৰে তেওঁলোকক শিকলিৰে বান্ধি ৰখাৰ চেষ্টা কৰিছিল। অসংখ্য মিছা অভিযোগত কৃষকসকলক অভিযুক্ত কৰাৰ অনবৰত প্ৰচেষ্টা চলাই আছিল। কৃষকসকলৰ শান্তিপূৰ্ণ অৱস্থানত অনেক সময়ত পুলিচৰ দ্বাৰা আৰু হিন্দুত্ববাদী দুষ্কৃতিকাৰীসকলৰ দ্বাৰা হামলা চপাই সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। বিদ্যুৎ সংযোগ কাটি দি অন্ধকাৰত ৰখাৰ চেষ্টা কৰিছিল। বিভিন্ন বিভেদকামী পন্থাৰে কৃষকসকলৰ মাজত বিভাজন ঘটাই আন্দোলন ধ্বংস কৰিব বিচাৰিছিল। জাত-পাত-ধৰ্ম আদি বিভেদকামী শ্ল'গানে কৃষক আন্দোলনৰ মাজত বিভেদ সৃষ্টি কৰিব পৰা নাছিল। এই পটভূমিতে এবছৰীয়া কৃষক আন্দোলন দেশৰ গণতান্ত্ৰিক আন্দোলনৰ বুৰঞ্জীত যুগমীয়া হৈ থাকিব। এই আন্দোলনৰ পৰা আন আন গণতান্ত্ৰিক আন্দোলনে শিক্ষা ল'ব লাগিব। বৰ্তমান অনেক শ্ৰমিক বিৰোধী আইন বলৱৎ কৰিছে দেশৰ শ্ৰমিক শ্ৰেণীৰ আন্দোলনেই এই আন্দোলনৰ পৰা উৎসাহিত হ'ব আৰু এখন স্বৈৰাচাৰী চৰকাৰক নত কৰিবলৈ সমৰ্থ হ'ব। অসমত যুৱ ছাত্ৰ, গণতান্ত্ৰিক জনসাধাৰণেও এই অন্নদাতাসকলৰ আন্দোলনৰ পৰা শিক্ষা ল'ব লাগিব 'কা' আইনক পৰাস্ত কৰিবলৈ। অসমৰ ছাত্ৰ, গণতান্ত্ৰিক জনসাধাৰণে হিন্দুত্ববাদী চৰকাৰৰ 'কা' আইনৰ বিৰুদ্ধে কৃষকসকলৰ দৰে আন্দোলন সংগঠিত কৰি 'কা' আইন উঠাই ল'বলৈ বাধ্য কৰিব পাৰিলে 'কা' আইন উঠাই ল'বলৈ বাধ্য কৰিবলৈ কৃষকসকলৰ দৰে দীঘলীয়া আন্দোলনৰে প্ৰয়োজন।

*ফোন ঃ ৯৪৩৫০৪১২০৩*

# পৃথিৱীৰ বিশাল পৰিৱৰ্তন চকুৰ আগত দেখিলো

**আমি মনত ৰখা উচিত যে কৰ'না ভাইৰাছ এতিয়াও আছে। গতিকে মাস্ক পিন্ধি ছেনিটাইজাৰ, প্ৰতিষেধক লৈ সামাজিক দূৰত্ব মানি চলাটো অতি প্ৰয়োজনীয়।**


**২০১৯ৰ** পৰাই পৃথিৱীৰ এক নতুন ৰূপ দেখা পালো। সেই বছৰৰ ডিচেম্বৰত চীনৰ য়ুহান চহৰত কৰ'না ভাইৰাছৰ উৎপত্তি হ'ল। এই ভাইৰাছে লাহে লাহে পৃথিৱীখন অস্থিৰ কৰি তুলিলে। ভাইৰাছবিধ ভাৰতবৰ্ষত সোমাই ২০২০ৰ ফেব্ৰুৱাৰী-মাৰ্চত বিদ্যালয়, মহাবিদ্যালয়, কাৰ্যালয়, দোকান-পোহাৰ লাহে লাহে বন্ধ কৰি দিবলৈ ধৰিলে। পৃথিৱীখন ইণ্টাৰনেটৰ মাজেৰে আগবাঢ়িল। কম্পিউটাৰ, ম'বাইল ফোন অবিহনে জীয়াই থকাটো কঠিন হৈ পৰিল। শিক্ষাৰ্থীয়ে স্ক্ৰীণৰ আগত বহি শিক্ষা লাভ কৰিব লগা হ'ল। গুৰু-শিষ্যৰ মাজত স্থান পালে আধুনিক যন্ত্ৰই। অৰ্থাৎ আগৰ শিক্ষা পদ্ধতি লোপ পালে। সকলো বয়সৰ লোকে পৃথিৱীত হোৱা এই পৰিৱৰ্তনৰ কম-বেছি পৰিমাণে সন্মুখীন হ'ব লগা হৈছে। সকলো মানুহ কম-বেছি পৰিমাণে মানসিকভাৱে ভাগি পৰিছে। অৰ্থনৈতিকভাৱেও মানুহ জুৰুলা হৈছে। দেশৰ অৰ্থনৈতিক অৱস্থা অধোগামী হৈছে। প্ৰতিগৰাকী মানুহ সুস্থ হ'লেহে পৃথিৱীখন ইতিবাচক দিশে আগবাঢ়িব। তাৰ বাবে প্ৰয়োজন হ'ব সজাগতা আৰু ধৈৰ্যৰ। কৰ'না ভাইৰাছে বেলেগ বেলেগ ৰূপ ধাৰণ কৰি পৃথিৱীখন কিমান বিপদৰ ফালে লৈ গৈছে সেয়া আমাৰ সকলোৰে জ্ঞাত। বিজ্ঞানীসকলৰ মতে কৰ'না ভাইৰাছে প্ৰথম আৰু দ্বিতীয় ঢৌ শেষ কৰিলে। এই ভাইৰাছে মানুহৰ মাজৰ দূৰত্ব বঢ়াই দিলে। সকলোৱে জ্ঞান অৰ্জন, অৱসৰ বিনোদনো আধুনিক যন্ত্ৰতহে কৰা হ'ল। ঘৰে ঘৰে যাব নোৱাৰা হোৱাত আন্তৰিকতা, মৰম-চেনেহবোৰ ইণ্টাৰনেটৰ যোগেদিয়েই হ'ল। আঙুলিৰে বুটাম টিপি পৃথিৱীখন ওচৰতে পোৱা হ'ল। মানুহক মানুহ নলগা হ'ল, লাগে মাথোঁ একোটা কম্পিউটাৰ আৰু উচ্চমানৰ ম'বাইল ফোন— কি আচৰিত পৰিৱৰ্তন! মানুহৰ সুপ্ত প্ৰতিভা বিকাশ হ'ল সঁচা— কিন্তু মানুহৰ মৰমৰ এনাজৰীডাল শিথিল হ'ল।

জনসাধাৰণে প্ৰথম অৱস্থাত কৰ'না ভাইৰাছক গুৰুত্ব সহকাৰে লোৱা নাছিল। সেয়েহে হয়তো এই ভাইৰাছবিধ সহজতে বিয়পিবলৈ ধৰিলে। দ্বিতীয় ঢৌৰ সময়ত এইবিধ ভাইৰাছে ইমান ভয়াৱহ ৰূপ ধাৰণ কৰিছিল যে, পৃথিৱীৰ চাৰিওফালে নিজান-নিস্তব্ধতা বিৰাজ কৰিলে, উপাসনা গৃহসমূহ বন্ধ হ'ল, আন্তঃজিলা, আন্তঃৰাষ্ট্ৰীয়



**নন্দিনী শৰ্মা**

যাতায়াত ব্যৱস্থা অচল হৈ পৰিল। চাৰিওফালে এম্বুলেন্সৰ শব্দ শুনা গ'ল। হাস্পতালত মানুহ থাকিবলৈ ঠাই নোহোৱা হ'ল। অস্থায়ীভাৱে বহুত ঠাইত হাস্পতাল বনাবলৈ চৰকাৰ বাধ্য হৈ পৰিল। দিল্লী, মুম্বাই, বাংগালুৰুৰ দৰে আগশাৰীৰ চহৰত অক্সিজেন যোগান ধৰিব নোৱাৰাৰ ফলত ৰোগীৰ য'তে-



ত'তে মৃত্যু হ'বলৈ ধৰিলে। সেইসময়ত ইমান মানুহৰ মৃত্যু ঘটিল যে, বহুত ঠাইত নতুন নতুন শ্মশান বনাব লগা হ'ল। বিহাৰ আৰু উত্তৰ প্ৰদেশত মৰাশবোৰ গংগা নদীত উটুৱাই দিয়া হ'ল। এই ভাইৰাছত মৃত্যু হোৱা মানুহৰ অন্তিম সৎকাৰ পৰ্যন্ত অতি মৰ্মস্পৰ্শী আছিল। এইবোৰ দেখি শুনি বহুতো লোকে আত্মহত্যাও কৰিবলৈ ল'লে। বহুতো কণ কণ ল'ৰা-ছোৱালী অকালতে ঘাট-মাউৰা হ'ল। সঁচাকৈয়ে পৃথিৱীখন ধ্বংসৰ দিশে গতি কৰিছিল। বাতৰি কাকত, দূৰদৰ্শনত এইবোৰ দেখা পাই মানুহে বিশেষ কাম নহ'লে ঘৰৰ পৰা নোলোৱা হ'ল। সেই সময়তে কোনো কোনো সমাজত দেখা গৈছিল কৰ'না ভাইৰাছে আক্ৰমণ কৰা ৰোগীৰ পৰিয়ালটোক ওচৰ-চুবুৰীয়া বা আত্মীয়সকলে ঘৃণাৰ চকুৰে চাইছিল। এই ধাৰণা সম্পূৰ্ণ অৰ্থহীন আছিল। ৰোগীক নহয় এই ৰোগকহে ঘৃণা কৰা উচিত। এই ভাইৰাছে অনা পৰিৱৰ্তনৰ পৰা মানুহে নিজৰ জীৱনটো কিমান মূল্যৱান বুজি পোৱা হ'ল আৰু নিজৰ স্বাস্থ্যৰ বিশেষভাৱে যত্ন ল'বলৈ ধৰিলে। গৰম বস্তু খোৱা, চাফ-চিকুণ হৈ থকা, ব্যায়াম কৰা, খোজ কঢ়া, চাইকেল চলোৱা, সূৰ্যৰ ৰশ্মিৰ পৰা পোৱা ভিটামিন-ডি লৈ মানুহ সুস্বাস্থ্যৰ অধিকাৰী হ'ব খুজিলে। তেতিয়াৰ পৰা চাইকেলৰ জনপ্ৰিয়তা বৃদ্ধি হ'ল।

আটাইতকৈ আচৰিত কথা যে কৰ'না ভাইৰাছৰ দ্বাৰা আক্ৰান্ত সকলো ৰোগীৰ লক্ষণ একে নহয়, কাৰোবাৰ জ্বৰ উঠে, কোনোবাই খাদ্যত সোৱাদ নাপায়, কোনোবাই আকৌ গোন্ধ নাপায়, কোনোবাই খুব দুৰ্বল অনুভৱ কৰে, কাৰোবাৰ উশাহ-নিশাহত কষ্ট হয় ইত্যাদি অৰ্থাৎ এক বিচিত্ৰ ভাইৰাছ পৃথিৱীত সোমাল। উপসৰ্গহীন, লক্ষণযুক্ত, বাহক আদি শব্দৰে ৰোগীসকলক ভগোৱা হ'ল। কম মাত্ৰাত এই ৰোগ হ'লে চিকিৎসকে ৰোগীক ঘৰতে আছুতীয়াকৈ থাকিবলৈ উপদেশ দিয়ে। কোনো ঠাইত ৰোগীৰ মাত্ৰা বেছি হ'লে চৰকাৰে সেই ঠাই কণ্টেইনমেণ্ট জ'ন নামেৰে আখ্যা দি তাত বহুত নীতি-নিয়ম বান্ধি দিয়ে। ৰোগীসকলক সুস্থ কৰাত চিকিৎসক, স্বাস্থ্যকৰ্মীসকলৰ অৱদান অতুলনীয় আছিল। পি পি ই কিট, ফেইচশ্বিল্ড, মাস্ক পিন্ধি নিজৰ দেহক কষ্ট দি তেওঁলোকে দিনে-নিশাই যি নিস্বাৰ্থ সেৱা আগবঢ়ালে সেয়া কেতিয়াও পাহৰিব নোৱাৰি। ৰোগীৰ পৰা জনসাধাৰণক ছয় ফুট দূৰত থাকিবলৈ কোৱা হ'ল যাতে এই ৰোগ আৰু নিবিয়পে। চৰকাৰে সান্ধ্যআইন, তলাবন্ধৰ লগতে নতুন নীতি-নিৰ্দেশ বলৱৎ কৰি জনসাধাৰণৰ প্ৰাণ ৰক্ষাৰ চেষ্টা কৰিলে। এই ক্ষেত্ৰত আৰক্ষীসকলৰ অৱদান অতুলনীয় আছিল। কৰ'না ভাইৰাছৰ প্ৰভাৱ নপৰাকৈ জীয়াই থকাজনে নিজকে ভাগ্যৱান বুলি ভাবিবলৈ ধৰিলে। নিজৰ লগতে আনক বচোৱাটো অতি প্ৰয়োজনীয় হৈ পৰিল।

বিজ্ঞানীসকলে দিনে-নিশাই কষ্ট কৰি ক'ভেক্সিন, ক'ভিশ্বিল্ড, স্পুটনিক-ভি, ফাইজাৰ আদিৰ দৰে প্ৰতিষেধক বনাবলৈ সক্ষম হ'ল। এতিয়াও তেওঁলোকে শিশুৰ বাবে প্ৰতিষেধক প্ৰস্তুত কৰাত ব্যস্ত হৈ আছে আৰু আশা কৰিছে এই প্ৰতিষেধক লোৱাৰ পাছত জনসাধাৰণে কিছু হ'লেও সকাহ পাব। ভাৰতবৰ্ষত ইতিমধ্যে এশ কোটিৰো অধিক লোকৰ প্ৰতিষেধক লোৱা শেষ হৈছে। চৰকাৰৰ সহযোগিতা, নাগৰিকৰ সতৰ্কতা আৰু আগ্ৰহৰ ফলত এদিন পৃথিৱীবাসীৰ প্ৰতিষেধক লোৱা শেষ হ'ব আৰু কৰ'না ভাইৰাছ লুপ্ত হ'ব।

মানুহৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বহু নীতি-নিয়মৰ মাজেৰে বিদ্যালয়, মহাবিদ্যালয়, উপাসনাগৃহ, ছবিগৃহ, কাৰ্যালয়, বজাৰ, দোকান-পোহাৰ মুকলি কৰি দিছে; কিন্তু আমি মনত ৰখা উচিত যে কৰ'না ভাইৰাছ এতিয়াও আছে। গতিকে মাস্ক পিন্ধি, ছেনিটাইজাৰ, প্ৰতিষেধক লৈ সামাজিক দূৰত্ব মানি চলাটো অতি প্ৰয়োজনীয়। আমাৰ ভাৰতবৰ্ষৰ লগতে পৃথিৱীৰ বেলেগ দেশতো যাতে এই ভাইৰাছে আক্ৰমণ কৰা ৰোগীৰ সংখ্যা আৰু নাবাঢ়ে তাৰ বাবে সকলো সাৱধান হোৱা ভাল। নিজে বাচি থাকিম আৰু আনকো বচাম এই মনোভাৱেৰে আগবাঢ়িব লাগে। শৰীৰত কিবা অসুবিধা অনুভৱ কৰিলে শীঘ্ৰে কৰ'নাৰ পৰীক্ষা কৰি চিকিৎসকৰ পৰামৰ্শ লোৱাটো অতি জৰুৰী।

চিকিৎসক, বিজ্ঞানীৰ পৰা পৰামৰ্শ লৈ, চৰকাৰী নীতি-নিয়ম, প্ৰতিষেধকে আমাৰ মনৰ পৰা ভয়-শংকা গুচাই আনন্দ মনেৰে আমাক জীয়াই ৰাখিব পাৰিব। পৃথিৱীবাসী শাৰীৰিক আৰু মানসিকভাৱে সুস্থ হ'লে পৃথিৱীখনে এক সুন্দৰ ৰূপ পাব বুলি আশাৰে বাট চাই ৰ'লো।

*ফোন ঃ ৬০০১৫২৯১০৫*

# লামডিঙৰ বনাঞ্চল দখলত উদগনি দিয়াসকল অসমীয়া নে?

**নজৰুল** ইছলাম যে অসমীয়া নহয় সেয়া তেওঁৰ কাৰ্যই পৰিচয় দিয়ে। তেওঁৰ চাৱনি, চাল-চলন, প্ৰকাশ-ভংগীয়েও অসমীয়াৰ পৰিচয় দাঙি নধৰে।

এনেদৰেই অসমীয়াৰ পৰিচয় নথকা বিদেশী লোকসকলেই অসম বিদেশীৰ হাতত গতাই দিব বিচাৰিছে। নজৰুলৰ লগতে লামডিঙৰ বনাঞ্চল বেদখল কৰাসকল কেৱল বিদেশীয়েই নহয়, এইসকল অসমীয়াৰ শত্ৰু। ইতিমধ্যে বংগদেশ বিভাজন কৰি হিন্দু বাঙালীৰ আত্মীয়-স্বজন হৈ অসমীয়াৰ প্ৰিয়পাত্ৰ হ'ব বিচাৰিছে। অবৈধভাৱে অসমত অনুপ্ৰৱেশ কৰি অবৈধভাৱে বলপূৰ্বক অসমৰ মাটি দখল কৰাসকল আকৌ অসমীয়া কেনেকৈ হয়? অন্যায়, অনীতি, অধৰ্মৰ আশ্ৰয় লোৱা এই লোকসকলে অসমৰ ধৰ্ম, সংস্কৃতি বিনষ্ট কৰাৰ কোনো অধিকাৰ নাই। সনাতন ধৰ্মৰ ওপৰত গঢ়ি উঠা ভাৰতীয় সভ্যতা, সংস্কৃতিৰ শত্ৰু। এইসকলক কেৱল গ্ৰেপ্তাৰ কৰি ক্ষান্ত হৈ থাকিলে নহ'ব, ৰাজ্যৰ পৰা বিতাড়িত কৰাৰো ব্যৱস্থা কৰিব লাগে।

**কৃষ্ণানন্দ শৰ্মা**

*ফোন ঃ ৭৬৬৪৮৩৮১০৪*

# পোছাক আৰু মানুহৰ মানসিকতা

**অভিমত**

**মানুহৰ** মানসিকতা আৰু মনৰ ভাৱনা কিদৰে সমাজত প্ৰতিফলিত হয়, সেয়া আমি প্ৰায়ে শুনিবলৈ পাওঁ। বিশেষকৈ মহিলাৰ পোছাকক লৈ যোৱা কিছুদিন পূৰ্বে যি জঘন্য ঘটনা ঘটিছে, সেয়া নিকৃষ্ট মানসিকতাৰ পৰিচয়, বৰ্বৰ যুগৰ আচৰণ। এতিয়াও আমাৰ পৰিৱেশৰ চৌদিশে কিছু অসভ্য মানুহ সমাজত দপ্‌দপাই আছে। কিবা নহয় কিবা এটা সুযোগ পালেই মহিলাৰ ওপৰত নিৰ্যাতন চলাই আহিছে। এওঁলোক আচলতে সবাতোকৈ পিছপৰা শ্ৰেণী। মানুহৰ মাজত জাতিগত ভাৱনা আৰু উচ্চ-নীচ, অস্পৃশ্যতা থাকিব নালাগে; কিন্তু মানুহৰ মাজত শ্ৰেণীগত পাৰ্থক্য অৱশ্যেই আছে। মানুহ হ'লেই যে 'মানুহৰ' আচৰণ থাকিব এয়া সত্য নহয়, কিয়নো মানুহৰ মাজতো পশুৰ নিচিনা আচৰণ থাকে আৰু উৎকৃষ্ট আৰু নিকৃষ্ট চিন্তাধাৰাৰ মানুহো থাকে।

নিকৃষ্ট মানসিকতাৰ ব্যক্তিসকলে নিজক সলাব নোৱাৰে এয়া হ'ল যিকোনো নেতিবাচক মনোভাৱাপন্ন ব্যক্তিৰ ব্যক্তিগত সমস্যা। নিজৰ সমস্যাবোৰ আনৰ ওপৰত জাপি দি সমাজত পৰিৱৰ্তন আনিব পাৰিবনে? মাখি নহয়, মৌমাখিৰ দৰে বিচৰণ কৰিব লাগিব। কিছুদিন পূৰ্বে মহিলাৰ জিন্‌ছ পেন্ট পৰিধানক কেন্দ্ৰ কৰি যি নিৰ্মম আৰু অশালীন আচৰণ কৰা হ'ল, এয়া সভ্য মানুহৰ কাৰ্যকলাপ নহয়। এতিয়াও আদিম যুগৰ মানসিকতাসম্পন্ন লোকৰ অভাৱ নাই অথচ হাতত এটাকৈ ডাঙৰ ম'বাইল কাণত হেডফোন লগাই গান শুনে। জিন্‌ছ পেন্ট পিন্ধা ছোৱালীজনীৰ অপৰাধ কি আছিল? ছোৱালীজনীৰ অপৰাধ নাছিল; কিন্তু অপৰাধ কৰিছে নিকৃষ্ট মানসিকতাৰ ব্যক্তিজনে। বৰ্তমানে মানুহৰ মাজত পোছাৰ প্ৰতি দৃষ্টিভংগী অত্যধিক বাঢ়ি গৈছে। যিসকলে ছোৱালীজনীক আৰু তাইৰ পিতৃক জঘন্য আচৰণ কৰি নিজক সভ্য বুলি প্ৰতিপন্ন কৰিব খুজিলে তেওঁলোক কিমান সভ্য হ'ব পাৰিছে তাৰ নমুনা অনেক আছে। শিক্ষা-দীক্ষা, সংস্কৃতিত উন্নতি কৰিব নোৱাৰিলে সভ্য বুলি পৰিগণিত নহয়। আপদমস্তক ঢাকি থাকিলেই সভ্য হ'ব নোৱাৰে। সভ্যতা মনৰ প্ৰগতি আৰু প্ৰকৃত শিক্ষাৰ ওপৰত নিৰ্ভৰ কৰে। নিজৰ অন্ধকাৰ জগতখনক আলোকিত কৰাৰ প্ৰয়াস লাগিব।

আচলতে পোছাক সমস্যা নহয়। সমস্যা হ'ল এচাম লোকৰ মানসিকতা। 'নেত্ৰাভাষ' বুলি এটা কথা আছে। যুগ যুগ ধৰি যি পোছাক দেখি আহিছে, সেই পোছাক নিপিন্ধিলে নিজৰ দৃষ্টি আৰু মানসিকতাত বেয়াকৈ প্ৰভাৱ পেলায়। এজনী মহিলা যদি খেলুৱৈ হয়, তেনেহ'লে তেওঁৰ পোছাক হাফপেন্ট হ'ব পাৰে। য'ত যেনে ধৰণৰ পোছাক প্ৰয়োজন, তেনে পোছাক পৰিধান কৰিবই লাগিব। শিক্ষানুষ্ঠানৰ (স্কুল-কলেজ) বাহিৰৰ পোছাকৰ কথা আলোচ্য বিষয়।

সাঁতুৰিব লাগিলে তাৰ পোছাকো বেলেগ হ'ব। এয়া কোনো কোনো লোকৰ বেয়া লাগিব পাৰে, সেই বুলি বেয়া লগা মানুহক গুৰুত্ব দিব লাগিব নে পোছাকৰ কাৰণে সকলো বন্ধ কৰি দিব লাগিব। কোন দেশৰ নীতি-নিয়ম এতিয়া আৰম্ভ হ'বলৈ ধৰিছে এয়া সকলোৰে বোধগম্য হয়। যিসকলে পোছাকৰ পৰিৱৰ্তন মানি ল'ব নোৱাৰে, তেওঁলোকৰ ম'বাইলটো চলাব নালাগে।

নাৰীৰ পোছাক কোনে নিৰ্ধাৰণ কৰি দিছে যে একেই পোছাকত নাৰীক যুগ যুগ ধৰি দেখিব বিচাৰে। পোছাকৰ আকৃতি সলনি হয়। আকৃতি সলনি হ'লেই সেইটো পোছাক নহয় নেকি? শালীনতা বজাই ৰাখি জিন্‌ছ পেন্ট পিন্ধাত অসুবিধা ক'ত? পোছাক অসুবিধাৰ কাৰণ নহয়। অসুবিধা হ'ল কিছু সংখ্যক লোকৰ মানসিকতাত? যদি নাৰী আৰু পুৰুষৰ পোছাক একেই হ'লহেঁতেন, তেতিয়াহ'লে? পৃথিৱী সৰ্বক্ষণ ঘূৰি আছে। চকুৰ অভ্যাস সলনি কৰিব নোৱাৰিলে চকুত সদায় বেয়াই দেখা পাব। এয়া চকুৰ বেয়া অভ্যাস।

**আশা আহমেদ,** কোকৰাঝাৰ

*ফোন ঃ ৯৯৫৪২৮৩৯৩৩*


# জাৰ্ণেল ইনটাইম-ৰ জলঙাৰে জীৱনৰ ইটো-সিটো



**জ্ঞানান্বেষণৰ** স্পৃহা থকাটো পণ্ডিতৰ সহজাত লক্ষণ। আৰ্জিত জ্ঞানৰ দ্বাৰা বৃহত্তৰ সমাজৰ কল্যাণ সাধন কৰিলেহে পাণ্ডিত্যৰ বিস্তৃতি আৰু গভীৰতাৰ কথা অনুধাৱন কৰিব পাৰি। কিন্তু কেতিয়াবা পণ্ডিত বিশেষৰ এনে অন্বেষণ ফলপ্ৰসূ নহয়। ফলত তেওঁ নিৰস, উদ্যমহীন হৈ পৰে। তেনে এগৰাকী পণ্ডিত-দাৰ্শনিক হৈছে হেনৰিক ফ্ৰেডৰিক আমিয়েল। নিজৰ ভাৱ-অনুভূতি, আশা-আকাংক্ষাৰ কথা নিজৰ অন্তৰ্মুখী চিন্তাৰ বাবে তেওঁ প্ৰকাশক্ষম ভাষাৰে লিপিবদ্ধ কৰিবলৈ অসমৰ্থ হৈছিল। তৎসত্ত্বেও তেওঁ নিজৰ বিষয়ে, নিজক লৈ যি সৃষ্টি কৰি থৈ গ'ল, সেয়াই তেওঁৰ মৃত্যুৰ পাছত প্ৰকাশ লাভ কৰি তেওঁক অমৰ কৰি গ'ল। যিসকল পাঠক-পাঠিকাই অসমীয়া মাতৃভাষাটো স্নাতক পৰ্যায়তো পঢ়া-শুনা কৰি আহিছে, তেওঁলোকে নিশ্চয় ভাষাবিদ, সাহিত্য-সমালোচক বাণীকান্ত কাকতিৰ 'পণ্ডিতৰ ভূমাস্পৃহা' নামৰ পাঠটি পঢ়িছে। সেই বিশেষ পাঠটিত কাকতিয়ে আজিৰ আলোচনাৰ কেন্দ্ৰীয় চৰিত্ৰ হেনৰিক ফ্ৰেডৰিক আমিয়েলৰ কথাকে আলোচনা কৰিছে। তেওঁৰ আত্মজীৱনী *জাৰ্ণেল ইনটাইম* খনৰ কিয়দংশৰ বিশ্লেষণৰ মাজেদি বাণীকান্ত কাকতিয়ে এই অন্তৰ্মুখী ব্যক্তিত্বৰ জীৱনৰ দুখজনক পৰিণতিৰ কথা আলোচনা কৰিছে য'ত নিজৰ প্ৰবল অন্তৰ্মুখী স্বভাৱৰ বাবে বিদগ্ধ পণ্ডিত হোৱা সত্বেও হেনৰিক ফ্ৰেডৰিক আমিয়েলে নিজৰ ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ সৰস ব্যাখ্যা আগবঢ়াব নোৱাৰিছিল। আনকি তেওঁ নিজৰ এই অন্তৰ্মুখী স্বভাৱৰ বাবে নিজৰ শুভাকাংক্ষী বন্ধুসকলৰ আগ্ৰহক সন্মান জনাই পাণ্ডিত্যপূৰ্ণ আলোচনাচক্ৰত নিজকে উজ্বলাই তুলিবলৈ তৎপৰতা প্ৰদৰ্শন কৰিব পৰা নাছিল। ফলত তেওঁৰ শুভাকাংক্ষীসকলো তেওঁক লৈ হতাশ হৈছিল।

পিছে দহো ৰাইজৰ আগত নিজকে প্ৰকাশ কৰিব নোৱাৰা ছাত্ৰসকলক জ্ঞানগৰ্ভ বক্তৃতা দিবলৈ গৈ ছাত্ৰৰ মনত বিশেষ উৎসাহ যোগাব নোৱাৰা এইগৰাকী শিক্ষক আৰু পাণ্ডিত্যপূৰ্ণ ব্যক্তিয়ে সকলোৰে পৰা নিলগত একান্ত নিৰলে যিখন 'অন্তৰ্প্ৰাণৰ ডায়েৰী' লিখি থৈ গ'ল, তেওঁৰ মৃত্যুৰ পাছত সেইখনৰ প্ৰকাশে হেনৰিক ফ্ৰেডৰিক আমিয়েল নামৰ শিক্ষক-দাৰ্শনিকজনক এক নতুন দৃষ্টিৰে তুলি ধৰিলে। লগে লগে তেওঁৰ গুণগ্ৰাহী, শুভাকাংক্ষীসকলেও এজন নতুন আমিয়েলক প্ৰত্যক্ষ কৰাৰ সৌভাগ্য লাভ কৰিলে। তাৰ কাৰণ এয়েই যে যিগৰাকী পণ্ডিতে জীৱিত কালত তেওঁৰ বন্ধুবৰ্গ আৰু ছাত্ৰসকলৰ লগত আন্তৰিকতাৰে প্ৰাণ খুলি কথা পাতিব জনা নাছিল, যি গৰাকী শিক্ষকে জ্ঞান ভাণ্ডাৰৰ অমূল্য মণি-মুকুতা সংগ্ৰহ কৰা সত্বেও ছাত্ৰ সমাজত সেইবোৰ বিলাই দিব জনা নাছিল; তেওঁ কিন্তু নিজৰ ব্যক্তিগত ডায়েৰীখনতে তেওঁৰ সেই মণি-মুকুতাবোৰ সংৰক্ষিত কৰি থৈ গৈছিল। তেওঁ বাস্তৱ জীৱনত দহজনৰ আগত প্ৰকাশ কৰিব নোৱাৰা ভাৱবোৰ নিজৰ আত্মলেখাখনতে মনোগ্ৰাহীৰূপত লিপিবদ্ধ কৰি গৈছে।

## সাহিত্যৰ ৰূপৰেখা
## ড° নিভাৰাণী ফুকন



*জাৰ্ণেল ইনটাইম* খন এখন ডাঙৰ কলেবৰৰ গ্ৰন্থ। সেইখনৰ ইংৰাজী অনুবাদৰ পৰা কিয়দংশ তুলি দিয়া হ'ল য'ত হেনৰিক ফ্ৰেডৰিক আমিয়েলৰ জীৱন সম্পৰ্কে থকা এক বিশেষ উপলব্ধিৰ কথা চমুকৈ উল্লেখ কৰা হ'ব—

"At the bottom of the modern man there is always a great thirst for self-forgetfulness, self-distraction; he has a secret horror of all which makes him feel his own littleness; the eternal, the infinite, perfection, therefore scare and terrify him. He wishes to approve himself, to admire and congratulate himself; and therefore he turns away from all those problems and abysses which might recall to him his own nothingness." (Journal Intime)

এই কথাকেইষাৰৰ অৰ্থ হৈছে- প্ৰত্যেকজন আধুনিক মানুহৰ অন্তৰতে আত্ম-বিস্মৃতি আৰু আত্ম-বিভ্ৰান্তিৰ তৃষ্ণাবোধ থকাটোৱে এইটো সূচায় যে যিবোৰ বস্তুৱে তেওঁক তেওঁৰ তুচ্ছতাৰ কথা সোঁৱৰাই দিয়ে সেইবোৰ বস্তুৰ প্ৰতি তেওঁৰ এক গোপন ভীতিবোধ আছে; সেইবাবে অবিনশ্বৰ, অনন্ত সম্পূৰ্ণতাৰ প্ৰতি তেওঁ ভীতিবিহ্বল আৰু সন্ত্ৰস্ত। তেওঁ নিজকে ভাল বোলাব খোজে, তেওঁ নিজতে আত্মবিভোৰ হ'ব খোজে আৰু নিজকে অভিনন্দিত কৰিব খোজে। আৰু সেইবাবে তেওঁ সেইবোৰ সমস্যা আৰু নাৰকীয় দৃশ্য-কাণ্ডৰ পৰা নিজকে নিলগাই ৰাখে যিবোৰে তেওঁক তেওঁৰ নিঃকিন ৰূপৰ কথা সোঁৱৰোৱাৰ সম্ভাৱনা থাকে।

ঊনবিংশ শতিকাৰ এইগৰাকী কবি আৰু দাৰ্শনিকে নিজৰ আত্মজীৱনী *জাৰ্ণেল ইনটাইম*-ত মানৱ চৰিত্ৰৰ যিটো দিশৰ প্ৰসংগ উত্থাপন কৰিছে সেই দিশটোৰ কথা সততে আলোচনা কৰা নহয় অথবা তেনে আলোচনাক উৎসাহিত কৰা নহয়। তাৰ কাৰণ এইটোৱেই যে আমি মনুষ্য সমাজে জানি-শুনি আমাৰ নিজৰ দোষ-দুৰ্বলতাবোৰক কেতিয়াও প্ৰকাশ নকৰো। কিবা কাৰণত তেনে দুৰ্বলতা উন্মোচিত হ'লেও সমজুৱাসকলে তেনে দুৰ্বলতাত যিমান পাৰে আঁৰ কাপোৰ দি তাক কিদৰে থাপি-থুপি ৰাখিব লাগে সেয়া জানে।

বিশ্ব-ব্ৰহ্মাণ্ডত আমি দেখা পোৱা জীৱকুলৰ ভিতৰত মানুহ অৰ্থাৎ আমি সৰ্বশ্ৰেষ্ঠ। 'সৰ্বশ্ৰেষ্ঠ'ৰ এই খিতাপে মানুহক মদমত্ত, অহংকাৰী আৰু স্বাৰ্থপৰ কৰিছে। সেইবাবে মানুহে নিজৰ সীমাবদ্ধতাৰ কথা পাহৰি যায়। বস্তুবাদী চিন্তাত আতুৰ মানুহে জীৱনৰ উচ্চাত্মিক আদৰ্শ আৰু উপলব্ধিৰ প্ৰতি মন-কাণ নিদিয়ে। এই অমনোযোগিতাই মানুহক সিবিলাকৰ সীমাবদ্ধতাৰ কথা পাহৰাই ৰখাৰ লগতে এক অৰ্থপূৰ্ণ জীৱন যাপনৰ পৰাও কক্ষচ্যুত কৰে। এই কক্ষচ্যুতিয়ে মানুহক জীৱনৰ প্ৰকৃত স্বৰূপ আৰু তাৎপৰ্য উপলব্ধি কৰাৰ পৰা বঞ্চিত কৰে। আমাৰ জীৱনবোৰ ধূলিকণাতুল্য। অথচ আমি নিজকে সম্পূৰ্ণ জ্ঞান কৰি সেইমতে জীৱন অতিবাহিত কৰিবলৈ প্ৰয়াস কৰো।

হেনৰিক ফ্ৰেডৰিক আমিয়েলে নিজেই নিজৰ জীৱনটোক লৈ কি উপলব্ধি কৰিছিল বা তেওঁ বাস্তৱ ক্ষেত্ৰত কিদৰে জীৱন ধাৰণ কৰিছিল সেইটো এটা বেলেগ প্ৰসংগ। পিছে তেওঁ সামগ্ৰিকভাৱে মানৱ জীৱন সম্পৰ্কে যি দৃষ্টিভংগী ব্যক্ত কৰিছে আৰু ব্যক্তিয়ে নিজক লৈ সচৰাচৰ যি ধাৰণা পোষণ কৰে সেয়া ভাৱিবলগীয়া বিষয়।

*(আগলৈ)* *ইমেইল- neevarani11@gmail.com*

# সময়ৰ সংকল্প

**প্ৰাৰ্থনা বৰঠাকুৰ**

সময়,
কিমান খেলিবি মোৰ স'তে
অসহিষ্ণু খেল,
বৰ কষ্ট দিলি মোক তই
বছৰে বছৰে প্ৰলোভনেৰে
ভাগৰুৱা কৰি


এবাৰো নাভাবিলি সুস্থ মস্তিষ্কৰে
কেনেকৈ ৰাতি পুৱাও মই
ৰ'দালি পুৱাৰ গান গাবলৈ

তই বৰ স্বাৰ্থপৰ সময়....
স্বাভিমানহীনতাৰে কৰিছা মাথোঁ
তোৰ কাম...
নাভাবিলি মোৰ ভাষা-বৰ্ণ

বাৰিষাৰ বানে ঘৰ উটোৱাৰ দৰে
হিয়া উটিলেও
ভাগৰি পৰা নাই মই জীৱন যুঁজত

সময়,
বৰ কঠিন কৰি তুলিলি
এই জীৱন সেই জীৱন
আৰুনো কিমান খেলিবি
প্ৰতাৰণাৰ খেল
নিজেই পৰিবি ভাগৰি
অস্থায়ী ঠিকনাৰে তই...!

শংকা-সংশয়ৰ কাঁইটে বিন্ধিলেও
কেতিয়াও নহওঁ অস্তিত্বহীন
হে সময়,
এয়াই মোৰ সংকল্প....।



# কলম


**মামণি দেৱী**

এনেদৰে দিনবোৰ
আহে জীৱনৰ
এক পদ শব্দ
বুটলি।
পাৰ হৈ যায়
সময়বোৰ সু-শৃংখলিত
ভাৱে। জীৱনৰ নিয়াৰিত
গঢ় লোৱা এই দিনবোৰ
সময়ৰে চানেকি।
সময়ক ধৰি ৰাখিব
পাৰি কলমেৰে।

# দুখন সংকলন আৰু শিৰোনামৰ কবিতা

**সাম্প্ৰতিক অসমীয়া সাহিত্যত কবিৰ সংখ্যা বাঢ়িছে। কবিৰ সংখ্যা বঢ়াটো ভাল কথা কাৰণ কবিসকলকে এটা যুগৰ সূক্ষ্মতম চেতনা ধাৰণ কৰা লোক বুলি ভবা হয়**

**ড° আনন্দ বৰমুদৈ**



**সাম্প্ৰতিক** কালত প্ৰকাশ পোৱা অসমীয়া কবিতাৰ সংকলনসমূহৰ ভিতৰত এখন ভাল সংকলন ঋষভ নাথৰ ফৰিংফুল। এই তৰুণ কবিজনে কি ধৰণৰ কবিতা লিখে অথবা কবিজনৰ স্বকীয় বিশিষ্টতা কি তাক জানিবৰ বাবে সংকলনৰ শিৰোনামত থকা কবিতাটোৰ এটা আলোচনা কৰিব পাৰি। 'ফৰিংফুল' শিৰোনামটো তাৎপৰ্যপূৰ্ণ, কাৰণ তেনে নামৰ ফুল অসমত নাই। এই ফুল কবিৰ কল্পনাৰে সৃষ্টি কৰা হৈছে। ফৰাছী প্ৰতীকবাদী কবিৰ কৌশলেৰে ফুল আৰু ফৰিঙৰ বিশিষ্টতাক একত্ৰ কৰি ফৰিংফুল সৃষ্টি কৰা হৈছে। এই ফুল প্ৰেমৰ শিহৰণ, সংকোচ, সুবাস, চঞ্চলতা, কৌতূহল, আশা-হতাশা, বিচ্ছেদ বিফলতা আদি সকলো আবেগ আৰু অভিজ্ঞতা সামৰি কৈশোৰ আৰু যৌৱনৰ স্মৃতিৰে ফুলি আছে। কবিতাটোত প্ৰেম আৰু বিচ্ছেদ বিষাদৰ কাহিনী এটা আছে। এলানি চিত্ৰকল্পৰ ইংগিত ব্যঞ্জনাৰে কাহিনী আগবঢ়াই নিয়া হৈছে। বিচ্ছেদ আৰু বিষাদৰ কৰুণ সমাপ্তিৰ ফালে কাহিনী আগবাঢ়ি যাওঁতে ট্ৰেজিক নাটকৰ নায়কৰ দৰে কবিতাটোত কণ্ঠস্বৰৰ গৰাকী জীৱনৰ সত্য আৰু অমীমাংসীয় সমস্যাৰ মুখামুখি হৈছে। চিত্ৰকল্প আৰু প্ৰতীকৰ ইংগিতৰ বাহিৰে কবিতাটোৰ কোনো পোনপটীয়া উক্তি নাই। শিৰোনামতে প্ৰেম সম্পৰ্কৰ শ্লেষাত্মক দিশ এটা তলসোঁত হৈ আছে। কণ্ঠস্বৰৰ গৰাকীজন সময়ত ফৰিঙৰ ছবিখনৰ লগত মিলি গৈছে। এই ফৰিঙৰ কাৰণে ঘাঁহৰহে প্ৰয়োজন। ফৰিং ঘাঁহত পৰে। ফুল ফৰিঙৰ কাৰণে নহয়। ফুলৰ নিৰ্যাস আৰু ফৰিঙৰ চঞ্চলতা আধিপত্য বিস্তাৰক প্ৰতীক হ'লেও ফৰিঙৰ আকাংক্ষাক কবিতাটোত ন্যায্য প্ৰমাণ কৰা হোৱা নাই।

কবিতাটোৰ আৰম্ভণিতে কোৱা হৈছে, 'কেঁতুৰী পাতৰ পৰা তোমাৰ হাতত গৈ পৰিছিল/মোৰ আঙুলিকেইটাৰ ছিটিকনি/ঘাঁহৰ শিপালৈকে/কঁপনি।' এখন হাতৰ ছিটিকনি আন এজনৰ হাতত গৈ পৰিছে। যিখন হাতৰ পৰা ছিটিকনি গৈছে তাক কেঁতুৰীৰ পাত বুলি কোৱা হৈছে। কেঁতুৰীৰ পাত আৰু ফুলপাহ ধুনীয়া হ'লেও অসমীয়া কবিতাত ই উদ্‌যাপিত নহয়। বুঢ়ৰ আইৰ সাধুৰ 'দুই বুধিয়ক' গল্পত আদাৰ ঠাইত কেঁতুৰী দি এজনে আনজনক ঠগিবলৈ চেষ্টা কৰাৰ কথাহে আছে। কেঁতুৰী একো কামত নহাৰ বাবেই অৱহেলিত। কবিতাৰ আৰম্ভণিত কেঁতুৰী পাতে তেনে এক অৱহেলাৰ ধাৰণাহে জগাই তোলে। প্ৰেমিকৰ আঙুলিৰ ছিটিকনি গৈ প্ৰেমিকাৰ হাতত পৰাৰ পাছত প্ৰেমিকাৰ প্ৰতিক্ৰিয়া কেনে হৈছিল সেই কথা জনোৱা হোৱা নাই, কিন্তু ফৰিঙে অনুভৱ কৰিছে যে ঘাঁহডাল শিপালৈকে কঁপিছে। শংকা, উত্তেজনা, অনিশ্চিতি আদিত প্ৰেমিক ফৰিঙে অনুভৱ কৰিছে যে সৰ্বশৰীৰৰ কঁপনি উঠিছে।

প্ৰথম প্ৰেমৰ এই শিহৰণৰ লগত আছে দুঃচিন্তা। ফৰিং যিকোনো আকস্মিক বিপদৰ বাবে অনবৰতে সন্ত্ৰস্ত। উত্তেজনাৰ মাজতে সেয়ে বতাহত গছৰ পাত এখিলা পৰিলে বা সৰিলে ফৰিং পলাই পত্ৰং দিয়ে। প্ৰেমৰ কাৰণে যুদ্ধ কৰি মৰি ছহিদ হৈ ফৰিঙৰ দৰে পলোৱালৈ চাই প্ৰেমিকক কিশোৰ বুলি অনুমান কৰিব পাৰি। সাধুকথাৰ ফৰিং সৰবজানক পৰীক্ষা কৰিবলৈ ৰজাই হাতৰ মুঠিত ফৰিং এটালৈ কি আছে বুলি সুধিছিল। সৰবজানৰ কাৰণে প্ৰশ্নটো জীৱন মৰণৰ। কবিতাৰ ফৰিং প্ৰেমিকে হাতৰ মুঠি খুলি দেখিছে ৰ'দৰ আখৈ। প্ৰেমত সঁহাৰি পাই প্ৰেমিকজন মহা আনন্দিত। তেওঁৰ চকু মুখত আনন্দ বিয়পি পৰিছে প্ৰেমিকাৰ হাঁহিমুখ কল্পনা কৰি। একান্ত সাৱধানতাৰে গোপনে দুয়ো দুয়োকে ভাল পাই প্ৰেমৰ তৰা আৰু সপোনৰ বসন্ত ৰাজ্যত তেওঁলোকে বিচৰণ কৰিছে।

জীৱনৰ বাট কাৰো বাবে সেন্দূৰীয়া নহয়। জীৱন কাঁইটে বিন্ধি চকুলো উলিয়াবলৈ ধৰাৰ লগে লগে প্ৰেমিকাই কিশোৰ প্ৰেমৰ ফৰিং ধৰা খেলখন ত্যাগ কৰিছে। প্ৰেমিকৰ কাৰণে প্ৰেম জীৱন-মৰণ সমস্যা হৈ থাকোতেই ফৰিং ধৰাটো প্ৰেমিকাৰ কাৰণে কৈশোৰৰ খেল হৈছে আৰু সেই খেল তেওঁ পৰিত্যাগ কৰিছে। প্ৰেমিকে এদিন হাতৰ মুঠি খুলি দেখা পাইছিল ৰ'দৰ আখৈ' আৰু খেল পৰিত্যাগ হোৱাৰ পাছত তেওঁ দেখিছে 'মোৰ হাততে পোত খালে/ধুমুহাৰ ৰাতিয়ে প্ৰসৱ কৰ/শালিকা পোৱালিটি।' অকালতে অন্ত পৰা প্ৰেমৰ সম্পৰ্কটো ধুমুহাত বাহৰ পৰা পৰি যোৱা শালিকা পোৱালি এটাৰ দৰে। ডাঙৰ হৈ সি মাতো নল'লে আৰু উৰিবলৈও নাপালে। প্ৰেমিকৰ হাতৰ তলুৱাতে প্ৰেমৰ চৰাই পোৱালিটো স্মৃতিৰ ধূলিত পোত গ'ল। জীয়াই থকাৰ আগ্ৰহ, আকাংক্ষা আৰু আকুলতা চৰাই পোৱালিটোৰ হালধীয়া ঠোঁটত প্ৰেমিকে দেখা পাইছিল। আকস্মিক বিচ্ছেদৰ যন্ত্ৰণাক চৰাই পোৱালিৰ চিত্ৰকল্পত নিজৰ পৰা নিলগাই মূৰ্ত কৰি প্ৰেমিকজন নিজৰ যন্ত্ৰণাৰে নিৰপেক্ষ দৰ্শক হৈছে।

পৰৱৰ্তী স্তৱকত প্ৰেমিকৰ যন্ত্ৰণাক অকাৰণ আৰু কোনো কৃতকাৰ্যৰ ফল নহয় বুলি সাব্যস্ত কৰা হৈছে, 'ঠোঁটৰ কাতৰ হালধীয়া/উলুৱনিৰ জুয়ে পোৰা বগৰীৰ পীড়া।' উলুৰ লগত বগৰী পোৰাৰ দৰে প্ৰবাদ বাক্যৰ পাৰ্থিৱ জ্ঞান সোমাই আহি কবিতাৰ চিন্তা, ভাৱ, অনুভূতিৰ গতিক কিছু বাধাপ্ৰাপ্ত কৰিছে। ট্ৰেজিক নায়কৰ অপ্ৰাপ্য যন্ত্ৰণাৰ ধাৰণাটো কোনো প্ৰবাদ বাক্যৰ সহায় নোলোৱাকৈ আনিব পৰা গ'লহেঁতেন। পাছৰ স্তৱকত ফৰিঙৰ লগত জড়িত একাধিক অৰ্থক ব্যঞ্জনাময় কৰা হৈছে, 'তুমি ফৰিংফুল/ছিটিকি ফুলিলা দীঘল হাতৰ ফেৰেঙণিত।' এই স্তৱকৰ প্ৰথম শাৰীত ফৰিংফুলে ফৰিং ফুটা জোনাকৰ উজ্বল পোহৰ আৰু ফুলৰ সুবাসক একত্ৰিত কৰিছে প্ৰেমিকাগৰাকী প্ৰস্ফুটিত ফুলৰ দৰে সুন্দৰ আৰু জোনাকৰ দৰে উজ্বল। প্ৰেমিকৰ ওচৰৰ পৰা ফৰিং ছিটিকা দি গৈ তেওঁ কোনোবা হাত দীঘল মানুহৰ অস্তিত্ব লাভ কৰিলেগৈ। প্ৰেমিকে বতাহে উৰুৱাই নিয়া পাখি লগা গুটিৰ নিচিনাকৈ বতাহৰ আউটিত ধৰি আৰম্ভ কৰিলে লক্ষ্যবিহীন যাত্ৰা।

শেষৰ দুটা স্তৱকত কোৱা হৈছে যে কণ্ঠস্বৰৰ গৰাকী ফৰিংফুলৰ স্মৃতিত কঁপি উঠে আৰু ফৰিঙৰ দৰে জঁপিয়াই নিজৰ পৰা নিলগলৈ যাবলৈ বিচাৰে। নিজৰ পৰা নিলগলৈ যাবলৈ বিচাৰিলেও স্মৃতিৰ পৰা পৰিত্ৰাণ পাবৰ তেওঁৰ উপায় নাই। সংকলনখনৰ আন কবিতাতো কবিয়ে পাঠকৰ লগত যোগাযোগৰ বাবে প্ৰতীকী ভাষাৰ ইংগিত ব্যঞ্জনাৰ ওপৰতে ঘাইকৈ নিৰ্ভৰ কৰিছে। বিশেষ অনুভূতি প্ৰকাশ কৰিবলৈ কবিয়ে উক্তি বা বৰ্ণনাৰ সহায় ন'লৈ এলানি বস্তু, পৰিস্থিতি, ঘটনা আদিৰ মাজেদি মনৰ অৱস্থাক প্ৰকাশ কৰিবলৈ বিচাৰিছে।

ৰিপুঞ্জয় বৰুৱা ঋমনৰ এই বছৰ প্ৰকাশ পোৱা এখন কবিতা সংকলনৰ শিৰোনাম 'পাতে গজা গছ।' সংকলনৰ শিৰোনামত থকা কবিতাটো এইদৰে আৰম্ভ হৈছে, কুঁৱাৰ ভিতৰত গজিছিল/ পাতে গজা গছ।' এই ছবিখনে পাঠকৰ মনত কেনে ভাৱৰ পৰিমণ্ডল এটা সৃষ্টি কৰিব পাৰে? পুৰণি কুঁৱাৰ ভিতৰত শেলুৱৈৰ লগতে ঢেঁকীয়া জাতীয় কিবা কিবি গছ গজা চকুত পৰে। এই দৃশ্য সাধাৰণতে অব্যৱহৃত কুঁৱাত বেছিকৈ পৰে। চাফ-চিকুণ কৰি নাথাকিলে এই হাবি-বনবোৰ দ্ৰুতগতিত বাঢ়িব। কবিতাৰ ছবিখনে স্বাভাৱিক, স্বতঃস্ফূৰ্ত আৰু অনিয়ন্ত্ৰিত বৃদ্ধি আৰু বিকাশৰ পৰিমণ্ডল এটা ৰচনা কৰিছে। কিছুমান গছ পাতৰ পৰাও গজিব পাৰে, কিন্তু কুঁৱাৰ ভিতৰৰ গছ-বনবোৰ পাতৰ পৰা গজা হয় নে নহয় তাৰ বৈজ্ঞানিক অনুসন্ধানৰ প্ৰয়োজন নাই। কুঁৱাৰ ভিতৰৰ দেৱালত কোনেও যিহেতু গুটি সিঁচি খেতি নকৰে, হাবি-বনৰ দ্ৰুত বৃদ্ধিয়ে যিবিলাক যেন পাতৰ পৰাই গজিছে তেনে ধাৰণা এটাও মনলৈ আনিব পাৰে।







জিলীৰ উল্লেখেৰে দ্বিতীয় স্তৱকটো আৰম্ভ হৈছে। জিলীৰ মাত প্ৰেম আৰু মিলন আহ্বান কৰি গোৱা গীত। এজনে গীত গাই ৰৈ আনজনৰ গীতলৈ বাট চায়। ৰিং এটাৰ বাটত হেমন্ত ঋতু আৰু হেমন্তৰ পৰা বসন্তলৈ বেছিদূৰ নাথাকে। শীতৰ মৃতপ্ৰায় প্ৰকৃতিয়ে বসন্তত নতুন জীৱন পায়। প্ৰথম স্তৱকৰ প্ৰকৃতি জগতখনত উদ্ভিদৰ অনিয়ন্ত্ৰিক বৃদ্ধিৰ ছবিখন দ্বিতীয় স্তৱকত প্ৰাণী জগতলৈ প্ৰসাৰিত হৈছে। নতুন জন্মৰ সম্ভাৱনাই জিলীৰ মাতত কঁপনি তুলিছে। উদ্ভিদ আৰু প্ৰাণীৰ জগতত জন্ম আৰু বৃদ্ধিৰ ছবিখনৰ সংস্থাপিত হোৱাৰ পাছত কাৰোবাৰ চিঞৰ এটাৰ কথা উল্লেখ কৰা হৈছে। কোনোবাই চিঞৰি কাৰোবাৰ এটি পুত্ৰ সন্তান জন্ম হোৱাৰ কথা ঘোষণা কৰিছে। এই জন্ম কণ্ঠস্বৰৰ গৰাকীৰ পিতৃৰ জন্ম আৰু এই পিতৃ একেদায়ে ঈশ্বৰৰ পিতৃ, 'গৰ্ভজল ভাঙি পুতাই আহিছে/গোঁসাই ঘৰত তেতিয়া ডবা বাজিছে/নঙলা মুখত ঘৰ-চিৰিকাই শংখ ফুঁকিছে/টিপচাকিৰ পোহৰত ঈশ্বৰ।'

কণ্ঠস্বৰৰ গৰাকীৰ পিতৃ আৰু ঈশ্বৰৰ পিতৃৰ ছবি দুখন কবিতাটোৰ শেষৰ ফালে এখন ছবি হৈ পৰিছে। নঙলামুখত ঈশ্বৰক আদৰণি জনাবলৈ ঘৰচিৰিকা চৰায়ে শংখ ফুঁকোৱা কাৰ্যই আৰু টিপচাকিৰ পোহৰতহে ঈশ্বৰক দেখা পোৱা ঘটনাই কৰিছে। ঈশ্বৰে মানুহ সৃষ্টি কৰিছে নে মানুহে ঈশ্বৰক সৃষ্টি কৰিছে সেই কথা অনিশ্চিত ৰাখি কোৱা হৈছে, 'তোমাৰ ঔৰসত মই পৰিপূৰ্ণ/আৰু তুমি পৰিপূৰক।'

সাম্প্ৰতিক অসমীয়া সাহিত্যত কবিৰ সংখ্যা বাঢ়িছে। কবিৰ সংখ্যা বঢ়াটো ভাল কথা কাৰণ কবিসকলকে এটা যুগৰ সূক্ষ্মতম চেতনা ধাৰণ কৰা লোক বুলি ভবা হয়। কবিৰ সংখ্যা বঢ়াৰ লগে লগে পাঠকৰ সংখ্যা বৃদ্ধি পোৱাটো আৰু ভাল কথা। কবিতাৰ পাঠক বৃদ্ধি কৰাটোও কবিসকলৰে দায়িত্ব। উপমা, ৰূপক, প্ৰতীক, চিত্ৰকল্প আদি কবিয়ে নিশ্চয় ব্যৱহাৰ কৰিব, কিন্তু সৰল ভাষাতো জীৱনৰ গভীৰ সত্য আৰু উপলব্ধিৰ কথা প্ৰকাশ কৰিব পাৰি। মহৎ কবিতাৰ মহৎ শাৰীবিলাক সকলো স্তৰৰ পাঠকে বুজিব পৰা সৰল ভাষাতে লিখা হৈছে। সৰল ভাষাৰ শব্দকো অৰ্থৰ উত্তাপেৰে অসাধাৰণ কৰিব পাৰি। ফৰাছী প্ৰতীকবাদে আকৰ্ষণ কৰা সাম্প্ৰতিক অসমীয়া তৰুণ কবিয়ে মনত ৰখা ভাল যে সেই কবিসকল কবিতাৰ ভাষাক লৈ বৰ সচেতন আছিল। তেওঁলোকে অনুভৱ কৰিছিল যে কবিতালৈ কিবা পৰিৱৰ্তন আনিবলৈ হ'লে ছন্দশিল্পৰ নিয়মবোৰ ইফাল সিফাল কৰি আৰম্ভ কৰিলে নহ'ব, ভাষাক নতুন প্ৰাণ দি আৰম্ভ কৰিব লাগিব। ভাষাক নতুন প্ৰাণ দিব পাৰিলে কবিতাৰ কিছুমান শাৰী হ'লেও পাঠকৰ স্মৃতিত লাগি ধৰিব। পাঠকৰ স্মৃতিহে কবিতাৰ ব্যাপ্তিস্থান।

*ফোন ঃ ৯৮৬৪২৩২০৮৬*

### অসমীয়া কথা সাহিত্যৰ বিশাল পটভূমি গঢ় দিওতা

# চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ গতি-প্ৰকৃতি

**আবেদুল চুলতান**



**আধুনিক** অসমীয়া সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ নিৰ্মাতা সাহিত্যচাৰ্য চৈয়দ আব্দুল মালিক একেধাৰে কবি, ঔপন্যাসিক, গল্পকাৰ, নাট্যকাৰ, জীৱনীকাৰ আৰু ব্যঙ্গ লিখক। অসমীয়া সাহিত্যৰ এনে এটা দিশ নাই য'ত মালিকৰ সৃষ্টিৰ পৰশ পৰা নাই। মালিকৰ সাহিত্যৰ আনবোৰ বিভাগৰ তুলনাত গল্প আৰু উপন্যাসৰ গুৰুত্ব অপৰিসীম। গল্প আৰু ঔপন্যাসেহে তেওঁক অসমীয়া সাহিত্যত দিছে সম্ৰাটৰ আসন। তেওঁ স্বীকাৰো কৰিছিল যে সাহিত্য ৰচনাৰ সকলো মাধ্যমেই তেওঁৰ প্ৰিয় যদিও তাৰ ভিতৰত উপন্যাস আৰু চুটিগল্পৰ মাধ্যম অধিক জনপ্ৰিয়। অসাধাৰণ প্ৰতিভা, সৃষ্টিশীল আৱেগ আৰু সচেতন দূৰদৃষ্টিৰে সমৃদ্ধ মালিকে আজীৱন মানুহৰ অধ্যয়ন কৰিছিল। এনে অধ্যয়নৰ বিশাল পৰিধি আৰু পুষ্টিৰে চহকী কৰিছিল গল্প-উপন্যাসৰ পৃষ্ঠাৰ পৰা পৃষ্ঠা। জীৱন কালত ৭২ খন সৰু-বৰ উপন্যাস লিখি অসমীয়া উপন্যাস সাহিত্যক পাতে-ফুলে জাতিস্কাৰ কৰিছিল। বিংশ শতিকাৰ চতুৰ্থ দশকৰ আৰম্ভণিৰ পৰা উপন্যাস লিখিবলৈ আৰম্ভ কৰা আব্দুল মালিক সম্ভৱত ঃ অসমীয়া সাহিত্যৰ আটাইতকৈ দ্ৰুতগতিৰ লেখক। মালিকৰ উপন্যাসৰ ক্ষেত্ৰত ড° অমল ৰাজখোৱাই লিখিছিল - "স্বৰাজোত্তৰ কালত সৰ্বাধিক অসমীয়া উপন্যাস লেখক হিচাপে প্ৰথমেই নাম ল'ব লাগিব চৈয়দ আব্দুল মালিকৰ। উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ পাছত স্বৰূপাৰ্থত মালিকেই অসমীয়া উপন্যাসৰ মুকুটবিহীন সম্ৰাট।' অসমীয়া উপন্যাসৰ ইতিহাসত 'বনজুই', 'সুৰুযমুখী স্বপ্ন', 'আধাৰশিলা', 'ৰথৰ চকৰি ঘুৰে', 'অঘৰী আত্মাৰ কাহিনী', 'ৰূপতীৰ্থ', 'ৰূপাবৰিৰ পলস', 'ধন্য নৰতনু ভাল'ৰ দৰে উপন্যাস মৃত্যুহীন হৈ জিলিকি থাকিব।

নিজস্ব প্ৰকাশভঙ্গী, বিষয় বস্তু অনুসৰি কাহিনী, চৰিত্ৰ-চিত্ৰণ, প্ৰাঞ্জল ভাষা, মালিকৰ উপন্যাসৰ অন্যতম বৈশিষ্ট্য। বিষয়বস্তুৰ বৈচিত্ৰ্য কথাবস্তু, আৰু ৰচনা কৌশলৰ সু-সমন্বয়, সহজ-সৰল ভাষা, সুমিতিবোধৰ ব্যঞ্জনাময় ৰূপ, অবিস্মৰণীয় মুহূৰ্তৰ চিত্ৰণ, পৰিৱেশ সৃষ্টিৰ উন্মুক্ততা, মানৱীয় চৰিত্ৰৰ বিভিন্ন দিশৰ উন্মোচন, প্ৰখৰ মাত্ৰা চেতনা, মানৱ চৰিত্ৰৰ মনঃ সমীক্ষণ এক বৈচিত্ৰ্য পৰিলক্ষিত হয় মালিকৰ উপন্যাসত।

"ঔপন্যাসিক ৰূপে মালিকে অসমীয়া সাহিত্যলৈ অনেক বৰঙণি আগবঢ়াইছে যিবোৰ যথাৰ্থ আলোচনা, মূল্যায়ন অতি কমেই হৈছে বুলিব পাৰি। অথচ শক্তিশালী তুলিকাৰে তেওঁ কেইবাদশকো খলকনি লগাই অসমীয়া উপন্যাসৰ ধাৰাটোকে গতিশীল কৰি তোলাৰ লগতে নতুনত্বও ফুটাই তুলিবলৈ সক্ষম হ'ল। 'মাটিৰ চাকি', 'ৰূপতীৰ্থৰ যাত্ৰী', 'অঘৰী আত্মাৰ কাহিনী', 'সুৰুযমুখী স্বপ্ন' আদি উপন্যাসত মালিকৰ গভীৰ মানৱপ্ৰেম, সূক্ষ্ম অনভূতিৰ প্ৰকাশ ঘটিছে।" (ড° দীপি ফুকন পাটগিৰি) আলোকসন্ধানী ঔপন্যাসিক গৰাকী অপৰিমেয় পৰিশ্ৰম আৰু প্ৰগাঢ় অধ্যৱসায়েৰে অসমীয়া উপন্যাস সাহিত্যক গৰিমামণ্ডিত কৰি তুলিছিল। উপন্যাস সাহিত্যৰ খনিকৰ এইজন আব্দুল মালিক আছিল অসমীয়া ভাষাৰো এজন অসামান্য যাদুকৰ। তেওঁৰ উপন্যাসত ভাষা হৈ পৰিছিল স্ব-মহিমাৰে বাঙ্ময়, পাহাৰীয়া খৰস্ৰোতা নিজৰাৰ দৰে গতিময় আৰু কাব্যিক ব্যঞ্জনাৰে সমৃদ্ধ।

এটি সমাজ-সচেতন মন লৈ মালিকে 'ওমলা ঘৰৰ ধূলি' (লঃ সাঃ গুঃ) ৰ পৰা আৰম্ভ কৰিছিল তেওঁৰ সুবিস্তৃত উপন্যাস জগতখনলৈ। মালিক সুবিস্তৃত তথা সমগ্ৰ উপন্যাসসমূহৰ বিষয় আৰু ঐতিহাসিক প্ৰকৃতি বিচাৰ কৰিলে উপন্যাস সমূহক প্ৰধানকৈ তিনিটা পৰ্বত ভাগ কৰিব পাৰি। আৰম্ভণিৰ পৰা ১৯৬০ চনলৈ আদি পৰ্ব, ১৯৬১ চনৰ পৰা ১৯৭০ চনলৈ মধ্য পৰ্ব আৰু ১৯৭১ চনৰ পৰা মত্যু পৰ্যন্ত, তৃতীয় বা শেষ পৰ্ব। "মালিকৰ উপন্যাসৰাজিৰ প্ৰকৃতি সম্পৰ্কে লেখকৰ নিজা অভিমত হ'ল যে তেওঁৰ ৰচনাসমূহত এটি মুকলি সত্তা আছে আৰু সেই সত্তাটো অন্য লেখকৰ তুলনাত বন্য প্ৰকৃতিৰ। প্ৰথম পৰ্বৰ উপন্যাসকেইখন ৰোমাণ্টিকধৰ্মী। প্ৰেম আৰু মানৱীয় মূল্যবোধ হ'ল উক্ত পৰ্বৰ উপন্যাসকেইখনৰ প্ৰধান বিষয়। গাঁও আৰু নগৰৰ পটভূমিত ৰচনা কৰা উপন্যাসকেইখনত গাঁৱলীয়া বণাঢ্য জীৱৰ ইংগিত দিছে। নগৰীয়া মধ্যবিত্ত সমাজৰ আৱেগ-অনুভূতিৰ লগত লেখকৰ আত্মীয়তা প্ৰকাশ পাইছে। প্ৰথম উপন্যাস ৰচনা কৰাৰ সময়ত মালিকে মাৰ্ক্সবাদী দৰ্শনৰ লগত সম্পৰ্ক ৰাখিছিল বাবেই হয়তো তাৰ প্ৰভাৱ লঃ সাঃ গুঃত পৰিছিল। পাছৰ উপন্যাস সমূহত সমাজবাদী আদৰ্শহে প্ৰতিফলিত হৈছে। উপন্যাস সমূহৰ আন এটা লক্ষণ হ'ল, মালিকে জীৱনত দেখা সঁচা মানুহবোৰৰ শিল্প ৰূপলৈ উত্তৰণৰ অবিস্মৰণীয় দিশটো। উপন্যাসত বিশেষকৈ 'সুৰুযমুখী স্বপ্ন'ত যৌন আবেদনৰ বিষয় সন্নিৱিষ্ট হৈছে যদিও প্ৰকৃততে ক'বলৈ গ'লে মালিকৰ বৰ্ণনাত যৌন আবেদনতকৈ সুস্থ মনোবৃত্তিহে প্ৰকাশ পাইছে।" ড° অমল ৰাজখোৱা।

লঃ সাঃ গুঃ তথা 'ওমলা ঘৰৰ ধূলি' মালিকৰ প্ৰথম উপন্যাস। ঔপন্যাসিকৰ ৰাজনৈতিক চিন্তাধাৰা উপন্যাসখনত পৰিছে যদিও সমাজবাদী আদৰ্শৰ প্ৰতিফলনো ঘটিছে। ঔপন্যাসিকৰ মতে, "জগতৰ নিপীড়িত, দলিত, শ্ৰেণীৰ মানুহখিনি কুবেৰৰ ধনৰ ভঁৰালৰ তলৰ গড়কা। এওঁলোকেই হ'ল লঃ সাঃ গুঃ অৰ্থাৎ লঘিষ্ঠ সাধাৰণ গুণিতক"। মানৱতাৰ অধিকাৰত এই সকল সদায়েই লঘিষ্ঠ। বৰ্ণ-বৈষম্য আৰ্থ-সামাজিক বৈষম্যৰ বিৰুদ্ধে সমাজবাদী যুৱসকলৰ অভিযানৰ লক্ষ্য আগত ৰাখি ঔপন্যাসিকে কাহিনীটো উপস্থাপন কৰিছে। প্ৰথম প্ৰচেষ্টাৰ বাবে উপন্যাসখন প্ৰকৃততে লেখকৰ প্ৰতিনিধিমূলক সৃষ্টি নহয়। অৱশ্যে লঃ সাঃ গুৱে আগবঢ়াই দিয়ে মালিকক উপন্যাসৰ বিশাল ৰচনা সম্ভাৰ দিশে।

'ৰূপতীৰ্থৰ যাত্ৰী'ৰ বৃহৎ খণ্ড কেইটাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ কল্পনাৰ লগত বাস্তৱৰ শ্ৰেষ্ঠ সংগম ঘটাই শিল্পী গৰাকীৰ শিল্পমাত্ৰাৰ সুৱদী কাহিনী ৰচনা কৰি গৈছে। মালিকৰ আন এখন বৃহৎ উপন্যাস হ'ল 'ৰূপাবৰিৰ পলস' (১৯৮০)। প্ৰকৃতাৰ্থত 'ৰূপাবৰিৰ পলস' অসমৰ অভিবাসী মুছলমান সকলৰ এক সামাজিক দলিলস্বৰূপ। অভিবাসী মুছলমান সকলৰ জীৱন আৰু সমাজ সামগ্ৰিকভাৱে আৰু ঐতিহাসিক দৃষ্টিকোণেৰে ফুটাই তোলাত মালিক কৃতকাৰ্য হৈছে। উপন্যাসখন অভিবাসী মুছলমান সকলৰ সামাজিক দলিল হোৱাৰ উপৰিও একে সময়তে সেই সম্প্ৰদায়ৰ এক ঐতিহাসিক চিত্ৰণো। "অসমৰ অভিবাসী মুছলমানৰ পূব বংগৰ পৰা আহি পৰা অসমত জীৱিকাৰ বেহা পাতি, অসমীয়া হৈ যোৱা প্ৰক্ৰিয়াটো ফুটাই তোলোতে ইয়াৰ কাল্পনিক কাহিনীৰ পশ্চাৎভূমিৰ বংগদেশ আৰু আহি অসমৰ ইতিহাস মালিকে ইয়াত এনে নিষ্ঠা আৰু জ্ঞানেৰে অংকন কৰিছে যে এই মনোৰম কাহিনীটো পূববংগৰ পৰা ভাগি অহা অসমৰ অভিবাসী মুছলমানসকল এক নিৰ্ভৰযোগ্য ইতিহাস হিচাপেও পঢ়িবও পাৰি। আনহাতে মুছলমান সমাজৰ জন্ম, মৃত্যু, বিবাহ, ধৰ্মীয় সামাজিক সংস্কৃতি, শিক্ষা সাহিত্যৰ দশকে ধৰি সামাজিক তথা ব্যক্তিগত বা পাৰিবাৰিক জীৱনৰ সকলো দিশ ইয়াত এনেকৈ সামৰা হৈছে যে সমালোচক উপেন্দ্ৰনাথ শৰ্মাই সঠিক ভাৱেই এক মহাকাব্যধৰ্মী উপন্যাস আখ্যা দিছে।" (ড° গোবিন্দ প্ৰসাদ শৰ্মা)

মালিকৰ আন এক অমৰ সৃষ্টি হ'ল 'সুৰুযমুখী স্বপ্ন'। নদীপৰীয়া গ্ৰামীন জীৱনৰ গভীৰ গাথা বৰ্ণনা কৰিছে সুৰুযমুখী স্বপ্নত। উপন্যাসখনৰ পটভূমি হ'ল ধনশিৰি নদীৰ পাৰত বাস কৰা সহজ-সৰল জীৱন য'ত বাস কৰে উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ গুলচে। নদীৰ পাৰৰ প্ৰাকৃতিক পৰিৱেশৰ বৰ্ণনাৰে উপন্যাসখনি আৰম্ভ কৰা হৈছে য'ত হিন্দু, মুছলমান, নেপালী, মিকিৰৰ মিহলি গাঁও। গাঁৱৰ সহজ-সৰল ডেকা গুলচ, তৰা, কপাহী আৰু চেনীমাই এই চাৰিটা মুখ্য চৰিত্ৰলৈ উপন্যাসৰ কাহিনী ভাগ আগবাঢ়িছে। এইখন উপন্যাসত মালিকৰ গভীৰ মানৱপ্ৰেম সূক্ষ্ম অনুভূতি প্ৰকাশ ঘটিছে, যিবোৰে পাঠকক বিমল আনন্দ দিয়াৰ লগতে চিন্তাৰো উদ্ৰেক ঘটাইছে। সূৰুযমুখী স্বপ্নৰ এক গুৰুত্বপূৰ্ণ দিশ হ'ল যে বৰ্ণনাচাতুৰ্য আৰু কথা শৈলীৰ যাদুকৰী শক্তিয়ে ইয়াক অভিনৱত্ব প্ৰদান কৰিছে। উপন্যাসখনত প্ৰাকৃতিক দৃশ্য, গ্ৰাম্য জীৱন, সাৱলীল তথা মনোৰম বৰ্ণনা চাতুৰ্য, ঘটনাৰ বিস্তৃতি, বিভিন্ন চৰিত্ৰ সমাবেশ ইয়াক অভিনৱত্ব প্ৰদান কৰি এক মহাকাব্যিক ৰূপত প্ৰতিষ্ঠা কৰিছে। উপন্যাসখনৰ নদীকেন্দ্ৰীক পটভূমি মন কৰিবলগীয়া। একেদৰে কপাহীৰ দৰে এটা সাৰ্থক, গতিশীল চৰিত্ৰ এইখন উপন্যাসতে জন্ম হয়। অসমীয়া উপন্যাসৰ সাৰ্থক আৰু কালজয়ী চৰিত্ৰসমূহৰ ভিতৰত 'সূৰুযমুখীৰ স্বপ্ন' কেউটা চৰিত্ৰই বৈশিষ্ট্যপূৰ্ণ। ঘটনাবিন্যাস আৰু চৰিত্ৰবিন্যাসৰ সন্তুলন ৰক্ষা কৰাত মালিক সম্পূৰ্ণ সফল হৈছে।

'অঘৰী আত্মাৰ কাহিনী' উপন্যাসে সাহিত্য অকাডেমী বঁটা লাভ কৰিবলৈ সক্ষম হয়। অঘৰী আত্মাৰ কাহিনী উপন্যাসখনত মালিকে তেওঁৰ নিজৰ কথা চাতুৰ্য আৰু বলিষ্ঠ ৰচনাশৈলীৰে কাহিনীটো বিশ্বাসযোগ্যভাৱে বৰ্ণনা কৰিছে। কথনভঙ্গী নিজস্ব অথচ নতুন। 'অঘৰী আত্মাৰ কাহিনী'ৰ কাহিনীৰ বিন্যাস ঘটিছে এটি দীঘল গল্পৰ দৰে, যাৰ পৰিসৰ আৰু বিস্তৃতিয়ে কেইটিমান চৰিত্ৰৰ মাজত সীমাবদ্ধ হৈ আছে। "কিন্তু ইমান কম চৰিত্ৰৰ কাৰ্যাৱলী অতীত ৰোমন্থন তদানীন্তন অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক অৱস্থাৰ বিচাৰ, বৃত্তৰ গঠন কৌশল, আকৰ্ষণীয় কথাশৈলী, চৰিত্ৰৰ মানসিক অন্তৰ্দ্বন্দ্ব আৰু সংস্মৰণ আদি বোলছবিৰ অনুগামী ৰীতিৰ ব্যৱহাৰ, প্ৰতীক ধৰ্মীতাৰ ব্যৱহাৰ, ব্যঞ্জনাপূৰ্ণ ভাষা আৰু অপূৰ্ব বৰ্ণনাৰ শিল্পৰীতিৰে সমৃদ্ধ উপন্যাসখনিক উপভোগ্য কৰি তুলিছে।" (ড° প্ৰদীপ কুমাৰ বৰুৱা)। ঔপন্যাসিক মালিকৰ মতে, মানুহৰ প্ৰকৃত পৰিচয়টো পাৰস্পৰিক বুজাবুজি, শ্ৰদ্ধা আৰু সন্মানৰ ওপৰতহে নিৰ্ভৰ কৰে। জাতি-কুল, স্ত্ৰী -পুৰুষ আদি বিশেষণবোৰ অৰ্থহীন। উপন্যাসখনত শশাংকই কৈছে - "আমি আটাইবোৰ অঘৰী নিৰঞ্জন, তুমি মই.......।" অঘৰী আত্মাৰ কাহিনী মালিকৰ এক সাৰ্থক সৃষ্টি।

'ধন্য নৰ তনু ভাল' চৈয়দ আব্দুল মালিকৰ অন্যতম উল্লেখযোগ্য উপন্যাস। অসমীয়া জাতিক জীৱন-সুধা দান কৰোতা শ্ৰীমন্ত শংকৰদেৱৰ জীৱন ভিত্তিক এখনি সুবৃহৎ উপন্যাস ৰচনা কৰি মালিক অসমীয়া ৰাইজৰ চেনেহ ধন্য। 'ধন্য নৰ তনু ভাল' শীৰ্ষক উল্লেখিত উপন্যাসখনিত সমসাময়িক প্ৰত্যয়শীলভাৱে ধৰি ৰাখি 'মানুহ শংকৰদেৱ'ৰ বিষয়ে কলাসুলভ মনোজ্ঞ বৰ্ণনা আগবঢ়াইছে। "এজন ইছলামৰ্ধমী লেখকে যে বৈষ্ণৱ গুৰুজনাৰ জীৱনীভিত্তিক উপন্যাস প্ৰথমে লিখি উলিয়ালে এইটো বিশেষভাৱে উল্লেখযোগ্য। তদুপৰি তেওঁ ইয়াতে শ্ৰী শংকৰদেৱক অসমীয়া জাতিৰ পিতৃস্বৰূপে প্ৰতিষ্ঠা কৰিবলৈ যোৱাটোও গুৰুত্বপূৰ্ণ কথা। এইবিলাক কাৰণতে 'ধন্য নৰ তনু ভাল'খনে অসমীয়া সাহিত্যৰ বুৰঞ্জীত বিশেষ স্থান পাই থাকিব।" (যোগেশ দাস)

মালিকৰ জীৱনৰ দ্বিতীয় উপন্যাস 'ৰথৰ চকৰি ঘুৰে'। এইখন উপন্যাসৰ মাজত মালিকৰ বামপন্থী চিন্তাধাৰা ফুটি উঠিছে। উপন্যাসখনত সেই সময়ৰ অসমৰ শিক্ষিত, অৰ্দ্ধ শিক্ষিত যুৱক-যুৱতী,কৃষক-শ্ৰমিকৰ মনত উদয় হোৱা চিন্তা-কল্পনা, তেওঁলোকে সন্মুখীন হোৱা ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক পৰিৱেশ আদি সফলভাৱে উপস্থাপন কৰিছে মালিকে। উপন্যাসখনত বামপন্থী আদৰ্শৰ চাপ স্পষ্ট।

মালিকৰ উপন্যাসত চিৰদুখী নাৰীৰ জীৱনৰ কাৰুণ্যৰ ছবিও বহুকেইখন উপন্যাসত ফুটি উঠিছে। "সোণালী সূতাৰে বন্ধা" উপন্যাসখনিত মাতৃত্বৰ বাবে হাঁহাকাৰ কৰি ফুৰা ৰীতাৰ মনৰ ছবিখন প্ৰতিফলিত হৈছে। ৰীতাৰ মাতৃ হোৱাৰ দুৰ্বাৰ ইচ্ছাক বাধা দিব নোৱাৰি অনন্তই বিবেকৰ বিৰুদ্ধে গৈয়ো ৰীতাক মাতৃত্বৰ গৌৰৱ দান কৰিব লগা হৈছিল। ইফালে স্বামী পৱিত্ৰ চলিহাই ৰীতাক মাতৃত্বৰ গৌৰৱ দিবলৈ অসমৰ্থ হোৱাৰ বাবে ৰীতাই এনে পন্থা ল'ব লগা হ'লেও ৰীতা ইয়াৰ বাবে অনুতপ্ত। ৰীতা আৰু পৱিত্ৰ চলিহাৰ সন্তান হৈ ডাঙৰ হৈছে অনন্তৰ সন্তান নন্দিতা। এই ভয়ানক সত্যই ৰীতাৰ এক প্ৰকাৰে বিবেক দংশন হৈছিল। ৰীতাৰ এই বিপৰ্যয়ৰ কাহিনী, মনৰ ধুমুহা মালিকে হৃদয়গ্ৰাহী ভাষা আৰু দক্ষতাৰে বৰ্ণনা কৰিছে। এগৰাকী সন্তানহীন নাৰীৰ মানসিক অৱস্থা মালিক পুৰুষ হৈয়ো ইমান জীৱন্ত ৰূপত বৰ্ণনা কৰিব পৰাটোৱে বিস্ময়কৰ। "তেখেতে এগৰাকী নাৰীৰ অন্তপ্ৰদেশৰ গভীৰ দাবী উদঙাই দেখুওৱাৰ লগতে অন্য এক চিৰন্তন সত্যকো উত্থাপন কৰিছে। স্বামীৰ অজ্ঞাতে পৰপুৰুষৰ পৰা মাতৃত্বৰ গৌৰৱ গ্ৰহণ কৰিবলৈ যোৱাটোতে যে শান্তি নাই, আনন্দ নাই সেই কথা উত্থাপন কৰিছে। এদিন এই সত্যৰ মুখামুখি হ'ল ৰীতা আৰু স্বামী চলিহা। মালিকৰ ৰচনাৰ এইটো এটা বিশেষ দিশ। সত্যক পোহৰৰ বুকুত প্ৰতিষ্ঠা কৰাটোৱে সাহিত্যৰ ধৰ্ম। সাহিত্যৰ মহত্বও এইখিনিতেই। মানৱীয় প্ৰয়োজনক তেওঁ যুক্তিৰ মাজেৰে স্বীকাৰ কৰে, কিন্তু অসততাৰ এন্ধাৰৰ মাজত তাক লুকাই থাকিবলৈ দিয়াটো লেখকে নিবিচাৰে। অসতাতকৈ সততাৰ আনন্দক লেখকে আগস্থান দিছে।" (স্বৰ্ণ ভাৰ্জনি বৰুৱা)

'বনজুই' ১৯৫৬ চনত প্ৰকাশিত মালিকৰ উল্লেখযোগ্য উপন্যাস সমূহৰ ভিতৰত অন্যতম। এইখন উপন্যাসতো নায়িকা জোনাৰ সমস্ত কৰ্ম-কাণ্ডৰ আঁৰত লুকাই থকা নাৰীৰ সন্তান প্ৰাপ্তিৰ বাসনাৰ সুন্দৰভাৱে প্ৰতিফলিত হৈছে। কাহিনীৰ উপস্থাপন, বৰ্ণনা আৰু ৰচনা-ৰীতিৰ গৰিমাময় ভংগীমাৰে মালিকে উপন্যাসখন আবেদনময়, মহিমামণ্ডিত কৰি তুলিছে। চৰিত্ৰ-চিত্ৰণ, প্ৰাঞ্জল ভাষা, জীৱনৰ সূক্ষ্ম অনুভূতি প্ৰকাশ উপন্যাসখনৰ অন্যতম বৈশিষ্ট্য।

চৈয়দ আব্দুল মালিকে অসমীয়া উপন্যাসৰ যি বিশাল চিত্ৰশালাৰ সৃষ্টি কৰি গ'ল সেই সমগ্ৰ চিত্ৰশালা এই সীমিত পৰিসৰত বিস্তৃতভাৱে আলোচনা কৰাটো কেতিয়াও সম্ভৱ নহয়। মাত্ৰ এক সীমিত পৰিসৰত মালিকৰ মাত্ৰ নগন্য সংখ্যক উপন্যাসহে আলোচনা কৰা হৈছে।□

# কৃষক আইন বাতিল ঃ নগাঁৱত কংগ্ৰেছৰ

*তিনি পৃষ্ঠাৰ পৰা* বকিবুল হুছেইনে কয়, 'বিজেপি নেতৃত্বাধীন চৰকাৰে জন বিৰোধী নীতি গ্ৰহণ কৰি আহিছে। মূল্যবৃদ্ধিৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজৰ জীৱন দুৰ্বিষহ কৰি তুলিছে।' কংগ্ৰেছে সদায় জনগণৰ স্বাৰ্থত মাত মাতি আহিছে বুলি উল্লেখ কৰি বকিবুল হুছেইনে কয়, 'কাকৈ ধৰি জনবিৰোধী আইনসমূহ বাতিলৰ বাবে কংগ্ৰেছে যুঁজ দি যাব।' বিজেপি চৰকাৰক কঠোৰ সমালোচনা কৰি হুছেইনে কয়, 'কৃষকৰ গুচৰত সেও মানি বিজেপি চৰকাৰে কৃষি আইন বাতিল কৰাৰ অৰ্থ হ'ল বিজেপি চৰকাৰৰ পতনৰ কাউণ্ট ডাউন আৰম্ভ হৈছে।' কাৰ্যসূচীত বিধায়ক শশীকান্ত দাস, জিলা কংগ্ৰেছৰ সভাপতি তপন কুমাৰ শৰ্মা, প্ৰদেশ কংগ্ৰেছৰ সম্পাদক সুৰেশ বৰাকে ধৰি ভালে সংখ্যক কংগ্ৰেছ নেতা কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# লখিমপুৰৰ প্ৰাক্তন শিক্ষক-সাহিত্যিক

*তিনি পৃষ্ঠাৰ পৰা* হোৱা নাই। বিশেষকৈ মহাপুৰুষ শংকৰদেৱ আৰু মাধৱ দেৱৰ ওপৰত তেওঁ গভীৰ অধ্যয়ন কৰি গুৰু দুজনাৰ দৰ্শন সম্পৰ্কীয় তত্ত্বগধুৰ গ্ৰন্থ প্ৰকাশ কৰিছিল। পিছে তেওঁৰ সেই আশা পূৰণ নহৈয়েই ৰ'ল। তেওঁ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তেও জড়িত আছিল। বিভিন্ন অনুষ্ঠানত তেওঁ সততা তথা দক্ষতাৰে কৰা কৰ্মৰাজিয়ে সকলোৰে মনত সাঁচ বহুৱাই গৈছে। তেওঁৰ বিয়োগত বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ লগতে বিভিন্ন অনুষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। এইগৰাকী কলা সুলভ মনৰ অধিকাৰী তথা বহু প্ৰতিভাৰ আধাৰ ব্যক্তিৰ মৃত্যু সমাজৰ বাবেই ক্ষতি বুলি সকলোৱে অভিহিত কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰক এৰি থৈ যায়।

# হাজোত চুলি নকটাক লৈ ছাত্ৰক প্ৰহাৰ

*তিনি পৃষ্ঠাৰ পৰা* ডাঃ দাসে তোক মই হ'লে মাৰিয়েই পেলালো হেঁতেন বুলি ওলোটাই ধমক দিয়ে। চিকিৎসকজনে আচম্বিতে অন্য ৰোগী তথা লগত অহা ককাকৰ সন্মুখতে অবিনাশক চিকিৎসা নকৰি কেঁচা চৰ শোধাই চিকিৎসালয়ৰ পৰা বাহিৰ কৰি দিয়ে। তেনে সময়তে লগত অহা ককাকে কিয় ছাত্ৰজনক চিকিৎসা নকৰিলে বুলি চিকিৎসকজনক সোধাত তেওঁকো হাতত ধৰি উলিয়াই দিয়ে। উপায়হীন হৈ দৰিদ্ৰ ছাত্ৰজনৰ পৰিয়ালে ন্যায় বিচাৰি কালি বিয়লি হাজো থানাত এখন এজাহাৰ দাখিল কৰে। ইফালে, জনৈক ডাঃ দাসৰ ঘটনা সন্দৰ্ভত হাজো আৰক্ষীত এজাহাৰ দাখিল কৰিছে।

# দ্বাদশ ডিব্ৰুগড় গ্ৰন্থমেলাৰ আয়োজন

*তিনি পৃষ্ঠাৰ পৰা* সংবাদমেলত এই কথা সদৰী কৰে মিলনজ্যোতি সংঘৰ সভাপতি অমিয় হাজৰিকাই। উল্লেখ্য যে মিলনজ্যোতি সংঘৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত ২৬ নৱেম্বৰৰ পৰা সাত ডিচেম্বৰলৈকে অনুষ্ঠিত হ'ব। ইতিমধ্যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পুথি প্ৰকাশন আৰু বিক্ৰেতা অনুষ্ঠানে অংশগ্ৰহণ কৰাৰ লগতে নতুন দিল্লী, কলকাতাৰ লগতে এইবাৰ বাংলাদেশৰ পৰাও গ্ৰন্থ বিপণীয়ে অংশগ্ৰহণ নিশ্চিত কৰিছে বুলি উদ্যোক্তাসকলে সদৰী কৰিছে। সদ্যপ্ৰয়াত প্ৰসিদ্ধ সাহিত্যিক, সাংবাদিক, গল্পকাৰ হোমেন বৰগোহাঞিৰ স্মৃতিত মুখ্য তোৰণ আৰু মূল মঞ্চ বিশিষ্ট সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাৰ স্মৃতিত প্ৰদান কৰা হ'ব।

# ধনলাভৰ পাছতো অধিগৃহীত ভূমিত গৃহ

*তিনি পৃষ্ঠাৰ পৰা* টকা আত্মসাৎ কৰা এই দালালৰ বিৰুদ্ধে তথা দুই মণ্ডল আৰু এই ঘটনাৰে জড়িত এজনৰ বিৰুদ্ধেও সাধাৰণ ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে। তদুপৰি কেৱল গৃহ নিৰ্মাণৰ নামতে তেজপুৰ আৰু চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ অঞ্চলত ৪৫ কোটিৰ অধিক টকা মোকলাই দিয়া ঘটনাৰ সুযোগ লৈ আন একাংশই আকৌ এই কেলেংকাৰিত জড়িতসকলৰ পৰাও ধন আত্মসাতৰ ফন্দি কৰি প্ৰথম অৱস্থাত তৰ্জন-গৰ্জন কৰি পাছত নিটাল মাৰে। এনে অৱস্থাত অতিষ্ঠ হৈ একাংশ লোকে শেহতীয়া ঘটনা সন্দৰ্ভত উপায়ুক্তক অভিযোগ দাখিল কৰি এই সন্দৰ্ভত এক তদন্তৰ দাবী জনাইছে। ইপিনে, শোণিতপুৰৰ উপায়ুক্তই এনে ঘটনা যদিহে প্ৰকৃততে সংঘটিত হৈছে তেনেহ'লে ইয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কয়।

# গায়ন-বায়নৰ ধ্বনিৰে তেজপুৰৰ দুশ

*তিনি পৃষ্ঠাৰ পৰা* মায়ামায় হৈ উঠা এই মহা ৰাসৰ শিশু কৃষ্ণৰ ভাৰত শ্ৰেয়াশ্ৰী বৰা, মোহিনীৰ ভাৰত কুঁৱলী ভৰালী, পুতনাৰ চৰিত্ৰত অভিনেতা দ্বিপেন বৰাৰ নৃত্যই সকলোকে আকৰ্ষিত কৰে। দ্বিতীয় নিশাৰ শ্ৰীকৃষ্ণৰ ভাৰত উদয় শংকৰ কলিতা, ৰাধাৰ ভাৰত সুকন্যা কলিতা আৰু প্ৰথম গোপী ৰূপে মৰমী কলিতাৰ লগতে শংখচূড়ৰ ভাৰত দ্বীপজ্যোতি ভৰালী (ভাই)ৰ নৃত্য - অভিনয়ে উপস্থিত ৰাইজৰ হৃদয় জিনিবলৈ সক্ষম হয়। দুয়ো নিশা হীৰকজ্যোতি নাথৰ বাঁহীৰ সুৰে জীপাল কৰাৰ লগতে বৃন্দাবন সজাই-পৰাই তোলে বিচিত্ৰ তামুলী আৰু অজিত কোঁৱৰে। গীতে-মাতে মৰমী কলিতা আৰু শুভাক্ষী কোঁৱৰে অন্য একমাত্ৰা প্ৰদান কৰে এই মহাৰাসৰ। উল্লেখ্য যে ক'ভিড প্ৰট'কলৰ মাজেৰে নামঘৰ চৌহদ চেনিটাইজ কৰাৰ লগতে বিয়লিও প্ৰতিগৰাকী দৰ্শকক হেণ্ড চেনিটাইজ কৰে আয়োজক সমিতিয়ে।

# কঠিয়াতলিত বিষ্ণু-জ্যোতি-ভূপেন

*তিনি পৃষ্ঠাৰ পৰা* সভাপতি, সম্পাদক শশী বৰদলৈ আৰু ভোগেশ্বৰ বৰুৱাই কয় যে বিশ্বজয়ী যাযাবৰী কালজয়ী শিল্পী ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি অহা ১৭ জানুৱাৰীত শিল্পী দিৱসৰ দিনা প্ৰতিষ্ঠা কৰা হ'ব। এই উপলক্ষে অনুষ্ঠিত হোৱা সভাত ভাষণ প্ৰদান কৰে কঠিয়াতলি আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি ভীষ্মদুৰ্লভ মহন্ত, সমাজ সেৱক ভাৰত বৰা, কঠিয়াতলি উচ্চতৰ মাধ্যমিকৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জিতেন্দ্ৰনাথ হাজৰিকাই প্ৰাণ প্ৰতিষ্ঠা কৰা শিল্পী দুগৰাকীৰ কৰ্মজীৱন আৰু আদৰ্শৰাজিৰ গুণানুকীৰ্তন কৰে আৰু এই উদ্যানখনে অঞ্চলটোৰ ৰাইজৰ বহু দিনৰ আশা আকাংক্ষা পূৰণ কৰা বুলি উল্লেখ কৰে।

# যুৱ নেতা ইন্দ্ৰানীল বড়াৰ মৃত্যু

*তিনি পৃষ্ঠাৰ পৰা* সদৌ অসম ছাত্ৰ সন্থাৰ অন্তৰ্গত আন্তঃমণ্ডলদৈ ছাত্ৰ সন্থা, অসম গণ পৰিষদৰ ভ্ৰাতৃ সংগঠন অসম যুৱ পৰিষদৰ দৰং জিলা সমিতিৰ উপদেষ্টাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেওঁৰ মৃত্যুত বিধায়ক বসন্ত দাস, মণ্ডলদৈ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰতাপ বৰদলৈ, আন্তঃমণ্ডলদৈ ছাত্ৰ সন্থা, অগপৰ মণ্ডলদৈ জিলা সমিতিৰ সম্পাদক স্বৰাজ ডেকা, মণ্ডলদৈ মিডিয়া চাৰ্কোলৰ সভাপতি হিতেশ হাজৰিকা, জেব্ৰা ফৰ্চ মণ্ডলদৈ, সদৌ অসম ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক খনিন্দ্ৰ ৰাজবংশী, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, মানুহে মানুহৰ বাবে, দৰং অসমৰ সভাপতি আনোৱাৰ হুছেইন, সম্পাদক গণেশ দত্ত, মণ্ডলদৈ ক্ৰীড়া সন্থা, মণ্ডলদৈ টাউন ক্লাব, পশ্চিম মণ্ডলদৈ কৃষ্টি সংঘ আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ মাতৃ, কন্যাসহ বহু আত্মীয়ক এৰি যায়।

# আজিৰ সন্তানেই ভৱিষ্যতে এখন সমাজ

*তিনি পৃষ্ঠাৰ পৰা* সুন্দৰভাৱে পৰিচালনা কৰিব বুলি সম্পাদকপ্ৰধান শৰ্মাই উল্লেখ কৰে। মৰিগাঁও জিলা মহিলা ব্ৰাহ্মণ সমাজৰ সভানেত্ৰী লাৱণ্য ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক, জ্যেষ্ঠ সাংবাদিক তথা জিলা ব্ৰাহ্মণ সমাজৰ সক্ৰিয় সদস্য অজিত শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মাই ভাষণত উল্লেখ কৰে যে যোৱা ৩২ বছৰে অসমৰ সংবাদ জগতত নিষ্ঠাৰে সেৱা আগবঢ়াই অহাত অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসত ৰাজ্যিক ভিত্তিক সম্বৰ্ধনা দি স্বীকৃতি প্ৰদান কৰাত গৌৰৱ অনুভৱ কৰিছো। বাতৰি কাকতৰ লগতে দীৰ্ঘদিন ধৰি বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত হোৱাৰ লগতে লিখা-মেলা কৰি অহাত ৰাজ্যিক ভিত্তিত চৰকাৰী সন্মান লাভে অধিক আগুৱাই যোৱাৰ অনুপ্ৰেৰণা যোগালে। এয়া মৰিগাঁওবাসীৰেই সন্মান বুলি শৰ্মাই ভাষণত উল্লেখ কৰে। সেৱাশ্ৰম সমিতিৰ সভাপতি অতুল শৰ্মাই উদ্বোধন কৰা প্ৰতিনিধি সভাৰ পাছত বিষয়বাছনি সভা অনুষ্ঠিত হয়। জিলা মহিলা ব্ৰাহ্মণ সমাজৰ সম্পাদিকা দীপালী বৰকটকীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা সাধাৰণ সভাই আগন্তুক বৰ্ষৰ বাবে লাৱণ্য ভট্টাচাৰ্যক সভানেত্ৰী, শেৱালী শৰ্মা বৰকটকীক কাৰ্যকৰী সভানেত্ৰী, দিপাঞ্জলী গোস্বামীক সম্পাদিকা, বিভা দেৱী আৰু নিৰু দেৱীক উপ-সভাপতি হিচাপে লৈ এখন ২১ জনীয়া শক্তিশালী সমিতি গঠন কৰে। অনুস্মিতা পৰাশৰে শ্ৰীকৃষ্ণ ভজনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটোত মৰিগাঁও জিলা ব্ৰাহ্মণ সমাজৰ সম্পাদক ভাৰত চন্দ্ৰ শৰ্মা, নৱনিৰ্বাচিত সভাপতি পোৱাল গোস্বামী, নৱনিৰ্বাচিত সম্পাদক পুষ্পেন্দ্ৰ শৰ্মাকে ধৰি জিলাখনৰ প্ৰতিখন আঞ্চলিকৰ বিষয়ববীয়া আৰু সদস্যাসকলে অংশগ্ৰহণ কৰে।'

# কলিয়াবৰত পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে

*তিনি পৃষ্ঠাৰ পৰা* নম্বৰ- এ-এছ-০২-এ-ডি-২৪০৬। অমায়িক, সামাজিক দায়বদ্ধতাৰে নিজৰ পৰিচয় দাঙি ধৰা মৃগাংকৰ অকাল বিয়োগত কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থা, কলিয়াবৰ প্ৰেছ ক্লাবকে ধৰি বিভিন্ন অনুষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। ইফালে ছাত্ৰনেতা গৰাকীৰ মৃত্যুৰ পিছতে পথ নিৰ্মাণকাৰী সংস্থাৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰিছে কলিয়াবৰবাসী। দীৰ্ঘদিনে কলিয়াবৰ তিনিআলিৰ পৰা তেজপুৰ সংযোগী পথৰ লগতে নগাঁৱলৈ যোৱা পথছোৱাও চাৰিলেণ্ডযুক্ত পথ নিৰ্মাণকাৰী সংস্থাই নিজ পৈতৃক সম্পত্তিৰ দৰে ব্যৱহাৰ কৰি নিৰ্মাণ কাৰ্যত হেমাহি কৰি আহিছে। ৰাইজৰ বহু অভিযোগকো অংগুষ্ঠ প্ৰদৰ্শনৰে এই নিৰ্মাণ সংস্থাই জীয়াতু ভোগাই আহিছে। যাৰ ফলশ্ৰুতিত যোৱা নিশাও সংঘটিত হ'ল এই শোকাবহ পথ দুৰ্ঘটনাতো। ইয়াৰ পূৰ্বতেও সংঘটিত হৈছে এনে বহু দুৰ্ঘটনা। কিন্তু ইমানৰ পাছতো কাণসাৰ কৰা নাই বহিৰাগত নিৰ্মাণকাৰী সংস্থাই। যাক লৈ ক্ষোভিত হৈ পৰিছে সকলো। আনহাতে যুৱকজনৰ মৃত্যুত শোকৰ ছাঁ পৰিছে সমগ্ৰ কলিয়াবৰত।

# সিঁচা পদ্ধতিৰে থলুৱাৰ জাতৰ ধান খেতি

*তিনি পৃষ্ঠাৰ পৰা* খেতিপথাৰত অঞ্চলটোৰ বহুকেইজন কৃষক, সাংবাদিক স্থানীয় ৰাইজৰ উপস্থিতিত কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থাৰ উদ্যোগত অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। সাংবাদিক চন্দন বৰাই আঁত ধৰা উক্ত অনুষ্ঠানত আদৰ্শ কৃষক ফুকনক কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনায়। সভাত আদৰ্শ কৃষকগৰাকীৰ সফলতাৰ ওপৰত বক্তব্য প্ৰদান কৰে সমাজসেৱক মোহন বৰুৱা, জ্যেষ্ঠ সাংবাদিক হেমেন হাজৰিকা আদিয়ে। ঐতিহাসিক মহুৰা পথাৰৰ নৈসৰ্গিক পৰিৱেশ মাজত অনুষ্ঠিত অনুষ্ঠানটি সংগীত শিল্পী সুন্দৰ ফুকনৰ নেতৃত্বত অহা শিল্পীবৃন্দই কৃষক উদ্দেশ্যে কোৰাচ পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰে। আনহাতে, অনুষ্ঠানত উপস্থিত থকা সাংবাদিক, কৃষক, স্থানীয় ৰাইজে কৃষক চন্দ্ৰ ফুকনৰ সিঁচা পদ্ধতিৰে কৰা শালিধানৰ খেতি ক্ষেত্ৰ ভিত্তিক পৰিদৰ্শন কৰি কৃষকগৰাকীৰ এই পদক্ষেপক শলাগ লয়। উল্লেখ্য যে ৭১ টা বসন্ত গৰকা পানীদিহিঙীয়া গাঁৱৰ নিবাসী চন্দ্ৰ ফুকন নামৰ চহা কৃষকজন ধানৰ কম মূল্য হোৱাৰ বাবে বহু কৃষকে ধান খেতি কৰিবলৈ এৰি দিয়া ছন পৰা মাটি লিজত লৈ নিজেই হাল বাই কম খৰচ, কম সময়, কম পৰিশ্ৰমত সিঁচা পদ্ধতিৰে থলুৱা জাতৰ ধান খেতি কৰি বহু কৃষকৰ এতিয়া আদৰ্শ স্বৰূপ হৈ পৰিছে। কৃষকগৰাকীৰ সিঁচা পদ্ধতি কৰা শালিধানৰ খেতিত একপুৰা মাটিত ২৬০০ টকা খৰচ হোৱাৰ লগতে এক বিঘা মাটিত ১৫ৰ পৰা ১৮ মোন ধান উৎপাদন হৈছে বুলি জানিবলৈ দিছে কৃষকগৰাকীয়ে।

■ গলাকাটা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ

# বিলাসীপাৰাত এমাহে দিয়া নাই মধ্যাহ্ন ভোজন

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ২১ নৱেম্বৰ ঃ** বিলাসীপাৰা শিক্ষা খণ্ডৰ অন্তৰ্গত গলাকাটাৰ চৰ প্ৰাথমিক বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে একাধিক দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে। বিলাসীপাৰা চহৰৰ পৰা ১৮ কিলোমিটাৰ নিলগত চৰাঞ্চলত অৱস্থিত চৰকাৰী প্ৰাথমিক বিদ্যালয়খনৰ প্ৰধান শিক্ষক কুতুব উদ্দিন শিকদাৰৰ বিৰুদ্ধে উত্থাপন হৈছে অভিযোগ। ১৪৩ গৰাকী ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনত মধ্যাহ্ন ভোজনৰ ৰান্ধনি ঘৰ আছে যদিও বিগত এমাহে ৰন্ধা বঢ়াহে নাই। এই কথা অকপটে স্বীকাৰ কৰিছে প্ৰধান শিক্ষকজনে। বিদ্যালয়খনত নাই বিশুদ্ধ খোৱা পানীৰ কোনো ব্যৱস্থা। দুটাকৈ দমকল আছে যদিও পানী নোলায়। বিদ্যালয়খনৰ উন্নয়নৰ বাবে প্ৰতি বছৰে চৰকাৰে আন্তঃগাথনিৰ ৫০ হেজাৰ কৈ টকা আৱণ্টন দিয়ে যদিও এই টকাও প্ৰধান শিক্ষকজনে সমূলি আত্মসাৎ কৰি অহাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। ছাত্ৰ-ছাত্ৰীৰ ইউনিফৰ্মৰ বাবে চৰকাৰে ধন আৱণ্টন দিয়া সত্বেও শিক্ষাৰ্থীয়ে লাভ কৰা নাই পোছাক। আনহাতে, বিদ্যালয়খনৰ নামত চৰকাৰে যোগান ধৰা বিভিন্ন আঁচনি ধন, মধ্যাহ্ন ভোজনৰ চাউল আৰু ধন আদি গো গ্ৰাসে গিলিবলৈ নিজৰ পছন্দৰ বিদ্যালয় পৰিচালনা সমিতি এখন গোপনে গঠন কৰাত স্থানীয় ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তদুপৰি বিদ্যালয়খনত বিদ্যুৎ সংযোগ আছে যদিও শিক্ষানুষ্ঠানখন এন্ধাৰতে ডুব গৈ থাকে।

# শালবাৰীৰ ৰামচাৰটাৰী ভিচিডিচিত ১০ টা উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২১ নৱেম্বৰ ঃ** বাগ্সা জিলাৰ শালবাৰীৰ অন্তৰ্গত ৰামচাৰটাৰী ভিচিডিচিৰ ভিন্ন প্ৰান্তত শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীৰ পৃষ্ঠপোষকতাত ১০টাকৈ উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন কৰা হয়। আটাইকেইটা উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন কৰে শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ মুছাহাৰীয়ে। আধাৰশিলা স্থাপন কৰা উন্নয়নমূলক কামসমূহ হ'ল ক্ৰমে সাউদৰভিঠা চিকিৎসালয়, সাউদৰভিঠা মা কালী মন্দিৰ, আটলীয়াপাৰা বাথৌ মন্দিৰ, কালমাটি প্ৰাথমিক বিদ্যালয় চৌহদ, অন্থাইবাৰী মিলনপাৰা বাথৌ মন্দিৰ, পাটলা বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ চৌহদ, পাটলা নেহৰু প্ৰাথমিক বিদ্যালয় আৰু লক্ষ্মী মন্দিৰ চৌহদ, সাউৰাগুৰি দুৰ্গা মন্দিৰ, সাউৰাগুৰি প্ৰাথমিক বিদ্যালয় চৌহদৰ ভূমি উন্নয়নৰ বাবে আধাৰশিলা স্থাপন কৰা হয়। তদুপৰি ৰৌমাৰী গাঁৱত এটি পথ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰা হয়। আধাৰশিলা স্থাপন কাৰ্যসূচী ৰামচাৰটাৰী ভিচিডিচিৰ অধ্যক্ষ বিস্তি বসুমতাৰী, উপাধ্যক্ষ বিজয় বসুমতাৰী, সমাজকৰ্মী তথা ইউপিপিএলৰ নেতা সত্যজিৎ বড়ো, চক্ৰধৰ বসুমতাৰীৰ লগতে বহুসংখ্যক বিশিষ্ট ব্যক্তিয়ে অতিথিৰূপে উপস্থিত থাকে। উল্লেখ্য যে এম জি এন আৰ ই জি এ আঁচনিৰ ধন সৰ্বমুঠ ৭৫ লাখ টকা ব্যয় সাপেক্ষে ১০টা উন্নয়নমূলক কামৰ নিৰ্মাণ কাৰ্য সম্পন্ন কৰা হ'ব বুলি শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

# ঘিলাধাৰী চাহ বাগিচাত শ্ৰীশ্ৰীকাৰ্তিক পূজা উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ২১ নৱেম্বৰ ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো ঘিলাধাৰী চাহ বাগিচাৰ যুৱক সংঘৰ উদ্যোগত আৰু ৰাইজৰ সহযোগিতাৰ মাধ্যমেৰে যোৱা ১৭ আৰু ১৮ নৱেম্বৰত কাৰ্যসূচীৰে শ্ৰীশ্ৰীকাৰ্তিক পূজা অনুষ্ঠিত হয়। সম্পূৰ্ণ ধৰ্মীয় আচাৰ নীতিৰে ১৭ নৱেম্বৰত আয়োজন কৰা পূজাভাগৰ লগত সংগতি ৰাখি ঘিলাধাৰী উপ-শাখা চাহ জনজাতি ছাত্ৰ সন্থাৰ সহযোগত কবিতা আবৃত্তি, কুইজ, চিত্ৰাংকন আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত দলংগুৰি, বালিচাং, ভেলৌগুৰি, বৰপাম, ঘিলাধাৰী, চেলাইখাটি অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতা শুভ উদ্বোধন কৰি বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে কয় যে সুস্থ ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰাটো প্ৰতিজন সংস্কৃতিবান লোকৰ জীৱনৰ অন্যতম লক্ষ্য হোৱা উচিত। অৰুণ বৰদলৈ আৰু শিক্ষক বিশ্বজিৎ সূত বিচাৰকৰূপে থকা প্ৰতিযোগিতাৰ কুইজত ৰশ্মিতা পুৰাণৰ দল প্ৰথম, নীহা ডিমৰ দল দ্বিতীয় আৰু চন্দন ৰংপিৰ দলে তৃতীয় স্থান লাভ কৰে। খ শাখাত অংকিতা স্বৰ্গীয়াৰীৰ দল প্ৰথম, নয়নমণি বৰাৰ দল দ্বিতীয় আৰু পৰিস্মিতা দলে তৃতীয় স্থান লাভ কৰে। চিত্ৰাংকন প্ৰতিযোগিতাৰ ক শাখাত অৰাংশু পানতাঁতী প্ৰথম, অনিমা দাস দ্বিতীয় আৰু ৰাজ কৰে তৃতীয় স্থান লাভ কৰে। খ শাখাত প্ৰথম আদিত্য পানতাঁতী, দ্বিতীয় দীপিকা দেৱী আৰু তৃতীয় প্ৰতিভা ক্ৰ'পীপি। ১৮ নৱেম্বৰত অনুষ্ঠিত সমাৰেশত মাজুলীগড় চাহ বাগিচাৰ মুখ্য পৰিচালক অৰুণ চান্দ, সহকাৰী পৰিচালক হেম গগৈ, ভাস্কৰজ্যোতি দলে, ঋতুৰাজ। ভট্টাচাৰ্য, দ্বীপজ্যোতি হাজৰিকা, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন বিষয়ববীয়া তথা সমাজকৰ্মী দুলদুল বৰকাকতি, বিশ্বনাথ জিলা চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি মহেশ চত্ৰি, ফটিক তাঁতী, অৰুণ বৰদলৈ, বিশ্বজিত সূত, কেনিং বসুমতাৰীকে ধৰি বহু গণ্যমান্য ব্যক্তি আৰু বিভিন্ন সংগঠনৰ বিষয়ববীয়া উপস্থিত থাকে। চাহ জনগোষ্ঠীয় তথা উৰিয়া গীত অসমৰ বিভিন্ন মঞ্চ তথা ৰাজ্যৰ বাহিৰতো পৰিৱেশন কৰি প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰা শিল্পী শ্যাম কুমাৰ নাগ আৰু নৰেন পানতাঁতীক এই সমাৰেশতে সম্বৰ্ধনা জনোৱা হয়।

# দলগাঁৱত ঢেকিয়াপতীয়াৰ আক্ৰমণত কিশোৰ আহত

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২১ নৱেম্বৰ ঃ** দৰঙৰ দলগাঁও আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ কছাৰী ভেটিটোপ গাঁৱত ঢেকীয়াপতীয়া বাঘৰ আতংকৰ সৃষ্টি কৰিছে । ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা তিনি-চাৰি দিন পূৰ্বেই বাঘটো উদ্যানখনৰ পৰা ওলাই আহিছিল বুলি ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। আজি পুৱা গাঁও খনৰ ইমৰান ফৰহাদ (১৪) নামৰ কিশোৰ এজন পথাৰলৈ বুলি ওলাই যাওতেই বাঘটোৱে আক্ৰমণ কৰে। ফলত কিশোৰজনে চিঞৰ বাখৰ কৰাত স্থানীয় ৰাইজ সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে ।

# মনোমতী উপন্যাসৰ ৰচনাস্থলী

*তিনি পৃষ্ঠাৰ পৰা* জনাইছে। আজি অতিৰিক্ত উপায়ুক্ত আৰু বৰনগৰ ৰাজহচক্ৰ বিষয়াৰ পৰিদৰ্শনৰ সময়ত লোকনিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰী লগতে স্মৃতি ৰক্ষা সমিতিৰ সম্পাদক অমৰেন্দ্ৰ পাঠক, মনহৰি বায়ন, কৌশিক কমল দাস, ৰণদ্বীপ দাস উপস্থিত থাকে।

# পশ্চিম নলবাৰীৰ চামতাৰ

*তিনি পৃষ্ঠাৰ পৰা* চামতাৰ ৰূপীয়াবাথান গাঁৱৰ দাঙাপাৰা চুবুৰিৰ দাঙৰ দ' পথাৰত আজি দুপৰীয়া ১২ বজাত অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডই মষিমুৰ কৰে কৃষকৰ আশাৰ সপোন। অগ্নিকাণ্ডত জাহ যায় ৫০ বিঘা মাটিৰ কাটি থোৱা ধান। বেলশৰ আৰু নলবাৰীৰ পৰা অহা অগ্নিনিৰ্বাপক বাহিনীৰ পাঁচখনকৈ গাড়ী ঘটনাস্থলিত উপস্থিত হৈ জুই নিৰ্বাপিত কৰে। সম্প্ৰতি অগ্নিকাণ্ডৰ প্ৰকৃত সূত্ৰপাত সঠিকভাৱে জনা নাই যদিও এজন লোকে জাবৰৰ দ'মত জুই দিয়াৰ ফলত এই অগ্নিকাণ্ডৰ সূত্ৰপাত হয় বুলি সন্দেহ প্ৰকাশ কৰিছে।

# দেওমৰনৈৰ বৰেৰীত ৰামৰ বিগ্ৰহ

*তিনি পৃষ্ঠাৰ পৰা* অনুভৱ কৰা বুলি মন্তব্য কৰে তেওঁ। বিগ্ৰহটো মুকলিৰ পাছতে অৱসৰী অধ্যক্ষ তথা দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সভাপতি কুলেন্দ্ৰ নাথ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত হয় এখন ধৰ্মালোচনী সভা। দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক মুকুট হাজৰিকাই আঁত ধৰা উক্ত সভাখনত প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, মৌজাদাৰ বিনয় কুমাৰ বৰুৱা, আলোচনাপন্থী আলফা নেতা ৰঞ্জু চহৰীয়া ওৰফে প্ৰাণজিৎ শইকীয়া, দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়া, চিত্ৰশিল্পী সম্ফুল নাথ আদি উপস্থিত থাকে। ধৰ্মালোচনী সভাত হেম ভায়ে 'ৰাম' শব্দ সম্পৰ্কে ভাষণ দি দৰঙী প্ৰজা মৰমীয়াল, অতিথি পৰায়ণ আৰু সংস্কৃতিবান বুলি উল্লেখ কৰে।

# উত্তৰ শালমাৰাত বঙাইগাঁও জিলা মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ অধিবেশনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২১ নৱেম্বৰ ঃ** বঙাইগাঁও জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ ত্ৰয়োদশ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনখন অহা আঠ ডিচেম্বৰত এদিনীয়া কাৰ্যসূচীৰে উত্তৰ শালমাৰাত অনুষ্ঠিত হ'ব। উত্তৰ শালমাৰাস্থিত দুৰ্গাপ্ৰসাদ সোঁৱৰণী উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া অধিবেশনৰ বাবে প্ৰাক্তন বিধায়ক ভূপেন ৰায়ক সভাপতি, সমিল ৰায়ক কাৰ্যকৰী সভাপতি আৰু ভূপেন চন্দ্ৰ ৰায়ক সম্পাদকৰূপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। অধিবেশন উপলক্ষে সিদিনা পুৱা জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সভাপতি হজৰত আলীৰ দ্বাৰা সন্থাৰ পতাকা উত্তোলন, অভ্যৰ্থনা সমিতিৰ সভাপতি ভূপেন ৰায়ৰ দ্বাৰা বন্তি প্ৰজ্বলন, সন্থাৰ সম্পাদক নন্দেশ্বৰ গোস্বামীৰ দ্বাৰা স্মৃতি তৰ্পণ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জনক কুমাৰ মেধিয়ে গছপুলি ৰোপণ কাৰ্যসূচীৰ মুকলি কৰিব। ইয়াৰ পাছতে বিদ্যালয়খনৰ প্ৰধান শিক্ষক তথা অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি সমিল ৰায়ে প্ৰতিনিধি সভা উদ্বোধন কৰাৰ পাছতে শিক্ষক, শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰিব অসম সংগীত। অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ ৰাজ্যিক সভাপতি ভুৱনেশ্বৰ নাথে অধিবেশনৰ প্ৰতিনিধি সভা আৰু বিষয় বাছনি সভাখনৰ উদ্বোধক হিচাপে উপস্থিত থকাৰ উপৰি সন্থাৰ ৰাজ্যিক সম্পাদক গোবিন্দ চন্দ্ৰ কলিতা মুখ্য অতিথি আৰু বঙাইগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক আমিৰ হুছেইনে বিশিষ্ট অতিথিৰূপে অংশ ল'ব। অধিবেশনতে বঙাইগাঁও জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ নতুন সমিতিখনো গঠন কৰিব। অধিবেশনৰ সমূহ কাৰ্যসূচীত শিক্ষক-কৰ্মচাৰীৰ সহযোগিতা তথা অংশগ্ৰহণৰ বাবে সন্থাৰ সম্পাদক নন্দেশ্বৰ গোস্বামীয়ে এক বিবৃতিযোগে আহ্বান জনাইছে।

# নপামৰ লক্ষ্মী মন্দিৰৰ নৱনিৰ্মিত দ্বাৰ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২১ নৱেম্বৰ ঃ** তেজপুৰৰ নপামস্থিত শ্ৰীশ্ৰীলক্ষ্মী নাৰায়ণ মন্দিৰৰ ১৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগতে মন্দিৰৰ নৱনিৰ্মিত 'উমা-কপিল স্মৃতি তোৰণ'খন পৰহি বিয়লি উদ্বোধন কৰা হয়। উল্লেখ্য যে অঞ্চলটোৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী প্ৰয়াত কপিলমুনি শৰ্মা আৰু বৃন্দামায়া, উমা দেৱীৰ সোঁৱৰণত তোৰণখন তেওঁলোকৰ পুত্ৰ পৰিয়ালে নিৰ্মাণ কৰি দিছে। শ্ৰীশ্ৰী লক্ষ্মী নাৰায়ণ মন্দিৰৰ ১৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰে সংগতি ৰাখি তোৰণখন উদ্বোধন কৰে তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক বিনোদ কুমাৰ জৈনে। এই দ্বাৰ উদ্‌ঘাটনৰ পাছত অনুষ্ঠিত সভাত স্থানীয় প্ৰবীণ সমাজকৰ্মী, বয়োজ্যেষ্ঠ নাগৰিক প্ৰেম নাৰায়ণ শৰ্মাই এই বিশেষ অঞ্চলটোৰ প্ৰায় দুশ বছৰ পূৰ্বৰ ছবিখনৰ বিষয়ে প্ৰকাশ কৰি তেওঁৰ আজোককাকৰ দিনৰে পৰা জীয়াভৰলী নৈৰ খহনীয়াৰ বাবে পৰৱৰ্তী সময়ত তেওঁলোক তেনেদৰে ইঠাইৰ পৰা সিঠাইলৈ স্থানান্তৰিত হ'বলগীয়া হ'ল সেই বিষয়ে প্ৰকাশ কৰে। তদুপৰি প্ৰয়াত কপিল মুনি শৰ্মাৰ তৎপৰতাত ইয়াৰ মাটি সংৰক্ষিত হৈ থকাৰ বাবেই বৰ্তমান ইয়াত তেজপুৰ বিশ্ববিদ্যালয়ৰ দৰে এক আগশাৰীৰ শিক্ষানুষ্ঠান স্থাপন হোৱাৰ সুযোগ লাভ কৰা বুলিও তেওঁ সদৰী কৰে। তাহানিৰ এই বৃহত্তৰ অঞ্চলটোত চৰ'চাপৰিৰ অৱস্থা আৰু ১৯৮৩ত হোৱা অসম আন্দোলনৰ সময়ৰ পৰিস্থিতিৰ বিষয়েও তেওঁ প্ৰকাশ কৰে। দ্বাৰখনৰ দাতা পৰিয়ালৰ সদস্য ভূবন চন্দ্ৰ শৰ্মাই আঁত ধৰা সভাখনত অংশ লৈ তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জৈনে কয় যে এই অঞ্চলটোৰ উন্নয়নৰ বাবে বিশ্ববিদ্যালয়খনৰ তৰফৰ পৰা সহায় কৰিবলৈ নিশ্চিতভাৱে চেষ্টা কৰা হ'ব। আনহাতে, বিধায়ক ৰাভায়ো এই মন্দিৰৰ অধিক উন্নয়নৰ বাবে তেওঁ যত্ন কৰিব বুলি আশ্বাস দিয়ে। সভাত মন্দিৰ স্থাপনৰ বাবে ভূমিদান কৰা ইন্দ্ৰলাল শৰ্মায়ো চমু বক্তব্য ৰাখে।

■ দহ জ্যেষ্ঠ শিক্ষক-অৱসৰী কৰ্মচাৰীক সম্বৰ্ধনা জ্ঞাপন

# পশ্চিম নলবাৰী প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিৱেশন

**অগ্ৰদূত বাৰ্তা**

**চামতা, ২১ নৱেম্বৰ ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ অন্তৰ্গত পশ্চিম নলবাৰী প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিৱেশন কালি দিনজোৰা কাৰ্যসূচীৰে ১৮৭প্ৰাথমিক বিদ্যালয় প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। এই উপলক্ষে পতাকা উত্তোলন কৰে পশ্চিম নলবাৰী প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি দীপক চন্দ্ৰ বৰ্মনে। ছহিদ তৰ্পণ কৰে অম্বিকা চৰণ বৰ্মনে। ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জ্যোতিষ বৰ্মনে। মাল্যাৰ্পণ কৰে উপদেষ্টা অক্ষয় বৰ্মনে।

শিক্ষক প্ৰতিনিধি পঞ্জীয়নৰ পাছত দীপক চন্দ্ৰ বৰ্মনৰ সভাপতিত্বত আৰম্ভ হয় প্ৰতিনিধি সভা আৰু বিষয়বাছনি সভা। প্ৰতিনিধি সভাৰ আৰম্ভণিতে ১৮৭ নম্বৰ জাগাৰা প্ৰাথমিক বিদ্যালয়ৰ একাংশ কণ কণ ছাত্ৰ-ছাত্ৰীয়ে এটি সমবেত সংগীত পৰিৱেশন কৰে। সভাত জিলা সমিতিৰ উপ-সভাপতি ভূষণ শৰ্মা তত্বাৱধায়ক হিচাপে উপস্থিত থাকে। সভাত বিগত দুবছৰৰ হিচাপ-নিকাচৰ প্ৰতিবেদন পাঠ কৰে সম্পাদক জয়ন্ত তালুকদাৰে। হিচাপ পৰীক্ষকৰ প্ৰতিবেদন পাঠ কৰে পৰীক্ষক মহানন্দ দাসে। মুকলি সভাত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সমীন বৈশ্যই শিক্ষকৰ দায়িত্ব, কৰ্তব্য, শিকন কৌশল আদিৰ বিষয়ে বক্তব্য প্ৰদান কৰে। সভাত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ কাৰ্যনিৰ্বাহক সদস্য অৰ্জুন তালুকদাৰ, নলবাৰী জিলা সন্মিলনীৰ সভাপতি গৌৰী তালুকদাৰ, উপ-সভাপতি নাজিমউদ্দিন আহমেদ, জিলা সন্মিলনীৰ প্ৰাক্তন সম্পাদক যতীন ৰাজবংশী, পূব নলবাৰী প্ৰাথমিক সন্মিলনীৰ সম্পাদক গিৰিশ হালৈ নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। এই সভাতে পশ্চিম নলবাৰী খণ্ড প্ৰাথমিক বিষয়া কাৰ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত পৰিসংখ্যা সহায়ক চৈতন্য গোস্বামীক আৰু শিক্ষা খণ্ডটোৰ বিভিন্ন প্ৰান্তৰ বিদ্যালয়ৰ পৰা চলিত আৰু অহা মাহত শিক্ষকতাৰ সেৱাৰ পৰা অৱসৰ গ্ৰহণ কৰিব লগা শিক্ষক কালিচৰণ ডেকা (প্ৰধান শিক্ষক, দক্ষিণ কৈঠালকুছি প্ৰাঃ বিদ্যালয়) আব্দুচ চাট্টাৰ (প্ৰধান শিক্ষক, মধুপুৰ মোক্তাব প্ৰাঃ বিদ্যালয়) তৰুণ হালৈ (সহকাৰী শিক্ষক, বালিজাৰ প্ৰাঃ বিদ্যালয়) আকবৰ আলী (প্ৰধান শিক্ষক, খাৰশিঠা প্ৰাঃ বিদ্যালয়), সৰ্বেশ্বৰ বৰ্মন (প্ৰধান, বনগাঁও মোক্তাব)। আচাৰ উদ্দিন আহমেদ (চুৰচুৰি বাটসৰ মিলন বালিকা প্ৰাঃ বিদ্যালয়), হিৰেন চক্ৰৱৰ্তী (প্ৰধান শিক্ষক, পকোৱা বাহজানি প্ৰাঃ বিদ্যালয়), জগদীশ মহন্ত (সহকাৰী সম্পাদক, বগুৰিহাটী প্ৰাঃ বিদ্যালয়, মাহবুবৰ ৰহমান (প্ৰধান শিক্ষক, উত্তৰ পানীগাঁও গোপালথান প্ৰাঃ বিদ্যালয়), উমেশ তালুকদাৰ (প্ৰধান শিক্ষক, নতুন খেলুৱা প্ৰাঃ বিদ্যালয়)ক ফুলাম গামোচা আৰু মানপত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়। অধিৱেশনৰ প্ৰতিনিধি সভাই আগন্তুক দুবছৰৰ বাবে হৰিচৰণ তালুকদাৰক সভাপতি, মনোজ ৰাজংশী, পৰিক্ষীত বৰ্মন, মহানন্দ দাস, চায়েৰা বেগমক উপ-সভাপতি, জয়ন্ত তালুকদাৰক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১ জনীয়া সদস্যৰে নতুন সমিতিখন গঠন কৰা হয়।

# নলবাৰীত সাহিত্যিক কামিনী শৰ্মা শাস্ত্ৰীক সম্বৰ্ধনা-অভিনন্দন গ্ৰন্থ উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২১ নৱেম্বৰ** নলবাৰী জিলাৰ যজ্ঞভূমিস্থিত পূৱ বাঁহজানী গোপালথান বালিকা বিদ্যামন্দিৰ প্ৰাংগণত আজি সাহিত্যিক, অৱসৰী শিক্ষক, শিল্পী সমাজসেৱক বাঁহজানীৰ জানিগোগ (কৰেবাৰী) সন্তান তথা বৰ্তমানে খাৰজাৰা নিবাসী কামিনী শৰ্মা শাস্ত্ৰীৰ অভিনন্দন গ্ৰন্থ 'কামিনী সৌৰভ' উন্মোচন হোৱাৰ লগতে ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সাহিত্যিক অশ্বিনী কুমাৰ শৰ্মাৰ সঞ্চালনাত আৰু অসম সাহিত্য সন্মিলনীৰ জিলা সম্পাদক ড° দীনেশ চক্ৰৱৰ্তীয়ে আতঁধৰা অনুষ্ঠানত অসম সাহিত্য সন্মিলনীৰ মুখ্য সচেতক তথা শিক্ষাবিদ ড° দিলীপ বৰা, শিক্ষাবিদ ড° দীনমণি ভাগৱতী, সাহিত্য সন্মিলনীৰ জিলা সভাপতি প্ৰসন্ন কুমাৰ শৰ্মা, সাহিত্যসেৱী প্ৰেমদেৱ শৰ্মা সহ বহুসংখ্যক ৰাইজ উপস্থিত থাকে। প্ৰধান শিক্ষক মুকুল শৰ্মাই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা অনুষ্ঠানত 'কামিনী সৌৰভ' উন্মোচন কৰি শিক্ষাবিদ ড° দিলীপ বৰাই ভাষণত কয় যে অভিনন্দন গ্ৰন্থই একোজন লোকক জ্ঞান প্ৰদান কৰাৰ লগতে জীয়াই থকাৰ প্ৰেৰণা যোগায়, সঞ্জীৱনী প্ৰদান কৰে। ভাষণ প্ৰসংগত ড° বৰাই কয় যে অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ বাবে বিশেষ তৎপৰতা লোৱা উচিত। এনেয়ে অসমীয়া বুলি ক'লেই নহয়। গুৱাহাটী বিশ্ববিদ্যালয়ত তামিল ভাষা অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীক তামিল চৰকাৰে জলপানি আগবঢ়ায়, লেপটপ আদি প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথিৰ ভাষণত শিক্ষাবিদ ড° দিনমণি ভাগৱতীয়ে কয় যে যিজনৰ কীৰ্তি আছে, যহ আছে তাক সমাজে আদৰি লয় আৰু সন্মান দিয়ে। কামিনী শৰ্মা শাস্ত্ৰী সকলো দিশতে কীৰ্তি থকা ব্যক্তি বাবে সন্মান লাভ কৰিছে বুলি দোহাৰে। অনুষ্ঠানত সাংস্কৃতিক মহাসভা নলবাৰী জিলা, সাহিত্য সন্মিলনীৰ জিলা সমিতি, পূৱ বাঁহজানী গোপালথান বালিকা বিদ্যা মন্দিৰৰ শিক্ষক-শিক্ষীয়ত্ৰী, ছাত্ৰী, জিলা লেখক সভা, প্ৰবীণ নাট্যশিল্পী যাদৱ চন্দ্ৰ ডেকা, আৰ্য সাহিত্য সভাৰ পৰা ঈশ্বৰ চন্দ্ৰ গোস্বামী, ভ্ৰাতৃ ৰমেশ শৰ্মা, ত্ৰৈলোক্য নাথ শৰ্মা, ভটিজা দ্বীপেন শৰ্মা, উৎপল শৰ্মা, মৃণাল শৰ্মা, হিৰণ্য শৰ্মা, কৰেবাৰী গাওঁ উন্নয়ন সমিতিৰ সভাপতি তৰোণী শৰ্মা, সাহিত্যসেৱী ৰাধাকৃষ্ণ চক্ৰৱৰ্তী, উপেন শৰ্মাসহ বিভিন্ন দল-সংগঠন, ব্যক্তি বিশেষে জাপি, গামোচাৰে সাহিত্যিক শাস্ত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত শিল্পী ত্ৰৈলোক্য নাথ শৰ্মা, হিতেশ বৈশ্য, গাৰ্গী মহন্ত, মিনু দেৱী সংগীত পৰিৱেশন কৰাৰ লগতে খগেন মহন্ত, পূৰবী দেৱী, উমেশ শৰ্মাই কবিতা পাঠ কৰি সমবেত সকলক মুগ্ধ কৰে। শিখা দেৱীয়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত সঞ্চালকৰ ভাষণত অশ্বিনী কুমাৰ শৰ্মাই কয় যে মানুহক জীয়াই থাকোতে সন্মান দিব লাগে। তেতিয়া জীয়াই থাকিবৰ বাবে উৎসাহ লাভ কৰে বুলি ব্যক্ত কৰে। অনুষ্ঠানত সাংবাদিক কামিনীকান্ত মিশ্ৰ আৰু প্ৰাঞ্জল শৰ্মাক গ্ৰন্থ সম্পাদনা সমিতিয়ে সম্বৰ্ধনা জনায়।

## দেশৰ বাবে প্ৰাণ দিছিল স্বামীয়ে, এইবাৰ সেনাত ভৰ্তি হ'ল পত্নী



**নিউজ ব্যুৰ', চেন্নাই, ২১ নৱেম্বৰ ঃ** দেশৰ বাবে নিজৰ জীৱন উৎসৰ্গ কৰিছিল স্বামীয়ে। ছহিদ সেনা দীপক নৈনৱালৰ পত্নী জ্যোতি নৈনৱালে এইবাৰ ভাৰতীয় সেনা বাহিনীত বিষয়া হিচাপে যোগদান কৰিলে। শনিবাৰে অফিচাৰ্ছ ট্ৰেইনিং একাডেমীত প্ৰশিক্ষণ সমাপ্ত কৰিলে জ্যোতিয়ে। উল্লেখ্য যে জ্যোতিৰ স্বামী দীপক জম্মু কাশ্মীৰৰ কুলগামত সন্ত্ৰাসবাদীৰ স'তে হোৱা এক সংঘৰ্ষত ২০১৮ বৰ্ষত ছহিদ হৈছিল। স্বামীৰ মৃত্যুৰ পাছতে জ্যোতিয়ে ভাৰতীয় সেনাত যোগদানৰ সিদ্ধান্ত লৈছিল। দুটি সন্তানৰ মাতৃ জ্যোতিয়ে কয়, 'মই কেতিয়াও চাকৰি কৰাৰ কথা ভবা নাছিলো। মই গৃহিণী আছিলো। কিন্তু মোৰ স্বামী যেতিয়া হাস্পতালত ভৰ্তি হৈ আছিল, তেতিয়া কেনেদৰে সেনা কৰ্মীয়ে মোৰ স্বামীৰ যতন লৈছিল সেয়া মই প্ৰত্যক্ষ কৰি অভিভূত হৈছিলো। তেতিয়াই মই সিদ্ধান্ত লৈছিলো যে সেনাত যোগদান কৰিম। এই ক্ষেত্ৰত মোক স্বামীৰ মাহাৰ ৰেজিমেণ্টে যথেষ্ট সহায় কৰিছে।' পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা অৰ্জনৰ পাছত জ্যোতিয়ে সেনা বাহিনীৰ যোগদানৰ বাবে প্ৰয়োজনীয় পৰীক্ষণ গ্ৰহণ কৰিছিল। চেন্নাইত ১১ মাহৰ পৰীক্ষণ সমাপ্ত কৰাৰ পাছত এতিয়া জ্যোতিয়ে ভাৰতীয় সেনাত লেফটেনেণ্ট হিচাপে সেৱা আগবঢ়াব।

## টিকা নল'লে দৈনিক কৰাব লাগিব ক'ভিড পৰীক্ষণ



**নিউজ ব্যুৰ', বাৰ্লিন, ২১ নৱেম্বৰ ঃ** জাৰ্মানীসহ বিশ্বৰ কে'বাখনো দেশত প্ৰতিষেধক গ্ৰহণ নকৰা ব্যক্তিৰ ক্ষেত্ৰত দৈনিক ক'ভিড পৰীক্ষণ বাধ্যতামূলক ঘোষণা কৰা হৈছে। জাৰ্মানীতো বহুসংখ্যক নাগৰিকে টিকাকৰণৰ পৰা আঁতৰি আছে। জাৰ্মানীৰ স্বাস্থ্য মন্ত্ৰীয়ে দেশখনত ক'ভিডৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছে। অৱশ্যে ক'ভিডৰ নতুন সংক্ৰমণে ভয়াবহ ৰূপ ল'লেও জাৰ্মানীত নতুনকৈ সৰ্বাত্মক তলাবন্ধ কৰা নহয় বুলি চৰকাৰে স্পষ্ট কৰি দিছে। যোৱা ২৪ ঘণ্টাত জাৰ্মানীত ৫৯,২৬৬ জন লোক ক'ভিডত সংক্ৰমিত হৈছে।

### প্ৰধানমন্ত্ৰী মোদীৰ তিনিখনকৈ বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰৰ পাছত পঞ্জাৱৰ নিৰ্বাচনী দৃশ্যপট সলনি হ'বলৈ ধৰিছে

# পঞ্জাৱত চতুৰ্থ মৰ্চা ঃ অমৰিন্দৰ-বিজেপিয়ে সলনি কৰিব নিৰ্বাচনী দৃশ্যপট

**নিউজ ব্যুৰ' চণ্ডীগড়, ২১ নৱেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনিখনকৈ বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰ কৰাৰ পাছত পঞ্জাৱৰ নিৰ্বাচনী দৃশ্যপট সলনি হ'বলৈ ধৰিছে। উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পঞ্জাৱ, গোৱা আৰু মণিপুৰত অহা বছৰৰ আৰম্ভণিতে বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী মোদীৰ কৃষি আইন প্ৰত্যাহাৰৰ ঘোষণাই সমগ্ৰ দেশতে প্ৰতিক্ৰিয়া অব্যাহত ৰাখিছে। মোদীৰ এই সিদ্ধান্তৰ ফলত পঞ্জাৱৰ ৰাজনীতিত নতুন সমীকৰণৰ সৃষ্টি হৈছে। পঞ্জাৱ বিধানসভাৰ আগন্তুক নিৰ্বাচন চাৰিকোণীয়া প্ৰতিদ্বন্দ্বিতাত পৰিণত হোৱাৰ সম্ভাৱনাও প্ৰকট হৈছে। বৰ্তমানে ৰাজ্যখনত কংগ্ৰেছ, আম আদমী পাৰ্টি, আকালি দল আৰু বহুজন সমাজ পাৰ্টিৰ মৰ্চাই নিৰ্বাচনী যুঁজত প্ৰতিদ্বন্দ্বিতাৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। কিন্তু কৃষি আইন প্ৰত্যাহাৰৰ সিদ্ধান্তৰ পাছত ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ প্ৰতিদ্বন্দ্বিতা চাৰিকোণীয়া হোৱাৰ সম্ভাৱনা আছে। দৰাচলতে বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰৰ পাছত পঞ্জাৱত এতিয়া কেপ্টেইন অমৰিন্দৰ সিং আৰু বিজেপিয়ে চতুৰ্থ মৰ্চা গঠন কৰাৰ সম্ভাৱনা প্ৰকট হৈছে। দীৰ্ঘ বছৰ ধৰি পঞ্জাৱত কংগ্ৰেছ আৰু আকালি দলৰ মাজত দ্বিকোণীয়া প্ৰতিদ্বন্দ্বিতা হৈ আহিছে। কিন্তু ২০১৭ত আম আদমী পাৰ্টিয়ে



ৰাজ্যখনত তৃতীয় মৰ্চা হিচাপে আত্মপ্ৰকাশ কৰিছিল। শেহতীয়াভাৱে পঞ্জাৱত বিজেপি আৰু অমৰিন্দৰে পৰস্পৰৰ স'তে হাত মিলাবলৈ আগবাঢ়ি অহাত ৰাজ্যখনত চতুৰ্থ মৰ্চা গঠনৰ পথ প্ৰশস্ত হৈছে। বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰৰ পাছত পঞ্জাৱৰ বিধানসভাৰ আগন্তুক নিৰ্বাচন অধিক আকৰ্ষণীয় হোৱাৰ সম্ভাৱনা আছে। ১১৭ সমষ্টি বিশিষ্ট পঞ্জাৱ বিধানসভাত ২০১৭ৰ নিৰ্বাচনত অমৰিন্দৰৰ নেতৃত্বত কংগ্ৰেছে ৭৭ সমষ্টিত জয়লাভ কৰিছিল। আনহাতে, আম আদমী পাৰ্টিয়ে ২০ সমষ্টিত জয়লাভৰ জৰিয়তে দ্বিতীয় স্থান লাভ কৰিছিল। শিৰোমণি আকালি দল আৰু বিজেপিয়ে মাত্ৰ ১৮ আসনহে লাভ কৰিছিল। কিন্তু পাঁচ বছৰৰ পাছত পঞ্জাৱৰ নিৰ্বাচনী ছবিখন সম্পূৰ্ণ সলনি হ'ল। অমৰিন্দৰে কংগ্ৰেছ ত্যাগ কৰি নিজৰ দল গঠনৰ সিদ্ধান্ত ল'লে আৰু বিজেপিয়েও পঞ্জাৱত আকালি দলৰ সংগ ত্যাগ কৰি নতুন মিত্ৰ দলৰ সন্ধানত আছে। বিতৰ্কিত কৃষি আইনৰ ফলত পঞ্জাৱত বিজেপিয়ে ব্যাপক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল যদিও প্ৰধানমন্ত্ৰীয়ে এই তিনিখন আইন প্ৰত্যাহাৰ কৰাত পঞ্জাৱৰ ৰাজনৈতিক পৰিস্থিতি এতিয়া সলনি হৈছে।

## সংযুক্ত আৰবত গোপনে সামৰিক ঘাটি নিৰ্মাণ চীনৰ, আমেৰিকাৰ বাধা



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২১ নৱেম্বৰ ঃ** সংযুক্ত আৰব এমিৰেটছৰ এটা বন্দৰত চীনে গোপনে সামৰিক কেন্দ্ৰ স্থাপনৰ যোজা চলোৱাৰ তথ্য ফাদিল কৰিলে আমেৰিকাৰ চোৰাংচোৱাই। উল্লেখ্য যে সংযুক্ত আৰবক বৰ্তমানৰ সময়ত আমেৰিকাই অন্যতম সহযোগী ৰাষ্ট্ৰ হিচাপে সহযোগিতা আগবঢ়াই আহিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে চোৰাংচোৱাৰ পৰা প্ৰতিবেদন লাভৰ পাছতে সংযুক্ত আৰব এমিৰেটছ চৰকাৰক সকীয়নি দি কয় যে ইউ এ ইত চীনৰ উপস্থিতিয়ে আমেৰিকা আৰু সংযুক্ত আৰবৰ সম্পৰ্কৰ ক্ষতি কৰিব পাৰে। 'দ্য ৱাল ষ্ট্ৰীট জাৰ্ণেল'ৰ বাতৰি অনুসৰি আমেৰিকাৰ প্ৰতিনিধিৰ স'তে হোৱা সংযুক্ত আৰবৰ প্ৰতিনিধিৰ বৈঠকৰ পাছত সম্প্ৰতি সংযুক্ত আৰবত চীনৰ সামৰিক ঘাটিৰ নিৰ্মাণ কাৰ্য বন্ধ ৰখা হৈছে। উল্লেখ্য যে মধ্য প্ৰাচ্যত আমেৰিকাক প্ৰত্যাহ্বান জনাবলৈ চীনে শেহতীয়াভাৱে উঠি পৰি লাগিছে। আবু ধাবিৰ পৰা ৫০ মাইল উত্তৰত অৱস্থিত খলিফা বন্দৰত চীনৰ সন্দেহজনক গতিবিধি প্ৰত্যক্ষ কৰাৰ কথা এবছৰ পূৰ্বে মাৰ্কিন চোৰাংচোৱাই প্ৰতিবেদনত উল্লেখ কৰিছিল। মূলতঃ আমেৰিকাত মধ্যপ্ৰাচ্যত প্ৰত্যাহ্বান জনাবলৈকে চীনে এইদৰে সংযুক্ত আৰবত সামৰিক ঘাটি স্থাপনৰ তৎপৰতা প্ৰদৰ্শন কৰা বুলি ৱাশ্বিংটনে অভিযোগ কৰিছে।


## ভাৰতত কিয় বন্ধ হ'ল পাকিস্তানী শিল্পীৰ গীত? বিতৰ্কিত প্ৰশ্ন অৰিজিতৰ





**নিউজ ব্যুৰ', আবু ধাবি, ২১ নৱেম্বৰ ঃ** আবু ধাবিত এক সংগীত অনুষ্ঠানত অংশ লোৱাৰ সময়ত পাকিস্তানী সংগীত শিল্পীৰ সমৰ্থনত মন্তব্য প্ৰকাশ কৰি বিতৰ্কৰ সৃষ্টি কৰিলে বলিউডৰ জনপ্ৰিয় সংগীত শিল্পী অৰিজিত সিঙে। যোৱা ১৯ নৱেম্বৰ মধ্য প্ৰাচ্যৰ সৰ্ববৃহৎ ইনড'ৰ ষ্টেডিয়ামত সংগীত অনুষ্ঠান পৰিৱেশন কৰিছিল ভাৰতৰ এইজন জনপ্ৰিয় সংগীত শিল্পীয়ে। হাতত গীটাৰ লৈ গীত পৰিৱেশন কৰাৰ সময়তে জনপ্ৰিয় পাকিস্তানী শিল্পী আতিফ ইছলামৰ গীত 'পেহলি নজৰ মে কেইচা জাদু কৰদিয়া' গাবলৈ আৰম্ভ কৰিছিল অৰিজিতে। গানটো গাই থকাৰ সময়তে হঠাতে দৰ্শকক চমক দি অৰিজিতে ক'বলৈ ধৰে, 'এটা প্ৰশ্ন আছে, বিতৰ্কিত প্ৰশ্ন আছে...কিন্তু মই প্ৰশ্ন কৰিমেই কিয়নো মই কাকো কেৰেপ নকৰো। আচ্ছা, মই সিমান বাতৰি নাচাও, পাকিস্তানী শিল্পীসকলৰ গান এতিয়াও ভাৰতত বন্ধ হৈ আছে নেকি? এনে ঘটনা মাজতে ঘটিছিল, এতিয়াও বাহাল আছে নেকি? কিয়নো বিষয়টো হ'ল আতিফ ইছলাম মোৰ অন্যতম প্ৰিয় শিল্পী, ছফকত আমানত আলীও প্ৰিয়।'

## কানাডাত পাঁচ-১১ বছৰীয়া শিশুক দিয়া হ'ব ক'ভিডৰ প্ৰতিষেধক



**নিউজ ব্যুৰ' অট'ৱা, ২১ নৱেম্বৰ ঃ** কানাডাৰ কৰ'নাৰ পৰা শিশুসকলক সুৰক্ষিত ৰাখিবলৈ সিদ্ধান্ত ল'লে। এতিয়াৰে পৰা দেশখনত পাঁচ-১১ বছৰীয়া শিশুসকলকো ক'ভিডৰ ফাইজাৰৰ প্ৰতিষেধকৰ দুপালি প্ৰদান কৰা হ'ব। কানাডাৰ স্বাস্থ্য বিভাগৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি কয় যে ক'ভিড সৰ্বাত্মকভাৱে প্ৰতিৰোধ কৰিবলৈ হ'লে শিশুসকলৰ টিকাকৰণ আৰম্ভ কৰাটো অত্যন্ত জৰুৰী হৈছে আৰু সেয়েহে কানাডাৰ চৰকাৰে পাঁচৰ পৰা ১১ বছৰীয়া শিশুসকলক ফাইজাৰৰ দুপালি প্ৰতিষেধক প্ৰদানৰ সিদ্ধান্ত লৈছে। গৱেষকে চলোৱা পৰীক্ষামূলক অধ্যয়নত পাঁচ-১১ বছৰীয়া শিশুৰ মাজত ফাইজাৰৰ প্ৰতিষেধক ৯০ শতাংশ কৰ'না প্ৰতিৰোধত কাৰ্যকৰী বুলি প্ৰমাণ লাভ কৰা বুলিও কানাডাৰ স্বাস্থ্য বিভাগে জানিবলৈ দিয়ে।

# কৰ'নাৰ দুপালি প্ৰতিষেধক লোৱা মহিলাৰ সংক্ৰমণত মৃত্যু ঃ এসপ্তাহত দ্বিতীয় ঘটনা

**নিউজ ব্যুৰ', ভূপাল, ২১ নৱেম্বৰ ঃ** মধ্যপ্ৰদেশৰ ৰাজধানী ভূপালত ক'ভিডৰ দুপালি প্ৰতিষেধক গ্ৰহণ কৰা এগৰাকী মহিলাৰ কৰ'নাত মৃত্যু হ'ল। ইয়াৰ পূৰ্বে মধ্য প্ৰদেশতে ক'ভিডৰ দুপালি প্ৰতিষেধক লোৱাৰ পাছত আন এজন ব্যক্তিৰ কৰ'নাত মৃত্যু হৈছিল। এই দুই ঘটনাই মধ্য প্ৰদেশ চৰকাৰৰ ক'ভিডকেন্দ্ৰিক উদ্বেগ বৃদ্ধি কৰিলে। ৫৪ বছৰীয়া মহিলাগৰাকীয়ে ক'ভিডৰ দুপালি প্ৰতিষেধক গ্ৰহণ কৰিছিল আৰু যোৱা ১৫ নৱেম্বৰত তেওঁৰ শৰীৰত কৰ'নাৰ সংক্ৰমণ ধৰা পৰিছিল। ইয়াৰ পাছতে মহিলাগৰাকীক এইমছত ভৰ্তি কৰোৱা হৈছিল। ভূপালৰ মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ প্ৰভাকৰ তিৱাৰীয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি মহিলাগৰাকীক ১৫ নৱেম্বৰত ক'ভিড সংক্ৰমণত আক্ৰান্ত হোৱাৰ তথ্য লাভৰ পাছতে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল আৰু চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হৈছিল। যোৱা শুকুৰবাৰে নিশা ১২-৩০ বজাত মহিলাগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল। মহিলাগৰাকীৰ স্বামীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি তেওঁৰ পত্নী সম্পূৰ্ণ সুস্বাস্থ্যবান আছিল আৰু তেওঁৰ আন কোনো ৰোগ নাছিল। উল্লেখ্য যে মৃত মহিলাগৰাকীৰ স্বামীয়ে মধ্য প্ৰদেশত চৰকাৰী চিকিৎসক হিচাপে সেৱা আগবঢ়াই আহিছে। মধ্য প্ৰদেশত ক'ভিডৰ দুপালি প্ৰতিষেধক লোৱাৰ পাছত কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হোৱা এইটোৱে প্ৰথম ঘটনা নহয়। ইয়াৰ পূৰ্বে ইন্দোৰত এজন ৬৯ বছৰীয়া ব্যক্তিৰো দুপালি প্ৰতিষেধক লোৱাৰ পাছতো কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হৈছিল। অৱশ্যে এই দুই ব্যক্তিৰ মৃত্যু কেনেকৈ হ'ল সেই সন্দৰ্ভত চিকিৎসকে এতিয়াও সবিশেষ তথ্য প্ৰকাশ কৰা নাই।



## অষ্ট্ৰিয়াত ক'ভিডৰ ব্যাপক সংক্ৰমণ, পুনৰ তলাবন্ধ ঘোষণা



**নিউজ ব্যুৰ', ভিয়েনা, ২১ নৱেম্বৰ ঃ** ইউৰোপৰ কে'বাখনো দেশত শেহতীয়াভাৱে কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পাইছে। অষ্ট্ৰিয়াত কৰ'নাৰ নতুন সংক্ৰমণ এক উদ্বেগৰ কাৰণত পৰিণত হৈছে। দেশখনত বিগত ২৪ ঘণ্টাত ১৫ হেজাৰৰো অধিক লোক কৰ'নাত সংক্ৰমিত হ'ল। উল্লেখ্য যে বৰ্তমানলৈকে দেশখনৰ এক তৃতীয়াংশ লোকে প্ৰতিষেধক গ্ৰহণৰ পৰা বিৰত আছে। কৰ'নাৰ নতুন সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি অষ্ট্ৰিয়া চৰকাৰে কাইলৈৰ পৰা পুনৰ দেশজুৰি সৰ্বাত্মক তলাবন্ধ ঘোষণা কৰিছে। ভিয়েনাত ইতিমধ্যে তলাবন্ধ ঘোষণাৰ বিৰোধিতাৰে যথেষ্ট সংখ্যক লোকে প্ৰতিবাদ সাব্যস্ত কৰিছে। নাগৰিকসকলে ক'ভিড প্ৰতিষেধক গ্ৰহণৰ প্ৰকাশ কৰি অহা অনীহাৰ প্ৰতি লক্ষ্য ৰাখি অষ্ট্ৰিয়া চৰকাৰে প্ৰতিষেধক গ্ৰহণ বাধ্যতামূলক ঘোষণা কৰিলে। ক'ভিড প্ৰতিষেধক বাধ্যতামূলক ঘোষণা কৰা অষ্ট্ৰিয়াই হৈছে ইউৰোপৰ প্ৰথমখন দেশ।

# পুনৰ বিবাহ কৰাব আমিৰ খানে, 'লাল সিং চড্ডা'ৰ মুক্তিৰ দিন কৰিলে ঘোষণা



**নিউজ ব্যুৰ', মুম্বাই, ২১ নৱেম্বৰ ঃ** শনিবাৰে পুৱাৰে পৰা টুইটাৰত চৰ্চিত হৈছিল বলিউডৰ মহাতাৰকা অভিনেতা আমিৰ খান। ইয়াৰ কাৰণ হৈছে আমিৰৰ আগন্তুক ছবি 'লাল সিং চড্ডা'ৰ মুক্তিৰ দিন ঘোষিত হ'ল। আমিৰে প্ৰকাশ কৰা অনুসৰি অহা বছৰৰ ১৪ এপ্ৰিলত এইখন ছবিয়ে মুক্তি লাভ কৰিব। অৱশ্যে 'লাল সিং চড্ডা'ৰ মুক্তিৰ দিন ঘোষণাৰ লগতে আন কাৰণতো শনিবাৰে পুৱাৰে পৰা সামাজিক মাধ্যমত আমিৰ খান বিশেষভাৱে চৰ্চিত হৈছে। এই কাৰণটো হৈছে আমিৰৰ তৃতীয় বিবাহ। প্ৰকাশিত বাতৰি অনুসৰি বলিউডৰ জনপ্ৰিয় অভিনেতাজনে তৃতীয় পত্নী বৰণৰ বাবে সাজু হৈছে। দ্বিতীয় পত্নী কিৰণ ৰাওৰ স'তে আমিৰৰ বিবাহ বিচ্ছেদ ঘোষণাৰ পাছতে অভিনেতাজনে পুনৰ বিবাহপাশত আবদ্ধ হ'ব বুলি এক চৰ্চা চলিছিল। সামাজিক মাধ্যমত এই বাতৰিও প্ৰচাৰিত হৈছিল যে আমিৰৰ বিবাহ বিচ্ছেদৰ কাৰণ হৈছে 'ডংগল' খ্যাত অভিনেতা ফাতিমা চানা শ্বেখ। এই ফাতিমাৰ স'তে আমিৰৰ তৃতীয় বিবাহ সম্পন্ন হ'ব বুলিও সম্প্ৰতি সামাজিক মাধ্যমত গুঞ্জন উঠিছে। অৱশ্যে ফাতিমাৰ লগতে আন এগৰাকী মহিলা পৰিচালকৰ স'তেও আমিৰৰ শেহতীয়াভাৱে ৰোমাণ্টিক সম্পৰ্ক গঢ় লৈ উঠা বুলি বলিউডত চৰ্চা চলিছে। আমিৰে অৱশ্যে তৃতীয় বিবাহৰ সন্দৰ্ভত এতিয়ালৈকে কোনো মন্তব্য প্ৰকাশ কৰা নাই।

## পাকিস্তানত সাংসদৰ ঘৰৰ পৰা লুটি নিলে ৩০ লাখ নগদ ধন-অলংকাৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ২১ নৱেম্বৰ ঃ** পাকিস্তানত ইমৰান খানৰ শাসনকালত চোৰ-ডকাইতৰ সাহস ইমানে বৃদ্ধি পাইছে যে সাংসদৰ ঘৰতো প্ৰৱেশ কৰি লুণ্ঠন চলাবলৈ দুষ্কৃতিকাৰীয়ে শংকাবোধ নকৰা হৈছে। শেহতীয়াভাৱে পাকিস্তান মুছলিম লীগৰ সাংসদ নুজহত ছাদিকৰ বাসগৃহত লুটকাণ্ড সংঘটিত হ'ল। ডকাইতৰ এটি দলে অস্ত্ৰ প্ৰদৰ্শনেৰে সাংসদজনৰ স্বামী আৰু ঘৰৰ বন কৰা লোকক বান্ধি লৈ নগদ ৩০ লাখ টকা আৰু মূল্যবান আ-অলংকাৰ লুট কৰি নিয়ে। এই ঘটনা সংঘটিত হোৱাৰ সময়ত তিনিজন ডকাইতে সাংসদজনৰ ঘৰৰ ভিতৰত প্ৰৱেশ কৰিছিল আৰু আন দুজনে ঘৰৰ বাহিৰত পহৰা দিছিল। একেদিনাই ডকাইতৰ দলটোৱে ইছলামাবাদৰ ১১ টা পৃথক অঞ্চলত লুট কাণ্ড সংঘটিত কৰে। স্বয়ং সাংসদৰ বাসগৃহত ডকাইতে প্ৰৱেশ কৰি এইদৰে লুটপাত চলোৱা ঘটনাই পাকিস্তানত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## সামান্য বৃদ্ধি দেশৰ দৈনিক সংক্ৰমণ, এদিনত মৃত্যু ৩১৩ জনৰ



**নিউজ ব্যুৰ' নতুন দিল্লী, ২১ নৱেম্বৰ ঃ** দেশৰ কৰ'নাৰ দৈনিক সংক্ৰমণৰ উঠা-নমা অব্যাহত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হৈ ১০,৪৮৮ জন লোক শনিবাৰৰ তুলনাত দেশত ক'ভিডৰ সংক্ৰমণ সামান্য বৃদ্ধি পালে দেওবাৰে। তদুপৰি কালিৰ তুলনাত আজি কৰ'নাত মৃতকৰ সংখ্যাও বাঢ়িলে। যোৱা ২৪ ঘণ্টাত ৩১৩ জন লোকৰ প্ৰাণ কাঢ়িলে ক'ভিডৰ সংক্ৰমণে। শনিবাৰে দেশত ২৬৭ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। বিগত ৫৩২ দিনৰ পাছত দেশত ক'ভিডৰ সক্ৰিয় ৰোগীৰ সংখ্যা দেওবাৰে সৰ্বনিম্ন হ'ল। এই মুহূৰ্তত ভাৰতত এক লাখ ২২ হেজাৰ ৭১৪ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## পাকিস্তানত পুনৰ ১১ বছৰীয়া হিন্দু কিশোৰক যৌন নিৰ্যাতন চলাই হত্যা



**নিউজ ব্যুৰ' লাহোৰ, ২১ নৱেম্বৰ ঃ** পাকিস্তানৰ পুনৰ নিৰ্যাতনৰ বলি হ'ল সংখ্যালঘু হিন্দু। এইবাৰ এটি ১১ বছৰীয়া কিশোৰক অপহৰণ কৰি যৌন নিৰ্যাতন আৰু হত্যা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হ'ল। কালি সন্ধিয়া এই ভয়াৱহ ঘটনা সংঘটিত হ'ল দেশখনৰ সিন্ধ প্ৰদেশত। অঞ্চলটোৰ খিৰপুৰৰ বাসিন্দা উক্ত নাবালক হঠাতে সন্ধানহীন হৈছিল আৰু পাছত এটা পৰিত্যক্ত বাসগৃহৰ পৰা কিশোৰৰ চিপ লোৱা মৃতদেহ উদ্ধাৰ হৈছিল। পঞ্চম শ্ৰেণীৰ অধ্যয়নৰত নাবালকক অপহৰণ কৰি প্ৰথমে যৌন নিৰ্যাতন চলোৱা আৰু তাৰ পাছত ফাঁচি দি হত্যা কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে ইতিমধ্যে দুজন লোকক গ্ৰেপ্তাৰ কৰিছে আৰু ধৃত এজন ব্যক্তিয়ে নিজৰ অপৰাধো স্বীকাৰ কৰিছে।

## ইমৰান মোৰ জ্যেষ্ঠ ভ্ৰাতৃ ঃ পুনৰ নতুন বিতৰ্ক সৃষ্টি পঞ্জাৱ কংগ্ৰেছৰ নেতা সিদ্ধুৰ



**নিউজ ব্যুৰ', চণ্ডীগড়, ২১ নৱেম্বৰ ঃ** তিনি বছৰ পূৰ্বে পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ শপতগ্ৰহণলৈ গৈ পাকিস্তানৰ সেনাপ্ৰধান জেনেৰেল কমৰ জাভেদ বাজৱাক আলিংগন কৰি বিতৰ্কৰ সৃষ্টি কৰিছিল পঞ্জাৱ কংগ্ৰেছৰ নেতা নৱজোৎ সিং সিদ্ধুৱে। এইবাৰ পুনৰ পাক প্ৰধানমন্ত্ৰীৰ সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি নতুন বিতৰ্কৰ সৃষ্টি কৰিলে পঞ্জাৱ কংগ্ৰেছৰ মুৰব্বীয়ে। আজি পুৱাতে কৰতাৰপুৰ কৰিড'ৰ হৈ পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ দৰবাৰ ছাহিব গুৰুদ্বাৰ দৰ্শন কৰিছিল সিদ্ধুৱে। গুৰুদ্বাৰতে পাকিস্তানৰ সামৰিক বিষয়াৰ সন্মুখত মন্তব্য কৰি সিদ্ধুৱে কয় যে ইমৰান তেওঁৰ জ্যেষ্ঠ ভ্ৰাতৃৰ দৰে। পাকিস্তানী সেনাৰ বিষয়াই সিদ্ধুক সম্বৰ্ধনা জনোৱাত পঞ্জাৱ কংগ্ৰেছৰ মুৰব্বীজনে মন্তব্য কৰি কয়, 'মই সন্মানিত বোধ কৰিছো। তেওঁ (ইমৰান) মোৰ জ্যেষ্ঠ ভ্ৰাতৃৰ দৰে। ইমান সন্মানৰ মই সঁচাকৈয়ে যোগ্য নহয়। কিন্তু আপোনালোকক ধন্যবাদ।'

## আফগানিস্তানৰ সকলো প্ৰদেশত আইছিছ-কেৰ দপ্‌দপনি ঃ উদ্বেগ বৃদ্ধি তালিবানৰ



**নিউজ ব্যুৰ', কাবুল, ২১ নৱেম্বৰ ঃ** তালিবান শাসিত আফগানিস্তানত নিজৰ ভেটি শক্তিশালী কৰিছে সন্ত্ৰাসবাদী সংগঠন ইছলামিক ষ্টেট-খোৰাচান (আইছিছ কে)-এ। দেশখনৰ প্ৰায়বোৰ অঞ্চলতে সম্প্ৰতি আইছিছ খোৰাচানে বাহৰ পাতিছে। এই কথা প্ৰকাশ কৰি উদ্বেগ প্ৰকাশ কৰিলে আফগানিস্তানত নিযুক্ত ৰাষ্ট্ৰসংঘৰ প্ৰতিনিধি ডেব'ৰা লায়ন্সে। আফগানিস্তানত ইছলামিক ষ্টেটৰ এই সক্ৰিয়তা বৃদ্ধি ৰোধ কৰিবলৈ তালিবান কিমানদূৰ সফল হ'ব বুলিও সন্দেহ প্ৰকাশ কৰিলে ৰাষ্ট্ৰসংঘই। উল্লেখ্য যে তালিবানে কাবুল দখল কৰাৰ পাছৰে পৰা আফগানিস্তানত আইছিছ-খোৰাচানৰ শক্তিও বৃদ্ধি পাই আহিছে। কাবুল বিমানকোঠৰ লগতে আশে পাশে থকা তালিবানশাসিত আফগানিস্তানত ইতিমধ্যে একাধিক আত্মঘাতী আক্ৰমণো আইছিছ খোৰাচানে সংঘটিত কৰিছে। আইছিছৰ শক্তি বৃদ্ধি তালিবানৰ বাবেও উদ্বেগৰ কাৰণত পৰিণত হৈছে।

## আৰিয়ান কাণ্ড ঃ ন্যায়ালয়ৰ ৰায়েই প্ৰমাণ কৰে আৰিয়ানক অপহৰণ কৰা হৈছিল, দাবী মলিকৰ



**নিউজ ব্যুৰ', মুম্বাই, ২১ নৱেম্বৰ ঃ** নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত শ্বাহৰুখ খানৰ পুত্ৰ আৰিয়ান খানে যে কিবা ষড়যন্ত্ৰ কৰিছিল, তেওঁৰ কোনো প্ৰাথমিক প্ৰমাণ লাভ কৰা নহ'ল। বোম্বে উচ্চ ন্যায়ালয়ে আৰিয়ানৰ জামিনৰ ৰায়ত এইদৰে মন্তব্য কৰিছিল। ইয়াৰ পাছৰে পৰা নাৰ্ক'টিকচ কণ্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপিত হৈ আহিছে। এন চি বিৰ ভূমিকাক লৈ প্ৰথমে প্ৰশ্ন উত্থাপন কৰিছিল মহাৰাষ্ট্ৰৰ মন্ত্ৰী তথা এন চি পিৰ নেতা নবাব মলিকে। আনকি মলিকে শ্বাহৰুখ পুত্ৰক অপহৰণ কৰাৰ অভিযোগো উত্থাপন কৰিছিল। শেহতীয়াভাৱে টুইটাৰত একে অভিযোগ উত্থাপন কৰি মলিকে কয়, 'উচ্চ ন্যায়ালয়ৰ ৰায়ে প্ৰমাণ কৰিলে যে ধন দাবী কৰিবলৈ আৰিয়ানক অপহৰণ কৰা হৈছিল। পূৰ্বৰে পৰা পৰিকল্পনা প্ৰস্তুত আছিল। কিন্তু এখন ছেলফি ভাইৰেল হোৱা সমগ্ৰ পৰিকল্পনা ধৰা পৰিল। এতিয়া সকলো পানীৰ দৰে পৰিষ্কাৰ।' উল্লেখ্য যে যোৱা ২৮ অক্টোবৰত নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত আৰিয়ানে জামিন লাভ কৰিছিল আৰু ৩১ অক্টোবৰত শ্বাহৰুখ পুত্ৰই মুম্বাইৰ আৰ্থাৰ ৰোড কাৰাগাৰৰ পৰা মুক্তি লাভ কৰিছিল।

## ত্ৰিপুৰাৰ পৌৰ নিৰ্বাচনৰ প্ৰচাৰত অংশ লৈ বিজেপিৰ আক্ৰমণৰ বলি হ'ল বাবুল সুপ্ৰিয়



**নিউজ ব্যুৰ', কলকাতা, ২১ নৱেম্বৰ ঃ** ত্ৰিপুৰাৰ পৌৰ নিৰ্বাচনৰ প্ৰচাৰত অংশ লৈ বিজেপিৰ দ্বাৰা আক্ৰমণৰ বলি হোৱাৰ অভিযোগ উত্থাপন কৰিলে তৃণমূল কংগ্ৰেছৰ নেতা বাবুল সুপ্ৰিয়ই। টুইটাৰৰ জৰিয়তে বিজেপিৰ প্ৰাক্তন নেতাজনে অভিযোগ কৰি কয় যে ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাৰ ৰামনগৰত তৃণমূল কংগ্ৰেছৰ হৈ প্ৰচাৰত অংশ লোৱাৰ সময়ত তেওঁৰ গাড়ীলৈ শিল নিক্ষেপ কৰা হৈছিল। 'আগৰতলাত হিংসাত্মক জনতাৰ সন্মুখীন হৈছিলো। গাড়ী লৈ শিল দলিওৱা হৈছিল। কিন্তু গাড়ীৰ পৰা নামি যোৱাৰ লগে লগে কাপুৰুষকেইটাই পলায়ন কৰিলে। লজ্জা আৰু ৰসিকতাৰ বিষয় হ'ল, বিজেপিয়ে যি ৰাজনৈতিক হিংসাৰ বিৰুদ্ধে প্ৰচাৰ চলাই আহিছে, ত্ৰিপুৰাত দলটোৱে সেই পথ নিজে অনুসৰণ কৰিছে।' টুইটত এইদৰে ক'লে সুপ্ৰিয়ই।

# বিজেপি-ইউপিপিএলে কি কৈছে সেয়া তেওঁলোকৰ কথা




*মূল্যবৃদ্ধিৰ প্ৰতিবাদত গহপুৰত কংগ্ৰেছৰ পদযাত্ৰা, দেওবাৰে।*

## বিজনীত বিপিএফৰ কৰ্মশালাত অংশগ্ৰহণ কৰি সৰৱ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২১ নৱেম্বৰ ঃ** 'প্ৰমোদ বড়োই বিচৰা উচ্ছেদৰ বিৰোধিতা কৰিব বিপিএফে।'-এই মন্তব্য বিপিএফৰ মুৰব্বী তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ। আজি চিৰাঙৰ বিজনীত বিপিএফৰ এখন কৰ্মশালাত অংশগ্ৰহণ কৰি তেওঁ এইদৰে মন্তব্য কৰে। বিজনী জিলা যুৱ বিপিএফৰ কাৰ্যালয়ত অনুষ্ঠিত উক্ত কৰ্মশালাত অংশগ্ৰহণ কৰি আগন্তুক লোকসভা নিৰ্বাচনক লক্ষ্য কৰি বিপিএফৰ সদস্যসকলৰ মাজত সৃষ্টি কৰি থকা হৈছে। সেইবাবে প্ৰতিখন জিলা সমিতিৰ উদ্যোগত এইদৰে কৰ্মশালা অনুষ্ঠিত হৈছে। তেওঁ পুনৰ কয় যে যোৱা বিটিআৰৰ পৰিষদীয় সদনত বিপিএফে বিৰোধীৰ আসনত বহি ২৬ টাকৈ প্ৰশ্ন উত্থাপনৰ জৰিয়তে কি কি তথ্য লাভ কৰিলে সেই যাৱতীয় তথ্য বিপিএফ কৰ্মী আৰু ৰাইজৰ মাজত প্ৰচাৰ কৰাৰ চেষ্টা হাতত লোৱা বুলিও হাগ্ৰামাই কয়। তেওঁ পুনৰ কয় যে বিজনীত বিপিএফ এতিয়াও বহু শক্তিশালী ৰূপত আছে। বিজেপি-ইউপিপিএলে কি কৈছে সেয়া তেওঁলোকৰ কথা। এই সন্দৰ্ভত আমাৰ ক'বলগীয়া একো নাই। সকলোৱে নিজৰ দলটোক শক্তিশালী বুলি কয়। আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে বিপিএফে প্ৰস্তুত বুলিও তেওঁ কয়। উক্ত কৰ্মশালাত বিটিচিৰ প্ৰাক্তন অধ্যক্ষ পানীৰাম ব্ৰহ্ম, প্ৰাক্তন উপমুখ্য কাৰ্যবাহী সদস্য খাম্পা বৰগয়াৰী আদি উপস্থিত থাকে।

## ২৮ নৱেম্বৰত তেজপুৰত মুখ্যমন্ত্ৰীয়ে আৰম্ভ কৰিব চেক প্ৰদান কাৰ্যসূচী

### ■ মন্ত্ৰী নেওগৰ ক্ষেত্ৰ পৰ্যবেক্ষণ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২১ নৱেম্বৰ ঃ** অহা ২৮ নৱেম্বৰৰ পৰা মাইক্ৰ'ফাইনেঞ্চৰ ঋণ লোৱা ৰাজ্যৰ মহিলাসকলৰ ঋণৰ দায়িত্ব গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চেক বিতৰণ কৰিব। তেজপুৰৰ কলেজিয়েট হাইস্কুল খেলপথাৰত এই চেক বিতৰণী কাৰ্যৰ আৰম্ভ কৰিব মুখ্যমন্ত্ৰীজনাই। আজি তেজপুৰত এই কথা প্ৰকাশ কৰিছে বিত্তমন্ত্ৰী অজন্তা নেওগে। উল্লেখ্য যে যোৱা বিধানসভা নিৰ্বাচনৰ সময়ত ৰাজ্যৰ মহিলাসকলক জিয়া প্ৰতিশ্ৰুতি এইদৰে পূৰণ কৰিবলৈ ওলাইছে মুখ্যমন্ত্ৰীয়ে। ড০ শৰ্মা মুখ্যমন্ত্ৰী হোৱাৰ পূৰ্বে ৰাজ্যৰ যিসকল মহিলাই মাইক্ৰ'ফাইনেন্সৰ পৰা ঋণ লৈছিল তেওঁলোকৰ ঋণ চৰকাৰে বহন কৰিব বুলি ঘোষণা কৰিছিল। উক্ত কাৰ্যসূচিত শোণিতপুৰৰ ৬৯ হেজাৰ গৰাকী



মহিলাক প্ৰথম পৰ্যায়ত এনে ঋণৰ চেক প্ৰদান কৰিব মুখ্যমন্ত্ৰীয়ে। প্ৰথম পৰ্যায়ত শোণিতপুৰকে ধৰি তিনিটা দিনত মুঠ ১০ খন জিলাক সামৰি লোৱা হৈছে। উল্লেখ্য যে এই কাৰ্যসূচী অনুষ্ঠিত হ'বলগীয়া তেজপুৰ কলেজিয়েট হাইস্কুল খেলপথাৰত আজি দিনত উপস্থিত হৈ ক্ষেত্ৰ পৰিদৰ্শন কৰে বিত্তমন্ত্ৰী নেওগে। তেওঁ লগতে পৰ্যায়ক্ৰমে মাইক্ৰ'ফাইনেন্সৰ সকলো ঋণগ্ৰস্ত মহিলাকে এই ধন প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিদয়ে। এই বাকৰিত প্ৰায় সাত হেজাৰৰো অধিক হিতাধিকাৰীয়ে অংশ ল'ব বুলিও প্ৰকাশ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে উপায়ুক্ত তেওঁ সহ জিলা প্ৰশাসনৰ বিষয়াসকলৰ স'তে এক আলোচনাত মিলিত হয় এই বিশেষ সভা সম্পৰ্কত।

## গ্ৰাম্য বিকাশ মঞ্চৰ বিশেষ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২১ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ বৰবৰীস্থ শৈশৱ বিদ্যাপীঠত আজি গ্ৰাম্য বিকাশ মঞ্চৰ এখন বিশেষ সাধাৰণ সভা অনুষ্ঠিত হয়।




অনুষ্ঠানটোৰ শতাধিক সাধাৰণ সদস্যৰ উপস্থিতিত সভাপতি পৃথিভূষণ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত আগন্তুক ১০ বছৰৰ বিশেষ পৰিকল্পনা যুগুত কৰাৰ বাবে এখন উপ-সমিতিৰ গঠন কৰা হয়। গ্ৰাম্য বিকাশ মঞ্চৰ সম্পাদক দিবাকৰ ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত অনুষ্ঠানটোৱে আগন্তুক ১০ বছৰত মানুহৰ জীৱন জীৱিকা আৰু অঞ্চলভিত্তিক কি কি প্ৰকল্প কৰাৰ প্ৰয়োজনীয়তা আৰু অনুষ্ঠানটোৰ প্ৰগতিৰ দিশত সকলো কৰ্মসূচী এই উপ-সমিতিটোক যুগুত কৰাৰ বাবে সভাই পৰামৰ্শ আগবঢ়ায়। উক্ত অনুষ্ঠানটোৰ সাধাৰণ সদস্য তথা বনভাগ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন কলিতা, অৱসৰী প্ৰধান শিক্ষক ক্ষীতিশ কুমাৰ কাকতি, কাৰ্যনিৰ্বাহক ডাঃ ৰাজুমণি শৰ্মা আৰু উপদেষ্টা পবিন্দ্ৰ নাথ শৰ্মাৰ উপস্থিতিত অনুষ্ঠানটোৰ জৰিয়তে চলি থকা বিভিন্ন জনহিতকৰ প্ৰকল্পসমূহৰ পৰ্যালোচনা কৰা হয়। সভাত অনুষ্ঠানটোৰ প্ৰশাসনিক দিশৰ ওপৰত আলোচনা কৰি পৰৱৰ্তী সময়ত ৰাজ্যখনৰ দুখীয়া জনসাধাৰণ, মহিলা সৱলীকৰণ, নিবনুৱাসকলক বিভিন্ন ক্ষেত্ৰত আত্মনিয়োগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত সভাত সভাপতি পৃথিভূষণ ডেকাই প্ৰজেক্টৰৰ জৰিয়তে সাধাৰণ পৰিষদৰ সদস্যসকলক গ্ৰাম্য বিকাশ মঞ্চৰ আগন্তুক কৰ্মসূচী আৰু প্ৰশাসনিক দিশ সম্পৰ্কে পৰ্যালোচনা আগবঢ়ায়।

## ৰুদ্ৰসাগৰত যাত্ৰাপাল্লা প্ৰদৰ্শন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২১ নৱেম্বৰ ঃ** শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মোৎসৱৰ লগত সংগতি ৰাখি শিৱসাগৰ নগৰৰ সমীপৰ ৰূপহী বিল মহিলা সমিতিৰ উদ্যোগত আৰু বৃহত্তৰ ৰুদ্ৰসাগৰবাসীৰ সহযোগত ঐতিহাসিক পুৰণি পুখুৰী পাৰস্থিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সোঁৱৰণী ৰংগমঞ্চত কালি মহাপুৰুষীয়া শ্ৰীবৎস চিন্তা নামৰ যাত্ৰা পাল্লাখনি প্ৰদৰ্শন কৰা হয়। উক্ত অনুষ্ঠানৰ পুৱা পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি অনিল বড়াই। ৰুদ্ৰসাগৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মনাথ দাসে বন্তি প্ৰজ্বলন কৰাৰ পাছতেই নাম-কীৰ্তন আৰু আমন্ত্ৰিত টেক্সী মঠাদাং সপ্তৰথী দিহানাম দলৰ দ্বাৰা দিহানাম পৰিৱেশন কৰা হয়। নিশা আঠ বজাৰ পৰা প্ৰদৰ্শিত এই যাত্ৰা পাল্লাখনি উদ্বোধন কৰে সত্ৰীয়া সংস্কৃতিৰ সাধক অনুধৃতি মহন্তই। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে অসম চৰকাৰৰ কৰ বিভাগৰ বিষয়া পাৰুল দেৱী দাস, সাংস্কৃতিক কৰ্মী কল্পনা হাজৰিকাৰ লগতে স্থানীয় বহুকেইজন বিশিষ্ট ব্যক্তি।

## বঙাইগাঁৱত নামনি অসম ভিত্তিত ৰাষ্ট্ৰীয় স্বাস্থ্য স্বয়ং সেৱক অভিযান

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২১ নৱেম্বৰ ঃ** বিজেপিৰ নিৰ্দেশ মৰ্মে কালি ৰাষ্ট্ৰীয় স্বাস্থ্য স্বয়ং সেৱক অভিযানৰ নামনি অসমৰ মুঠ আঠখন জিলা ক্ৰমে বঙাইগাঁও, কোকৰাঝাৰ, বাগ্‌সা, চিৰাং, তামুলপুৰ, ধুবুৰী, ধুবুৰী পূব আৰু দক্ষিণ শালমাৰাক সামৰি মণ্ডল ভিত্তিত বঙাইগাঁও বীৰঝৰা পাব্লিক লাইব্ৰেৰীত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত ভাৰ্চুৱেলিটি উপস্থিত থাকে বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদিকা ডি পুৰাদেশ্বৰী, বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা আৰু ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা। সভাত ৰাষ্ট্ৰীয় নেত্ৰীগৰাকীয়ে সম্প্ৰতি ক'ভিড-১৯ সন্দৰ্ভত আৰু অধিক সচেতনতা অৱলম্বন কৰাৰ ক্ষেত্ৰত স্বাস্থ্য স্বয়ং সেৱকসকলে ঘৰে ঘৰে গৈ হ'লেও জনসাধাৰণক প্ৰতিষেধক দিবলৈ সহযোগ কৰিব লাগিব বুলি নিৰ্দেশ দিয়ে। অনুষ্ঠানত উপস্থিত থাকে বিজেপিৰ বঙাইগাঁও জিলা সমিতিৰ সভানেত্ৰী হিমানী অধিকাৰী, ৰাজ্যিক সম্পাদক তথা বিজনী সমষ্টিৰ বিধায়ক অজয় কুমাৰ ৰায়, জিলা আহ্বায়ক কৌস্তুভ দাস প্ৰমুখ্যে প্ৰতিখন জিলাৰ আহ্বায়ক আৰু মণ্ডলৰ সেৱকসকল।

## কলাইগাঁৱত লেখিকা সমাৰোহ সমিতিৰ তৃতীয় দ্বি-বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ২১ নৱেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কলাইগাঁও শাখাই ছয় বছৰ অতিক্ৰম কৰাৰ ক্ষণত ২৫ নৱেম্বৰত তৃতীয় দ্বি-বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলাইছে। লেখিকা সমাৰোহ সমিতি কলাইগাঁও শাখাৰ সভাপতি চম্পা হাজৰিকা ডেকা আৰু সম্পাদিকা ক্ষীৰা শইকীয়া ডেকাই জনোৱা অনুসৰি, ২৫ নৱেম্বৰৰ পুৱা প্ৰথমে পতাকা উত্তোলন কৰিব শাখাৰ সভাপতি চম্পা হাজৰিকা ডেকাই আৰু স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰিব উপদেষ্টাদ্বয় ক্ৰমে ৰূপালী ডেকা আৰু মীৰা বৰুৱাই। শাখাৰ সদস্যসকলৰ অন্তৰংগ আলাপৰ আঁত ধৰিব অভিনেত্ৰী পপী কলিতা আৰু অধ্যাপিকা দীপাঞ্জলি চহৰীয়াই। আনহাতে, চম্পা হাজৰিকা ডেকাই সভাপতিত্ব কৰিবলগীয়া মুকলি সভা উদ্বোধন কৰিব ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ কলিতাই। অংশগ্ৰহণ কৰিব সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী চাৰু চহৰীয়া নাথ, অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনা দেৱী আৰু বিটিআৰৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱাই। মুকলি সভাত এখন মুখপত্ৰ উন্মোচন কৰিব সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা থুনু কলিতাই। তদুপৰি সমিতিৰ কেন্দ্ৰীয় কাৰ্যকৰী সভানেত্ৰী সুৰ্বণ শইকীয়া বৰদলৈ, কলাইগাঁও ৰাজহ চক্ৰ বিষয়া মিনাভা দেৱী আৰমৰাম, কটন বিশ্ববিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যাপিকা মঞ্জু দেৱী পেগু, অধ্যাপিকা ড° দীপমনি বৰুৱা দাস আৰু দৰং জিলা লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী মোহিনী গোস্বামী, দৰং জিলা লেখিকা সন্থাৰ উপ-সভানেত্ৰী বৰদা শইকীয়া, সমাজসেৱক মহেন্দ্ৰ শইকীয়া, কমিৰাম চহৰীয়া, দণ্ডি কুমাৰ বড়ো, কমল প্ৰসাদ শৰ্মা আদি উপস্থিত থাকিব।

## সমন্বয় যুৱ কৃষ্টি সংঘৰ মঞ্চত শিশুলীলাৰে মুহিলে শিশুশিল্পী অহিৰণে

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২১ নৱেম্বৰ ঃ** মাজুলীৰ কমলাবাৰীৰ দৰিয়া ডুবিৰ পাৰত সমন্বয় যুৱ কৃষ্টি সংঘৰ মঞ্চত শিশু শিল্পী অহিৰণ বিপুল শইকীয়াই শিশু কৃষ্ণৰ চৰিত্ৰত অভিনয় কৰি ৰাইজক আকৃষ্ট কৰে। ৰাসৰ প্ৰথম আৰু তৃতীয় নিশাত শিশু কৃষ্ণৰ অভিনয় কৰা অহিৰণ বিপুলে সুন্দৰ অভিনয় কৰি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। যোৱা ১৮ নৱেম্বৰত শিশুশিল্পীজনৰ সহশিল্পী হিচাপে যশোদাৰ ভাৰত অভিনয় কৰে গুৱাহাটীৰ চুমি ভড়ালী আৰু নন্দৰ ভাৰত ৰূপম ভূঞাই।

## শিৱসাগৰৰ মুজিবুৰক ৰাষ্ট্ৰীয় মহিলা সুৰক্ষা মঞ্চৰ দায়িত্ব প্ৰদান

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২১ নৱেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টীৰ ভগ্নী সংগঠন ৰাষ্ট্ৰীয় মহিলা সুৰক্ষা মঞ্চৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ লক্ষ্যৰে সৰ্বভাৰতীয় পৰ্যায়ত আন আন ৰাজ্যৰ লগতে অসমৰ সমিতিখনৰো সাল-সলনি ঘটোৱা হৈছে। ৰাজ্যিক সমিতিখনৰ কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিয়া হৈছে শিৱসাগৰৰ মুজিবুৰ ৰহমানক।

## ব্যৱসায়ী সমাজকৰ্মী হীৰালাল জৈনৰ মৃত্যু



বিশেষ সংবাদদাতা

**লখিমপুৰ, ২১ নৱেম্বৰ ঃ** লখিমপুৰৰ ব্যৱসায়ী সমাজকৰ্মী, সাত নম্বৰ ৱাৰ্ডৰ বাসিন্দা হীৰালাল জৈন (৫৯)ৰ কালি মৃত্যু হয়। কিছুদিনৰ পূৰ্বে তেওঁ যোধপুৰত থকা আত্মীয়ৰ ঘৰলৈ যাওতে তাতেই অসুস্থ হৈ পৰাত যোধপুৰৰ এখন চিকিৎসালয়ত চিকিৎসাধীন কৰোৱা হৈছিল যদিও তেওঁৰ স্বাস্থ্যৰ ক্ৰমাৎ অৱনতি হোৱাত আইচিইউত ৰখা হৈছিল আৰু কালি সন্ধিয়া তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ, কন্যাক এৰি যায়। উল্লেখ্য যে উত্তৰ লখিমপুৰৰ জনফাৰ্থ খ্ৰীষ্টিয়ান ইংলিছ হাইস্কুলত শিক্ষা জীৱন আৰম্ভ কৰা জৈনে ১৯৮১ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত উচ্চ শিক্ষা লাভ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ ব্যৱসায়ৰ সমান্তৰালভাৱে লখিমপুৰৰ সমাজ জীৱন আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে সক্ৰিয়ভাৱে জড়িত হৈ পৰে। তেওঁ মাৰোৱাৰী সন্মিলনৰ লখিমপুৰ শাখাৰ প্ৰাক্তন সম্পাদক, লখিমপুৰ চেম্বাৰ্চ অৱ চেম্বাৰ্চৰ সক্ৰিয় সদস্য, লায়ন্স ক্লাব ইন্টাৰনেচনেলৰ বিভিন্ন বিষয়বাবত থকাৰ লগতে ডি কে ৰোড উন্নয়ন সমিতিৰো সম্পাদকৰ দায়িত্বত আছিল। ডি কে ৰোড ব্যৱসায়ী সন্থাই স্থানীয় ৰাইজৰ সহযোগিতাত কালি সন্ধিয়া ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

## পলিথিন ব্যৱহাৰৰ বিৰোধিতাৰে সজাগতা সভা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২১ নৱেম্বৰ ঃ** সামাজিক মাধ্যমৰ যোগেৰে পৰিচিত হোৱা এজাক প্ৰকৃতিপ্ৰেমীয়ে পৰিৱেশ সংৰক্ষণক মূল বিষয় হিচাপে লৈ ২০১৫ত গঠন হৈছিল 'নৱাৰুণ, দ্য ৰাইজিং ৰে', অসম' নামৰ এটি স্বেচ্ছাসেৱী অনুষ্ঠান। শিৱসাগৰৰ হিন্দু ধৰ্মসভা নামঘৰত অনুষ্ঠানটোৰ কেন্দ্ৰীয় সমিতিৰ সাহিত্য তথা সাংস্কৃতিক সম্পাদিকা অদিতি গোস্বামী আৰু সদস্য প্ৰিতম চুতীয়াৰ আহ্বানত পলিথিনৰ অবাধ ব্যৱহাৰৰ বিৰুদ্ধে এক সজাগতা সভা অনুষ্ঠিত হয়। পুৱা গছপুলি ৰোপণ আৰু বিতৰণৰ পাছতে নৱাৰুণৰ সদস্যা আগমণি শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। আনহাতে, সাংবাদিক মনোজ গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সজাগতা সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বক্তব্য আগবঢ়াই শিক্ষাবিদ মণিকা শইকীয়া, প্ৰাক্তন পৌৰপতি মৃদুস্মিতা সিন্‌হা, ৰংপুৰ বাৰ্তাৰ মুখ্য সম্পাদক ব্ৰজেন ফুকন, জ্যেষ্ঠ সাংবাদিক সোমেশ ডেকাৰ লগতে উদ্যোগী পুতুল শইকীয়া আৰু হিৰণ্য গগৈয়ে। উক্ত সভাতে শিক্ষাবিদ ড° প্ৰকাশ কটকীয়ে নৱাৰুণৰ মুখপত্ৰ উন্মোচন কৰে। অনুষ্ঠানৰ আহ্বায়ক অদিতি গোস্বামীয়ে আদৰণি ভাষণ আগবঢ়োৱা সভাত লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে ৰাইজক অৱগত কৰে কেন্দ্ৰীয় সম্পাদক মনোৰঞ্জন বৰাই। আনহাতে, পৰিৱেশ সচেতক প্ৰদীপ বৰঠাকুৰৰ বৰঙণিৰে কাপোৰৰ মোনা বিতৰণ কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৯৯০ বৰ্ষৰ শিক্ষাৰ্থীসকলৰ উদ্যোগত আৰু নৱাৰুণৰ সহযোগত জিলা ভিত্তিত অনুষ্ঠিত হোৱা আগমণি শৰ্মা সোঁৱৰণী অনলাইন ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু পৰিণীতা বেজবৰুৱাৰ পৰিচালনাত থলীতে অঁকা চিত্ৰাংকন প্ৰতিযোগিতাৰ স্থানপ্ৰাপ্তসকলকো অনুষ্ঠানতে পুৰস্কাৰ প্ৰদান কৰা হয়।

## মনজিৎ দিহিঙীয়ালৈ 'ভাৰত ভূষণ' বঁটা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২১ নৱেম্বৰ ঃ** জামুগুৰিহাটৰ কুসুমটোলাস্থ দ্বাদশ অসম আৰক্ষী বাহিনীৰ জোৱান মনজিৎ দিহিঙীয়ালৈ প্ৰদান কৰা হৈছে 'ভাৰত ভূষণ-২১'। ক্ৰীড়া ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে 'নেছনেল এণ্টি হাৰেছমেণ্ট ফাউণ্ডেছন'-এ এই বঁটা প্ৰদান কৰে। মধ্য প্ৰদেশৰ ভূপালত আৰক্ষী বাহিনীৰ জোৱানজনক এই বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে অসম আৰক্ষীৰ এইজন জোৱানে হেণ্ডেল স্পৰ্শ নকৰাকৈ সুদীৰ্ঘ ৮০ কিলোমিটাৰ দূৰত্ব চাইকেল চলোৱাৰ লগতে চলন্ত চাইকেলৰ ওপৰত অসমীয়া লোকবাদ্য পৰিৱেশন কৰি বিশ্ব অভিলেখ গঢ়াৰ লগতে গহপুৰৰ পৰা জামুগুৰিহাটৰ জীয়া ভৰলী নদীৰ দলং আৰু পুনৰ জীয়া ভৰলী দলঙৰ পৰা গহপুৰলৈ ২৫ ঘণ্টা একেৰাহে দৌৰি অভিলেখৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। দিহিঙীয়াৰ এই সাফল্যত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনে অভিনন্দন জ্ঞাপন কৰে।

## মহম্মদ ছাদুল্লাই পমুৱা মুছলমান আনি থলুৱাৰ ভূমি দখল কৰাইছিল ঃ ৰাজবংশী

### বৰবৰী শিবিৰৰ ৭৫ বষপূৰ্তিত প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশীৰ বিস্ফোৰণ

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২১ নৱেম্বৰ ঃ** দৰং দিৱস উদ্‌যাপন সমিতিৰ উদ্যোগত ঐতিহাসিক বৰবৰি শিবিৰৰ ৭৫ বৰ্ষপূৰ্তি অনুষ্ঠান কালি দৰং জিলা সাহিত্য সভাৰ মঙলদৈৰ প্ৰকল্পত অনুষ্ঠিত হয়। এই উপলক্ষে বিশিষ্ট সংস্কৃত পণ্ডিত গোবিন্দ আচাৰ্য আৰু হৰিহৰ শৰ্মাই মংগলচৰণ পাঠ কৰাৰ পাছতেই বৰবৰি শিবিৰত অংশগ্ৰহণকাৰী পৰিয়ালৰ সদস্যৰ হৈ অভয় শৰ্মাই বন্তি প্ৰজ্বলন কৰে। ডাঃ অনিল প্ৰিয়ৰঞ্জন শৰ্মাৰ সভাপতিত্বত হোৱা সভাত উপস্থিত থাকি জ্যেষ্ঠ অধিবক্তা, প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশীয়ে কয় যে আমাৰ কিছুমান নেতাৰ ভুল সিদ্ধান্তৰ বাবেই মহম্মদ ছাদুল্লা অসমৰ শাসনভাৰ গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল। শাসনভাৰ গ্ৰহণ কৰিয়েই তেওঁ অসমত খেতি কৰাৰ অজুহাত দেখুৱাই পূৰ্ববংগৰ পৰা মুছলমান আনি অসমত সংস্থাপিত কৰি অসমখনক পাকিস্তানৰ অংশৰূপে গঢ়ি তোলাৰ গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছিল। এই পমুৱা মুছলমানসকলে দৰঙৰ থলুৱা লোকৰ মাটি দখল কৰিবলৈ প্ৰস্তুতি চলোৱাৰ কথা অৱগত হৈ স্বাধীনতা সংগ্ৰামী পানীৰাম দাস, দীনেশ্বৰ শৰ্মা, দণ্ডীৰাম বড়া আদিৰ নেতৃত্বত মঙলদৈ ৰঙামাটিৰ বৰবৰিত ১৯৪৬ ৰ ২০ নৱেম্বৰত শিবিৰ পাতি পমুৱা মুছলমানৰ বিৰুদ্ধে হুংকাৰ দিছিল। পমুৱা মুছলমানসকলে থলুৱা অসমীয়া ৰাইজক সততে ভীতি প্ৰদৰ্শন কৰি মাটি দখল কৰাৰ অভিপ্ৰায়ক উফৰাবলৈ ৰঙামাটিত থলুৱা ডেকাসকলক এই শিবিৰক আত্মৰক্ষাৰ কৌশল শিকোৱা হৈছিল। সেইসকলে ওৰে ৰাতি উজাগৰে থাকি পমুৱাৰ আগ্ৰাসনৰ পৰা ৰাইজক ৰক্ষা কৰিবলৈ শিঙা বজাই ৰাইজক একত্ৰিত কৰি অসমৰ ঐতিহ্য ৰক্ষাৰ বাবে কৰা যি সংগ্ৰাম কৰিছিল তাৰ বাবে থলুৱা লোক ৰক্ষা পৰিছিল। উক্ত সম্পাদক কুন্তল কুমাৰ দাস আৰু সহকাৰী সম্পাদক ৰমেশ ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত অধিবক্তা ৰাজবংশীয়ে লগতে এতিয়া দক্ষ নেতাৰ অভাৱ বুলি উল্লেখ কৰা অসম আৰু কেন্দ্ৰত বিৰোধীৰ দক্ষ নেতা নথকাৰ বাবে শাসক পক্ষই স্বেচ্ছাচাৰী শাসন চলাবলৈ সাহস পাইছে বুলি কয়। বিধায়ক বসন্ত দাসে ঐতিহাসিক বৰবৰি শিবিৰৰ বিষয়ে নৱপ্ৰজন্মক অৱগত কৰোৱাৰ বাবে একত্ৰিতভাৱে পদক্ষেপ গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে ঐতিহাসিক পথৰুঘাটৰ ৰণৰ সম্পৰ্কত বিশ্বৰ কথা বাদেই দেশৰ বিদ্বত মহলেই নাজানে বুলি কয়। বিশিষ্ট চিকিৎসক, কৰুণাদায়ক সম্পাদক ডাঃ নৱেশ্বৰ শৰ্মাই ডাঃ অনিল প্ৰিয়ৰঞ্জন শৰ্মা সম্পাদিত আৰু জ্ঞানেন্দ্ৰ নাথ সৰকাৰৰ আৰ্থিক সাহাৰ্যত প্ৰকাশিত 'বিংশ শতিকাৰ শৰাইঘাট' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি বৰবৰি শিবিৰৰ ঐতিহাসিক পটভূমিৰ কথা ব্যক্ত কৰে। সভাত মাজবাটৰ সমাজকৰ্মী শৰৎ দুৱাৰ কয়।

## ভৱানীপুৰৰ গোপালদেৱৰ আতা সত্ৰত পুথিভঁৰাল উদ্বোধন

বিশেষ সংবাদদাতা

**পাঠশালা, ২১ নৱেম্বৰ ঃ** পুৰণ ভৱানীপুৰৰ ঐতিহাসিক শ্ৰীশ্ৰী গোপালদেৱৰ আতা সত্ৰত আজি দিনজোৰাকৈ অনুষ্ঠিত হয় শ্ৰীশ্ৰী গোপালদেৱৰ সেৱক সমাজ, অসমৰ চতুৰ্থখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা। উল্লেখ্য যে শ্ৰীশ্ৰী গোপালদেৱৰ সেৱক সমাজ, অসমৰ সভাপতি ভৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ স'তে সংগতি ৰাখি অনুষ্ঠিত সভাত প্ৰাক্তন অধ্যাপক, সাহিত্যিক, লেখিকা তথা আই পদ্মপ্ৰিয়া বঁটাপ্ৰাপক ড° অমিয়া মহন্তক সম্বৰ্ধনা জ্ঞাপন কৰে শ্ৰীশ্ৰী গোপালদেৱৰ সেৱক সমাজ, অসমে। অসমত প্ৰথমবাৰৰ বাবে শ্ৰীশ্ৰী গোপালদেৱৰ আতাৰ জীয়ৰী তথা অসমৰ প্ৰথম মহিলা কবি আই পদ্মপ্ৰিয়াৰ সন্দৰ্ভত জীৱনীমূলক গ্ৰন্থ স্ৰষ্টা, ৰাধিকা, বৰপেইটা শব্দকোষ, ৰাম সৰস্বতীৰ ৰচনাৱলীত ভাষা, ভাষা সাহিত্যৰ ৰস আদি গ্ৰন্থ ৰচনাৰে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক আৰু শৈক্ষিক ক্ষেত্ৰলৈ অলেখ অৱদান আগবঢ়োৱাৰ বাবে শ্ৰীশ্ৰী গোপালদেৱৰ সেৱক সমাজ, অসমে ড° মহন্তক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে শ্ৰীশ্ৰী গোপালদেৱৰ আতা সত্ৰ প্ৰাংগণত এটি পুথিভঁৰালৰ দ্বাৰ উদঘাটন কৰি উদ্বোধন কৰে বজালীৰ প্ৰবীণ সাহিত্যিক বসন্ত তালুকদাৰে। সম্বৰ্ধনা আৰু পুথিভঁৰাল উদ্বোধনী অনুষ্ঠানত শ্ৰীশ্ৰী গোপালদেৱৰ সেৱক সমাজ, অসমৰ সভাপতি ভৱ গোস্বামী, কাৰ্যকৰী সভাপতি ধীৰেন্দ্ৰ নাথ বৰ্মন, সাধাৰণ সম্পাদক মনু বৰুৱা, ধূপগুৰিৰ শ্ৰীশ্ৰী গোপালদেৱৰ আতা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰসেনজিৎ মেধি, পুৰণ ভৱানীপুৰৰ শ্ৰীশ্ৰী গোপালদেৱৰ আতা সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক চম্পক বায়নকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি, শ্ৰীশ্ৰী গোপালদেৱৰ সেৱক সমাজ, অসমৰ বিষয়ববীয়াসকলে উপস্থিত থাকে। উল্লেখ্য যে সত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত শ্ৰীশ্ৰী গোপালদেৱৰ সেৱক সমাজ, অসমৰ চতুৰ্থখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাত অসমৰ সত্ৰ-সংস্কৃতি, ধৰ্ম সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত পৰৱৰ্তী কাৰ্যক্ৰমণিকা যুগুত কৰা হৈছে।

## বিজনীত ড্ৰাগছৰ খালী কণ্টেইনাৰসহ গ্ৰেপ্তাৰ এক

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২১ নৱেম্বৰ ঃ** চিৰাং জিলাৰ বিজনীৰ দতুৰীত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানত কালি ৬৫ পেকেট ড্ৰাগছৰ খালী কণ্টেইনাৰ জব্দ কৰে। এই খালী কণ্টেইনাৰসমূহ বিজনীৰ 'তাৰা হোমিঅ' ক্লিনিক'ৰ পৰা সৰবৰাহ কৰা হয়। ৬৫ পেকেটত ৬,৫০০ কণ্টেইনাৰ জব্দ কৰে। উক্ত কণ্টেইনাৰসমূহ জব্দ কৰাৰ লগতে আব্দুল বাতেন (৩৫) নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ধৃত যুৱকজনৰ ঘৰ বিজনীৰ কাৰাটিকাত।

## পথ দুৰ্ঘটনাত যুৱ নেতা দ্বীপজ্যোতি বৈশ্যৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২১ নৱেম্বৰ ঃ** মঙলদৈ চহৰৰ নিকটৱৰ্তী এক নম্বৰ বণিয়াপাৰা নিবাসী অনিল চন্দ্ৰ বৈশ্য আৰু ববীবালা বৈশ্যৰ দ্বিতীয় সন্তান দ্বীপজ্যোতি বৈশ্য (৩৭)ৰ আজি পুৱতি নিশা এক পথ দুৰ্ঘটনাত মৃত্যু হয়। অসমীয়া যুৱ মঞ্চৰ দৰং জিলা সমিতিৰ প্ৰচাৰ সম্পাদক তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত দ্বীপজ্যোতিয়ে এখন বাহনেৰে যোৱা ১৭ নৱেম্বৰত ডিমাপুৰলৈ গৈছিল। ডিমাপুৰৰ পৰা যোৱা নিশা গুৱাহাটীলৈ আহি তেওঁ গাড়ীখনৰ গৰাকীক গতাই দি নিজৰ মটৰ চাইকেলেৰে মঙলদৈৰ ঘৰলৈ গৈ আছিল। কিন্তু পুৱতি নিশা আউলাচৌকাত অচিনাক্ত বাহন এখনে খুন্দিয়াই থৈ যোৱাৰ পাছত তেওঁৰ মৃত্যু হয়। তেওঁৰ মৃত্যুত বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, অসমীয়া যুৱ মঞ্চকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পিতৃ-মাতৃক এৰি যায়।

## তেজপুৰত লেখিকা সমাৰোহ সমিতিৰ নতুন শাখা গঠন

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২১ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাৰ লেখিকা সমাৰোহ সমিতিৰ এক নতুন শাখা গঠন কৰা হৈছে তেজপুৰৰ দপৰ্বতীয়াৰ পোতাপুখুৰী অঞ্চলত। যোৱা ১৯ নৱেম্বৰত জিলা লেখিকা সমাৰোহ সমিতিয়ে আগন্তুক দ্বিবাৰ্ষিক অধিৱেশন উপলক্ষে বহুকেইটা অনুষ্ঠান আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে নতুন শাখা গঠনতো গুৰুত্ব আৰোপ কৰিছে। ইয়াৰে অংশ হিচপে স্বপ্নলেখা নামৰ নতুন শাখাটো গঠন কৰা হয়। স্থানীয় এক বিবাহ ভৱনত জিলা সভানেত্ৰী ৰুমা দেৱীৰ সভাপতিত্বত তথা বন্তি প্ৰজ্বলনৰে অনুষ্ঠিত সভাখনত অৰ্ধ শতাধিক মহিলাই অংশগ্ৰহণ কৰে। লীলাৱতী বৰা, স্বপ্নামণি দিহিঙিয়াই কবিতা পাঠ কৰা সভাখনত কৃষ্ণাশ্ৰী শইকীয়াৰ পৰিচালনাত সদস্যাসকলে দিহানাম পৰিৱেশন কৰে। তদুপৰি অনুৰূপা বৰা, চুমি বৰা, নমিতা দাস নেওগ, অঞ্জু বৰা দত্তই বক্তব্য ৰখাৰ লগতে দত্ত আৰু দাসে গীত আৰু কবিতা পৰিৱেশন কৰে। সভাপতিৰ আসনৰ পৰা ৰুমা দেৱীয়ে মহিলাসকলৰ প্ৰতি উৎকৰ্ষ সাধনৰ বাবে সৃষ্টিশীল কামত ব্যস্ত হ'বলৈ আহ্বান জনোৱাৰ লগতে স্থানীয় মহিলা ভৈৰৱী তামুলীয়ে মহিলাসকলে এই নৱগঠিত শাখাৰ জৰিয়তে এখন নতুন মঞ্চ লাভ কৰা বুলি কয়।

## তেজপুৰৰ কৃষি বিজ্ঞান কেন্দ্ৰত কেঁচু সাৰ উৎপাদনৰ প্ৰশিক্ষণ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২১ নৱেম্বৰ ঃ** তেজপুৰৰ নপামস্থিত শোণিতপুৰ কৃষি বিজ্ঞান কেন্দ্ৰত দুদিনীয়াকৈ কেঁচুসাৰ উৎপাদনৰ এটা প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন হৈছে। ৰাষ্ট্ৰীয় কৃষি সম্প্ৰসাৰণ পৰিচালনা প্ৰতিষ্ঠানৰ পৃষ্ঠপোষকতাত গ্ৰাম্য যুৱকৰ বাবে কালি অনুষ্ঠিত এই প্ৰশিক্ষণৰ উদ্বোধন কৰে কৃষি বিজ্ঞান কেন্দ্ৰটোৰ ভাৰপ্ৰাপ্ত মুখ্য বিজ্ঞানী ড° আৰিফা মমতাজ বেগমে। অংশগ্ৰহণকাৰীসকলক আদৰণি জনাই প্ৰশিক্ষণৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতেই প্ৰশিক্ষণৰ পৰিচালক ড° নমিতা দত্তই বিশ্বৰ বৰ্ধিত জনসংখ্যাৰ লগত খাদ্যবস্তু উৎপাদনৰ ক্ষেত্ৰত কেনে ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে সেই বিষয়ে আলোচনা কৰে। বিহগুৰি কৃষি উন্নয়ন খণ্ডৰ কৃষি উন্নয়ন বিষয়া কৃষ্ণা দেৱীয়ে বিভিন্ন ধৰণৰ জৈৱিক সাৰ আৰু কৃষি ভূমিত ইয়াৰ ব্যৱহাৰৰ বিষয়ে আলোচনা কৰে। বৈজ্ঞানিকভাৱে কেঁচু সাৰ উৎপাদন প্ৰক্ৰিয়াৰ বিষয়ে এক বিস্তৃত আলোচনা আগবঢ়ায় বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ মুখ্য বিজ্ঞানী ড° পল্লৱ শৰ্মাই। কৃষি বিজ্ঞান কেন্দ্ৰটোৰ উদ্যান শস্য বিভাগৰ বিশেষজ্ঞা অংগনা শৰ্মাই উদ্যান শস্য উৎপাদনত জৈৱিক সাৰৰ ভূমিকাৰ বিষয়ে কোৱাৰ লগতে পথাৰ শস্য বিজ্ঞান বিভাগৰ বিশেষজ্ঞা ড° ৰ'জি চুতীয়াই অতি প্ৰয়োজনীয় পথাৰ শস্য ধান, আলু আৰু সৰিয়হৰ বিজ্ঞান ভিত্তিত কৃষি প্ৰণালীৰ বিষয়ে পৰামৰ্শ আগবঢ়ায়।

## বৰকুৰিহাৰ প্ৰতিষ্ঠিত ব্যৱসায়ী উত্তম তালুকদাৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২১ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগৰ 'বৰকুৰিহা - মাধাপুৰ - মৰোৱা বজাৰ' চ'ক ব্যৱসায়ী উত্তম তালুকদাৰ (৬৭)ৰ কালি চিকিৎসাধীন অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। বৰকুৰিহা গাঁও নিবাসী প্ৰয়াত তালুকদাৰে কঠোৰ সংগ্ৰামৰ মাজেৰে আজিৰ পৰা ৩০/৩২ বছৰ পূৰ্বে মৰোৱা বজাৰ চ'কত দোকান আৰম্ভ কৰি পৰৱৰ্তী সময়ত প্ৰতিষ্ঠিত ব্যৱসায়ী হৈ পৰে। বিগত কে'বাবছৰ ধৰি হৃদৰোগত আক্ৰান্ত ব্যৱসায়ীজনৰ মৃত্যুত আজি 'বৰকুৰিহা - মাধাপুৰ - মৰোৱা বজাৰ চ'কৰ সকলো ধৰণৰ দোকান পোহাৰ দিনটোৰ বাবে বন্ধ ৰাখি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰক এৰি যায়।




## ■ ৰাষ্ট্ৰীয় ঘাইপথৰ অভয়াপুৰী নিৰ্মাণ সংমণ্ডলৰ অধীনত মেৰামতিৰ নামতে বছৰি টকা আবন্টন ■ সিংহভাগ ধনেই আত্মসাৎ কৰাৰ অভিযোগ নাগৰিক সুৰক্ষা মঞ্চৰ

# পথ মেৰামতিৰ নামত কোটি কোটি টকা লুণ্ঠন

**অগ্রদূত বাৰ্তা**

**অভয়াপুৰী, ২১ নৱেম্বৰ ঃ** 'ৰাষ্ট্ৰীয় ঘাইপথৰ অভয়াপুৰী নিৰ্মাণ সংমণ্ডলৰ অধীনস্থ অঞ্চলত ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতিৰ নামত প্ৰতিটো বিত্তীয় বৰ্ষতে কোটি কোটি টকা আবন্টন হৈ আহিছে যদিও নামমাত্ৰ মেৰামতি কৰিয়েই সিংহভাগ আবন্টিত ধন আত্মসাৎ কৰিছে।' এই অভিযোগ নাগৰিক সুৰক্ষা মঞ্চ, অসম'ৰ। মঞ্চৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে তথ্য জনাৰ অধিকাৰ আইন-২০০৫ৰ অধীনত কাৰ্যবাহী অভিযন্তাৰ অভয়াপুৰী নিৰ্মাণ সংমণ্ডলত চলোৱা লুণ্ঠনৰ তথ্য উন্মোচিত কৰিছে। তথ্যমতে, ৩১ নম্বৰ আৰু ৩১ নম্বৰ (বি) ৰাষ্ট্ৰীয় ঘাইপথৰ সাধাৰণ মেৰামতিৰ নামত ২০১৯-২০ বিত্তীয় বৰ্ষত এক কোটি চাৰি লাখ ৫৩ হেজাৰ পাঁচশ ২০ টকা আবন্টন হয়। একেটা বিত্তীয় বৰ্ষতে ওপৰিঞ্চি সাধাৰণ মেৰামতিৰ বাবে ৰাম্বল ষ্ট্ৰীপছ দলঙৰ ৰেলিং, গাৰ্ড পোষ্ট, পথৰ কাষত থকা গছৰ তদাৰক আদিৰ নামত ৩৪ লাখ ৬৯ হেজাৰ দুশ দুটকা, বানত বিধ্বস্ত পথ আদিৰ মেৰামতিৰ বাবদ। ৭৫ লাখ টকা আবন্টন হয়। উক্ত বৃহৎ পৰিমাণৰ ধন আবন্টিত হোৱাৰ পাছতো আবন্টিত ধনৰ সামান্য অংশ ব্যয় কৰি বিভাগীয় ঠিকাদাৰ-বিষয়াই মিলি সিংহভাগেই হৰলুকি কৰে। তেনেদৰে ২০২০-২১ বিত্তীয় বৰ্ষত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সাধাৰণ মেৰামতিৰ নামত দুই কোটি ৫০ লাখ টকাৰ লগতে একেটা বৰ্ষতে পুনৰাই ৭০ লাখ টকা আবন্টন হৈছিল। বৰ্মনে অভিযোগ কৰা মতে, বিভাগীয় বিষয়াই নিজৰ অঙহী-বঙহী, কাৰ্যালয়ৰ কৰ্মচাৰীৰ আত্মীয় তথা মনঃপুত ঠিকাদাৰৰ দ্বাৰা কাম কৰা দেখুৱাই সিংহভাগ ধন আত্মসাৎ কৰে। তদুপৰি ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত চলিত ২০২১ বিত্তীয় বৰ্ষত ওজন পৰিমানক বহুৱাই গতি নিয়ন্ত্ৰণ কৰাৰ বাবে পথ বহলোৱা, ওজন জোখা যন্ত্ৰ, গৃহ আদি নিৰ্মাণৰ বাবে ছয় কোটি ৩২ লাখ টকা আবন্টন হৈছিল। ইয়াৰে নিবিদা নিৰিখ আছিল চাৰি কোটি ৭৬ লাখ ৬৩ হেজাৰ দুশ ৫৪ টকা। গৌতম কনষ্ট্ৰাকশ্বন কোম্পানী লিমিটেডে ঠিকা লাভ কৰি চাৰি কোটি ৪৪ লাখ ৮৮ হেজাৰ ৪৫ টকা ব্যয় দেখুৱাই ধনৰাশি উঠাই লয় যদিও চাৰিশৰীয়া পথ নিৰ্মাণৰ অজুহাতত নামমাত্ৰ পথ বহল কৰি আন কোনো কাম নকৰি সমুদায় ধন উঠাই লোৱা বুলিও অভিযোগ কৰে বৰ্মনে।



*নাট্য সম্ৰাট প্ৰফুল্ল বৰাৰ ১৫ সংখ্যক মৃত্যু তিথিত তেজপুৰত শিশু দ্বাৰাৰ নাট প্ৰদৰ্শন, দেওবাৰে।*

## আটছাৰ গেলাহাটিঙা প্ৰাথমিকৰ নতুন সমিতি গঠন



**অগ্রদূত বাৰ্তা**

**নদুৱাৰ, ২১ নৱেম্বৰ ঃ** নদুৱাৰৰ অন্তৰ্গত দিকৰাই চাহ বাগিচাত কালি অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)ৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। আটছাৰ নদুৱাৰ শাখাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাধেশ্যাম তাঁতীৰ সভাপতিত্বত অনুষ্ঠিত সভাত আটছাৰ গেলা হাটিঙা প্ৰাথমিকৰ নতুন সমিতিখন গঠন কৰা হয়। আটছাৰ নদুৱাৰ শাখাৰ কাৰ্যনিৰ্বাহক সদস্য অৰুণ গোৱালাই আঁত ধৰা সভাত সাংগঠনিক দিশত বক্তব্য আগবঢ়ায় আটছাৰ নদুৱাৰ শাখাৰ সম্পাদক গ্ৰীনন্দৰ কুৰ্মীয়ে। সভাত প্ৰতিবেদন পাঠ কৰে গেলাহাটিঙা প্ৰাথমিক আটছাৰ সম্পাদক আনন্দ তচাই। গেলাহাটিঙা প্ৰাথমিক আটছাৰ ভাৰপ্ৰাপ্ত সভানেত্ৰী মিনাক্ষী মুণ্ডাৰ সহযোগত বিশিষ্ট ব্যক্তি ভোলা হাজৰিকাই বন্তি প্ৰজ্বলনেৰে মুকলি কৰা সভাত কে'বাগৰাকী আটছা কৰ্মীৰ মন্তব্যৰ আধাৰত কম দিনৰ ভিতৰতে গেলাহাটিঙা প্ৰাথমিক আটছাৰ স্থায়ী কাৰ্যালয়ৰ প্ৰাংগণত এটি স্থায়ী ছহিদ বেদী নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত তিনিগৰাকীকৈ পৰ্যবেক্ষকৰ উপস্থিতিত প্ৰস্তাৱ আৰু সমৰ্থনযোগে গেলাহাটিঙা প্ৰাথমিক আটছাৰ সভানেত্ৰী হিচাপে নেহা নায়ক, উপ-সভানেত্ৰী ক্ৰমে প্ৰীতক বৰাইক, বিশ্বজিৎ মুণ্ডা আৰু ফিৰনাথ বৰাইক, সম্পাদক কন তচা, সহকাৰী সম্পাদক মেঘনাথ বৰাইক, প্ৰকাশ বৰাইক আৰু অনুৰাগ তাতীক লৈ মুঠ ৩১ জনীয়া নতুন সমিতিখন গঠন কৰা হয়।

## হাউলীত উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ ১৫৪ সংখ্যক জন্ম দিৱসৰ আয়োজন

### ■ অসম সাহিত্য সভাৰ কেন্দ্ৰীয় অনুষ্ঠান

**অগ্রদূত বাৰ্তা**

**হাউলী, ২১ নৱেম্বৰ ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ ১৫৪ সংখ্যক জন্ম দিৱস অহা ২৪ নৱেম্বৰত হাউলীৰ ৰাস মন্দিৰ প্ৰাংগণত হাউলী সাহিত্য সভা আৰু 'মনোমতী' উপন্যাসৰ ৰচনাস্থলী স্মৃতি ৰক্ষা সমিতিৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপনৰ আয়োজন কৰা হৈছে। অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত অসমৰ কে'বাগৰাকীও বিশিষ্ট শিল্পী, সাহিত্যিক উপস্থিত থাকিব। কাৰ্যসূচী অনুসৰি অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব হাউলী সাহিত্য সভাৰ সভাপতি নৃপেন পূজাৰীয়ে। স্মৃতিতৰ্পণ অনুষ্ঠান মুকলি কৰিব হাউলী পৌৰসভাৰ প্ৰাক্তন সভাপতি পৰমানন্দ দাসে। মুখ্য তৰ্পক হিচাপে উপস্থিত থাকিব হাউলী ৰাস মহোৎসৱৰ সভাপতি মুনিন্দ্ৰ দাস আৰু তৰ্পক হিচাপে উপস্থিত থাকিব বৰপেটা জিলা সাহিত্য সভাৰ সভাপতি লাচিত কলিতা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য গোবিন্দ তালুকদাৰ, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক কৃষ্ণকান্ত দাস, অৱসৰপ্ৰাপ্ত শিক্ষক পবিত্ৰ সাহা আৰু জালাহ বি বি কিষাণ কলেজৰ সহযোগী অধ্যাপক ড° দেৱান নজৰুল কাদিৰে। মুকলি সভাত উপস্থিত থাকিব বিশিষ্ট গীতিকাৰ তথা সাহিত্যিক ড° পৰাগ কুমাৰ ভট্টাচাৰ্য, পৰ্যটন আৰু সাংস্কৃতিক মন্ত্ৰী বিমল বৰা আৰু সাহিত্যিক ড° পৰমানন্দ মজুমদাৰ। তদুপৰি উপস্থিত থাকিব বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূচল। সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসে। সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় শিল্পী ক্ৰমে তৰালী শৰ্মা, ৰূপম ভূঞা, বিদ্যাসাগৰ, জীনা ৰাজকুমাৰী, জবা চক্ৰৱৰ্তী, ৰুবুল কলিতা, শ্ৰুতি গোস্বামী, ক্ৰান্তিকা সান্দিল্য, নিবেদিতা মেধি আৰু ৰাজশ্ৰী মেধিয়ে গীত পৰিৱেশন কৰিব। সন্ধিয়া ঘিলাঝাৰি সত্ৰৰ পৰিচালনাত 'মনোমতী' উপন্যাসৰ ৰচনাস্থলী স্থানত বন্তি প্ৰজ্বলন কৰা হ'ব। জন্মদিৱসৰ সকলো কাৰ্যসূচীত ৰাইজক উপস্থিত থাকিবলৈ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱচন্দ্ৰ শৰ্মা, 'মনোমতী' উপন্যাসৰ ৰচনাস্থলী স্মৃতিৰক্ষা সমিতিৰ সম্পাদক যুগান্ত বায়ন, অমৰেন্দ্ৰ পাঠক আৰু হাউলী সাহিত্য সভাৰ সম্পাদক চম্পক কুমাৰ নাথে আহ্বান জনাইছে।

## 'আজাদী কা অমৃত মহোৎসৱ'ৰ সামৰণি অনুষ্ঠান সম্পন্ন

**অগ্রদূত বাৰ্তা**

**মেলামাটি, ২১ নৱেম্বৰ ঃ** যোৰহাট জিলা শিশু সুৰক্ষা বিষয়া কাৰ্যালয়ৰ উদ্যোগত অনুষ্ঠিত 'আজাদী কা অমৃত মহোৎসৱ'ৰ সামৰণি অনুষ্ঠান কালি লিচুবাৰীস্থিত জিলা শিশু আৱাসিক গৃহৰ পৰ্যবেক্ষণ কেন্দ্ৰত সম্পন্ন হয়। জিলা শিশু সুৰক্ষা বিষয়া ৰাজকুমাৰ কেডিয়াৰ তত্ত্বাৱধানত পৰ্যবেক্ষণ গৃহত অনুষ্ঠিত সামৰণি অনুষ্ঠানত শিশু ন্যায় বিচাৰ মণ্ডলীৰ সদস্যা অঞ্জু বৰদলৈ, শিশু সুৰক্ষা গৃহৰ কল্যাণ সমিতিৰ কৃষ্ণা বৰুৱা পাটগিৰি, ডাঃ ভক্তিময় ভট্টাচাৰ্য, যোৰহাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া-কৰ্মচাৰীসকল, শিশু গৃহৰ কৰ্মচাৰীসকল, পুলিবৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া, জিলা শিশু সুৰক্ষা বিষয়া কাৰ্যালয়ৰসমূহ বিষয়া-কৰ্মচাৰীসকল, পৰ্যবেক্ষণ গৃহৰ কৰ্মচাৰীসকলৰ লগতে আৱাসিক শিশু সুৰক্ষা গৃহৰ আৱাসিকসকলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। শিশুৰ অপৰাধ প্ৰৱণতা, সুস্বাস্থ্যৰ বিষয়ে, ধপাত জাতীয় বস্তুৰ অপকাৰৰ বিষয়ে, পুষ্টিহীনতা সম্পৰ্কে পাৰদৰ্শী সমল ব্যক্তিসকলে শিশু গৃহৰ শিশুসকলক অৱগত কৰে। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস, পৰাধীন ভাৰতৰ ব্ৰিটিছৰ দিনৰ সমীক্ষা আৰু স্বাধীনতা সংগ্ৰামৰ নেতাসকলৰ বিষয়ে সমল ব্যক্তিসকলে শিশুসকলক অৱগত কৰে। অনুষ্ঠানতে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি অনুষ্ঠিত শিশুসকলৰ বিভিন্ন প্ৰতিযোগিতাত বিজয়ীসকলক পুৰস্কৃত কৰা হয়।

## অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰুমিআৰা বেগমক বিদায় সম্বৰ্ধনা

**অগ্রদূত বাৰ্তা**

**দুমুনিচুকী, ২১ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ কৰৰা শিক্ষাখণ্ডৰ অন্তৰ্গত দুই নম্বৰ বামা আদৰ্শ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত যোৱা ১৬ নৱেম্বৰত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। কৰৰা শিক্ষাখণ্ডৰ অন্তৰ্গত কৰৰা তিনি নম্বৰ কেন্দ্ৰৰ সৌজন্যত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গৌৰীকান্ত ডেকাৰ সভাপতিত্বত আয়োজিত সম্বৰ্ধনা সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী মিছ ৰুমিআৰা বেগমক বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আঠিয়াবৈ বোনমাঝা এম ই স্কুলৰ সহ শিক্ষয়িত্ৰী হিচাপে ১৯৯৫ৰ জানুৱাৰীত নিজৰ শিক্ষকতা জীৱন আৰম্ভ কৰা বেগমে ২০০৩ত দুই নম্বৰ বামা আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সহ শিক্ষয়িত্ৰী হিচাপে যোগদান কৰে। ২০০৯ত এই দুই নম্বৰ বামা আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰে প্ৰধান শিক্ষয়িত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। সুদীৰ্ঘ ১১ বছৰ প্ৰধান শিক্ষয়িত্ৰী হিচাপে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰি যোৱা ২১ ফেব্ৰুৱাৰীত বেগমে অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ পাছতে দেশত ক'ভিড পৰিস্থিতিৰ সৃষ্টি হোৱাত শিক্ষয়িত্ৰীগৰাকীৰ বিদায় সভাখন যোৱা ১৬ নৱেম্বৰতহে অনুষ্ঠিত কৰা হয়। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীক তিনি নম্বৰ কেন্দ্ৰৰ তৰফৰ পৰা ঘৰৰ পৰা আদৰি লৈ গৈ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। একেখন সম্বৰ্ধনা সভাতে ৬৫ নম্বৰ সাজেই প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰিচৰণ দাস আৰু ৬৩ নম্বৰ বৰপানাৰা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ধৰিত্ৰী ডেকাকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা সভাত কৰৰা প্ৰাথমিক খণ্ড বিষয়া তাজিমুল হক উপস্থিত থাকে।

## ২৮ নৱেম্বৰত বাপুজী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সমাৰোহৰ আয়োজন

**অগ্রদূত বাৰ্তা**

**সৰ্থেবাৰী, ২১ নৱেম্বৰ ঃ** বৃহত্তৰ সৰুক্ষেত্ৰী অঞ্চলৰ উচ্চ শিক্ষাৰ অগ্ৰণী অনুষ্ঠান বাপুজী মহাবিদ্যালয় সৰুক্ষেত্ৰীৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ এখন সমাৰোহ অহা ২৮ নৱেম্বৰত অনুষ্ঠিত হ'ব। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা সমাৰোহখনৰ বিষয়ে কালি এক সংবাদমেল যোগে বাপুজী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীয়ে সংবাদ মাধ্যমক কয়। সৰ্থেবাৰী ৰাজহুৱা পুথিভঁৰালত আয়োজিত সংবাদমেলত এই বিষয়ে জানিবলৈ দি সন্মিলনীৰ কোষাধ্যক্ষ তথা মহাবিদ্যালয়খনৰ অধ্যাপক বিপুল ডেকাই কয় যে অতি সম্প্ৰতি বিশ্ববিদ্যালয় অনুদান আয়োগে প্ৰতিখন মহাবিদ্যালয়ৰ শৈক্ষিক দিশৰ উপৰি আন্তঃগাথনিৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ যোগদানক বিশেষ গুৰুত্ব দিছে। যাৰ বাবে আয়োগৰ নীতি-নিৰ্দেশনা অনুসৰি প্ৰতিখন মহাবিদ্যালয়তে একোখন প্ৰাক্তন ছাত্ৰ সন্মিলনী গঠন কৰা হৈছে। বাপুজী মহাবিদ্যালয়ত ইতিমধ্যে এখন সন্মিলনী গঠিত হৈ আছে যদিও ইয়াৰ কাৰ্যকাল সম্পূৰ্ণ হোৱাত এখন নতুন সমিতি গঠনৰ প্ৰয়োজন আহি পৰিছে। ইয়াৰ উপৰি ১৯৭০ তে প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনে ২০২০ তে গৌৰৱময় সোণালী জয়ন্তী অতিক্ৰম কৰিছে যদিও ক'ভিডজনিত কাৰণত এই অনুষ্ঠান স্থগিত ৰখা হৈছে। যিহেতু শেহতীয়াভাৱে পৰিৱেশ কিছু স্বাভাৱিক অৱস্থাৰ পিনে গতি কৰিছে মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী উৎসৱটো সন্মিলনীয়ে আগবঢ়াই নিয়াটো বিচাৰিছে। সমাৰোহৰ কাৰ্যসূচী সন্দৰ্ভত জানিবলৈ দি সন্মিলনীৰ সম্পাদক চিত্তৰঞ্জন বৰ্মনে সাংবাদিকক কয় যে সিদিনা পুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰিব পৰিচালনা সমিতিৰ সভাপতি তথা প্ৰাক্তন ছাত্ৰ গৌৰীকান্ত বৰ্মনে আৰু প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ পতাকা উত্তোলন কৰিব সমিতিৰ সভাপতি চত্ৰপতি তালুকদাৰে। ইয়াৰ পাছত ছহিদ তৰ্পণ, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। পাছত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়ন কৰা হ'ব। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি-সন্মিলন উদ্বোধন কৰিব মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ দাসে। দুপৰীয়া আহাৰ বিৰতিৰ পাছত আবেলি বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ ৫১ বৰ্ষ পূৰ্তিৰ লগত সংগতি ৰাখি সন্ধিয়া মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক সকলৰ দ্বাৰা ৫১ গছি বন্তি প্ৰজ্বলন কৰা হ'ব। ইয়াৰ পাছতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হ'ব। প্ৰস্তাৱিত এই সমাৰোহখনত বাপুজী মহাবিদ্যালয়ৰ সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণ কৰাৰ বাবে সম্পাদক চিত্তৰঞ্জন বৰ্মনে অনুৰোধ জনাইছে।

## পূৰ্ণকামদেৱত বৰলীয়া নৈৰ সোঁপাৰৰ খহনীয়া প্ৰতিৰোধৰ কাম মুকলি

**অগ্রদূত বাৰ্তা**

**বাহাৰঘাট, ২১ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ পূৰ্ণকামদেৱ (মোমাইতোলা)ত কালি বৰলীয়া নৈৰ সোঁফালৰ খহনীয়া প্ৰতিৰোধৰ কাম মুকলি কৰা হয়। জলসম্পদ বিভাগৰ নলবাৰী সংমণ্ডলৰ অন্তৰ্গত এছ অ' পি ডি (জি) শিতানত অনুমোদিত প্ৰায় দুই কোটি টকা ব্যয় সাপেক্ষে আৰম্ভ কৰিব লগা খহনীয়া প্ৰতিৰোধ আঁচনিৰ মুকলি কৰে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই। নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাৰ উপস্থিতিত কৰা আঁচনিৰ কাম মুকলি কৰি কয় যে দীৰ্ঘদিনৰ পৰা পূৰ্ণকামদেৱবাসীয়ে বাৰিষাৰ সময়ত আতংকত দিন কটাইছিল। আজি সেই আতংকৰ কিছু পৰিমাণে উপশম হ'ল। তেওঁ কয় যে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰে সকলো কাম-কাজে কৰিব। মাথোঁ ৰাইজৰ আশীৰ্বাদ আমি সদায় বিচাৰো। এক কোটি নিৰানব্বৈ লাখ টকা ব্যয় কৰিব লগা উক্ত আঁচনিৰ দ্বাৰা কমেও এশ বছৰ নিশ্চিতভাৱে অঞ্চলৰ ৰাইজ থাকিব পাৰিব। তেওঁ অঞ্চলৰ কে'বাটাও নতুন আঁচনিৰ কথা উল্লেখ কৰি কয় যে কাঁচিয়ে সদায় গাৰ ফালে টানে। অনুষ্ঠানত বিধায়ক জয়ন্ত মল্ল বৰুৱাই কয় যে আমি নলবাৰী সমষ্টিত ছয় মাহতে বহুতো নতুন নতুন কাম কৰিবলৈ লৈছো। উক্ত অঞ্চলৰ দুখন বিদ্যালয় পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু লহকৰপাৰা হাইস্কুলত তেওঁ তিনি কোটি টকাকৈ অনুদান দিয়াৰ কথা উল্লেখ কৰে। জলসম্পদ বিভাগৰ নামনি অসমৰ অতিৰিক্ত মুখ্য অভিযন্তা অৰূপ বৰঠাকুৰ। অধীক্ষক অভিযন্তা মুকালমুৱা চক্ৰৰ মুকুট ডেকা, কাৰ্যবাহী অভিযন্তা নলবাৰী সংমণ্ডলৰ প্ৰতুল পাটোৱাৰী, মুকালমুৱা উপসংমণ্ডলৰ সহ কাৰ্যকৰী অভিযন্তা মুছলিমুদ্দিন আহমেদ, সহকাৰী অভিযন্তা অনিল তালুকদাৰ, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, দেহাৰকুছি গাঁও পঞ্চায়তৰ সভাপতি যোগেশ্বৰ শৰ্মা, আঞ্চলিক সদস্য ফণীনাথ লহকৰ উপস্থিত থাকে। বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক মৃগেন শৰ্মাই আঁত ধৰা অনুষ্ঠানত কে'বা শতাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে।

## ■ বৰমাত ছহিদৰ বাসগৃহত বিটিআৰৰ মুখ্য কাৰ্যবাহী

# সুমন স্বৰ্গীয়াৰীৰ নামত স্থাপন কৰা প্ৰতিমূৰ্তি বয়ন কেন্দ্ৰ, বিদ্যালয়ৰ তোৰণ

**বৰমা, ২১ নৱেম্বৰ ঃ** যোৱা ১৩ নৱেম্বৰত মণিপুৰত সন্ত্ৰাসবাদীৰ আক্ৰমণত ছহিদ হোৱা বৰমাৰ কাহিবাৰীৰ সুমন স্বৰ্গীয়াৰীৰ বাসগৃহত কালি উপস্থিত হয় বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো। বাগ্‌সা জিলাৰ বৰমাৰ থৈকাৰাকুছিৰ কাহিবাৰীৰ ঘৰত উপস্থিত হৈ বড়োৱে অসম ৰাইফলছৰ ছহিদ জোৱান সুমনৰ পৰিয়ালৰ স'তে মত বিনিময় কৰাৰ লগতে মৃতকৰ আত্মাৰ সদ্‌গতি কামনাৰে শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সুমন স্বৰ্গীয়াৰীৰ নামত ছহিদ গৰাকীৰ ঘৰলৈ যোৱা পথটো পকীকৰণ কৰাৰ লগতে সুমনে অধ্যয়ন কৰা হিৰিম্বা বড়ো উচ্চ বিদ্যালয়ত এখন গ্ৰাম্য ষ্টেডিয়াম নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়াৰ পাছত কালি বিটিচি প্ৰধান বড়োৱে বিটিচি চৰকাৰৰ তৰফৰ পৰা ছহিদ গৰাকীৰ এটি প্ৰতিমূৰ্তি স্থাপনৰ লগতে সুমনে পঢ়া বিদ্যালয়ৰ তোৰণ ছহিদ গৰাকীৰ নামত নামাকৰণ কৰা হ'ব বুলি কয়। আনহাতে অহা ডিচেম্বৰৰ ভিতৰত ছহিদ সুমন স্বৰ্গীয়াৰীৰ নামত এটি বয়ন কেন্দ্ৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলিও ঘোষণা কৰে। লগতে ছহিদগৰাকীৰ গাঁৱখনত জলজীৱন আঁচনিৰ কাম শীঘ্ৰে ৰূপায়ণ কৰাৰ বাবেও বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। আনহাতে ছহিদগৰাকীৰ উচ্চশিক্ষিতা পত্নী জুৰি স্বৰ্গীয়াৰী আৰু জ্যেষ্ঠ ভগ্নীক আদ্যশ্ৰাদ্ধৰ পাছতেই সংস্থাপনৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে বড়োৱে। ইপিনে, বড়োৱে বৰ্তমান সভ্যতাৰ শীৰ্ষত জীয়াই থকা মানৱ সমাজত উগ্ৰপন্থীয়ে এইদৰে নিৰীহ মানুহ হত্যা কৰি সন্তুষ্টি পালেও ইয়াৰ পৰা কিন্তু একো লাভ নহ'ব বুলি এক তৎপৰ্যপূৰ্ণ মন্তব্য কৰে।



বন্দুকধাৰী সংগঠনসমূহক হত্যা-হিংসাৰ পৰা বিৰত থাকি আলোচনাৰ মাজেৰে আহি এখন অস্ত্ৰ-হিংসামুক্ত সমাজ গঢ়ি ৰাইজৰ হকে কাম কৰাৰ বাবে আহ্বান জনায় বিটিচি প্ৰধানজনে। উল্লেখ্য যে ছহিদ গৰাকীৰ বাসগৃহত বড়োৰ স'তে আজি বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, ইউপিপিএলৰ মুছলপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক দয়াল শৰণীয়াও উপস্থিত থাকে।

## ওদালগুৰিত হিন্দু জাগৰণ মঞ্চৰ লাচিত দিৱসৰ আয়োজন

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২১ নৱেম্বৰ ঃ** হিন্দু জাগৰণ মঞ্চ ওদালগুৰি জিলা সমিতিৰ উদ্যোগত অহা ২৪ নৱেম্বৰত এদিনীয়া কাৰ্যসূচীৰে স্থানীয় বিষ্ণু ৰাভা কৃষ্টি সংঘ প্ৰাংগণত লাচিত দিৱসৰ আয়োজন কৰা হৈছে। দিৱসৰ কাৰ্যসূচী অনুসৰি বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰিব ধনশিৰি বন সংমণ্ডল বিষয়া প্ৰমোদ কুমাৰ ব্ৰহ্মই। পতাকা উত্তোলন কৰিব জিলা সমিতিৰ সভাপতি দ্বীপৰঞ্জন সূত্ৰধাৰে। বীৰ লাচিতৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পুষ্পধৰ শৰ্মা আৰু ওদালগুৰি জিলা গ্ৰাম্য অভিকৰণৰ প্ৰকল্প সঞ্চালক ভাস্কৰজ্যোতি বৰুৱাই। ভাৰত মাতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে খগেন ডেকা আৰু নিপেন শৰ্মাই। পাছত লাচিত বৰফুকনৰ ওপৰত চিত্ৰাংকন প্ৰতিযোগিতা, লাচিত বৰফুকনৰ ওপৰত বক্তৃতা প্ৰতিযোগিতা, মটৰ চাইকেল শোভাযাত্ৰা আৰু মুকলি সভা অনুষ্ঠিত হ'ব। সমূহ কাৰ্যসূচীত ৰাইজৰ অংশগ্ৰহণ আৰু সহযোগিতা কামনা কৰিছে হিন্দু জাগৰণ মঞ্চ ওদালগুৰি জিলা সমিতিৰ সভাপতি সাধাৰণ সম্পাদক ক্ৰমে দ্বীপৰঞ্জন সূত্ৰধাৰ আৰু ধৰ্মেন্দ্ৰ চৌধুৰীয়ে।

## হাউলীত বিশিষ্ট ব্যৱসায়ী গোপেশ চন্দ্ৰ দাসক স্মৰণ

**অগ্রদূত বাৰ্তা**

**হাউলী, ২১ নৱেম্বৰ ঃ** 'এখন গ্ৰন্থই এজনক সমাজত এশ বছৰলৈ জীয়াই ৰাখে। সেয়ে গ্ৰন্থ এখন সমাজৰ আইনা। যাৰ জৰিয়তে ৰাইজে নতুন-পুৰণি কথা জানিব পাৰে।' এই মন্তব্য অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক নৃপেন পূজাৰীৰ। হাউলীৰ বিশিষ্ট ব্যৱসায়ীৰ গোপেশ চন্দ্ৰ দাসৰ মৃত্যুৰ ছয় মাহিলী উপলক্ষে তেওঁৰ বাসগৃহত পৰহি অনুষ্ঠিত এক স্মৃতিচাৰণ সভাত 'এজোপা বৃক্ষৰ ছাঁ' শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰি পূজাৰীয়ে আৰু কয় যে এখন গ্ৰন্থই এটা সমাজব্যৱস্থাক সু-শৃংখলাবদ্ধভাৱে আগুৱাই লৈ যায়। জীৱন মৃত্যু মাথো এটি নিয়মহে। মৃত্যু কাৰো বাবে ইমান সহজ নহয়। সেয়ে দুখ আহিলেও আমি দুখৰ মাজতে সমাজ ব্যৱস্থাত আগুৱাই যাব লাগিব। প্ৰয়াত ব্যৱসায়ীজনৰ হাউলীৰ মৈৰামাৰাৰ নিজ বাসগৃহত অনুষ্ঠিত স্মৃতিগ্ৰন্থ উন্মোচন সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ভগীৰথ নাথে প্ৰয়াত গোপেশ চন্দ্ৰ দাসৰ স'তে বাল্যকালৰ জড়িত স্মৃতিৰ কথা ৰোমন্থন কৰে। ইয়াৰ উপৰিও সভাত অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাঘৱ চন্দ্ৰ দাস, হাউলী জুনিয়ৰ কলেজৰ অধ্যক্ষ অনিল চন্দ্ৰ কলিতাই তেওঁৰ স'তে সান্নিধ্য লাভ কৰাৰ কথা সুঁৱৰে। সভাত অংশগ্ৰহণ কৰা ব্যৱসায়ী অভয় বোথৰা, লক্ষীকান্ত দাস, সুষেণ পাঠকৰ লগতে বিভিন্নজনে প্ৰয়াত ব্যক্তিজনৰ কথা স্মৃতিৰোমন্থন কৰে। নাট্যকাৰ তথা অভিনেতা চম্পক কুমাৰ দাসে আঁতধৰা অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত দাসৰ প্ৰতিচ্ছবিৰ সন্মুখত ভ্ৰাতৃ বাসু দাসে বন্তি প্ৰজ্বলন কৰি প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি প্ৰদান কৰে।

## গটঙা সোণাপুৰত চিনামৰা মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ সভা



**অগ্রদূত বাৰ্তা**

**মৰিয়নি, ২১ নৱেম্বৰ ঃ** চিনামৰা মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ উদ্যোগত মৰিয়নিৰ অসম-নগালেণ্ড সীমামূৰীয়া গটঙা সোণাপুৰ প্ৰাথমিক বিদ্যালয়ত কালি এখন সভা অনুষ্ঠিত হয়। অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চলটোত মহাবিদ্যালয়খনৰ এন এছ এছ গোটৰ উদ্যোগত এক আৱাসিক শিবিৰ অনুষ্ঠিত কৰাৰ সম্পৰ্কতো সভাত আলোচনা কৰাৰ লগতে একাধিক সিদ্ধান্ত গ্ৰহণ কৰা হয়। জংঘলব্লক হাইস্কুলৰ জ্যেষ্ঠ শিক্ষক-সমাজকৰ্মী নগেন গগৈয়ে আঁত ধৰা সভাখনত চিনামৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়া, শৈক্ষিক তত্ত্বাৱধায়ক ৰঞ্জু কুমাৰ ভৰালী, এন এছ এছ গোটৰ তত্ত্বাৱধায়ক অধ্যাপক পদ্মেশ্বৰ কাটনি, জ্যেষ্ঠ অধ্যাপক তৰুণ শইকীয়া আদিয়ে শিবিৰৰ বিভিন্ন বিষয় সম্পৰ্কে আলোকপাত কৰে। উল্লেখ্য যে অহা ১৩ৰ পৰা ১৯ ডিচেম্বৰলৈকে সীমান্তৱৰ্তী অঞ্চলটোত এই শিবিৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এন এছ এছ গোট সদস্য-সদস্যাসকলে অঞ্চলটোৰ আৰ্থ-সামাজিক দিশৰ ওপৰত পৰ্যবেক্ষণ কৰাৰ লগতে অন্যান্য বিষয়ৰ ওপৰতো জৰীপ কৰিব। সন্ধিয়া অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ বাবে বিভিন্ন সাংস্কৃতিক আৰু সাহিত্যৰ অনুষ্ঠানৰ আয়োজন কৰা হ'ব। আনহতে, এন এছ এছ গোটৰ সদস্য-সদস্যাসকলে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ স'তে সামাজিক-সাংস্কৃতিক কাৰ্যসূচী বিনিময়ৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ উত্তৰণৰ প্ৰতি লক্ষ্য ৰাখি অন্যান্য বিভিন্ন কাৰ্যসূচীও গ্ৰহণ কৰিব বুলি জানিবলৈ দিছে। তদুপৰি চিনামৰা মহাবিদ্যালয় এন এছ এছ গোটৰ এই আৱাসিক শিবিৰৰ স'তে সংগতি ৰাখি অঞ্চলটোৰ ওপৰত এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰো ব্যৱস্থা কৰা হৈছে। সভাত স্থানীয় গাঁওৰক্ষী বাহিনীৰ নায়ক চিমছম মুৰ্মু, মইনা পাৰিজাতৰ সম্পাদক সোণাৰাম চুতীয়া, শিক্ষক থানেশ্বৰ বড়া, সমাজকৰ্মী আনন্দ বৰা, দেবেন গগৈ, দুলু গগৈ, বিকাশ বৰা, ৰাণু গগৈ আদিয়ে বক্তব্য ৰাখে।

## স্বচ্ছ সৰ্বেক্ষণ ঃ উত্তৰ-পূবৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিলে তেজপুৰে

**অগ্রদূত বাৰ্তা**

**তেজপুৰ, ২১ নৱেম্বৰ ঃ** দেশৰ কেন্দ্ৰীয় চৰকাৰৰ আৱাসিক আৰু নগৰ পৰিক্ৰমা মন্ত্ৰণালয়ৰ স্বচ্ছ ভাৰত অভিযান (নগৰাঞ্চল)ৰ অধীনত সম্পন্ন কৰা স্বচ্ছ সৰ্বেক্ষণ ২০১১ত উত্তৰ-পূবৰ মণ্ডলত তেজপুৰে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ডিজিটেল মাধ্যমৰ সহায়ত সম্পন্ন কৰা সৰ্বভাৰতীয় সমীক্ষাত বিভিন্ন পূৰ্ব নিৰ্ধাৰিত শ্ৰেণীৰ সহায়ত শ্ৰেষ্ঠ নগৰৰ বাবে মূল্যায়ণ কৰা হয়। উল্লেখ্য যে ৫০ হেজাৰৰ পৰা এক লাখ জনবসতিপূৰ্ণ নগৰৰ শাখাত উত্তৰ-পূবৰ ভিতৰতে তেজপুৰে শ্ৰেষ্ঠ স্বচ্ছ নগৰৰ স্থান লাভ কৰে। কালি নতুন দিল্লীৰ বিজ্ঞান ভৱনত অনুষ্ঠিত বঁটা বিতৰণ অনুষ্ঠানত ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ উপস্থিতিত এই বঁটা প্ৰদান কৰা হয়। তেজপুৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়াৰ হৈ সহকাৰী অভিযন্তা বিজিত কটকী, কনিষ্ঠ অভিযন্তা ৰন্টু হাজৰিকা আৰু নগৰ প্ৰকল্প বিষয়া অঞ্জুমা মহিলাৰিয়ে এই বঁটা গ্ৰহণ কৰে। প্ৰণিধানযোগ্য যে তেজপুৰ পৌৰসভা অঞ্চলৰ পৰা আৱৰ্জনা সংগ্ৰহৰ বাবে ইতিমধ্যেই পৌৰসভাই উদয়ন আৰু দৰ্পণ নামৰ দুটা সংস্থাক দায়িত্ব দিয়াৰ পাছত স্বচ্ছতাৰ অভিযান আৰু অধিক ত্বৰান্বিত হৈছে। শেহতীয়াকৈ বিভিন্ন অঞ্চলৰ ৰাইজে এই দুটা সংস্থাৰ কৰ্মপৰিসৰ বৃদ্ধিৰ বাবেও তেজপুৰ পৌৰসভাক আহ্বান জনাইছে। উল্লেখ্য যে পৰিষ্কাৰ চহৰ হিচাপে খ্যাত তেজপুৰৰ বাবে কালি ঘোষিত সন্মানে চহৰখনৰ বাসিন্দাসকলক উৎফুল্লিত কৰাৰ লগতে পৌৰসভাখনৰ সম্পত্তি সুৰক্ষিত তথা সংৰক্ষিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰো দাবী জনাইছে।

## শালবাৰীৰ ভূঞাপাৰাত অজগৰ উদ্ধাৰ

**অগ্রদূত বাৰ্তা**

**শালবাৰী, ২১ নৱেম্বৰ ঃ** বাগ্‌সা জিলাৰ শালবাৰীৰ ভূঞাপাৰাস্থিত এছ এছ বিৰ ২৭ বেটেলিয়নৰ ডি কোম্পানীৰ কমাণ্ডাৰ মহাবীৰ সিঙৰ নেতৃত্বত এটা দলে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৱৰ্তী ৰাজাবিল গাঁৱৰ খেতিপথাৰৰ পৰা এডাল অজগৰ সাপ উদ্ধাৰ কৰে। প্ৰায় ন ফুট দীঘল আৰু ১৩ কিলোগ্ৰাম ওজনৰ 'ইণ্ডিয়ান পাইথন' প্ৰজাতিৰ অজগৰডাল পৰৱৰ্তী সময়ত মানাহৰ ভূঞাপাৰা ৰেঞ্জৰ ৰেঞ্জাৰ কামেশ্বৰ বড়োৰ তত্ত্বাৱধানত মানাহৰ অৰণ্যত মুকলি কৰি দিয়া হয়।

# নিখিল ভাৰত সমবায় সপ্তাহৰ সামৰণি



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২১ নৱেম্বৰ ঃ** যোৰহাট মাণ্ডলিক ভিত্তিত যোৰহাট জিলাৰ সমবায়সমূহৰ উপপঞ্জীয়ক কাৰ্যালয়ৰ উদ্যোগত ইয়াৰ মহাপুৰুষ শংকৰদেৱ কলাকৃষ্টি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত ৬৮ সংখ্যক নিখিল ভাৰত সমবায় সপ্তাহৰ কালি সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। যোৰহাটস্থিত মাণ্ডলিক যুটীয়া পঞ্জীয়ক ঘন পেগুৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত লখিমী বৰুৱা, সমবায় সংগঠক ৰণজিৎ তাঁতী, সমবায় সমিতি সমূহৰ যোৰহাট কাৰ্যালয়ৰ উপ-পঞ্জীয়ক দুৰ্লভ বৰা, সহকাৰী পঞ্জীয়ক প্ৰফুল্ল ৰাজখোৱা, এপেক্স বেংকৰ যোৰহাটৰ মাণ্ডলিক প্ৰবন্ধক প্ৰকাশ শৰ্মা, এগ্ৰি এণ্টাৰপ্ৰেনিয়াৰ ৰাজেন গগৈ, সমবায়ৰ মাজুলীৰ সহকাৰী পঞ্জীয়ক দেৱপ্ৰসাদ বৰুৱা, সমবায় সপ্তাহ উদ্‌যাপন সমিতিৰ সহকাৰী সম্পাদক, কনিষ্ঠ পৰিদৰ্শক জয়ন্ত কুমাৰ চৌধুৰী, যোৰহাটৰ সমবায়সমূহৰ পৰিদৰ্শক হেমাংগ শ্যাম, মেঘালী গগৈ, গায়ত্ৰী কুৰ্মী, মৃদুপৱন দাসে বক্তব্য আগবঢ়ায়। তেওঁ সভাত গোলাঘাটৰ পৰা শদিয়ালৈকে বিভিন্ন ক্ষেত্ৰত কাম কৰি থকা ২,১২৩খন আৰু গাঁও পঞ্চায়ত ভিত্তিত পৰিচালিত হৈ থকা, চৰকাৰৰ সুলভ মূল্যৰ সামগ্ৰী যোগান ধৰি থকা ১৬৭খন সমবায় সমিতিৰ স'তে জড়িতসকলে সমবায় সপ্তাহৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। উল্লেখ্য যে কেৱল যোৰহাটতে বৰ্তমান পৰিচালিত হৈ আছে ৫৫৫খন ১৩ পৃষ্ঠাত চাওক

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকক বিদায় সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ২১ নৱেম্বৰ ঃ** ছিপাঝাৰ প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত খাৰখোৱাপাৰা প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰধান শিক্ষক পদ্মধৰ ডেকাক কালি সম্বৰ্ধনা জ্ঞাপন কৰা হয়। দেওমৰনৈ প্ৰাথমিক শিক্ষক কেন্দ্ৰই পাতিদৰং নৱজ্যোতি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত কৰা এখন সভাত এই বিদায় সম্বৰ্ধনা জনোৱা হয়। কেন্দ্ৰৰ সভাপতি গোবিন্দ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অৱসৰপ্ৰাপ্ত ১৩ পৃষ্ঠাত চাওক

# জাতিধ্বংসী 'কা' বাতিল নোহোৱালৈকে আন্দোলন গঢ়ি তোলা হ'ব'

## ■ বীৰ লাচিত সেনাৰ যোগদান অনুষ্ঠানত শৃংখল চলিহা

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ২১ নৱেম্বৰ ঃ** অসম আৰু অসমীয়াৰ ত্যাগ আৰু অনুভূতিক মৰ্যাদা প্ৰদান নকৰা বিজেপিৰ তথাকথিত ভণ্ড নেতাৰ স্বাৰ্থৰ বাবে বলপূৰ্বকভাৱে জাপি দিয়া 'নাগৰিকত্ব সংশোধনী আইন-২০১৯' বাতিল নোহোৱালৈকে পুনৰ সংগঠিত ৰূপত দৃঢ়তাৰে 'কা' বিৰোধী আন্দোলন গঢ়ি তোলা হ'ব। আজি নাজিৰা নাট্য মন্দিৰত বীৰ লাচিত সেনা, অসম'ৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আয়োজিত যোগদান অনুষ্ঠানত



এইদৰে হুংকাৰ দিয়ে শৃংখল চলিহাই। সংগঠনটোৰ জিলা সমিতিৰ সভাপতি অংকুৰ গগৈৰ সভাপতিত্বত আৰু ভাৰপ্ৰাপ্ত সম্পাদক অনুপম সন্দিকৈয়ে আঁতধৰা ১৩ পৃষ্ঠাত চাওক

## ■ উচিত মূল্যৰ দাবী বঞ্চিতৰ ■ উৎপাদিত ব্যয়তকৈ বজাৰ মূল্য হ্ৰাস

# ধানৰ উপযুক্ত মূল্য নোপোৱাত কৃষকৰ হাহাকাৰ




*লখিমপুৰত এআইটিইউচিৰ প্ৰথম ত্ৰি-বাৰ্ষিক অধিৱেশন উপলক্ষে উলিওৱা পদযাত্ৰা, দেওবাৰে।*

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২১ নৱেম্বৰ ঃ** ৰাজ্যৰ ভিতৰতে সৰ্বাধিক ধান উৎপাদনেৰে অভিলেখ সৃষ্টি কৰা হোজাই জিলাত উৎপাদিত ধানৰ উপযুক্ত মূল্যৰ পৰা বঞ্চিত হ'ব লগা হৈছে ইয়াৰ কৃষক ৰাইজে। মূৰৰ ঘাম মাটিত পেলাই অতি কষ্টেৰে খেতি কৰি বৰ্তমান ধান চপাই আনি নিম্নতম সমৰ্থন মূল্য লাভ নকৰাত কৃষকৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ৰাজ্যৰ সৰ্বাধিক ধান উৎপাদনৰ ভঁৰাল বুলি খ্যাত হোজাই জিলাত চলিত বছৰটোত হাড় ভঙা পৰিশ্ৰমেৰে কৃষি কৰ্ম কৰি কৃষকে ব্যাপক হাৰত লোকচানৰ সন্মুখীন হোৱা পৰিস্থিতিৰ উদ্ভৱ হৈছে। জিলাখনৰ কৃষক ৰাইজৰ অভিযোগ, চলিত বছৰত ধানৰ উৎপাদিত খৰচতকৈ ধানৰ বজাৰ মূল্য কম। অৰ্থাৎ ধানৰ বিক্ৰী কৰা মূল্যতকৈ ধান উৎপাদনৰ খৰচ বহু পৰিমাণে বেছি। কৃষক ৰাইজৰ অভিযোগ অনুসৰি, চলিত বছৰটোত বিঘাই প্ৰতি খৰচ হৈছিল হাল বোৱা ১৫০০ টকা, কঠীয়া ৰোপণ ১২শ টকা, সাৰ দিয়া ১৫শ টকা, শস্য চপোৱা ১৫শ টকা আৰু মৰণা মৰা ৩৫০ টকা। সৰ্বমুঠ বিঘাই প্ৰতি ছয়হেজাৰ টকা ব্যয় কৰি ধান লাভ কৰিছে ১৫ৰ পৰা ১৮ মোন পৰ্যন্ত। বৰ্তমান ধানৰ বজাৰমূল্য হৈছে মোনে প্ৰতি ৩৩০ টকাৰ পৰা ৩৬০ টকা। সেই হিচাপত কৃষকে অতি কষ্টেৰে ধান খেতি কৰি বৃহৎ লোকচানৰ সন্মুখীন হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বেংকৰ পৰা ঋণ লৈ খেতি কৰা কৃষকে চকুৰে সৰিয়হ ফুল দেখাৰ অৱস্থা হৈছে। ধানৰ উৎপাদিত খৰচতকৈ ধানৰ বজাৰ মূল্য কম হোৱাত চৰম দুৰ্যোগৰ সন্মুখীন হৈছে হোজাই জিলাৰ কৃষক ৰাইজ। বজাৰত ধান বিক্ৰী কৰিবলৈ গৈ উপযুক্ত মূল্য নাপাই হতাশ হৈ ঘৰলৈ উভতিব লগা হৈছে ঋণগ্ৰস্ত কৃষক। বৰ্তমান চৰকাৰে ধানৰ নিম্নতম সমৰ্থন মূল্য ঘোষণা নকৰাত একাংশ ক'লা বেপাৰীয়ে সুবিধা গ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত চৰকাৰ তথা বিভাগে অতি শীঘ্ৰে কৃষকৰ উৎপাদিত ধানৰ উচিত মূল্য নিৰূপণৰ দাবী জনাইছে জিলাখনৰ কৃষক সংগঠনসমূহে।

# ছয়গাঁৱৰ লুটুমাপাৰাত বড়ো ৰাজহুৱা সভাঘৰৰ আধাৰশিলা স্থাপন




**ছয়গাঁও, ২১ নৱেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ চৌধুৰীপাৰা লুটুমাপাৰাত কালি এটা ৰাজহুৱা সভাগৃহৰ আধাৰশিলা স্থাপন কৰা হয়। বড়ো-কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ গাম্বৰু মুছাহাৰীয়ে আধাৰশিলা স্থাপন কৰা সভাত সন্মিলিত বড়ো গণ মঞ্চৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ কে'বাগৰাকীও নেতা-কৰ্মী উপস্থিত থাকে। প্ৰায় পাঁচ লাখ টকা ব্যয় সাপেক্ষে বড়ো সভাগৃহটোৰ কাম হাতত লৈছে যদিও আকৌ ধনৰ আৱশ্যক হ'লে পৰিষদে দিয়া কথা ঘোষণা কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানত কাৰ্যবাহী সদস্য দশৰথ বড়ো, ৰূপেশ্বৰ বড়ো, ৰীণা গয়াৰী, বিপুল কছাৰী, ৰহেশ্বৰ দৈমাৰী, দেৱজিৎ বড়ো, সুকুমাৰ বড়ো প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# জাঁজীমুখত পৰিভ্ৰমী চৰাই নিধন

**অগ্ৰদূত বাৰ্তা**

**কাকজান, ২১ নৱেম্বৰ ঃ** শীতৰ আগমনৰ লগে লগে ব্ৰহ্মপুত্ৰ আৰ্দ্ৰভূমি জলাশয়সমূহত বিভিন্ন প্ৰজাতিৰ পক্ষী বিচৰণ কৰা পৰিলক্ষিত হৈছে। বিশেষকৈ টীয়ক ৰাজহ চক্ৰৰ অন্তৰ্গত জাঁজীমুখ, শগুনৰ পৰা লুইতপৰীয়াৰ লগতে কেন্দুগুৰি অৰুণামুখ দীঘলীবিল ঔগুৰি, কেন্দুগুৰি আদি বৃহৎ পথাৰসমূহৰ জলাশয়সমূহত সম্প্ৰতি শৰালিহাঁহ, শামুকভঙা, কামচৰাই ৰাজহাঁহৰ আগমন ঘটাৰ লগতে এচাম দুষ্কৃতিকাৰীয়ে মাৰিবলৈ ফান্দ পতা বিষয়ে প্ৰকৃতিপ্ৰেমী লোকে জানিবলৈ দিছে। ইতিমধ্যে বন বিভাগৰ লোকৰ যোৱাৰ আগতেই পুৱতি নিশা চৰাইসমূহ ধৰি নিয়ে। সেয়ে অনতিপলমে এনে লোকক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ ৰাইজে প্ৰশাসনক দাবী জনাইছে।

# মানাহত বড়োলেণ্ড টুৰিজিম ডেভেলপমেণ্ট ছ'চাইটিৰ নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২১ নৱেম্বৰ ঃ** বড়োলেণ্ড টুৰিজিম ডেভেলপমেণ্ট ছ'চাইটি চমুকৈ বিটিডিচি এছৰ নতুন সমিতি গঠন কৰাৰ উদ্দেশ্যেৰে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সমীপত অৱস্থিত ফ্ল'ৰিকান কটেজত যোৱা কালি ১৯ নৱেম্বৰত এখন সভা অনুষ্ঠিত হয়। বিটিচি অঞ্চলৰ পৰ্যটন ক্ষেত্ৰখনৰ সৰ্বাংগীণ উন্নতি কৰাই আছিল সভাখনৰ মূল উদ্দেশ্য। সভাত উপস্থিত থাকে বিটিচিৰ পৰ্যটন বিভাগৰ মুৰব্বী তথা সঞ্চালক মৈত্ৰেয়ী দাস, অৱসৰপ্ৰাপ্ত বন বিষয়া চি আৰ ভোবৰাৰ লগতে বিটিচিৰ পৰ্যটন ক্ষেত্ৰৰ লগত জড়িত ষ্টেকহ'ল্ডাৰসকল। উদয় স্বৰ্গীয়াৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত চি এছ ভোবৰাই কয় যে পৰ্যটন আৰু বন বিভাগৰ এটা ওতঃপ্ৰোত সম্পৰ্ক আছে। ঈশ্বৰে অসমখন সাংঘাতিক আশীৰ্বাদেৰে ওপচাই ৰাখিছে। এই আশীৰ্বাদক আমি সঠিক পথেৰে লৈ গৈ পৰ্যটন ক্ষেত্ৰখন টনকিয়াল কৰি তুলিব পাৰো। বন-জংঘল আৰু বন্যপ্ৰাণীসমূহক সুৰক্ষা দিহে পৰ্যটন কৰিব লাগে বুলি ভোবৰাই উপদেশ দিয়ে। লগতে বিশিষ্ট প্ৰকৃতি সংৰক্ষক তথা বন-বিষয়া ধৰণীধৰ বড়োৱে পৰ্যটনক বৰ্তমান সময়ত অতি দ্ৰুত গতিত গঢ় লোৱা উদ্যোগ বুলি উল্লেখ কৰে। যমদুৱাৰৰ পৰা ভৈৰৱকুণ্ডলৈ সমগ্ৰ বিটিচি অঞ্চলত পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা আছে। গতিকে এই সম্ভাৱনীয়তাক পৰ্যটন উদ্যোগলৈ ৰূপান্তৰিত কৰিব লাগে বুলিও মন্তব্য কৰে বন-বিষয়াজনে। সভাত উৎপল শইকীয়াৰ লগতে মানাহৰ ১৩ পৃষ্ঠাত চাওক

# জটিল ৰোগত আক্ৰান্ত এটি আঢ়ৈ বছৰীয়া শিশু ঃ পৰিয়ালৰ সাহায্যৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২১ নৱেম্বৰ ঃ** বাগ্‌সা জিলাৰ এটি ফুলকুমলীয়া শিশু জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাৰ অভাৱত মৃত্যুৰ ক্ষণ গণিছে। ৰিয়ান কলিতা নামৰ আঢ়ৈ বছৰীয়া শিশুটোৰ এতিয়া নাজল-নাথল অৱস্থা। প্ৰথমতে ব্যক্তিগত চিকিৎসা আৰু পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসা কৰা হয় শিশুটোক। ইতিমধ্যে ঘৰৰ সা-সম্পত্তি বিক্ৰী কৰি শিশুটোৰ চিকিৎসাৰ বাবে প্ৰায় তিনি লক্ষাধিক টকা খৰচ কৰি এটা অস্ত্ৰোপচাৰ কৰিছে যদিও আৰু দুটা অস্ত্ৰোপচাৰ বাকী থকা বুলি জনাইছে চিকিৎসকে। শিশুটোৰ বাকী দুটা অস্ত্ৰোপচাৰ কৰিব লাগিলে প্ৰায় পাঁচ লক্ষাধিক টকাৰ প্ৰয়োজন হ'ব। মাক-দেউতাক দুয়ো দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰা পৰিয়ালটোৱে এতিয়া আৰ্থিক দুৰৱস্থাৰ বাবে শিশুটোৰ চিকিৎসা কৰাৰ পৰা থমকি ৰ'ব লগা হৈছে। শিশুটোৱে শৌচদ্বাৰৰ জটিল ৰোগত আক্ৰান্ত হৈ এতিয়া টকাৰ অভাৱত বিনা চিকিৎসাই ১৩ পৃষ্ঠাত চাওক

# স্মৃতিগ্ৰন্থৰ সমকালীন সাহিত্যই মৃত ব্যক্তিক সমাজত অমৰ কৰে

## ■ মৰিগাঁৱত শিল্পী-সমাজকৰ্মী-ক্ৰীড়া সংগঠক ৰঞ্জন গোহাঁইৰ স্মৰণত 'মহীৰূহ' উন্মোচন, স্মৃতিচাৰণ অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২১ নৱেম্বৰ ঃ** 'একোখন স্মৃতিগ্ৰন্থৰ সমকালীন সাহিত্যই একো গৰাকী মৃত ব্যক্তিক সমাজত অমৰ কৰি ৰাখিব পাৰে। এনে প্ৰয়াস আৰু প্ৰচেষ্টাই তেওঁৰ কৰ্মক জনমানসত জীয়াই ৰাখিব পাৰে। এয়া এক মহৎ প্ৰয়াস।' এই বক্তব্য মৰিগাঁৱৰ জ্যেষ্ঠ সাংবাদিক তথা মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকাৰ। যোৱা সাত নৱেম্বৰত অকালতে মৃত্যুক সাবটি লোৱা মৰিগাঁৱৰ বিশিষ্ট সমাজকৰ্মী, শিল্পী, সাংস্কৃতিক কৰ্মী তথা ক্ৰীড়া সংগঠক ৰঞ্জন গোহাঁইৰ স্মৰণত মানস পাটৰে সম্পাদনা কৰা স্মাৰকগ্ৰন্থ 'মহীৰূহ' উন্মোচন কৰি সভাপতি হাজৰিকাই এই মন্তব্য আগবঢ়াই। প্ৰয়াত গোহাঁইৰ মৰিগাঁৱৰ বাসগৃহত আদ্যশ্ৰাদ্ধৰ লগত বিশেষভাৱে সংগতি ৰাখি



কালি আয়োজন কৰা স্মৃতিচাৰণ সভাখনত সভাপতিত্ব কৰে জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই। স্মৃতিচাৰণ অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশ লৈ জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মাই ৰঞ্জন গোহাঁইৰ বহুমুখী প্ৰতিভা আৰু কৰ্মময় জীৱন আলোকপাত কৰে। উক্ত অনুষ্ঠানত মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক পিনাকী ভূষণ মহন্ত আৰু জনজাতি কৰ্মচাৰী সন্থাৰ সভাপতি লক্ষেশ্বৰ বৰদলৈৰ লগতে ক্ৰীড়া সংগঠক নিপুণ বৰাই ৰঞ্জন গোহাঁইৰ সান্নিধ্য স্মৃতি ৰোমন্থন কৰে। স্মাৰকগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি স্মৃতিৰেখা গোহাঁই আৰু সম্পাদক মানস পাটৰে আঁত ধৰা অনুষ্ঠানটোত ৰঞ্জন গোহাঁইৰ পুত্ৰ অৰিন্দম গোহাঁইকে ধৰি কে'বাজনো বিশিষ্ট লোকে ভাষণ প্ৰদান কৰে। সভাখনত প্ৰয়াত গোহাঁইৰ পত্নী ৰুলী গোহাঁই, সাহিত্যিক চন্দ্ৰলেখা লাহন, সাংবাদিক ৰিতুমণি মহন্ত, কবি ঋতুৰাজ গোস্বামী লগতে মৰিগাঁও চহৰৰ ভালেকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ নেতৃত্বই অংশগ্ৰহণ কৰে।

# মটৰ চাইকেল সহ দুই চোৰক কৰায়ত্ত

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ নৱেম্বৰ ঃ** শিৱসাগৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত কোঁৱৰপুৰৰ ৰাস মহোৎসৱ স্থলীৰ পৰা নিশা চুৰি হোৱা এখন মটৰ চাইকেল ডেৰ ঘণ্টাৰ ভিতৰতেই সদৰ আৰক্ষীৰ এটা দলে উদ্ধাৰ কৰাৰ লগতে চোৰক গ্ৰেপ্তাৰ কৰে। এই গভাইত চোৰ দুজন টেপৰতল গোহাঁই গাঁৱৰ নিবাসী বিকি বৰুৱা আৰু একেখন গাঁৱৰে মৃণাল বৰুৱা।

# যুৱক সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২১ নৱেম্বৰ ঃ** গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত চাৰিং দুলীয়া গাঁৱৰ নিবাসী গোপীনাথ দত্তৰ পুত্ৰ হৰিনাৰায়ণ দত্ত (৩৫) নামৰ এজন যুৱক যোৱা ১৭ নৱেম্বৰৰ পৰা সন্ধানহীন হৈ আছে। অমায়িক, সহজ-সৰল যুৱকজন ঘটনাৰ দিনা ঘৰৰ পৰা ওলাই যোৱাৰ পাছৰে পাৰ ঘূৰি নহাত পৰিয়ালটোৱে দিনে-নিশাই মৰ্মান্তিক শোকত ভাগি পৰিছে। গৌৰাসাগৰ আৰক্ষী থানাত যুৱকজন সন্ধানহীন হোৱাৰ অভিযোগ পৰিয়ালে দাখিল কৰিছে যদিও যোৱা চাৰি দিনে যুৱকজনৰ সন্ধান লাভ কৰা নাই। প্ৰায় ছয় ফুট উচ্চতাৰ মাগুৰ বৰণীয়া যুৱকজনৰ সন্ধান কোনো সদাশয় ব্যক্তিয়ে লাভ কৰিলে ৭০০২৮০৮৪৬৮ নম্বৰৰ ফোনত যোগাযোগ কৰিবলৈ শোকাকুল পৰিয়ালটোৱে আহ্বান জনাইছে।


# বাঘজাপ আঞ্চলিক ৰাসোৎসৱৰ মহাৰজত জয়ন্তী উদ্‌যাপন

## ■ স্মৃতিগ্ৰন্থ 'অনংগ মুৰাৰি' উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ২১ নৱেম্বৰ ঃ** পাঁচদিনীয়া কাৰ্যসূচীৰে জাগীৰোডৰ বাঘজাপত অনুষ্ঠিত হৈ থকা ঐতিহ্যমণ্ডিত ৰাসোৎসৱৰ মহাৰজত জয়ন্তী উৎসৱৰ আজি সামৰণি পৰে। বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত মহাৰজত জয়ন্তী অনুষ্ঠানত কালি সমিতিৰ কাৰ্যকৰী সভাপতি যতীন শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত হয় মুকলি সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠান। অসম ৰাজ্যিক বিশ্ব হিন্দু মহাসংঘৰ সম্পাদক প্ৰধান বলেন বৈশ্য, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি উৎপল শৰ্মা, জাগী ভকতগাঁও শাখা সাহিত্য সভাৰ সভাপতি হীৰেন শৰ্মা, জাগীৰোড সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° খগেন শৰ্মা প্ৰমুখ্যে কে'বাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত উক্ত সভাখনত অসম সত্ৰ মহাসভাৰ সম্পাদক প্ৰধান কুসুম মহন্তই ৰাসোৎসৱৰ তাৎপৰ্য ব্যাখ্যা আগবঢ়ায়। উক্ত সভাতে জয়ন্ত সাগৰ শইকীয়া সম্পাদিত স্মৃতিগ্ৰন্থ 'অনংগ মুৰাৰি' উন্মোচন কৰে। তদুপৰি উদ্‌যাপন সমিতিৰ সদস্য ডাঃ উৎপল শৰ্মাই আঁতধৰা আৰু মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক হেমৰাজ শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰা এই সভাত বাঘজাপ অঞ্চলৰ ভক্তিপ্ৰাণ লোকসকলে অংশগ্ৰহণ কৰি সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখ্য যে মহাৰজত জয়ন্তী উপলক্ষে বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়।

# বাগ্‌সাৰ বাৰাপেটাত অসম দৰ্শন আঁচনিৰ অধীনত নিৰ্মিত নামঘৰৰ উদ্বোধন



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২১ নৱেম্বৰ ঃ** বাগ্‌সাৰ খাৰিজা বিজনীৰ বাৰাপেটা হাতীদলত আজি নৱনিৰ্মিত ফেহু ৰাজা নামঘৰৰ উদ্বোধন কৰে বিটিচিৰ কাৰ্যবাহী সদস্য গৌতম দাসে। মুখ্যমন্ত্ৰীৰ অসম দৰ্শন আঁচনিৰ অধীনত আঢ়ৈ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে নামঘৰটো। আজি খোল তাল বজাই ধৰ্মীয় ৰীতি-নীতিৰে উদ্বোধন কৰা হয় নামঘৰটো। নামঘৰটোৰ মুখ্যদ্বাৰ ১৩ পৃষ্ঠাত চাওক

# বাঢ়ন্তী ভাঠিপাৰা বকুল সংঘৰ ৰাস মহোৎসৱৰ সামৰণি

**ছয়গাঁও, ২১ নৱেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ বাঢ়ন্তী ভাঠিপাৰা গাঁৱত বকুল সংঘৰ সৌজন্যত বিগত অনুষ্ঠিত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ যোৱা নিশা সামৰণি পৰে। ১১ সংখ্যক বৰ্ষত প্ৰদাৰ্পণ কৰা এই ৰাস মহোৎসৱত নিশা মুখ্য অতিথিৰূপে উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হিৰণ্য দাসে। বিধায়ক ঠাকুৰীয়াই বাঢ়ন্তীৰ ৰাস মহোৎসৱ দেখি অভিভূত হৈ শৈশৱলৈ মনত পৰাৰ কথা অৱগত কৰে। অনাগত দিনত কৰ'না অতিমাৰী পৃথিৱীৰ পৰা ধ্বংস হৈ গৈ যাতে সুন্দৰকৈ ৰাস, দুৰ্গা পূজা, উৎসৱ আদি অনুষ্ঠিত কৰিব পাৰি তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। মহন্তই আঁতধৰা অনুষ্ঠানটোত ৰাইজ গয়ৰহৰ সভাপতি নাৰায়ণ দাস, গাঁওবুঢ়া বিপুল চৌধুৰী আৰু কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৰাস মহোৎসৱৰ মৃন্ময় মূৰ্তিৰ শিল্পী প্ৰণৱ মজুমদাৰ, ভূষণ মেধি আৰু সদানন্দ দাসক সভাত সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ উপৰি নিশা আয়তীৰ নাম-প্ৰসংগ, ছয়গাঁৱৰ চৌতালী ভোৰ তাল নৃত্য প্ৰদৰ্শন কৰা হয়। সভাখনৰ প্ৰাঞ্জল মহন্ত আৰু নৃপণ দাসে আঁত ধৰে।

# দুষ্কৃতিকাৰীক বিচাৰি বন বিভাগৰ টহল

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ বৃহত্তম চিতলীয়া পথাৰত অবাধ হাৰত পক্ষী নিধনৰ বাতৰি 'দৈনিক অগ্ৰদূত'ত প্ৰকাশ পোৱাৰ পাছতে জিলা বন সংমণ্ডলৰ বিষয়ববীয়াই দুষ্কৃতিকাৰীক বিচাৰি অঞ্চলটোত নিয়মীয়াকৈ টহল দিবলৈ আৰম্ভ কৰিছে। অৱশ্যে এতিয়ালৈকে কোনো দুষ্কৃতিকাৰীক কৰায়ত্ত কৰিবলৈ বন বিভাগ সক্ষম হোৱা নাই। উল্লেখ্য যে বন বিভাগে টহল দিয়াৰ কথা জানিব পাৰি দুষ্কৃতিকাৰীসকলে দুষ্কাৰ্য কৰাৰ পৰা বিৰত আছে।

# ভবানীপুৰত চুৰি সামগ্ৰীৰ লগতে দুই গভাইত চোৰ গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২১ নৱেম্বৰ ঃ** যোৱা ১১ নৱেম্বৰত ৰাজাঘাট আঞ্চলিক হাইস্কুলৰ পৰা চুৰি হোৱা বৃহৎ পৰিমাণৰ সামগ্ৰী অৱশেষত উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে ভবানীপুৰ আৰক্ষী। ভবানীপুৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দীপক বৰগয়াৰীৰ নেতৃত্বত আৰক্ষীৰ এটা দলে বিশেষ সূত্ৰৰ পম খেদি বৰপেটাৰ শিমলাগুৰীত বৰপেটাৰোড আৰক্ষীৰ আৰক্ষী বিষয়া অভিজিত বৰুৱাৰ সহযোগত চুৰি হোৱা সামগ্ৰীসমূহৰ লগতে এ এছ-১২ এ চি-১৬১৩ নম্বৰৰ এখন বলেৰো পিকআপ ভানৰ স'তে দুই গভাইত চোৰক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা দুই চোৰ ক্ৰমে কয়াকুছি পামৰ বাবুল হুছেইন আৰু এজন তামুলপুৰৰ ফজিজুল খান। ধৃত দুই চোৰৰ পৰা আৰক্ষীয়ে চাৰিটা মনিটৰ, চাৰিটা চি পি ইউ, চাৰিটা ইউ পি এছ আৰু কিবোৰ্ড উদ্ধাৰ কৰিবলৈ সক্ষম হয়। লগতে দুই চোৰক আৰক্ষীয়ে জেৰা চলাই চুৰিৰ নায়ক বাবুল হুছেইনে দিয়া স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে পুনৰ বৰপেটাৰ কয়াকুছি পামৰ পৰা এটি চুৰি জেনেৰেটৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে দীৰ্ঘদিনৰ পৰাই চোৰ দুজনে ভবানীপুৰ অঞ্চলৰ লগতে ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত চুৰি কাৰ্য সংঘটিত কৰি আহিছিল। আজি চুৰি সামগ্ৰীসমূহ বিক্ৰী কৰাৰ উদ্দেশ্যে বৰপেটাৰোডলৈ আনি থকা অৱস্থাতে আৰক্ষীয়ে দুয়োকে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

# হাজোৰ বামুন্দীত অসম কবি সমাজৰ ৩০ সংখ্যক মধ্যকালীন অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২১ নৱেম্বৰ ঃ** সাম্প্ৰতিক সময়ত ৰাজ্যখনৰ অনেক সংখ্যক কবি, সাহিত্যিক, প্ৰৱন্ধকাৰ, গল্পকাৰ, ঔপন্যাসিকে নিজৰ চিন্তাশৈলীৰ ৰচনাৰাজি প্ৰকাশ কৰি অসমীয়া সাহিত্যক জীপাল কৰি আহিছে। তেনে সময়ত আকৌ তেওঁলোকৰ দ্বাৰা ৰচিত আৰু প্ৰকাশিত গ্ৰন্থসমূহৰ অধিক সংখ্যকে পঢ়ুৱৈ সমাজৰ অমনোযোগিতাত ৰৈ থাকে, নিজ গৃহতে উঁইপোকে খাই নষ্ট কৰাৰ উপক্ৰম হয়।



এয়া অকল লেখকসকলৰ বাবে দুৰ্দিন হিচাপে চিহ্নিত হোৱা নাই, অসমীয়া ভাষা-সাহিত্যৰ বাবে এক দুৰ্দিন বুলি ক'ব পৰা যায়। কিন্তু লেখকসকল ৰৈ থাকিব নেলাগে। কৰ্মই হৈছে ধৰ্ম, যিদৰে কৰ্ম কৰিলেহে জীৱন আৰু জীৱিকাৰ এক উপায় পোৱা যাব, সেইদৰে লেখকসকলেও নিজৰ প্ৰকাশিত গ্ৰন্থসমূহ ভবা ধৰণে বিক্ৰী নহ'লেও অথবা পঢ়ুৱৈ সমাজে আশা কৰা ধৰণে আকোৱালি নললেও, আঁকোৱালি লোৱাসকলৰ বাবে হ'লেও গ্ৰন্থ ৰচনা কৰি নিজ কৰ্তব্য সম্পাদন কৰিব লাগিব। এই বক্তব্য বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়োৰ। বামুন্দী কবি সমাজৰ সৌজন্যত বামুন্দী তৰুণ সংঘ আৰু পুথিভঁৰাল প্ৰেক্ষাগৃহত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে আজি অনুষ্ঠিত অসম কবি সমাজৰ ৩০ সংখ্যক মধ্যকালীন অধিবেশন উপলক্ষে আয়োজিত কবি সন্মিলন উদ্বোধন কৰি তেওঁ ১৩ পৃষ্ঠাত চাওক

# ছয়গাঁও শিল্পী সমাজৰ উদ্যোগত 'ৰূপালীম' মহড়ত

**ছয়গাঁও, ২১ নৱেম্বৰ ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী নাটক 'ৰূপালীম'ৰ যোৱা ১৯ নৱেম্বৰৰ নিশা




ছয়গাঁও টাউনত শুভ মহড়ত সম্পন্ন হয়। কৰ'না মহামাৰীৰ পাছত ছয়গাঁও অঞ্চলত এনেদৰে দীৰ্ঘ বিৰতিৰ অন্ততঃ নাটক কৰিব ওলোৱাত ছয়গাঁও শিল্পী সমাজক প্ৰশংসা কৰে অনুষ্ঠানত উপস্থিত ব্যক্তিসকলে। 'ছয়গাঁও শিল্পী সমাজে' অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত এই সংকটৰ সময়তো ছয়গাঁৱৰ ৰাইজক এখন ভাল নাটক উপহাৰ দিয়াৰ বাবে ওলাই অহাত পৰিচালক অমূল্য কুমাৰে শিল্পী সমাজক ধন্যবাদ জ্ঞাপন কৰে। ছয়গাঁও শিল্পী সমাজৰ সভাপতি কামেশ্বৰ ১৩ পৃষ্ঠাত চাওক

বঙাইগাঁও
কেবিনেট বৈঠক
গণ সংযোগ

সত্যমেব জয়তে
অসম চৰকাৰ

75 Azadi Ka Amrit Mahotsav

## কাৰ্যদক্ষতা আৰু উৎপাদনশীলতা বৃদ্ধিৰ প্ৰয়াসেৰে

# তৃণমূল পৰ্যায়ৰ পৰা অসমৰ সবলীকৰণ

- মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগ।
- জিলা আৰু মহকুমা সমূহত মাননীয় কেবিনেট মন্ত্ৰীসকলৰ ক্ষেত্ৰ পৰিদৰ্শন।
- ২৪.১১.২০২১ তাৰিখে বঙাইগাঁৱত কেবিনেট বৈঠক।



ডঃ হিমন্ত বিশ্ব শৰ্মা
*মুখ্যমন্ত্ৰী, অসম*

## পৰ্যালোচনা কৰিবলগীয়া ক্ষেত্ৰসমূহ

**যাত্ৰাৰ আৰম্ভণিতে**

- অংগনবাদী কেন্দ্ৰ
- চিকিৎসালয় যেনে সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ইত্যাদি
- জল জীৱন মিছন আঁচনিসমূহ
- প্ৰাথমিক বিদ্যালয়সমূহ
- প্ৰতিষেধক কেন্দ্ৰসমূহ
- অন্যান্য গুৰুত্বপূৰ্ণ বিষয়ৰ **তদাৰক**

**উভতনি যাত্ৰাত**

- অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে
- বিধৱা পেঞ্চন আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে
- বৃদ্ধ পেঞ্চন আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে
- কভিড সাহায্য আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে
- অটল অমৃত অভিযান আৰু প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ হিতাধিকাৰীসকলৰ সৈতে **মত বিনিময়**

## মাননীয় কেবিনেট মন্ত্ৰীসকলৰ ভ্ৰমণৰ সবিশেষ

| মন্ত্ৰীৰ নাম | যাত্ৰাৰ আৰম্ভণিতে | উভতনি যাত্ৰাত |
|---|---|---|
| শ্ৰী ৰণজিৎ কুমাৰ দাস | বাক্সা | গোৱালপাৰা |
| শ্ৰী অতুল বৰা | বঢ়িয়া | উত্তৰ শালমাৰা |
| শ্ৰী উৰ্খাউ গৌৰা ব্ৰহ্ম | বজালী | বিজনী |
| শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী | বৰপেটা | চিৰাং |
| শ্ৰী পৰিমল শুক্লবৈদ্য | চিৰাং | বঢ়িয়া |
| শ্ৰী কেশৱ মহন্ত | গোৱালপাৰা | বজালী |
| শ্ৰী ৰণোজ পেগু | শালবাৰী | বৰপেটা |
| শ্ৰী যোগেন মহন | বিজনী | শালবাৰী |
| শ্ৰী সঞ্জয় কিষাণ | বিলাসীপাৰা | তামুলপুৰ |
| শ্ৰীমতী অজন্তা নেওগ | কামৰূপ | নলবাৰী |
| শ্ৰী পীযুষ হাজৰিকা | দক্ষিণ কামৰূপ | বাক্সা |
| শ্ৰী বিমল বৰা | তামুলপুৰ | বিলাসীপাৰা |

জনসংযোগ/ডি/১১৭৭/২১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ দ্বাৰা প্ৰকাশিত

অনুসৰণ কৰক @diprassam dipr.assam.gov.in








# তৃতীয় টি-২০ত জয়লাভ কৰি শৃংখলা ৩-০ত লাভ ভাৰতৰ

**কলকাতা, ২১ নৱেম্বৰ ঃ** ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচতো 73 ৰাণত জয়ী হৈ 3-0 ত শৃংখলা লাভ কৰিছে। আজি কলকাতাৰ ইডেন গাৰ্ডেনত অনুষ্ঠিত হোৱা মেচত পোনতে বেটিং কৰি ভাৰতে ৰোহিত শৰ্মাৰ 56, ইযান কিষানৰ 29 আৰু দীপক চাহাৰৰ 21 ৰাণৰ সহায়ত সাত উইকেটত 184 ৰাণ কৰে। নিউজিলেণ্ডৰ হৈ ছান্টনাৰে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত, নিউজিলেণ্ডে 17.2 অভাৰত 111 ৰাণত ইনিংছ সামৰে। গুপটিলে সৰ্বাধিক 51 ৰাণ কৰাৰ বিপৰীতে ভাৰতৰ অক্ষৰ পেটেলে তিনিটা আৰু হাৰ্ষল পেটেলে দুটা উইকেট পায়। উল্লেখ্য যে ভাৰতে প্ৰথম আৰু দ্বিতীয় মেচত জয় অৰ্জন কৰাৰ পাছত আজিৰ মেচ শৃংখলাৰ দৃষ্টিৰে গুৰুত্বহীন আছিল। উল্লেখ্য যে ভাৰতে প্ৰথমখন টি-20 মেচত নিউজিলেণ্ডক পাঁচ উইকেটত পৰাস্ত কৰি তিনিখনীয়া টি-20 শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছিল। জয়পুৰত অনুষ্ঠিত হোৱা তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথম মেচত পোনতে বেটিং কৰি নিউজিলেণ্ডে ছয় উইকেটত 164 ৰাণ কৰে। প্ৰত্যুত্তৰত ভাৰতে দুটা বল বাকী থাকোতে পাঁচ উইকেটত 166 ৰাণ কৰি জয় অৰ্জন কৰে। ভাৰতৰ হৈ সূৰ্যকুমাৰ যাদৱে 62 আৰু ৰোহিত শৰ্মাই 48 ৰাণ কৰে। আনহাতে, দ্বিতীয় টি-20 মেচত নিউজিলেণ্ডক সাত উইকেটত পৰাস্ত কৰি তিনিখনীয়া টি-20 শৃংখলা দখল কৰে ভাৰতে। পুনৰ পোনতে বেটিং কৰা নিউজিলেণ্ডে ছয় উইকেটত 153 ৰাণ কৰে। প্ৰত্যুত্তৰত ভাৰতে 17.2 অভাৰত তিনি উইকেটত 155 ৰাণ কৰি সাত উইকেটত জয় অৰ্জন কৰে। অপেনিঙত শতকীয় যুটি কৰে ৰোহিত শৰ্মা (55 ৰাণ) আৰু লোকেছ ৰাহুলে (65 ৰাণ)। উল্লেখ্য যে এই শৃংখলাত নতুন প্ৰশিক্ষক আৰু নতুন অধিনায়কৰে খেলিছে টীম ইণ্ডিয়াই। ৰোহিত শৰ্মা দলৰ নতুন অধিনায়ক হোৱাৰ লগতে এই শৃংখলাৰ পৰাই ৰাহুল দ্ৰাৱিড়ে প্ৰশিক্ষকৰ দয়িত্ব লৈছে ভাৰতীয় দলৰ। আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটত ব্যৰ্থ হোৱাৰ পাছত ঘৰত নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলা ভাৰতীয় দলৰ বাবে আত্মবিশ্বাস ঘুৰাই অনাৰ সুযোগ। ভাৰতে প্ৰত্যাশিত সফলতা লাভ কৰিলে।

প্ৰথম ইনিংছত কৰুণাৰত্নেৰ শতক

# শ্ৰীলংকা-ৱেষ্টইণ্ডিজৰ প্ৰথমখন টেষ্ট আৰম্ভ

**কলম্বো, ২১ নৱেম্বৰ ঃ** আজিৰে পৰা আৰম্ভ হৈছে শ্ৰীলংকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট। আজি প্ৰথমদিনা বেটিং কৰি শ্ৰীলংকাই প্ৰথম ইনিংছত তিনি উইকেট হেৰুৱাই 267 ৰাণ কৰে। ঘৰুৱা দলৰ হৈ বেটিং মুকলি কৰা অধিনায়ক কৰুনাৰত্নে শতকীয় ইনিংছ খেলে আৰু দিনান্তত 132 ৰাণ কৰি উইকেটত দৃঢ়তাৰে বেটিং কৰি আছে। আনজন অপেনাৰ নিছাংকাই কৰে 56 ৰাণ। ৱেষ্ট ইণ্ডিজৰ হৈ চেছে দুটা উইকেট পায়। উল্লেখ্য যে আজিৰ মেচতে ফিল্ডিং কৰি থকা সময়ত মুৰত আঘাত পাই খেলপথাৰ ত্যাগ কৰাৰ লগতে চিকিৎসালয়ত ভৰ্তী হ'ব লগা হয় ৱেষ্ট ইণ্ডিজৰ জেৰেমি ছ'লোজানো। চেছৰ বলত শ্বট লেগত ফিল্ডিং কৰি থকা সময়ত শ্ৰীলংকাৰ অধিনায়ক কৰুনাৰত্নে মৰা শ্বট জেৰেমিৰ হেলমেটত লাগে।



জি এছ এৰ আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেটত বিশ্ব অভিলেখ

# ৪১১ ৰাণৰ ব্যৱধানত জয়লাভ ৰাজ্যিক ক্ৰিকেট একাডেমীৰ





**গুৱাহাটী, ২১ নৱেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত জজ খেলপথাৰত চলি থকা মহাবীৰ প্ৰসাদ আগৰৱালা 16 বছৰ অনূৰ্দ্ধ আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত ৰাজ্যিক ক্ৰিকেট একাডেমীয়ে 411 ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে লখৰা ক্ৰিকেট একাডেমীক। পোনতে বেটিং কৰা ৰাজ্যিক ক্ৰিকেট একাডেমীয়ে 40 অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে 481 ৰাণ। দলৰ হৈ ডিৰিজ পাঠকে 97 বলত 15 টা ছিক্সাৰ আৰু 25 টা বাউণ্ডেৰীসহ 219 ৰাণ কৰে। আনহাতে, বৰুন ঝাজ'দিয়াই 64 বলত 4 টা ছিক্সাৰ আৰু 10 টা বাউণ্ডেৰীসহ 104 ৰাণ কৰে। প্ৰত্যুত্তৰত লখৰা ক্ৰিকেট একাডেমী 21.4 অভাৰতে 71 ৰাণতে ইনিংছ সামৰে। উল্লেখ্য যে অহা আঠ ডিচেম্বৰলৈ হ'বলগা উক্ত আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাখনত মুঠ 12 টা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই যোগদান কৰিছে। গুৱাহাটী ক্ৰীড়া সন্থাই জনোৱা অনুসৰি প্ৰতিদিনে এখনকৈ খেল হ'ব তথা মেচসমুহ এটা ইনিংছত 40 অভাৰৰ হ'ব। অৱশ্যে ফাইনেল মেচখন 50 অভাৰকৈ খেলোৱা হ'ব। ইফালে, আজিৰ মেচখনত ৰাজ্যিক ক্ৰিকেট একাডেমীয়ে সংগ্ৰহ কৰা ৰাণ তথা বিজয়ৰ বৃহৎ ব্যৱধানে 40 অভাৰৰ মেচত বিশ্ব অভিলেখ গঢ়াৰ চৰ্চা ইতিমধ্যে আৰম্ভ হৈছে যদিও সকলো পৰিসংখ্যা এতিয়াও গুৱাহাটী ক্ৰীড়া সন্থাৰ সন্মুখলৈ অহা নাই।

আই চি চিৰ শাস্তিৰ সন্মুখীন পেচাৰ শ্বাহিন আফ্ৰিদী

# খেলপথাৰতে অশোভনীয় আচৰণ পাকিস্তানৰ ক্ৰিকেটাৰৰ

**ঢাকা, ২১ নৱেম্বৰ ঃ** পাকিস্তানৰ পেচ বলাৰ শ্বাহীন আফ্ৰিদীয়ে বাংলাদেশৰ বিৰুদ্ধে খেলা দ্বিতীয়খন টি-20 মেচত অশোভনীয় আচৰণ কৰাৰ বাবে শাস্তীৰ সন্মুখীন হৈছে। উল্লেখ্য যে দ্বিতীয়খন টি-20 মেচত আফ্ৰিদীৰ বলত ছিক্সাৰ মাৰিছিল বাংলাদেশৰ আফিফ হুছেইনে। কিন্তু পৰবৰ্তী বলতো আফ্ৰিদীয়ে আফিফৰ মুৰলৈ মাৰি পঠাই যাৰবাবে বেটছমেন উইকেটত বাগৰি পৰে। অৱশ্যে কোনো অঘটন নঘটিল। কিন্তু এই অশোভনীয় আচৰণ কৰাৰ বাবে আই চি চিৰ নিয়ম ভংগৰ অপৰাধত শাস্তীৰ সন্মুখীন হৈছে পাকিস্তানৰ পেচ বলাৰ শ্বাহীন আফ্ৰিদী। 15 শতাংশ মেচ ফ্ৰী কৰ্তন কৰা হৈছে আফ্ৰিদীৰ। উল্লেখ্য যে বাংলাদেশ ভ্ৰমণলৈ অহা পাকিস্তান ক্ৰিকেট দলে প্ৰথম দুখন টি-20 মেচত জয়লাভ কৰি শৃংখলা দখল নিশ্চিত কৰিছে। পাকিস্তানে দ্বিতীয়খন টি-20 মেচত আঠ উইকেটত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰা বাংলাদেশে 20 অভাৰত কৰে সাত উইকেট হেৰুৱাই 108 ৰাণ। দলৰ হৈ নজমুলে সৰ্বাধিক 40 ৰাণ কৰে। প্ৰত্যুত্তৰত, পাকিস্তানে 18.1 অভাৰত দুটা উইকেট হেৰুৱাই 109 ৰাণ কৰি জয় অৰ্জন কৰে। তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথম আৰু দ্বিতীয় মেচত জয় অৰ্জন কৰি পাকিস্তানে শৃংখলা জয় নিশ্চিত কৰিছে। ইয়াৰপূৰ্বে পাকিস্তানে প্ৰথম মেচত চাৰি উইকেটত পৰাস্ত কৰিছিল বাংলাদেশক। পোনতে বেটিং কৰা বাংলাদেশে 20 অভাৰত কৰে সাত উইকেট হেৰুৱাই 127 ৰাণ। প্ৰত্যুত্তৰত, পাকিস্তানে অন্তিম অভাৰত বিজয়লক্ষ্যত উপনিত হয়। দলে আৰম্ভণিৰ পৰা উইকেট হেৰুৱাই যদিও ছয় উইকেটত 132 ৰাণ কৰি জয় অৰ্জন কৰে।





ইংলিছ প্ৰিমিয়াৰ লীগ

# চেলছি-লিভাৰপুলৰ জয়, পৰাস্ত ইউনাইটেড

**লণ্ডন, ২১ নৱেম্বৰ ঃ** চলিত ইংলিছ প্ৰিমিয়াৰ লীগত যোৱানিশা অনুষ্ঠিত হোৱা মেচত চেলছি আৰু লিভাৰপুলে নিজৰ নিজৰ মেচত জয়লাভ অৰ্জন কৰাৰ বিপৰীতে পৰাজয়ৰ সন্মুখীন হয় মানচেষ্টাৰ ইউনাইটেড। চেলছিয়ে 3-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে লেইচেষ্টাৰ চিটীক। উল্লেখ্য যে এই জয়ৰে চেলছিয়ে নিজৰ শীৰ্ষস্থান অক্ষুন্ন ৰাখিছে। পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে লিভাৰপুল। যোৱানিশাৰ মেচত লিভাৰপুলে পৰাস্ত কৰে আৰ্ছেনালক। গ'লৰ ব্যৱধান হ'ল 4-0¼ কিন্তু যোৱানিশা আন এক অপ্ৰত্যাশিত পৰাজয়ৰ সন্মুখীন হয় মানচেষ্টাৰ ইউনাইটেড। ৱাটফ'ৰ্ডে 4-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে মানচেষ্টাৰ ইউনাইটেডক। উল্লেখ্য যে এই পৰাজয়ৰ পাছতে মানচেষ্টাৰ ইউনাইটেডৰ শিবিৰত হাহাকাৰ লাগিছে আৰু প্ৰশিক্ষক সলনি কৰা সিদ্ধান্ত লোৱা হৈছে।



স্পেনিছ লা-লিগাৰ শীৰ্ষত ছেভিয়া

# জাভি দলত যোগ দিয়াৰ পাছতে বাৰ্চিলোনাৰ জয়

**বাৰ্চিলোনা, ২১ নৱেম্বৰ ঃ** বাৰ্চিলোনাৰ প্ৰশিক্ষক হিচাপে প্ৰাক্তন তাৰকা জাভিয়ে দলত যোগ দিয়াৰ পাছতে যোৱানিশা প্ৰথম মেচত জয়লাভ কৰিছে দলে। উল্লেখ্য যে স্পেনিছ লা-লিগাৰ এখন মেচত বাৰ্চিলোনাই একমাত্ৰ গ'লত পৰাস্ত কৰে ইস্পানয়লক। অৱশ্যে এই জয়ৰ পাছতো পইণ্ট তালিকাৰ ষষ্ঠ স্থানত আছে বাৰ্চিলোনা। উল্লেখ্য যে স্পেনিছ লা-লিগাৰ পইণ্ট তালিকাৰ শীৰ্ষ স্থানত আছে ছেভিলা। যোৱানিশা কিন্তু ছেভিলাই ড্ৰ খেলে। ইফালে, অন্য এখন মেচত স্পেনিছ লা-লিগাৰ পূৰ্ব চেম্পিয়ন এথলেটিকো মাদ্ৰিদে একমাত্ৰ গ'লত পৰাস্ত কৰে অ'ছাছুনাক। উল্লেখ্য যে স্পেনিছ লা-লিগাৰ পইণ্ট তালিকাৰ শীৰ্ষ স্থানত ছেভিলা থকাৰ বিপৰীতে দ্বিতীয় স্থানত ৰিয়াল ছ'ছিদিয়াদ, তৃতীয় স্থানত ৰিয়াল মাদ্ৰিদ আৰু চতুৰ্থ স্থানত আছে এথলেটিকো মাদ্ৰিদ।

# ফাইনেলত সুৰুজমুখীৰ বিৰুদ্ধে জে এছ ক্লাব

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২১ নৱেম্বৰ ঃ** চলিত কিৰণ বৰা সোঁৱৰণি প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব জে এছ ক্লাব আৰু সুৰুজমুখী ক্লাবৰ মাজত। আজি প্ৰতিযোগিতাৰ দ্বিতীয় ছেমিফাইনেলত উদয় সংঘই খেলে জে এছ ক্লাবৰ বিৰুদ্ধে। মেচখনত জে এছ ক্লাবে 2-1 গ'লত জয়লাভ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে সুৰুজমুখী ক্লাবে চলিত কিৰণ বৰা সোঁৱৰণি প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত সুৰুজমুখী ক্লাবে 2-1 গ'লত পৰাস্ত কৰিছিল কটহগুৰি ফুটবল ক্লাবক।

নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগ

# ছেমিত নিউ সোণোৱাল চাহ বাগিচা

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২১ নৱেম্বৰ ঃ** চলিত নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে নিউ সোণোৱাল চাহ বাগিচা দল। আজি দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত নিউ সোণোৱাল চাহ বাগিচা দলে পেনাল্টি শ্বুট আউটত 4-3 গ'লত পৰাস্ত কৰে নাগাধুলি চাহ বাগিচা দলক। উল্লেখ্য যে কাটনিবাৰী চাহ বাগিচা ফুটবল দলে ইতিমধ্যে লীগৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত কাটনিবাৰী চাহ বাগিচা ফুটবল দলে একমাত্ৰ গ'লত হোনোৱাল এফ চিক পৰাস্ত কৰি প্ৰথমটো দল হিচাপে চলিত নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

# ফিল্ডিঙৰ সময়তে মুৰত আঘাত পাই চিকিৎসালয়লৈ জেৰেমি



**কলম্বো, ২১ নৱেম্বৰ ঃ** আজিৰে পৰা আৰম্ভ হোৱা শ্ৰীলংকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ প্ৰথমদিনাই এক অঘটন ঘটে। উল্লেখ্য যে আজিৰ মেচত ফিল্ডিং কৰি থকা সময়ত মুৰত আঘাত পাই খেলপথাৰ ত্যাগ কৰাৰ লগতে চিকিৎসালয়ত ভৰ্তী হ'ব লগা হয় ৱেষ্ট ইণ্ডিজৰ জেৰেমি ছ'লোজানো। চেছৰ বলত শ্বৰ্ট লেগত ফিল্ডিং কৰি থকা সময়ত শ্ৰীলংকাৰ অধিনায়ক কৰুনাৰত্নে মৰা শ্বট জেৰেমিৰ হেলমেটত লাগে। খেলপথাৰত বাগৰি পৰা জেৰেমিক প্ৰাথমিক চিকিৎসা প্ৰদান কৰা হয় যদিও পাছত উন্নত চিকিৎসাৰ বাবে হস্পাতাললৈ প্ৰেৰণ কৰা হয়। তেওঁৰ স্থানত ফিল্ডিং কৰে ছাই হ'পে। ইফালে, প্ৰথম টেষ্টৰ প্ৰথমদিনা বেটিং কৰি শ্ৰীলংকাই প্ৰথম ইনিংছত তিনি উইকেট হেৰুৱাই 267 ৰাণ কৰিছে। ঘৰুৱা দলৰ হৈ বেটিং মুকলি কৰা অধিনায়ক কৰুনাৰত্নে শতকীয় ইনিংছ খেলে আৰু দিনান্তত 132 ৰাণ কৰি উইকেটত দৃঢ়তাৰে বেটিং কৰি আছে। আনজন অপেনাৰ নিছাংকাই কৰে 56 ৰাণ। ৱেষ্ট ইণ্ডিজৰ হৈ চেছে দুটা উইকেট পায়।

# দ্বিগুণপাৰা আঞ্চলিক ক্ৰীড়া সন্থা ফাইনেলত

**অগ্ৰদূত বাৰ্তা, কমলপুৰ, ২১ নৱেম্বৰ ঃ** চলিত মথুৰা নাথ কাকতি আৰু ডম্বৰুধৰ কাকতি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে আয়োজক দ্বিগুণপাৰা আঞ্চলিক ক্ৰীড়া সন্থা। প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা দ্বিতীয়খন ছেমিফাইনেলত দ্বিগুণপাৰা আঞ্চলিক ক্ৰীড়া সন্থাই 3-0 গ'লত পৰাস্ত কৰে বৰলেছাকোনা আঞ্চলিক ফুটবল ক্লাবক। এতিয়া ফাইনেলত দ্বিগুণপাৰা আঞ্চলিক ক্ৰীড়া সন্থাই খেলিব কেতেকীবাৰী জ্ঞনদা সংঘৰ বিৰুদ্ধে। প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত কেতেকীবাৰী জ্ঞনদা সংঘই যোৱাবাৰৰ চেম্পিয়ন কমলপুৰ ষ্টাৰ ক্লাবক 2-0 গ'লত পৰাস্ত কৰিছিল।

# ফেৰেংগা ক্লাব চেম্পিয়ন

**অগ্ৰদূত ব্যুৰ, বঙাইগাঁও, ২১ নৱেম্বৰ ঃ** ফেৰেংগা ক্লাবে আয়োজন কৰা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে কাছদহা বিখোৱাই ক্লাব। আজি ফাইনেলত কাছদহা বিখোৱাই ক্লাবে 4-0 গ'লত পৰাস্ত কৰে বীৰ ভান্তা ক্লাবক। চেম্পিয়ন কাছদহা বিখোৱাই ক্লাবে লাভ কৰে ট্ৰফীসহ 30 হেজাৰ টকা। আনহাতে, ৰানাৰ্ছআপ বীৰ ভান্তা ক্লাবে ট্ৰফীসহ 15 হেজাৰ টকা লাভ কৰে।



ইটালিয়ান লীগত জুভেণ্টাছৰ পইণ্ট, পৰাস্ত এ চি

# ফৰাচী লীগত ১০ জনৰে খেলিও পি এছ জিৰ জয়লাভ



মেছি-এমবেপেৰ গ'ল

**পেৰিছ, ২১ নৱেম্বৰ ঃ** পি এছ জিয়ে চলিত ফৰাচী লীগৰ যোৱানিশাৰ মেচত নাণ্টেছক 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছে। উল্লেখ্য যে 10 জনৰে খেলিও জয়লাভ কৰিবলৈ সক্ষম হয় পি এছ জি। দলৰ হৈ প্ৰথম গ'ল কৰে এমবাপ্পে। কিন্তু 65 মিনিটত দলৰ নাভাছক ৰঙা কাৰ্ড দেখুওৱাত পি এছ জিয়ে 10 জনৰে খেলে। ইয়াৰ পাছত পি এছ জিয়ে এটা আত্মঘাটী গ'ল লাভ কৰে। আনাহাতে, পি এছ জিৰ হৈ তৃতীয়টো গ'ল কৰে লিয়নেল মেছিয়ে। উল্লেখ্য যে পি এছ জিয়ে চলিত ফৰাচী লীগৰ পইণ্ট তালিকাৰ শীৰ্ষস্থানত আছে। দলে আৰম্ভণিত জয়ৰ মুখ দেখা নাছিল যদিও এতিয়া সফলতাৰ ছন্দলৈ উভতি আহিছে। **ইটালীয়ান লীগ ঃ** চলিত ইটালীয়ান লীগত যোৱানিশাৰ মেচত জুভেণ্টাছে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে লাজিঅ'ক। আনহাতে, আটলাণ্টাই 5-2 গ'লৰ ব্যৱধানত স্পেজিয়াৰ বিৰুদ্ধে জয়লাভ কৰে। কিন্তু ফ'ৰেণ্টিনোৰ হাতত 4-3 গ'লৰ ব্যৱধানত পৰাস্ত হয় এ চি মিলান। চলিত ইটালীয়ান লীগৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে নেপ'লি, দ্বিতীয়ত এ চি মিলান, তৃতীয়ত ইণ্টাৰ মিলান আৰু চতুৰ্থ স্থানত আটলাণ্টা।

# হাউলী ফুটবল ক্লাব চেম্পিয়ন

অগ্ৰদূত বাৰ্তা

**পাঠশালা, ২১ নৱেম্বৰ ঃ** অজয় বড়ো সোঁৱৰণী ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছে হাউলী ফুটবল ক্লাব। অজয় বড়ো সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজি ফাইনেলত হাউলী ফুটবল ক্লাবে গোমুৱা গুডমৰ্ণিং ক্লাবক 2-1 গ'লত পৰাস্ত কৰে।

## বিলাসনন্দন চ'ৰা



# পুৱা ন বজাৰ তপস্যা

কি যে নোহোৱা-নোপজা ঘটনাবোৰ ঘটে নহয়। ইমানদিনে আমি সকলোৱে জানি আহিছিলো যে বীৰত্ব সদায় দিনত দেখুৱাব লাগে। আকৌ চুৰিকাৰ্য সদায় ৰাতি কৰিব লাগে। কিন্তু আমাৰ দিল্লীৰ বাদশ্বাহে দেখোন কিবা ওলোটাকৈহে কামবোৰ কৰে। বিমুদ্ৰাকৰণৰ পৰা লকডাউনলৈকে সব বীৰত্ব ৰাতি আঠ বজাত দেখুৱালে আৰু খেতি-বাতিবোৰ প্ৰাইভেটক বেচিব পৰা আইন আনি অৱশেষত বাতিল কৰা কামবোৰ পুৱা ন বজাত কৰিলে। বহুতে কৈছে যে এই কাম কৰি দিল্লীৰ বাদশ্বাহে খেতিয়কৰ ওচৰত ৰাজহাড় বেঁকা কৰিবলৈ বাধ্য হ'ল। মিছা কথা। হ'বই নোৱাৰে। যিসকলে এইবোৰ কথা কৈছে, সিহঁতে চাগে নাজানে যে আম্বানী-আদানী-আঠান্নী আদিৰ ওচৰত সব বস্তু বেচাৰ পৰত বাদশ্বাহে সেইডালো বেচি দিছে। মানে খুচুৰাৰ প্ৰব্লেম হ'ল। গতিকে বেচি দিলে সেইডাল। সেইডাল মানে ৰাজহাড়ডালৰ কথা কৈছো। বেলেগৰ ওচৰত বেচি দিয়াৰ পাছত বাদশ্বাহেনো কেনেকৈ বেঁকা কৰিব পাৰিব? বেলেগৰ বস্তু এটা বেঁকা কৰিবলৈ কিয় দিবনো? ক'লেই নহয়তো কিছুমান কথা!

অনেকে গন্তি কৰি কৰি কৈছে যে এয়া হেনো বাদশ্বাহৰ ছেকেণ্ড পৰাজয়। বেংগলত দিদিৰ 'খেলা হবে'ত খেলা খেলখনত হাৰিছিল আৰু এইবাৰ খেতিয়কৰ ওচৰত হাৰি মৰিলে। কিন্তু দিল্লীৰ ৰাজসভাৰ সভাসদসকলে কয় যে এই এনালাইছিছৰ কোনো বেছিছ নাই। খেলত এজনে হাৰিব কেতিয়া? যেতিয়া তেওঁ খেল খেলিব। খেল খেলিবলৈ নামিব। কিন্তু বাদশ্বাহেতো খেতিয়কৰ লগত কোনো ধৰণৰ খেল খেলা নাছিল। ক্ৰিকেটো খেলা নাছিল, ফুটবলো খেলা নাছিল। খেলাই নাছিল যেতিয়া তেওঁ হৰাৰ প্ৰসংগ ক'ৰ পৰা আহিল! বাদশ্বাহে দেখোন এই ডেৰ বছৰে এজনো খেতিয়কক মাতি নাপালে। বহুতে কৈছিল— খেতিয়কবোৰক দৰবাৰলৈ মাতক, কথা পাতক। কিন্তু বাদশ্বাহে এদিনলৈও নামাতিলে। নমতাৰো কাৰণ আছে। বাদশ্বাহে যিবোৰ পাচলি খায়, সেইবোৰ সৱ ৰিলাই কৰিব পৰা জাগাৰ পৰা আহে। আৰু বাদশ্বাহে ৰিলাই কৰিব পৰা দোকান এখনেই আছে। বাদশ্বাহৰ ৰিলায়েন্স জয় কৰিব পৰা সেই দোকানৰ পাচলি খায়ে খায়ে তেওঁ আজি ৫৬ ইঞ্চিৰ 'চিনা' বনাইছে। গতিকে সেই ৰিলায়েন্সকে এৰি তেওঁ খেতিয়কৰ সেই



ইউৰিয়াত ডুবাই ৰখা চবজিৰ কিয় খবৰ ল'বলৈ যাব? আকৌ নাখাওঁ বুলি ক'লে খেতিয়কে পাব বেয়া। মিডিয়াৰ আগত ক'ব যে তেওঁলোকক দৰবাৰলৈ মাতি আনি অপমান কৰা হৈছে। এইটো বেলেগ কথা যে মিডিয়াৰ লগত বাদশ্বাহৰ প্ৰচুৰ হিয়া দিয়া নিয়া আছে। গতিকে বাদশ্বাহৰ বিৰুদ্ধে যোৱা কোনো কথাই মিডিয়াই ভাইৰেল নকৰে, যিমানেই ভাইৰাছ বিলোৱা নহওক কিয়? কিন্তু সকলোৰে প্ৰশ্ন এটাই— বাদশ্বাহে হঠাতে খেতিয়কৰ বিল উঠাই ল'লে কিয়? বাদশ্বাহে কৈছে, কৈছে মানে একান্ত দেছভক্ত হৈ দেছবাচীৰ ওচৰত মাফ খুজিছে এই বুলি যে তেওঁ খেতিয়কবোৰক আইনকেইখনৰ কথা ভালকৈ বুজাবলৈ সক্ষম নহ'ল। কিয় নহ'ল? কোনোবাই সোধোতে বাদশ্বাহে হেনো কৈছে— 'কেনেকৈ বুজাবাহে? মই নিজে বুজিলেহে লোকক বুজাব পাৰিম!' ভক্তিৰসত ডুবি চপ্‌চপীয়া হৈ থকা মিডিয়াই কৈছে যে বাদশ্বাহে আইনকেইখন বাতিল কৰি দেছক শেষ হোৱাৰ পৰা ৰক্ষা কৰিলে। খেতিয়কবোৰৰ মাজত হেনো টেৰ'ৰিষ্ট সোমাই গৈছিল। সিহঁতে হেনো দেছখনক শেষ কৰি পেলালেহেঁতেন। এই যুক্তিটো অৱশ্যে প্ৰজাগণৰ বাবে বৰ বিশ্বাসযোগ্য হোৱা নাই। বৰঞ্চ প্ৰজাগণে ওলোটাকৈ প্ৰশ্নহে কৰিছে— সৱ বেচি বেচি শেষেই কৰিলে দেখোন! এতিয়াও শেষ কৰিবলৈ বাকী আছেইনে?

বাদশ্বাহে কৈছে যে তেওঁৰ তপস্যা হেনো খেতিয়কবোৰে বুজি নাপালে। তপস্যা অতীজত ঋষি-মুণিয়েহে কৰিছিল। বাদশ্বাহে আকৌ কি বৰ বিচাৰি তপস্যা কৰিছে? কোনোবাই কোনোবাই এই প্ৰশ্নটো সোধোতে বাদশ্বাহে হেনো কৈছে— 'তপস্যা চকু মুদি কৰা হয়। ময়ো চকু মুদি থাকো। ৰাতি। বহুতে ভাবে— আনৰ দৰে মই শুই আছো। আচলতে মই তপস্যা কৰি থাকো।'

ঃ কি বৰ বিচাৰি তপস্যা কৰে জাহাপনা?
ঃ মই সদায় এটা বৰেই বিচাৰো।
ঃ কি বৰ?
ঃ বৰ বৰ লেকচাৰ মৰাৰ বল।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*



*কামাখ্যা মন্দিৰ দৰ্শন কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলৰ, দেওবাৰে।*

# প্ৰতিষেধকহীন আফ্ৰিকাত নাই সংক্ৰমণৰ প্ৰকোপ



## মহাদেশখনৰ ক'ভিড পৰিস্থিতিক লৈ বিশেষজ্ঞও উত্তৰহীন

**নিউজ ব্যুৰ'**

**হাৰাৰে, ২১ নৱেম্বৰ ঃ** কোনো ধৰণৰ সবল আন্তঃগাঁথনি নাই। চিকিৎসক-নাৰ্ছৰ সংখ্যাও কম। নাই প্ৰতিষেধকৰ পৰ্যাপ্ত যোগান। ক'ভিড অতিমাৰীত আফ্ৰিকা মহাদেশৰ দৰিদ্ৰ দেশসমূহৰ কি হ'ব বুলি আৰম্ভণিৰে পৰাই বিশেষজ্ঞসকল চিন্তিত হৈ আছিল। অথচ আফ্ৰিকাৰ বাস্তৱ পৰিস্থিতিয়ে ভিন্ন তথ্যহে দাঙি ধৰিছে। ৰহস্যজনকভাৱে প্ৰতিষেধক, আৰু চিকিৎসাৰ বৰ্ম অবিহনেই আফ্ৰিকাই কৰ'নাৰ আক্ৰমণ পাৰ্যমানে ৰোধ কৰিবলৈ সক্ষম হৈছে। অন্যান্য মহাদেশৰ তুলনাত আফ্ৰিকা মহাদেশত সংক্ৰমণৰ প্ৰকোপ যথেষ্ট কম। তাতোকৈ কম কৰ'নাত মৃত্যুৰ সংখ্যা। সমগ্ৰ বিষয়টোৱে এতিয়া বিশেষজ্ঞসকলকো বিবুধিত পেলাইছে।

আফ্ৰিকাৰ অন্যতম দেশ জিম্বাব'ৱেত এতিয়া মানুহে মাস্ক পৰিধান কৰাটো প্ৰায় এৰিয়েই পেলাইছে। বিগত এসপ্তাহত জিম্বাব'ৱেত মাত্ৰ ৩৩জন লোক ক'ভিড-১৯ত আক্ৰান্ত হৈছে। এই সময়ত ক'ভিডত মৃত্যুৰ কোনো তথ্য নাই। সমগ্ৰ আফ্ৰিকা মহাদেশতে সংক্ৰমণ ব্যাপক হাৰত হ্ৰাস পাইছে। বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ তৰফৰ পৰা জনাইছে যে বিগত জুলাইৰ পৰা মহাদেশখনৰত সংক্ৰমণ হ্ৰাস পাবলৈ ধৰিছে। অৱশ্যে কোনো দিনেই প্ৰতি ঘৰতে ক'ভিড দেখা নগৈছিল।

যোৱা বছৰৰ যেতিয়া কৰ'নাৰ আতংক আৰম্ভ হয়, তেতিয়াই স্বাস্থ্য বিশেষজ্ঞসকল আফ্ৰিকাক লৈ প্ৰৱল চিন্তাত পৰিছিল। কিয়নো মহাদেশখনৰ অধিকাংশ দেশতে নাই চিকিৎসাৰ উন্নত আন্তঃগাঁথনি। সেয়ে মহাদেশখনৰ লাখ লাখ লোকৰ মৃত্যু হ'ব বুলি বিশেষজ্ঞসকলে আশংকা কৰিছিল। আফ্ৰিকা মহাদেশত এই পৰ্যন্ত কিমানজন আক্ৰান্ত হৈছে বা কিমানজনৰ মৃত্যু ঘটিছে, তাৰো কোনো নিৰ্দিষ্ট তথ্য নাই। বিশেষজ্ঞসকলে জনোৱা মতে আফ্ৰিকাৰ দেশসমূহত যথাযথ পৰ্যবেক্ষণ ব্যৱস্থাৰ লগতে চৰকাৰী তদাৰকো নাই। ফলত বাস্তৱ পৰিস্থিতি কি সেয়া কোনেও নাজানে। অৱস্যে সংক্ৰমণ বা মৃত্যু মাৰাত্মকভাৱে বাঢ়িলে, সেয়া চৌদিশে চকু ৰাখিলেই বুজিব পাৰি। বিশেষজ্ঞসকলে স্বীকাৰ কৰিছে যে সম্প্ৰতি মহাদেশখনত ক'ভিড সংক্ৰমণ যথেষ্ট পৰিমাণে হ্ৰাস পাইছে। অৱশ্যে যিকোনো মুহূৰ্ততে এই পৰিস্থিতি ঘূৰি যাব পাৰে বুলি বিশেষজ্ঞসকলে সতৰ্ক কৰি দিছে। কলম্বিয়া বিশ্ববিদ্যালয়ৰ বিশ্ব স্বাস্থ্য বিভাগৰ মুৰব্বী ৱাফা এল-ছাদৰে কয়, 'আফ্ৰিকাক কেন্দ্ৰ কৰি বিজ্ঞানীসকলো বিবুধিত আছে। ৰহস্যজনক কাণ্ড। আফ্ৰিকাৰ হাতত প্ৰতিষেধক নাই। ক'ভিডৰ বিৰুদ্ধে সংগ্ৰামৰ আন্তঃগাঁথনি নাই; কিন্তু ইউৰোপ-আমেৰিকাত এই সকলোবোৰেই আছে। অথচ তেওঁলোকতকৈ আফ্ৰিকাৰ অৱস্থা অনেক ভাল।' উল্লেখ্য যে আফ্ৰিকাত এই পৰ্যন্ত টিকাকৰণৰ হাৰ ছয় শতাংশৰো কম। তাৰ তুলনাত ইুৰোপ আৰু আমেৰিকাত ৭০-৮০ শতাংশ টিকাকৰণ হৈছে। অথচ সমগ্ৰ ইউৰোপৰে অৱস্থা পুনৰ বেয়ালৈ ঢাল খাইছে। বিশেষকৈ জাৰ্মানী, অষ্ট্ৰিয়া আৰু ৰাছিয়াৰ পৰিস্থিতি সম্প্ৰতি অত্যন্ত জটিল।

কিছু বিশেষজ্ঞৰ মতে আফ্ৰিকাত কমবয়সীয়া লোকৰ সংখ্যা অধিক। গড় বয়স ২০ বছৰ। পশ্চিম ইউৰোপৰ তৰুণ প্ৰজন্মৰ গড় বয়স ৪৩ বছৰ। তদুপৰি আফ্ৰিকাত আধুনিক জীৱন-যাপন কম। তেওঁলোকে ঘৰৰ বাহিৰত মুকলি আকাশৰ তলত অধিক সময় অতিবাহিত কৰে, বন্ধ স্থানত কম সময় থাকে। এয়াও কম সংক্ৰমণৰ কাৰণ হ'ব পাৰে। নিম্ন সংক্ৰমণৰ হাৰৰ অন্তৰালত আন কোনো কাৰণ থাকিব পাৰে নেকি (যেনে জেনেটিক), সেয়াও চালিজাৰি চোৱা হৈছে। বিশেষজ্ঞসকলৰ একাংশই আকৌ দাবী কৰিছে যে আফ্ৰিকাত মেলেৰিয়া আৰু ইব'লাৰ প্ৰকোপ বেছি। এই দুবিধ ৰোগত আগতে যিসকল আক্ৰান্ত হৈছিল, তেওঁলোকক ক'ভিডে অসহায় কৰিব পৰা নাই। আন একাংশই এই ক্ষেত্ৰত প্ৰশাসনৰ কৃতিত্বও দেখা পাইছে। তেওঁলোকে মন্তব্য কৰিছে যে মালিৰ দৰে ক্ষুদ্ৰ দেশেও অতিমাৰীৰ ইংগিত পোৱাৰ লগে লগেই সীমান্ত ছীল কৰি দিছিল। ফলত বাহিৰৰ পৰা ভাইৰাছে প্ৰৱেশ কৰিব পৰা নাছিল।

## একালৰ বহ্নিমান জলধাৰা শুকাই পৰিণত হৈছে ৰুক্ষভূমিত



# নদীৰ প্ৰাণ ঘূৰাই দিয়াৰ দাবী ইৰানত

**নিউজ ব্যুৰ'**

**তেহৰান, ২১ নৱেম্বৰ ঃ** হাতত প্লে-কাৰ্ড, প'ষ্টাৰ আদি লৈ প্ৰতিবাদত চামিল হৈছে সহস্ৰাধিক লোক, অথচ ঠিক সেই স্থানতে একালত আছিল বহ্নিমান জলধাৰা। বৈ গৈছিল ইৰানৰ অন্যতম বৃহৎ এখন নদী। খৰাং আৰু চৰকাৰী অৱহেলাৰ মুখত পৰি সেই বহ্নিমান জলৰাশিৰ আজি কোনো চিনমোকাম নাই, নদীখন শুকাই ৰুক্ষভূমিত পৰিণত হৈছে সেই ঠাই। অথচ মধ্য ইৰানৰ ইস্পাহান প্ৰদেশৰ পৰিচয়ৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে এই জায়ানদেহ ৰুড নদী। সেইবাবেই নদীখনক পুনৰ ইস্পাহানৰ মানচিত্ৰলৈ ঘূৰাই অনাৰ বাবে প্ৰতিবাদত নামিছিল প্ৰদেশখনৰ বাসিন্দাসকল। যাৰ ধ্বনি এইবাৰ উপস্থিত হৈছে প্ৰশাসনৰ শীৰ্ষ স্তৰতো।

'ইস্পাহানক নিজৰ শ্বাস-প্ৰশাসক ঘূৰাই দিয়ক, আমাৰ জায়ানদেহ ৰুডক আমাৰ ঘূৰাই দিয়ক।' এই দাবীতে সম্প্ৰতি গৰজি উঠিছে প্ৰদেশখনৰ কৃষকসকল। লাহে লাহে এই দাবীৰ প্ৰতিধ্বনি শুনা গৈছে আন মানুহৰ মুখতো। কাৰণ জায়ানদেহ ৰুড শুকাই যোৱাত কেৱল যে কৃষকসকলৰে জীৱিকাত আঘাত লাগিছে এনে নহয়, তিলে তিলে ইয়াৰ কুপ্ৰভাৱ পৰিছে অঞ্চলটোৰ পৰিৱেশতো। অৱশ্যে এয়াই প্ৰথম নহয়, বহু বছৰৰ পৰাই অঞ্চলটোৰ কৃষিজীৱীসকলে এইদৰে বিক্ষোভ প্ৰদৰ্শন কৰি আহিছে। অথচ চৰকাৰে কৰ্ণপাত নকৰাত উভতি যাবলগীয়া হৈছিল। তথাপি দাবী অব্যাহত থকাৰ বাবেই বিগত প্ৰায় এসপ্তাহ ধৰি প্ৰতিবাদকাৰীসকলে পুনৰ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰি আছে। এই প্ৰতিবাদেই ব্যাপক ৰূপ ধাৰণ কৰে যোৱা শুকুৰবাৰে। যাৰ বাবে ইৰানৰ ৰাষ্ট্ৰপতিয়ে এইবাৰ বিষয়টোত গুৰুত্ব আৰোপ কৰিবলৈ বাধ্য হৈছে।

ইতিমধ্যেই নদীখনৰ প্ৰাণ ঘূৰাই অনাৰ প্ৰসংগত ইৰানৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইচিয়ে পৰিৱেশ বিশেষজ্ঞসকলৰ স'তে বৈঠকত মিলিত হৈছে। আনহাতে, বিক্ষোভকাৰীসকলৰ স'তে ফোনযোগে পোনপটীয়াকৈ আলোচনা কৰে উপ-ৰাষ্ট্ৰপতি মহম্মদ মোকবেৰে। বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দি উপ-ৰাষ্ট্ৰপতিজনে আশ্বাস দিয়ে যে ইতিমধ্যেই ইয়াৰ একাধিক সমাধানৰ বিষয়টো চৰকাৰে আলোচনা কৰিছে। অৱশ্যে এই সমাধানৰ দিশবোৰ কি, সেই বিষয়ত তেওঁ কোনো ইংগিত নিদিলে।

উল্লেখ্য যে বিগত কে'বা দশকধৰি ইৰানে খৰাঙৰ স'তে যুঁজি আছে। বিগত এটা দশকত পশ্চিম এছিয়াৰ দেশখনত পৰিস্থিতিয়ে অতি ভয়ানক ৰূপ ধাৰণ কৰিছে। পৰিৱেশবিদসকলে জনাইছে যে এই সময়ছোৱাত দেশখনৰ সকলো প্ৰদেশতে কম-বেছি পৰিমাণে খৰাঙৰ প্ৰভাৱ পৰিছে। তথাপি ইস্পাহানৰ অন্যতম পৰিচয় জায়ানদেহ ৰুডৰ দৰে এখন বৃহৎ নদী সম্পূৰ্ণৰূপে নিশ্চিহ্ন হোৱাৰ দৰে নজিৰ অতি বিৰল বুলিয়ে পৰিৱেশবিদসকলে মন্তব্য কৰিছে। বিষয়টো যে দেশখনৰ পূৰ্বৰ চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাছিল, সেয়াও নহয়। তৎকালীন চৰকাৰেও সমাধান বিচাৰি উলিওৱাৰ প্ৰতিশ্ৰুতি দিছিল। আনকি ইৰানৰ 'ছুপ্ৰিম কাউন্সিল অৱ ৱাটাৰ'ৰ ন নম্বৰ দফাৰ এটা পৰিকল্পনাও গৃহীত কৰা হৈছিল। অথচ আঠ বছৰৰ পূৰ্বৰ সেই পৰিকল্পনা আজিও বাস্তৱায়িত হোৱা নাই।

# নগাঁও মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ সিদ্ধান্তত আনন্দ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যখনৰ আন চাৰিখন মহাবিদ্যালয়ৰ লগতে ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ কৰাৰ ঘোষণাই উৎফুল্লিত কৰিছে নগাঁওবাসীক। নগাঁও মহাবিদ্যালয়ৰ শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা, প্ৰাক্তন অধ্যক্ষ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী প্ৰয়াত মুহিৰাম শইকীয়া, সাহিত্যাচাৰ্য পদ্মশ্ৰী মহিম বৰা, সাহিত্যিক প্ৰদীপ শইকীয়া, প্ৰাক্তন অধ্যক্ষ তথা শিক্ষাবিদ মহেন্দ্ৰ আহোম, বৰ্তমানৰ অধ্যক্ষ ড° শৰৎ বৰকটকী আৰু কৰ্মৰত অন্যান্য অধ্যাপক সকলৰ নিৰৱিচ্ছিন্ন সেৱাৰ বাবেই আজি নগাঁও মহাবিদ্যালয়ে এই মৰ্যাদা লাভ কৰিবলৈ সক্ষম হ'ল। ৰাজ্যৰ আন চাৰিখন মহাবিদ্যালয়ৰ সমান্তৰালভাৱে নগাঁও মহাবিদ্যালয়ক বিশ্ববিদ্যালয়ৰ মৰ্যাদা প্ৰদান কৰা হ'ব বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ পাছতে মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, প্ৰাক্তন তথা বৰ্তমানৰ শিক্ষাৰ্থীসকলৰ মাজত আনন্দৰ জোৱাৰ উঠিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ এই ঘোষণাৰ পাছতে স্বাভাৱিকতে নগাঁৱৰ বৌদ্ধিক মহলতো আনন্দৰ জোৱাৰ উঠিছে। নগাঁও মহাবিদ্যালয়ক বিশ্ববিদ্যালয়ৰ মৰ্যাদা প্ৰদান কৰা সন্দৰ্ভত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে নগাঁওবাসীৰ বহু দিনীয়া আশা-প্ৰত্যাশাৰ অন্তত বহু আকাংক্ষিত ভাল খবৰটো পাবলৈ সক্ষম হ'ল। বিগত সময়খিনিত আমি অসম বিধানসভাৰ মজিয়াত এই সন্দৰ্ভত চৰকাৰক দৃষ্টি আকৰ্ষণ কৰাৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো বিভিন্ন সময়ত নগাঁও মহাবিদ্যালয়ৰ উন্নয়ন সম্পৰ্কত আবেদন নিবেদন কৰি আহিছিলোঁ। অৱশেষত সেই ভাল খবৰটো পাবলৈ নগাঁওবাসী সক্ষম হ'লো। ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক নগাঁও বাসীৰ হৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে বিধায়ক ৰূপক শৰ্মাই। তদুপৰি অহা তিনি বছৰৰ ভিতৰতে নগাঁও বিশ্ববিদ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণ হ'ব বুলিও জানিবলৈ দিলে বিধায়ক ৰূপক শৰ্মাই । অৱশ্যে বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ বাবে আৰু অধিক ভুমিৰ প্ৰয়োজন হ'ব বুলিও বিধায়ক শৰ্মাই মন্তব্য প্ৰকাশ কৰে। মহাবিদ্যালয়খনক বিশ্ববিদ্যালয়ৰ মৰ্যাদা প্ৰদান কৰা সন্দৰ্ভত মহাবিদ্যালয় খনৰ অধ্যক্ষ ড° শৰৎ বৰকটকীয়েও আনন্দ প্ৰকাশ কৰাৰ লগতে ধন্যবাদ জ্ঞাপন কৰে মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক ৰূপক শৰ্মাক। তেওঁ কয়- এতিয়া নগাঁও মহাবিদ্যালয়ৰ দায়িত্ব আৰু বৃদ্ধি পালে। শিক্ষাৰ্থী সকলৰ আশা আকাংক্ষা পূৰণ হক্কব পৰাকৈ উন্নত মানদণ্ডৰ শিক্ষাদান কৰাৰ লগতে এটা সুস্থ শৈক্ষিক বাতাবৰণ সৃষ্টি কৰাৰ ক্ষেত্ৰত আগন্তুক দিনত মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গই দিনে নিশাই কাম কৰিব লাগিব। এইক্ষেত্ৰত চৰকাৰৰ সদিচ্ছা প্ৰতিফলিত হ'ব পৰাকৈ নগাঁওবাসীৰ সহযোগিতা আৰু সংবাদ মাধ্যমৰ যোগাত্মক দৃষ্টি ভংগীৰে শিক্ষানুষ্ঠানখনক আগবঢ়ায় নিবলৈ অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে আহ্বান জনায়।

# অনাদৃত পানীমেটেকাৰে তৈয়াৰী সামগ্ৰীৰে স্বাৱলম্বিতাৰ বাট বুলিছে অৰ্ধ-শতাধিক মহিলাই

**নগাঁৱৰ বৰচিলাৰ ৫০ গৰাকী উদ্যমী মহিলাৰ প্ৰশংসনীয় পদক্ষেপ**



**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ নৱেম্বৰ ঃ** ওচৰৰ বিল, খাল, জলাশয়, পুখুৰী আদিত সহজলভ্য, অনাদৃত পানীমেটেকাও যে স্বাৱলম্বিতাৰ অন্যতম সম্বল হ'ব পাৰে সেই কথা প্ৰতিপন্ন কৰি দেখুৱাইছে নগাঁও জিলাৰ বৰচিলাৰ অৰ্ধ শতাধিক কৰ্মঠ মহিলাই। নগাঁও জিলাৰ বেবেজীয়াৰ পাৰ্শ্বৱৰ্তী তিৱা জনগোষ্ঠীৰ লোকৰ বসতিপ্ৰধান বৰচিলাৰ অৰ্ধ শতাধিক কৰ্মঠ মহিলাই অনাদৃত পানীমেটেকাকে কেঁচা সামগ্ৰী হিচাপে লৈ গঢ়ি তুলিছে এক থলুৱা শিল্প উদ্যোগ। উল্লেখ্য যে বৰচিলাৰ 'দলংঘাট হেণ্ডিক্ৰাফট' কো-অপাৰেটিভ ছ'চাইটি লিমিটেড' নামৰ অনুষ্ঠানটোত বৰচিলা অঞ্চলটোৰ ৫০গৰাকী উদ্যমী মহিলাই নৈ-বিল-পিতনি-জলাশয় আৰু সোনাই নদীত অনাদৃত হৈ পৰি থকা পানী মেটেকাৰ পৰা নিজহাতে বিভিন্ন বিধ সামগ্ৰী বনাই ৰাজ্যখনৰ লগতে ৰাজ্যৰ বাহিৰতো বিক্ৰী কৰি সকলোতে সমাদৃত হোৱাৰ উপৰি লক্ষাধিক টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। বৰচিলাৰ উপৰি হালধিআটী, গাখজুৰা, দলংঘাটৰ এইসকল মহিলাই নিজৰ ঘৰুৱা কাম-কাজতে সীমাবদ্ধ নাথাকি অঞ্চলটোৰ বিল, পিতনি, জলাশয়, সোনাই নদীৰ একঁকাল পানীত নামি বোকা-পানী গচকি, ঠেলাত বোজাই, কঢ়িয়াই আনে পানীমেটেকা। মহিলাসকলে পানীমেটেকাসমূহ নিজে সংগ্ৰহ কৰি ছ'চাইটিৰ ঘৰত প্ৰথম পৰ্যায়ত মজুত কৰে। পানীমেটেকা নিজে কাটি, কঢ়িয়াই, সংগ্ৰহ কৰি মেচিনত শুকুৱাই, ৰং সানি তাৰে তেওঁলোকে বিভিন্ন সামগ্ৰী যেনে ফুলৰ টাব, কঠ, ঢাৰি, পাটী, ফাইল ক'ভাৰ, দলিচা, জুৱেলাৰী বেগ, টিফিন বেগ, ফ্লাস্ক বেগ, বজাৰ কৰা মোনা, মন্দিৰৰ ফলমূলৰ বেগ, মহিলাসকলৰ বাবে ম'বাইল বেগ, মানি বেগ, বিভিন্ন সৰু ডাঙৰ বেগকে ধৰি নানাবিধ সামগ্ৰী তৈয়াৰ কৰে। পাছত সেই সামগ্ৰীসমূহ নগাঁও-মৰিগাঁও জিলাৰ বিভিন্ন বজাৰত বিক্ৰী কৰাৰ উপৰি ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, গুৱাহাটী, কাৰ্বি আংলং, তেজপুৰ, লখিমপুৰ, ধেমাজিকে ধৰি অসমৰ বিভিন্ন স্থানত বিক্ৰী কৰি আহিছে। কেৱল যে অসমতেই বিক্ৰী হৈছে এইসমূহ সামগ্ৰী তেনে নহয়, পানীমেটেকাৰে তৈয়াৰী এই সামগ্ৰীসমূহ পৰ্যায়ক্ৰমে অসমৰ বাহিৰত যেনে মুম্বাই, নতুন দিল্লী, ৰাজস্থান, কেৰালা, চেন্নাই, হায়দৰাবাদ, হিমাচল প্ৰদেশ আদিত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰদৰ্শনীত এই ছ'চাইটিখনৰ মহিলা সকলে অংশগ্ৰহণ কৰি তাতো বিক্ৰী আহিছে। ইয়াৰ উপৰি উত্তৰ-পূৰ্বাঞ্চলৰ মেঘালয়, মণিপুৰ, অৰুণাচল প্ৰদেশ আদিতো অনুষ্ঠিত প্ৰদৰ্শনীসমূহত এইসকল কৰ্মোদ্যমী মহিলাই অংশগ্ৰহণ কৰি সমাদৰ বুটলিবলৈ সক্ষম হৈছে । এই প্ৰদৰ্শনী সমূহত অংশগ্ৰহণেৰে 'দলংঘাট হেণ্ডিক্ৰাফট' কো-অপাৰেটিভ ছ'চাইটি লিমিটেডৰ মহিলাসকলে বিগত বৰ্ষত প্ৰায় ১৫ লাখ টকাৰ সামগ্ৰী বিক্ৰী কৰিছে বুলি মহিলাসকলে জানিবলৈ দিছে। অৱশ্যে যোৱাবাৰ তলাবন্ধৰ বাবে স্থবিৰতা আহিছিল যদিও বৰ্তমান পুনৰ ঠন ধৰি উঠিছে মহিলাসকলৰ ছ'চাইটিখন। ছ'চাইটিখনৰ বৰ্তমানৰ সভানেত্ৰী চন্দ্ৰপ্ৰভা বৰদলৈ, বাণিজ্যিক সমন্বয়ক মুনমী দেউৰজাৰ লগতে বহু কেইগৰাকী মহিলাই তাত নিজৰ নিজৰ কামত ব্যস্ত থাকে। ঠিক একেদৰে, অঞ্জু বৰদলৈ, নন্দেমাই ৰাজবংশী, পদুমী ডেকা, বৈজয়ন্তী বৰদলৈ, তুলুমনি বৰদলৈ, প্ৰণামিকা ডেকা, মমী কাকতি ডেকা আদিয়ে কাৰ্যালয়ত দৈনিক পুৱা ১০-৩০ বজাৰ পৰা বিয়লি তিনি-চাৰিবজা পৰ্যন্ত পানীমেটেকাৰে সামগ্ৰী তৈয়াৰত ব্যস্ত হৈ থাকে ।

উল্লেখ্য যে কেৱল পানীমেটেকাৰ সামগ্ৰী প্ৰস্তুতেই নহয়, গাওঁখনৰ মহিলাসকলে বয়ন শিল্প, হাঁহ-কুকুৰা, ছাগলী, জাৰ্ছী গৰু পোহপালন কৰিও যথেষ্ট লাভান্বিত হৈছে। ছ'চাইটিৰ সদস্যাসকল ক্ৰমে অঞ্জু বৰদলৈ, নন্দেমাই ৰাজবংশী, পদুমী ডেকাই সাংবাদিকৰ আগত কয় যে, হাহঁ-কুকুৰা পালন, গৰু-ছাগলীৰ গাখীৰ বিক্ৰী কৰি যি লাভাংশ পায় তাৰে আনৰ ওচৰত হাত নপতাকৈ চলি আছে। ছ'চাইটিৰ মহিলাসকলে লগতে জানিবলৈ দিয়ামতে, তেওঁলোকে এতিয়া সকলো কথাতে স্বামীৰ মুখলৈ চাবলগীয়া নহয়। প্ৰণিধানযোগ্য যে বটদ্ৰৱা সমষ্টিৰ দলংঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত বৰচিলা হেণ্ডিক্ৰাফট' কো-অপাৰেটিভ ছ'চাইটি লিমিটেডে চৰকাৰী সাহায্য প্ৰাপ্তিৰ ক্ষেত্ৰত বঞ্চিত হৈ থকা বুলি জানিব পৰা গৈছে। চৰকাৰী সহায়-সাহায্য পালে বৰচিলাৰ এই মহিলাসকলে আৰু অধিক আগুৱাই গৈ আন বহুতৰ বাবে আদৰ্শস্বৰূপ হৈ পৰিব সেইটো নিশ্চিত।

# মূল্যবৃদ্ধি ৰোধৰ বিজেপিৰ প্ৰতিশ্ৰুতি ধোঁৱাচাঙত উঠিল ঃ সৰব ৰিপুন বৰা

**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ২১ নৱেম্বৰ ঃ** পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছকে ধৰি নিত্য ব্যৱহাৰ্য সা-সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ প্ৰতিবাদত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ আহ্বানক্ৰমে ৰূপায়ণ কৰা দেশজোৰা 'জনজাগৰণ অভিযান' উপলক্ষে ৰাজ্যসভাৰ সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি ৰিপুন বৰাৰ নেতৃত্বত ছয়দুৱাৰ আৰু পূব ছয়দুৱাৰ ব্লক কংগ্ৰেছৰ উদ্যোগত গহপুৰ বিধান সভা সমষ্টিত যোৱা ১৪ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা জনজাগৰণ পদযাত্ৰাৰ আজি গহপুৰ নগৰত সামৰণি পৰে। সমষ্টিটোৰ কাৰিবিল গাঁও পঞ্চায়তৰ পৰা আৰম্ভ হোৱা উক্ত জনজাগৰণ যাত্ৰাৰ গহপুৰ বিধানসভা সমষ্টিৰ ১৫ টাকৈ পঞ্চায়তত প্ৰায় ১৫০ কিলোমিটাৰ পদযাত্ৰাত ৰিপুন বৰাই অংশগ্ৰহণ কৰি বিজেপি চৰকাৰৰ কাৰ্যকালত হোৱা আকাশলংঘী মূল্যবৃদ্ধিৰ তীব্ৰ প্ৰতিবাদ কৰে।

আজি প্ৰথম পৰ্যায়ৰ সামৰণি কাৰ্যসূচীৰ অংশস্বৰূপে পুৰূপবাৰীৰ পৰা গহপুৰ নগৰৰ মাজেৰে পদযাত্ৰা কৰি বিজেপি চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে গহপুৰ কংগ্ৰেছে প্ৰতিবাদ তীব্ৰতৰ কৰি তোলে। এই সন্দৰ্ভত বৰাই বিজেপি চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰি কয় যে অসমত বিজেপি নেতৃত্বাধীন চৰকাৰৰ বয়স প্ৰায় পাঁচ বছৰ ছমাহ আৰু কেন্দ্ৰত বিজেপি নেতৃত্বাধীন চৰকাৰৰ বয়স প্ৰায় সাত বছৰ ছমাহ। এই দীঘলীয়া সময়ছোৱাত কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰে যে ৰাইজক কেৱল প্ৰতাৰণা কৰিলে, সেই কথা ইতিমধ্যে সকলোৱে বুজি উঠিছে। নিত্য ব্যৱহাৰ্য সা-সামগ্ৰীৰ মূল্য হ্ৰাস কৰাৰ যি প্ৰতিশ্ৰুতি বিজেপি মিত্ৰজোটে নিৰ্বাচনসমূহৰ পূৰ্বে দিছিল সেয়া এতিয়া ধোঁৱাচাঙত উঠিল। সম্প্ৰতি মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক জ্বলা-কলা খুৱাইছে। বৰাই কয় যে চলিত বৰ্ষৰ এক জানুৱাৰীৰ পৰা চাৰি অক্টোবৰলৈ পেট্ৰ'ল আৰু ডিজেলৰ মূল্য ৯৬ বাৰ বৃদ্ধি হৈছে। অলপতে হৈ যোৱা দেশৰ ৩০টা বিধানসভা আৰু তিনিটা লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত অসমক বাদ দি বাকী ৰাজ্য সমূহত বিজেপি ধৰাশায়ী হোৱাৰ পাছত শংকিত হৈ আৰু অহা ফেব্ৰুৱাৰীত উত্তৰ প্ৰদেশকে ধৰি দেশৰ পাঁচ ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি যোৱা চাৰি নৱেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ পেট্ৰ'ল-ডিজেলৰ মূল্য সামান্য হ্ৰাস কৰা হৈছে যদিও এতিয়াও পেট্ৰ'লৰ দাম প্ৰতি লিটাৰত ৯৫ টকাৰ ওপৰ আৰু ডিজেলৰ দাম প্ৰতি লিটাৰত ৮০ টকাৰ ওপৰ হৈ আছে। টানত পৰি ৰাম নাম লোৱা বিজেপি নেতৃত্বাধীন চৰকাৰে শেহতীয়াভাৱে প্ৰতিলিটাৰ পেট্ৰ'লত পাঁচ টকা আৰু প্ৰতিলিটাৰ ডিজেলত ১০ টকা আৱকাৰী শুল্ক হ্ৰাস কৰিলেও এতিয়াও ৰাইজে প্ৰকৃত দামৰ ওপৰত প্ৰতিলিটাৰ পেট্ৰ'লত ২৭.৯০ টকা আৰু প্ৰতিলিটাৰ ডিজেলত ২১.৮০ টকা অতিৰিক্তভাৱে কৰ আদায় দি থাকিবলগীয়া হৈ আছে। ইয়াৰ উপৰি বৰাই কয় যে ৰন্ধন গেছৰ একোটা বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য বৰ্তমান দুহেজাৰ টকাৰ ওপৰ হৈছে, যাৰ ফলত সৰু-সুৰা চাহ দোকানী, হোটেল ব্যৱসায়ী, ফাষ্ট ফুডৰ দোকানী আদিৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। পেট্ৰ'ল, ডিজেলৰ মূল্যবৃদ্ধিৰ ফলত ৰেলভাড়া, বাছভাড়াৰ উপৰি পৰিবহণ ব্যয় বৃদ্ধি হোৱাৰ ফলত অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী যেনে ইটা, বালি, শিল, চিমেণ্ট, লোহা, শাক-পাচলি, ফল-মূল, ঔষধ, কাপোৰ-কানি, জোতা-ছেণ্ডুল, প্ৰসাধন সামগ্ৰী আদিৰো ব্যাপক মূল্যবৃদ্ধি হৈছে। কংগ্ৰেছ চৰকাৰৰ দিনত যেতিয়া চিলিণ্ডাৰ আৰু পেট্ৰ'ল, ডিজেলৰ মূল্য বৰ্তমানতকৈ আধা আছিল, তেতিয়া গৰুগাড়ীত উঠি, হাতত চিলিণ্ডাৰ লৈ, পিঁয়াজৰ মালা পিন্ধি ৰাজপথত প্ৰতিবাদ কৰা বিজেপি নেতা সকল এতিয়া নিমাত কিয় বুলিও ৰিপুন বৰাই কটাক্ষ কৰে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com